● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**পুনৰ আৱিৰ্ভাৱ**



দীৰ্ঘদিন নিৰুদ্দেশৰ অন্তত পুনৰ আৱিৰ্ভাৱ ঘটিল বিলাসনন্দনৰ। 'দৈনিক অগ্ৰদূত'ৰ এসময়ৰ অতি জনপ্ৰিয় শিতান 'বিলাসনন্দনৰ চ'ৰা' অধিক আকৰ্ষণীয় ৰূপত পুনৰ পঢ়ক শেষ পৃষ্ঠাত।
— সম্পাদক

www.dainikagradoot.in


৭ কৰ'নাৰ সংক্ৰমণত দেশত প্ৰাণ হেৰুৱালে ৩০০ সাংবাদিকে
১৩ ভাৰতীয় দলত অসমৰ শিৱ-লাভলীনা
৪ কৰ'না সংক্ৰমণ ৰোধৰ সৰ্বোত্তম উপায় কি?

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২১৯তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৫ জেঠ ১৪২৮ ভাস্কৰাব্দ ২০ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 20 May 2021 মূল্য ঃ ৭.০০ টকা

■ ইজৰাইল-পেলেষ্টাইন সংঘৰ্ষৰ চূড়ান্ত অৱনতি ■ হামাছৰ মুৰব্বীক নিশ্চিহ্ন কৰাৰ লক্ষ্যৰেই অভিযান টেল আভিভৰ ■ শিশু-মহিলাকে ধৰি দৈনিক শ শ লোক হতাহত

# আৰু এক বিশ্বযুদ্ধৰ আগজাননী!

■নিউজ ব্যুৰ'
টেল আভিভ, ১৯ মে' ঃ বিশ্বজুৰি ক'ভিডৰ ভয়াৰহতাৰ মাজতে ইজৰাইল আৰু পেলেষ্টাইনৰ উগ্ৰপন্থী সংগঠন হামাছৰ মাজত সংঘাতে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এপ্ৰিলৰ মাজভাগতে ইছলাম ধৰ্মাৱলম্বীসকলৰ পৱিত্ৰ ৰমজানৰ সময়ৰে পৰা ক্ৰমাৎ দুয়োপক্ষৰ মাজত উত্তেজনা বৃদ্ধি পায়। ইজৰাইলৰ আৰক্ষীয়ে অধিকৃত পুৰণি নগৰী জেৰুজালেমৰ



পেলেষ্টাইনী পৰিয়ালক উৎখাতৰ ভাবুকি প্ৰদানৰ বাহিৰৰ ডামাছকাছ গেটত বেৰিকেড স্থাপন কৰি সেই স্থানত পেলেষ্টাইনীসকলক সমবেত হোৱাত বাধা প্ৰদান কৰে। ইয়াকে লৈ প্ৰতিবাদৰ সৃষ্টি হোৱাত আৰক্ষীয়ে বেৰিকেড আঁতৰাই লৈ যায় যদিও ইতিমধ্যে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। ৰমজানৰ শেষ সপ্তাহত উত্তৰ জেৰুজালেম সংলগ্ন অঞ্চল শ্বেইখ জাৰাহত বহুসংখ্যক আঠ পৃষ্ঠাত চাওক

## বিদ্যাৰ্থীৰ পৰীক্ষাকেন্দ্ৰিক সংকট

অসমৰ শিক্ষামন্ত্ৰী সমীপেষু

■ দয়ানন্দ পাঠক



যিকোনো শৈক্ষিক পাঠ্যক্ৰমৰ লগত উক্ত পাঠ্যক্ৰমৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰম্পৰা এটাও আছে। পাঠ্যক্ৰম আছে, কিন্তু পৰীক্ষা নাই এনে কথা হ'বই নোৱাৰে। পৰীক্ষাৰ মাজেৰে এজন ছাত্ৰ বা এজনী ছাত্ৰীয়ে নিজৰ নিজৰ পাঠ্যক্ৰম কিমানখিনি আয়ত্ত কৰিব পাৰিছে, ১০ পৃষ্ঠাত চাওক



ক'ভিড বিধি উলংঘা কৰি এইদৰেই দিন কটাইছে কৰ'না আক্ৰান্তই, ডিব্ৰুগড়ৰ চাহ বাগিচাত বুধবাৰে।

■ কৰ'নাৰ দৈনিক সংক্ৰমণৰ হাৰত কিছু হ্ৰাস ■ এইবাৰ শিৱসাগৰৰ কাৰাগাৰত গণ সংক্ৰমণ ■ সংক্ৰমিতই মুকলিভাৱে ঘূৰি ফুৰিছে

## ৰাজ্যত একেদিনাই পুনৰ ছয় সহস্ৰাধিক আক্ৰান্ত, মৃত্যু ৮৯জনৰ

■ কামৰূপ মহানগৰতো আক্ৰান্তৰ সংখ্যা নিম্নমুখী ■ মৃত্যুৰ তালিকাত এন আৰ এলৰ প্ৰাক্তন বিষয়া, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিজেপি নেত্ৰী, শিক্ষক, চাহ বাগিচাৰ শ্ৰমিক আদি



ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ মে' ঃ ক'ভিড-১৯ত আক্ৰান্ত ৰোগীৰ সংখ্যা আজি পুনৰ বৃদ্ধি পালে। বিগত ২৪ ঘণ্টাত ৰাজ্যখনত ৮৯ জন কৰ'না ৰোগীৰ মৃত্যু হয়। দৈনিক সংক্ৰমণৰ হাৰ আজি কিছু নিম্নমুখী হয় যদিও দৈনিক আক্ৰান্তৰ সংখ্যা সামান্য বৃদ্ধি পায়। সেইদৰে একেৰাহে দ্বিতীয় দিনত অব্যাহত থাকে কামৰূপ মহানগৰ জিলাত নিম্নমুখী হোৱা আক্ৰান্তৰ আঠ পৃষ্ঠাত চাওক

■ কৰ'নাৰ পৰা সুস্থ হোৱাৰ পাছত চিকিৎসাধীন হৈছিল ধিঙৰ ২৭ বছৰীয়া যুৱক পলমণি

■ অতিমাত্ৰা গৰমপানী পানৰ বাবে ডিঙিত সমস্যা হোৱা বুলি প্ৰকাশ কৰিলে পৰিয়ালে

## ৰাজ্যত 'ব্লেক ফাংগাছ'ত আক্ৰান্তৰ মৃত্যু

**সংক্ৰমণ বৃদ্ধি পালেও নাই 'ব্লেক ফাংগাছ'ৰ ঔষধৰ পৰ্যাপ্ত যোগান**

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
নগাঁও/ধিং, ১৯ মে' ঃ মাৰাত্মক 'ব্লেক ফাংগাছ'ত আক্ৰান্ত হোৱা নগাঁও জিলাৰ এজন যুৱকৰ আজি গুৱাহাটীত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। জিলাখনৰ ধিঙৰ চমুৱা গাঁৱৰ পলমণি বৰা (২৭) নামৰ যুৱকজন হৈছে ৰাজ্যত চৰকাৰীভাৱে চিহ্নিত হোৱা প্ৰথমজন 'ব্লেক ফাংগাছ'ৰ আক্ৰান্ত। পৰিয়ালৰ লোকে মাৰাত্মক ভেঁকুৰৰ বাবে মৃত্যুৰ কাৰণ অস্বীকাৰ কৰিছে যদিও ইতিমধ্যে হাস্পতালৰ তৰফৰ পৰা এই নিশ্চয়তা প্ৰদান কৰিছে। আজি পুৱা মহানগৰীৰ এপল' হাস্পতালত অবিবাহিত যুৱকজনৰ মৃত্যু হয়। 'ব্লেক ফাংগাছ'ত আক্ৰান্ত হোৱাৰ ফলত 'ছেপ্টিক শ্বক' হৈ যুৱকজনৰ মৃত্যু হোৱা বুলি হাস্পতালখনে নিশ্চয়তা প্ৰদান কৰিছে। ১০ পৃষ্ঠাত চাওক



### ৰাজস্থানত মহামাৰী ঘোষণা চৰকাৰৰ

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ মে' ঃ প্ৰতিদিনে দেশৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পাইছে 'মিউক'ৰমাইক'ছিছ'ত আক্ৰান্তৰ সংখ্যা। 'ব্লেক ফাংগাছ' নামেৰেও পৰিচিত এই 'মিউক'ৰমাইক'ছিছ'ত আক্ৰান্তৰ সমান্তৰালকৈ বৃদ্ধি পাইছে এই জটিল ৰোগৰ ঔষধৰ চাহিদাও। এই মুহূৰ্তত 'ব্লেক ফাংগাছ'ত আক্ৰান্তসকলক সুস্থ কৰাৰ বাবে দেশত ১০ পৃষ্ঠাত চাওক

■ অধিক সম্প্ৰসাৰণ নহ'বলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে ঃ স্বাস্থ্যমন্ত্ৰী

## আতংকিত নহ'ব! ব্লেক ফাংগাছৰ চিকিৎসাৰ বাবে সাজু জিএমচিএইছ

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ মে' ঃ দেশৰ কে'বাখনো ৰাজ্যত গুৰুতৰ ৰূপ ধাৰণ কৰা তথা কালি অসমতো ধৰা পৰা 'ব্লেক ফাংগাছ' নামৰ ভেঁকুৰ বিধৰ সংক্ৰমণত এজন ৰোগী মৃত্যু হোৱাৰ কথা নিশ্চিত কৰিছে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। কৰ'নাৰ সংহাৰৰ মাজতে যোৱা নিশা মহানগৰীৰ এপ'ল' হাস্পতালত এজন ক'ভিড ৰোগীৰ দেহত 'ব্লেক ফাংগাছ'ৰ অৱস্থিতি ধৰা পৰা বুলি স্বাস্থ্যমন্ত্ৰীয়ে সদৰী কৰি আজি ৰোগীজনৰ মৃত্যু হোৱা বুলি কয়। উল্লেখ্য যে ক'ভিডত আক্ৰান্ত হৈ যোৱা ১৬ মে'ত এপ'ল' হাস্পতালত ভৰ্তি হৈছিল নগাঁৱৰ ধিঙৰ পলমণি বৰা (২৭) নামৰ যুৱকজন। কালি বিয়লি তেওঁৰ দেহত 'ব্লেক ফাংগাছ' নামৰ ভেঁকুৰ সংক্ৰমিত হৈ আজি পুৱা ১০ পৃষ্ঠাত চাওক


**চিকিৎসক ডাঃ বৈশ্যৰ আহ্বান**

## ছিণ্ডিকেটৰ সন্ভেদ পালে ডিজিপিক জনাওক ঃ শৰ্মা

অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত মুখ্যমন্ত্ৰী

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ মে' ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম আৰক্ষীৰ উলুবাৰীস্থিত মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰি আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তসহ আঠ পৃষ্ঠাত চাওক

## কাইলৈ বিধানসভাৰ অধিৱেশন আৰম্ভ
## প্ৰ'টেম অধ্যক্ষ ফণীভূষণ চৌধুৰীৰ শপতগ্ৰহণ



ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ মে' ঃ পঞ্চদশ অসম বিধানসভাৰ প্ৰ'টেম অধ্যক্ষৰূপে আজি শপতগ্ৰহণ কৰে প্ৰবীণ বিধায়ক ফণীভূষণ চৌধুৰীয়ে। প্ৰাক্তন মন্ত্ৰী তথা বিধানসভাৰ জ্যেষ্ঠ সদস্য চৌধুৰীক আজি জনতা ভৱনস্থিত ১০ পৃষ্ঠাত চাওক

■ ড° শৰ্মাৰ কেবিনেট বৈঠকত কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

## অক্সিজেনৰ নাটনিৰ আশংকাত উৎপাদন গোটলৈ ৰাজসাহায্য ঘোষণা

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ মে' ঃ দ্ৰুত বৰ্ধিত চাহিদাৰ ফলত অসমতো কৰ'নাকালত অক্সিজেনৰ নাটনিৰ আশংকা কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত অক্সিজেন উৎপাদনত উদ্যোগীক উৎসাহিত কৰিবলৈ ৰাজসাহায্য আগবঢ়োৱাকে ধৰি নতুন চৰকাৰৰ দ্বিতীয়খন কেবিনেট বৈঠকে আজি কে'বাটাও বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত জনতা ভৱনত অনুষ্ঠিত এই বৈঠকত স্বাস্থ্য বিভাগৰ সিদ্ধান্তসমূহ সদৰী কৰি বিভাগীয় মন্ত্ৰী কেশৱ মহন্তই কয় যে উৎপাদক তথা উদ্যোগীক উৎসাহ আৰু সকাহ প্ৰদানৰ বাবে চৰকাৰে নতুনকৈ স্থাপন কৰা উৎপাদন উদ্যোগক এশ শতাংশ বিনামূলীয়া বিদ্যুৎ যোগান ধৰিব। ১০ পৃষ্ঠাত চাওক

**কেবিনেটৰ সিদ্ধান্ত**



■ নতুন অক্সিজেন উৎপাদন উদ্যোগক এশ শতাংশ বিনামূলীয়া বিদ্যুৎ
■ বন্ধ হৈ থকা অক্সিজেন উদ্যোগ পুনৰ মুকলি কৰিলেও এশ শতাংশ বিনামূলীয়া বিদ্যুৎ
আঠ পৃষ্ঠাত চাওক

**লবী ৰাজনীতিৰ দৌৰাত্ম্য ঃ বিৰোধী দলপতি পদলৈ লোলুপ দৃষ্টি বহুকেইজনৰ**

## ফলাফল ঘোষণাৰ এপষেক পাছতো বাছনিয়েই নহ'ল কংগ্ৰেছ বিধায়িনী দলপতি



ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ মে' ঃ অহা ২১ মে'ৰ পৰা নতুন অসম বিধাসভাৰ অধিৱেশন আৰম্ভ হ'ব। ইতিমধ্যে বিজেপি, অসম গণ পৰিষদ আৰু এআইইউডিএফে বিধায়িনী দলপতি, উপ-দলপতি আদি পদ পূৰণ কৰি অধিৱেশনৰ বাবে সাজু হৈছে। ব্যতিক্ৰম একমাত্ৰ কংগ্ৰেছ। চৰকাৰ গঠন কৰিবই বুলি দাবী কৰি ব্যৰ্থ হোৱা কংগ্ৰেছৰ এই পৰ্যন্ত বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হোৱা নাই। গতিকে পদবোৰো পূৰণ হোৱা নাই। তাৰ মাজতে আকৌ পদ দখলক ১০ পৃষ্ঠাত চাওক

## নতুন প্ৰজাতিৰ সন্ধান লাভ ঃ ভাৰতত অধিক সংক্ৰামক হ'ব পাৰে কৰ'না

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ মে' ঃ ক্ৰমাগত ৰূপ আৰু চৰিত্ৰ সলনিৰ ফলত সংক্ৰমণ ক্ষমতাও যথেষ্ট বৃদ্ধি পাইছে কৰ'না ভাইৰাছৰ কে'বাটাও নতুন ষ্ট্ৰে'ন অৰ্থাৎ প্ৰজাতিৰ। গৱেষকসকলে শংকা প্ৰকাশ কৰা মতে, ভৱিষ্যতে আঠ পৃষ্ঠাত চাওক

■ বিহাৰ-উত্তৰ প্ৰদেশৰ গৰুৰে ৰাজ্যত গঢ়ি উঠিছে বৃহৎ ছিণ্ডিকেট

ছিণ্ডিকেটৰ বিৰুদ্ধে অভিযান ■ অপৰাধ শাখাৰ জিম্মাত পাঁচ মাফিয়া

## গুৱাহাটীত বহি গৰুৰ চোৰাং সৰবৰাহ অব্যাহত ৰখা বহিঃৰাজ্যৰ দুজনক গ্ৰেপ্তাৰ



আঁৰত কোন? ধৃত বহিঃৰাজ্যৰ গৰু ছিণ্ডিকেটৰ পৰিচালকসকল।

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ মে' ঃ এইবাৰ বহিঃৰাজ্যৰ পৰা আমদানি কৰি অসমত গৰু ছিণ্ডিকেট গঢ়ি তুলিছে এক বৃহৎ চক্ৰই। বশিষ্ঠ আৰক্ষী থানাত ২০১৮তে ৰুজু হৈ থকা ১৫৫৯ আঠ পৃষ্ঠাত চাওক

## আত্মহত্যাৰ টোকা লিখি সন্ধানহীন জনপ্ৰিয় শিল্পী শিৱচৰণ দাস

বিশেষ সংবাদদাতা
ডিব্ৰুগড়, ১৯ মে' ঃ আত্মহত্যাৰ টোকা লিখি ৰহস্যজনকভাৱে নিৰুদ্দেশ হ'ল চাহ জনগোষ্ঠীৰ প্ৰথমগৰাকী অনাতাঁৰ শিল্পী তথা 'অকলশৰীয়া মই এটি ছায়া'কে ধৰি বহু জনপ্ৰিয় গীতৰে অসমৰ সংগীত জগতত এসময়ত খলকনি লগোৱা, কালজয়ী ১০ পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙত পুনৰ যুৱকক গুলীয়াই হত্যা দুৰ্বৃত্তৰ

বিশেষ সংবাদদাতা
বকলীয়াঘাট, ১৯ মে' ঃ কাৰ্বি আংলং জিলাৰ ধনশিৰিৰ দাউজিং ফাং গাঁৱত আজি বিয়লি প্ৰায় ৫-৩০ বজাত অচিনাক্ত মাৰণাস্ত্ৰধাৰীয়ে সঞ্জয় ৰংহাং নামৰ যুৱক এজনক গুলীয়াই হত্যা কৰে। যুৱকজনক আঠ পৃষ্ঠাত চাওক

## ক'ভিডমুক্তৰ টিকাকৰণত বিলম্ব হ'লে বিপজ্জনক হ'ব

আই এম এৰ সকীয়নি

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ মে' ঃ ক'ভিড আক্ৰান্ত ব্যক্তিয়ে সুস্থ হোৱাৰ কিমান দিন পাছত প্ৰতিষেধক গ্ৰহণ কৰা উচিত? এই সন্দৰ্ভত এতিয়াও কোনো নিৰ্দিষ্ট সিদ্ধান্তত স্বাস্থ্য বিজ্ঞানীসকল উপনীত হ'ব পৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত বিশেষজ্ঞ সমিতিয়ে এনে ব্যক্তিৰ টিকাকৰণৰ ১০ পৃষ্ঠাত চাওক

বিলাসীপাৰাত মাজনিশা লোমহৰ্ষক ডকাইতি

## শিশু সন্তানৰ সন্মুখতে পিতৃ-মাতৃক হত্যা কৰি ধন-সোণ লুট দুৰ্বৃত্তৰ



বিশেষ সংবাদদাতা
বিলাসীপাৰা, ১৯ মে' ঃ বিলাসীপাৰা মহকুমাত যোৱা নিশা এক লোমহৰ্ষক ডকাইতি কাণ্ড সংঘটিত হয়। পাঁচজনীয়া ডকাইতৰ দল এটাই এক দম্পতীক হত্যা কৰি ধন-সোণ লুট কৰি নিয়ে। সৌভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰে দুৰ্ভগীয়া দম্পতীৰ একমাত্ৰ শিশু পুত্ৰৰ। শিশুটিৰ চকুৰ সন্মুখতে ডকাইতে পিতৃ-মাতৃক হত্যা কৰে। এই ঘটনা সংঘটিত হৈছে লক্ষীগঞ্জ ১০ পৃষ্ঠাত চাওক

## নলবাৰীৰ মা কালীসাধক, তান্ত্ৰিক ৰাজীৱ গোস্বামীৰ বিয়োগ



অগ্ৰদূত বাৰ্তা
নলবাৰী, ১৯ মে' ঃ নলবাৰী জিলাৰ খুদিয়াৰ মা মহাকালী আশ্ৰমৰ অধ্যক্ষ তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ১০ পৃষ্ঠাত চাওক

## চেঙা তেল




অ' আপুনিহে! আমি আকৌ নতুন ছাৰে ছাড়েন ভিজিটত আহি ওলাল বুলিহে ভাবিছিলো!

■ কেন্দ্ৰৰ ১০ হেজাৰটকীয়া ঋণ লৈ আৰম্ভ কৰা ব্যৱসায় পুনৰ স্তব্ধ ■ কিস্তি আদায়ক লৈ বিমোৰত ■ ঋণ ৰেহাই সাহায্য প্ৰদানৰ দাবী

## পুনৰ কৰ'নাই অমানিশা কঢ়িয়াই আনিলে পদপথৰ ক্ষুদ্ৰ ব্যৱসায়ীলৈ




ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৮ মে' ঃ মহানগৰীৰ বিভিন্ন পদপথত এখন সৰু টেবুল নাইবা ঠেলাত পুৱাৰে পৰাই কঠোৰ পৰিশ্ৰম কৰি পাণ-তামোল, চাহ-ভাতৰ দোকানৰ জৰিয়তে দৈনিক উপাৰ্জনেৰে জীৱন সংগ্ৰামত ব্ৰতী হোৱা বহু লোকৰ জীৱনলৈ কৰ'নাৰ দ্বিতীয় লহৰে পুনৰ কঢ়িয়াই আনিলে কাল অমানিশা। ২০১৯ত ১০ পৃষ্ঠাত চাওক

■ কৰ'নাৰ দৈনিক সংক্ৰমণ পুনৰ হ্ৰাস, অভিলেখ ৰচি প্ৰথমবাৰ দেশত মৃত্যু ৪,৫২৯ জনৰ

## ক্ৰমশ হ্ৰাস সংক্ৰমণ, বাঢ়িছে মৃত্যু ঃ ৰহস্য কি?

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ মে' ঃ বিগত কে'বাদিন ধৰি দেশত কৰ'নাৰ সংক্ৰমণ হ্ৰাস পাইছে। দেশৰ লগতে প্ৰায়কেইখন ৰাজ্যতো ক'ভিড আক্ৰান্তৰ সংখ্যা ক্ৰমে নিম্নগামী হ'বলৈ ধৰিছে। কিন্তু এনে এক আশাৰ ৰেঙণিৰ মাজতে নতুন উদ্বেগ সৃষ্টি



কৰি দেশত বৃদ্ধি পাইছে ক'ভিডত মৃত্যুৰ সংখ্যা। বিগত কে'বাদিন ধৰি ভাৰতত প্ৰতিদিনে ক'ভিডত মৃতকৰ সংখ্যা বৃদ্ধি পাই আহিছে। যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত নতুনকৈ সংক্ৰমিত হ'ল দুই লাখ ৬৭ হেজাৰ ৩৩৪ জন লোক। আনহাতে, দেশত এদিনতে মৃত্যুৰ সংখ্যা ১০ পৃষ্ঠাত চাওক

## ৰঙিয়া মৰাণজানাত পথ দুৰ্ঘটনাত আহত তিনি

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ১৯ মে’ ঃ** ৰঙিয়াৰ ৩১ নম্বৰ ঘাইপথৰ মৰাণজানাত আজি সংঘটিত এক পথ দুৰ্ঘটনাত এগৰাকী মহিলাসহ তিনিগৰাকী লোক আহত হয়। গুৱাহাটী অভিমুখী এখন মটৰ চাইকেল (নম্বৰ এ এছ-০১ বিবি-৯৬৩০)ৰ লগত বিপৰীত দিশৰ পৰা অহা এখন বাহনৰ (এ এছ-০১ ই বি-৪৫৯৭) মুখামুখি সংঘৰ্ষ হোৱাত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত মটৰ চাইকেলৰ দুই আৰোহীসহ চাৰিচকীয়া বাহনৰ এজন ব্যক্তি আহত হয়। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ লগে লগে স্থানীয় ৰাইজে আহত বাইক আৰোহী ৰঙিয়া কানিকুছিৰ কিশোৰ কলিতা আৰু মঞ্জু বালা দাসক ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায়। দুৰ্ঘটনাত চাৰিচকীয়া বাহনখনৰ সন্মুখভাগ সম্পূৰ্ণ বিধ্বস্ত হৈ যায়।

**ডিজাইন, যোগান, নিৰ্মাণ, পৰীক্ষণ আৰু কমিশ্বনিং**

ই-নিবিদা জাননী নং. ডিৱাই. চিইই/চিঅ’এন/আৰই/এমএলজি/০৯/২০২১ তাৰিখঃ ১১-০৫-২০২১। নিম্নলিখিত কাৰ্যৰ বাবে বৈধ বৈদ্যুতিক ঠিকাদাৰ আৰু পৰিদৰ্শকৰ লাইচেন্স থকা অভিজ্ঞ আৰু যশস্বী ঠিকাদাৰ (সকল)/ফাৰ্ম (সমূহ) ৰ পৰা ই-নিবিদা ব্যৱস্থা যোগে মুকলি নিবিদা আহ্বান কৰা হৈছে। নিবিদা নং. ইএলচিএনএফআৰ-আৰইৱ-২০২১-২২আৰএনৱাই-এমজেডএছ। কামৰ নামঃ ৰঙিয়া-মুৰকংচেলেক ৰেলৱে বৈদ্যুতিকৰণ প্ৰকল্পৰ সৈতে সম্পৰ্কিত এইজিচিএল বৌতা জিএছএছৰ পৰা উত্তৰ পূব সীমান্ত ৰেলৱে ওদালগুড়ী টিএছএছ পৰ্যন্ত ডাবল চাৰ্কিট টাৱাৰৰ ওপৰত ১৩২ কেভি ইএইচভি চিঙ্গল চাৰ্কিট ট্ৰেন্সমিছন লাইনৰ ডিজাইন, যোগান, নিৰ্মাণ, পৰীক্ষণ আৰু কমিশ্বনিঙৰ কাৰ্য (আনুমানিক টিকেএম = ১০.১৩ কেএম)। নিবিদা মূল্যঃ ১৩,৫০,৬৬,৭৪৫/- টকা। নিবিদা জমা কৰাৰ তাৰিখ আৰু সময়- ০৯-০৬-২০২১ তাৰিখে ১৪.৩০ বজাত আৰু খোলা হ’ব-০৯-০৬-২০২১ তাৰিখে ১৫.৩০ বজাত। উপৰোক্ত ই-নিবিদাৰ নিবিদা প্ৰ-পত্ৰৰ সৈতে সম্পূৰ্ণ তথ্য www.ireps.gov.in ৱেবচাইটত উপলব্ধ থাকিব।

উপ. মুখ্য বৈদ্যুতিক অভিযন্তা/চিঅ’এন/আৰই/এইচকিউ/মালিগাঁও
উত্তৰ পূব সীমান্ত ৰেলৱে
(নিৰ্মাণ সংস্থা)
“হাঁহিমুখে গ্ৰাহকলৈ সেৱা”

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

## শিক্ষয়িত্ৰী দময়ন্তী কাকতিৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা
**দুনী, ১৯ মে’ ঃ** বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত দুনী গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক ভৱেন হাজৰিকাৰ পত্নী তথা চেঙেলীয়াঝাৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী দময়ন্তী কাকতি (৫৮)ৰ আজি মঙলদৈ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। শিক্ষকতাৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠানৰ স’তে ওতঃপ্ৰোতভাৱে জড়িত থকা ধৰ্মপ্ৰাণা মহিলাগৰাকী বহুদিন ধৰি বৃক্ক ৰোগত আক্ৰান্ত হৈ আছিল। তেওঁৰ মৃত্যুত দুনী আঞ্চলিক ছাত্ৰ সন্থা, দুনী আঞ্চলিক দুৰ্গোৎসৱ সমিতি, দুনী ব্যৱসায়ী সন্থা, পশ্চিম দৰং প্ৰেছ গীল্ড, অসম শিক্ষক কৰ্মচাৰী ঐক্যমঞ্চ দৰং জিলা সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়। মৃত্যুৰ সময়ত তেওঁ স্বামী আৰু এজন পুত্ৰসহ অনেকক ইহসংসাৰত এৰি যায়।

## অৱসৰপ্ৰাপ্ত শিক্ষক খগেন চন্দ্ৰ বড়োৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ১৯ মে’ ঃ** তামুলপুৰ মহকুমাৰ নাগ্ৰীজুলিস্থিত খাটৰবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক খগেন বড়ো (৬৪)ৰ আজি মৃত্যু হয়। তামুলপুৰৰ দ্বাৰকুছি নিবাসী বড়ো ১৯৯১ত খাটৰবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত হিন্দী শিক্ষকৰ পদত যোগদান কৰিছিল। সদা হাস্যময়ী, অতি নম্ৰ আৰু ৰসিক চৰিত্ৰৰ তথা অভিনয় জগতৰ লগত জড়িত শিক্ষক বড়োৱে ২০১৭ত অৱসৰ গ্ৰহণ কৰিছিল। দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আজি দুপৰীয়া দ্বাৰকুছিৰ নিজ বাসভৱনত তেওঁৰ মৃত্যু হয়। দ্বাৰকুছি অঞ্চলৰ সমাজকৰ্মী খগেন চন্দ্ৰ বড়োৰ মৃত্যুৱে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। খাটাৰবাৰী উচ্চ মাধ্যমিক বিদ্যালয় শিক্ষক আৰু কৰ্মচাৰী গোটে বড়োৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

No.GWD/Tech/RHAC/NIT/M/2021-22/190/3

**SHORT NOTICE INVITING TENDER**

Sealed tender in prescibed form to be eventually drawn up in A.P.W.D. "F-2" form affixing non-refundable court Fee stamps of Rs. 8.25 (Rupees eight and paisa twenty five) only are hereby invited from the registered contractors/firms under the RHAC, Dudhnoi and Water Resources Department Class-I (A, B, & C), Class-I contractors under Palasbari Town Protection Circle, W.R.Deptt. & Class-III contractors under Guwahati West W.R. Division, Bharalumukh for the scheme-

Name of Schemes :- Construction of Paar Bundh with Boulder pitching of Singra River near Railway Bridge, Kamrup under Bondapara Constituency of RHAC.

Estimated Amount : Rs. 12,00,000.00

Earnest money :- 2% for General and 1% for S.C and S.T (H)/ Plains etc.

The Tender will be received by the undersigned up to 2.00 P.M. on 24.05.2021 and will be opened on the same day,place and hours. If the date of opening Tender papers to be a holiday/ bandh or it is not possible to receive tender on stipulated date for any unforeseen reasons, the next working day will be considered is the last date of receipt & opening of the tender.

The Detailed particulars can be seen in the office of the undersigned on any working days till 2.00 P.M of 24.05.2021.

Time of Completion : Within 21 days from the date of issue of work order.

Terms & Conditions :-
1) The undersigned reserves the right not to accet the lowest quoted rate and may reject any or all tender without assigning any reason thereof.
2) Payment will be made by the authority of RHAC, Dudhnoi.
3) Responsibility for payment will not be borne by the undersigned and no any claim for payment will be entertained for delay of payment.

Executive Engineer
Guwahati West W.R. Division
Guwahati-9

Janasanyog/C/409/21

# ক’ভিডত মৃত ব্যক্তিৰ সৎকাৰক লৈ বিহালীত আতংক

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১৯ মে’ ঃ** কাল কৰ’নাই হৰি নিছে মানৱতা। ভয়ানক ক’ভিডৰ বাবে এতিয়া সমাজ নহয় স্বয়ং পুত্ৰয়ো সৎকাৰ কৰিব নোৱাৰে মৃতদেহ। নিজৰ পিতৃৰ মৃতদেহ সৎকাৰ কৰিবলৈ গৈ বাধাপ্ৰাপ্ত হ’বলগীয়া হোৱা এক ঘটনা সংঘটিত হৈছে বিশ্বনাথ চাৰিআলিৰ বিহালীত। উল্লেখ্য যে বিহালীৰ লালপানীৰ ভীমলাল উপাধ্যায় নামৰ এজন লোকৰ ক’ভিড আক্ৰান্ত হৈ জিএমচি হাস্পতালত মৃত্যু হৈছিল। পাছত বিভাগীয় নিয়ম অনুসৰি, পৰিয়ালৰ লোকক মৃতদেহটো শেষকৃত্য সমাপন কৰাৰ বাবে গতাই দিছিল জিএমচি হাস্পতাল কৰ্তৃপক্ষই।

### দুৰ্ভগীয়া পুত্ৰৰ কান্দোনত ওলাই আহিল আৰক্ষী-গাঁওৰক্ষী বাহিনী-সাংবাদিকৰ দল

চৰকাৰী নিয়ম মানি কালি সন্ধিয়া প্ৰায় ৭-৪৫ বজাত পৰিয়ালৰ লোকে বৰগাং নৈৰ বালিচাপৰিত শেষকৃত্য সমাপন কৰিবলৈ উপস্থিত হয়। সেই সময়তে নৈৰ পাৰত বাস কৰা কুঁহিয়াৰবাৰী গাঁৱৰ ৰাইজে ক’ভিডত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকজনৰ সৎকাৰক লৈ আতংকিত হৈ পৰে। সেয়েহে সৎকাৰৰ বাধা দিয়ে গাঁওবাসীয়ে। গাঁওবাসীৰ এনে আচৰণত পিতৃক হেৰুৱাই শোকবিহ্বল হৈ পৰা পুত্ৰ টিকাৰাম উপাধ্যায়ে পিতৃৰ অন্তিম সৎকাৰক লৈ হোৱা এনে অনাকাংক্ষিত ঘটনাত হুৰাওৰাওকৈ কান্দিবলৈ আৰম্ভ কৰে। পাছত জিনজিয়া গাঁওৰক্ষী বাহিনীৰ সম্পাদক সৰোজ উপাধ্যায়, বৰগাং আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া থানেশ্বৰ চেতিয়া আৰু জিনজিয়া আৰক্ষীৰ উপ-আৰক্ষী বিষয়া ৰহেন্দ্ৰ বাগলাৰীসহ অঞ্চলটোৰ স্থানীয় সংবাদদাতাসকলৰ তৎপৰতাত সৎকাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আৰক্ষী বিষয়া চেতিয়াই ৰাইজক সমগ্ৰ সৎকাৰস্থলী ছেনিটাইজেনছন কৰাৰ পাছতহে সৎকাৰ কৰিবলৈ দিয়ে।

## ইটানগৰত বাঘৰ আক্ৰমণত চিৰিয়াখানাৰ কৰ্মচাৰী নিহত

অগ্ৰদূত বাৰ্তা
**বান্দৰদেৱা, ১৯ মে’ ঃ** ইটানগৰত চিৰিয়াখানাত অঘটন। চিৰিয়াখানাৰ কৰ্মচাৰী এজন ‘চিপ্পি’ নামৰ বাঘটোৰ আক্ৰমণত কালি প্ৰাণ হেৰুৱাবলগীয়া ঘটনাই অসমৰ লগতে অৰুণাচল প্ৰদেশতো শোকৰ ছাঁ পেলাইছে। বাঘৰ আক্ৰমণত নিহত হোৱা পাওলুচ কৰ্মকাৰ (৩৫)ৰ ঘৰ লখিমপুৰ জিলাৰ ঢেকিয়াজুলিত। বিগত ২৭ বছৰ ধৰি কৰ্মকাৰে ইটানগৰৰ চিৰিয়াখানাত কৰ্মৰত আছিল। চিৰিয়াখানাৰ কিউৰেটৰ ৰায়া ফ্লাগে জানিব দিয়া মতে, দুপৰীয়া ২-৩০ বজাত উপস্থিত হৈ কৰ্মচাৰী পাওলুচ কৰ্মকাৰক মৃতদেহ বাঘে খোৱা অৱস্থাত প্ৰত্যক্ষ কৰে। চিৰিয়াখানাত প্ৰৱেশ কৰা তিনিটা দ্বাৰৰ ভিতৰত তিনিওটা খোলা থকাৰ কাৰণত বাঘৰ আক্ৰমণৰ বলি হোৱা বুলি সন্দেহ কৰা হৈছে। ইটানগৰ আৰক্ষীয়ে নিজাববীয়াকৈ এক গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। এছডিপিঅ’ কামদাম সিকমে কৰ্মচাৰীজনৰ আকস্মিক মৃত্যুৰ সন্দৰ্ভত ইটানগৰ আৰক্ষীক তদন্তৰ দায়িত্ব অৰ্পণ কৰা হৈছে বুলি সদৰী কৰে।

## ক’ভিডৰ গণ সংক্ৰমণ ৰোধৰ বাবে আজিৰে পৰা পাঁচদিন দিপীলা বন্ধ

অগ্ৰদূত বাৰ্তা
**দুনী, ১৯ মে’ ঃ** পশ্চিম দৰঙৰ ব্যৱসায়ী বাণিজ্যৰ দুৱাৰডলি স্বৰূপ দিপীলা আৰু ইয়াৰ সমীপৰ অঞ্চলত ক’ভিড মহামাৰীয়ে এক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ বাবে কাইলৈৰ পৰা ২৪ মে’লৈ দিপীলাৰ ব্যৱসায়ী প্ৰতিষ্ঠানসমূহ বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। পশ্চিম দৰঙৰ প্ৰায় পাঁচ শতাধিক লোক আক্ৰান্ত হোৱাৰ লগতে চাৰিগৰাকীকৈ লোকে প্ৰাণ হেৰুৱাৰ বাবে পশ্চিম দৰঙৰ বাণিজ্যৰ দুৱাৰডলি স্বৰূপ দিপীলা বণিক সন্থাৰ এখন জৰুৰী সভা যোৱা ১৮ মে’ত অনুষ্ঠিত হয়। সভাই ক’ভিড মহামাৰী ৰোধৰ বাবে সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। পাঁচদিনীয়া বন্ধৰ পৰা ঔষধৰ দোকানসমূহক ৰেহাই দিয়া হয়।


## অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া নিৰোদা প্ৰসাদ মহন্তৰ মৃত্যু

**ছয়গাঁও, ১৯ মে’ ঃ** কামৰূপ জিলাৰ ছয়গাঁও সমষ্টিৰ পাছামতোলা গাঁৱৰ জ্যেষ্ঠ নাগৰিক তথা বিশিষ্ট ব্যক্তি নিৰোদা প্ৰদান মহন্ত (৮৪)ৰ আজি আবেলি মৃত্যু হয়। ছয়গাঁও অঞ্চলৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ব্যক্তিজনে দীৰ্ঘকাল জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া হিচাপে নিষ্ঠাৰে কাৰ্য সম্পন্ন কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পত্ৰ আৰু কন্যাৰ লগতে বহু আত্মীয়ক ইহ সংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতা, শ্ৰীমন্ত শংকৰদেৱ কলা কৃষ্টি বিকাশ কেন্দ্ৰ, ছয়গঞা লোক উৎসৱ, শিল্পী সমাজ (ছয়গাঁও), বেউলা শিল্পী গোষ্ঠীৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

## বিশিষ্ট শিল্পী-সমাজসেৱক কবিন বৈশ্যৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**বাইহাটা চাৰিআলি, ১৯ মে’ ঃ** বিশিষ্ট শিল্পী, অভিনেতা, সমাজকৰ্মী তথা বাইহাটা চাৰিআলিৰ অন্তৰ্গত নগাঁও গাঁও নিবাসী কবিন বৈশ্য (৮৯)ৰ কালি মৃত্যু হয়। দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত কাৰণত ভুগি আছিল বৈশ্য। এমেচাৰ নাট্য দলৰ অভিনেতা হিচাপে জনপ্ৰিয়তা অৰ্জন কৰা বৈশ্য এজন সমাজসেৱকো আছিল। জীৱন কালত শতাধিক একাংকিকা আৰু পূৰ্ণাংগ নাটকত অভিনয় কৰি যশস্যা অৰ্জন কৰিছিল। তেওঁ এজন নাট পৰিচালক হিচাপেও সুখ্যাতি অৰ্জন কৰিছিল। বাইহাটা চাৰিআলিৰ সুলভ মূল্যৰ বিক্ৰেতা হিচাপে পৰিয়ালৰ পোহপালৰ দায়িত্ব বহন কৰা বৈশ্যই বিভিন্ন সামাজিক কাম-কাজত জড়িত আছিল। তেওঁৰ সমাজ সেৱামূলক কাম-কাজৰ স্বীকৃতি স্বৰূপে বাইহাটা চাৰিআলি স্বৰ্ণ শাখা সাহিত্য সভাই সম্বৰ্ধনা জ্ঞাপন কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ আৰু পৰিয়ালৰ আন সদস্যক এৰি যায়। তেওঁৰ মৃত্যুত শোকস্তব্ধ হৈ পৰে বাইহাটা চাৰিআলি অঞ্চল।

## বেলতলা ব’হাগী উৎসৱৰ উপ-সভাপতিৰ মৃত্যু



**গুৱাহাটী, ১৯ মে’ ঃ** গুৱাহাটীৰ বেলতলা ব’হাগী উৎসৱৰ উপ-সভাপতি তথা সমাজসেৱক ছৈয়দ মিৰজান (৬২)ৰ যোৱা নিশা ৯-৪৫ বজাত মহানগৰীৰ মেট্ৰ’ হাস্পতালত মৃত্যু হয়। তেওঁৰ মৃত্যুত বেলতলা ব’হাগী উৎসৱৰ সকলো বিষয়ববীয়াই বিগত বহু বছৰ ধৰি ব’হাগী উৎসৱৰ লগত জড়িত হৈ নিষ্ঠাৰে কৰি যোৱা সেৱাক স্মৰণ কৰে। বেলতলা বিষ্ণু ৰাভা পথৰ নিবাসী মিৰজান দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাৰ বাবে চিকিৎসকৰ সেৱা গ্ৰহণ কৰি আছিল। আনহাতে, কিছুদিন পূৰ্বে তেওঁ ক’ভিডত আক্ৰান্তৰ পাছত নিগেটিভ হয় যদিও যোৱা নিশা মৃত্যু হয়। তেওঁ মৃত্যুৰ সময়ত পত্নী, কন্যাক এৰি যায়।

## শিল্পী প্ৰমোদ কলিতাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**জালাহ, ১৯ মে’ ঃ** বজালীৰ বাঘমাৰাৰ সমীপৰ মহাৰাণী নিবাসী প্ৰমোদ কলিতা (৮২)ৰ যোৱা নিশা নিজ বাসভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। কলিতা ওজাপালি শিল্পী হিচাপে অঞ্চলটোত জনাজাত আছিল। তেওঁ ওজাপালিৰ ডাইনাপালি আছিল। গুৱাহাটী দূৰদৰ্শনৰ আৰু অনাতাঁৰ কেন্দ্ৰতো তেওঁ কে’বাবাৰো ওজাপালি পৰিবেশন কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পাঁচজন পুত্ৰ আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে কলিতাই আবেদন কৰিও শিল্পী পেঞ্চন পাবলৈ সক্ষম হোৱা নাছিল।

## বড়ো বিজৌংনি ফাইখি যোগেন কুমাৰ বসুমতাৰীৰ জন্ম দিৱস পালন

অগ্ৰদূত বাৰ্তা
**গৰুভাষা, ১৯ মে’ ঃ** বড়ো বিজৌংনি ফাইখি (বড়ো ভাষাৰ সৈনিক) তথা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগেন কুমাৰ বসুমতাৰীৰ আজি ১০২ সংখ্যক জন্ম বাৰ্ষিকী পালন কৰা হয়। বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশমৰ্মে বড়ো বিজৌংনি ফাইখি যোগেন বসুমতাৰীনি ট্ৰাষ্ট, চিৰাং জিলা বড়ো সাহিত্য সভা আৰু বাসুগাঁও প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ যৌথ উদ্যোগত বাসুগাঁও চহৰৰ তিনি নম্বৰ ৱাৰ্ডত অৱস্থিত যোগেন বসুমতাৰী সমাধি ক্ষেত্ৰত পুৱা বড়ো সাহিত্য সভাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ মুকলি কৰা হয়। পতাকা উত্তোলন কৰে চিৰাং জিলা বড়ো সাহিত্য সভাৰ সভাপতি নগেন নাৰ্জাৰীয়ে। সমাধিস্থলত বন্তি প্ৰজ্বলন কৰে বসুমতাৰীৰ সহধৰ্মিণী ৰেণু বসুমতাৰীয়ে। সমাধিস্থলত মাল্যাৰ্পণ কৰে বাসুগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ৰনেন চন্দ্ৰ মুছাহাৰীয়ে। বড়ো বিজৌংনি ফাইখি যোগেন কুমাৰ বসুমতাৰীনি ট্ৰাষ্টৰ সম্পাদক ৰিপেন বসুমতাৰীয়ে আঁত ধৰা অনুষ্ঠানত বসুমতাৰীৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত ব্যাখ্যা দাঙি ধৰে বাসুগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ৰনেন চন্দ্ৰ মুছাহাৰীয়ে। ক’ভিড-১৯ৰ প্ৰট’কল মানি সামাজিক দূৰত্ব বজাই ৰাখি অনুষ্ঠানত উপস্থিত থাকে চিৰাং জিলা বড়ো সাহিত্য সভাৰ বিষয়ববীয়াৰ উপৰি বড়ো বিজৌংনি ফাইখি যোগেন কুমাৰ বসুমতাৰী ট্ৰাষ্টৰ সভাপতি শুকুৰ সিং মুছাহাৰী, সদৌ বড়ো প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক কামিনী বসুমতাৰীৰ উপৰি বাসুগাঁও আঞ্চলিক আবছু, আবৌফৰ বিষয়ববীয়াসকল।

### বকোৰ পঞ্চায়তসমূহত ধন ব্যয়ত দুৰ্নীতিৰ অভিযোগ

## ৰাংগাপানীত সভানেত্ৰীৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

**আলোপতি, ১৯ মে’ ঃ** গ্ৰামাঞ্চলৰ ক্ষিপ্ৰ উন্নয়ন আৰু বিকাশৰ বাবে আবণ্টন দিয়া কোটি কোটি টকাৰ ওপৰত এতিয়া শেনচকু পৰিছে একাংশ পঞ্চায়ত প্ৰতিনিধিৰ লগতে এচাম দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ। শেহতীয়াকৈ কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰাস্থিত ছমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ একাধিক পঞ্চায়তত চতুৰ্দশ বিত্ত আয়োগৰ ধন ব্যয়ৰ নামত পঞ্চায়ত সভাপতি আৰু কামৰ দায়িত্বত থকা কনিষ্ঠ অভিযন্তাসকলৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছে। উন্নয়ন খণ্ডৰ অধীনস্থ ৪৬ নম্বৰ ৰাংগাপানী গাঁও পঞ্চায়ত, ৪৫ নম্বৰ টুপামাৰী গাঁও পঞ্চায়ত, ৪৪ নম্বৰ ভখুৰাদিয়া-ৰংগেশ্বৰী গাঁও পঞ্চায়তৰ লগতে জামলাই-কল্যাণপুৰ গাঁও পঞ্চায়তত চতুৰ্দশ বিত্ত আয়োগৰ ধন ব্যয়ৰ নামত সংশ্লিষ্ট পঞ্চায়তসমূহৰ সভাপতিৰ লগতে কামৰ দায়িত্বত থকা কনিষ্ঠ অভিযন্তাৰ বিৰুদ্ধে দুৰ্নীতি-অনিয়মৰ অভিযোগ দীৰ্ঘদিনীয়া যদিও কৰ্তৃপক্ষই এনে দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে কোনো কাৰ্য ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশ সচেতন ৰাইজে। সম্প্ৰতি চতুৰ্দশ বিত্ত আয়োগৰ ধন ব্যয়ৰ নামত দুৰ্নীতি-অনিয়মৰ সীমা চেৰাই গৈছে সমষ্টিটোৰ ৪৬ নম্বৰ ৰাংগাপানী গাঁও পঞ্চায়তত। পঞ্চায়ত সভানেত্ৰী ৰংফুল নেছাই বিভিন্ন আঁচনিৰ নামত ধাৰ্য টকাৰ সিংহভাগ টকাই বিভিন্ন প্ৰকাৰে আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। যোৱা ১৭ মে’ত পঞ্চায়তৰ অন্তৰ্গত দুই নম্বৰ দক্ষিণ ৰাংগাপানীত ন লাখটকীয়া কাঠৰ দলং নিৰ্মাণত সংঘটিত দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতে আজিও পঞ্চায়তৰ দুই নম্বৰ দক্ষিণ ৰাংগাপানীৰ পৰা তিনি নম্বৰ দক্ষিণ ৰাংগাপানীলৈ যোৱা পথত এটা পকী কালভাৰ্ট নিৰ্মাণৰ নামতো ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰি একাংশ ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। বকোৰ পঞ্চায়তে পঞ্চায়তে চতুৰ্দশ বিত্ত আয়োগৰ ধন ব্যয়ৰ নামত সংঘটিত দুৰ্নীতি-অনিয়মৰ উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্ত হ’লেই জোলোঙাৰ মেকুৰী ওলাই পৰিব বুলি দাবী কৰিছে সচেতন মহলে।

## জীৱন বীমা নিগমৰ অৱসৰপ্ৰাপ্ত বিষয়াৰ বিয়োগ

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ১৯ মে’ ঃ** ভাৰতীয় জীৱন বীমা নিগমৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা দুই নম্বৰ ধুহি নিবাসী হাফিজউদ্দিন আহমেদ (৮৬)ৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত মৃত্যু হয়। বৃহত্তৰ দুই নম্বৰ ধুহি অঞ্চলৰ প্ৰথম স্নাতক ডিগ্ৰীধাৰী প্ৰয়াত আহমেদে কিছুদিনৰ কাৰণে ধুহিবালা হাইমাদ্ৰাছাত শিক্ষকতা কৰি ১৯৬০ত ভাৰতীয় জীৱন বীমা নিগমত যোগদান কৰে। নিগমৰ বিভিন্ন কাৰ্যালয়ত সুখ্যাতিৰে কৰ্ম সম্পাদন কৰি ২০০২ত নিগমৰ বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰে। প্ৰয়াত আহমেদে ধুহিবালা হাইমাদ্ৰাছা, ধুহিবালা মাদ্ৰাছা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদকৰ উপৰি ধুহিবালা হিফজুল উলুম মাদ্ৰাছাৰ একেৰাহে প্ৰায় ১৩ বছৰ সম্পাদকৰ দায়িত্ব বহন কৰিছিল। তেওঁ বালাযুগতলী প্ৰাথমিক বিদ্যালয়, বালাযুগতলী জুম্মা মছজিদৰ প্ৰতিষ্ঠাপক আছিল। প্ৰয়াত আহমেদে ধুহি অঞ্চলৰ কবৰস্থান, ঈদগাহ আদিৰ উপৰি বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁৰ মৃত্যুত সমগ্ৰ ধুহি অঞ্চলত শোকৰ ছাঁ পৰিছে। আহমেদক ধুহিবালা হিফজুল উলুম মাদ্ৰাছালৈ নিয়াত মাদ্ৰাছা পৰিচালনা সমিতিৰ হৈ সভাপতি আলহাজ শ্বেখ খলিলৰ ৰহমানে অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, আজি পুৱা ৮-৩০ বজাত অসম চৰকাৰৰ ক’ভিড নিয়ম মানি স্থানীয় কবৰস্থানত জানাজা সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনিজন পুত্ৰ, তিনিগৰাকী কন্যা এৰি যায়।

## মাইক্ৰ’ফাইনেন্সক কিস্তি নল’বলৈ আহ্বান মহিলা গোটৰ


অগ্ৰদূত বাৰ্তা
**দোতমা, ১৯ মে’ ঃ** যি সময়ত চৰকাৰে কৈ আছে বন্ধন তথা মাইক্ৰ’ফাইনেন্সৰ ঋণ ৰেহাই দিব। ইতিমধ্যে এখন কমিটী চৰকাৰে গঠন কৰিছে। তেনে সময়তে চৰকাৰে বান্ধি দিয়া নিয়ম একাংশ বন্ধন কৰ্মচাৰীয়ে একোটা গোটতে ২৫-৩০ জন মহিলা গোট খোৱা, মুখত মাস্ক ব্যৱহাৰ নকৰা মহিলাৰ পৰা ধন লোৱা আৰু সামাজিক দূৰত্ব নামানি বন্ধন গোটৰ সভা অনুষ্ঠিত কৰি আছে। গোসাঁইগাঁও মহকুমাৰ গুৰুফেলা অঞ্চলৰ একাংশ বন্ধনৰ ঋণ লোৱা মহিলাই চৰকাৰক আপত্তি জনাই কয় যে ক’ভিডৰ বাবে চৰকাৰে বান্ধি দিয়া নীতি-নিৰ্দেশনাৰ ফলত গাঁৱৰ সাধাৰণ শ্ৰেণীৰ দুখীয়া লোকে কাম কৰিব পৰা নাই। সৰুসুৰা ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰা লোকসকলে মাইক্ৰ’ফাইনেন্সৰ কিস্তি দিয়াৰ সমস্যাৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিৰ মাজতে বন্ধন তথা মাইক্ৰ’ফাইনেন্সৰ কিস্তি আদায়ৰ ক্ষেত্ৰত হেঁচা প্ৰয়োগ নকৰিবলৈ বন্ধনৰ মহিলা গোটে আহ্বান জনাইছে।

## ৰেলৰ খুন্দাত আহত ৰঞ্জিত নাথৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ১৯ মে’ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ নিচেই কাষৰ জামুগুৰি ভৰালী চুবুৰিৰ নিবাসী ৰঞ্জিত নাথ (৪৭)ৰ আজি বিয়লি মৃত্যু ঘটে। দুদিন আগতে ৰহাৰ দীঘলদৰীত থকা আত্মীৰ ঘৰলৈ ফুৰিবলৈ যাওঁতে ৰেলআলিত পৰি কিছুপৰিমাণে আঘাতপ্ৰাপ্ত হোৱাৰ পাছত কালি নাথ জামুগুৰিৰ ঘৰত উপস্থিত হয়। পূৰ্বতেও এক দুৰ্ঘটনাত নাথৰ ভৰি এখন ভঙা হেতু ভৰিত লোহাৰ পাটি সংলগ্নৰ জৰিয়তে চলা-ফুৰাকৰি আছিল; কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে কালি নাথ দমকলৰ পাৰত পুনৰ কেনেবাকৈ পিছলি পৰি গুৰুতৰভা্ৱে আঘাতপ্ৰাপ্ত হয়। আজি তেওঁৰ সেই অচিলা লৈয়ে মৃত্যু হয়। কাঠমিস্ত্ৰী ৰূপে জীৱিকা নিৰ্বাহ কৰা নাথ এজন সৰল মনৰ ব্যক্তিৰূপে পৰিচিত আছিল। মৃত্যুৰ সময়ত পত্নীসহ তিনি পুত্ৰ আৰু দুগৰাকী কন্যাৰ লগতে আত্মীয়-স্বজনক এৰি যায়। তেওঁৰ মৃত্যুত গাঁওখনত শোকৰ পৰিৱেশে বিৰাজ কৰিছে।

**শ্ৰদ্ধাঞ্জলি**

## সত্যবালা খাটনিয়াৰ



নগাঁৱৰ ধিঙৰ জীয়ৰী, বৰদোৱাৰ বোৱাৰী সত্যবালা খাটনিয়াৰ গুৱাহাটীৰ ৰুক্মিণীগাঁও অঞ্চলৰ এগৰাকী সৰবৰহী মহিলা আছিল। অতি মৰমিয়াল স্বভাৱৰ, দয়ালু, ধৰ্মপৰায়ণা, পৰোপকাৰী মহিলা হিচাপে গুৱাহাটীৰ ৰুক্মিণীগাঁও, ছয়মাইল, জয়ানগৰ, বেলতলা আদি অঞ্চলৰ ৰাইজৰ মাজত পৰিচিত আছিল। স্বামী প্ৰয়াত কণবাপা খাটনিয়াৰ শ্বিলং অসমৰ ৰাজধানী থাকোঁতে অসম সচিবালয়ৰ অৱৰ সচিব হিচাবে কৰ্তব্যৰত আছিল। সেই সূত্ৰে শ্বিলঙৰ মতি নগৰত ঘৰ সাজিছিল আৰু তাতো এখন ডাঙৰ সমাজ আছিল। তাৰ পৰাই তেওঁ দুজন পুত্ৰ আৰু তিনিগৰাকী কন্যাক মানুহৰূপে গঢ় দিছিল।

ডাঙৰ জোঁৱাই আৰু সৰু জোঁৱাইৰ অকাল বিয়োগৰ পাছত বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে দুয়োগৰাকী জীয়ৰীৰ ঘৰ দুখন বচাই নাতি-নাতিনীকেইটাক ডাঙৰ কৰাত তেওঁৰ যথেষ্ট অৱদান আছিল। মাজু জীয়ৰীৰ আশাশুধীয়া প্ৰচেষ্টাত ঘৰৰ সকলোৰে সহযোগত গুৱাহাটীৰ ৰুক্মিণীগাঁৱত তেওঁ কে কে মেম’ৰিয়েল ইংলিছ স্কুল নামেৰে এখন বিদ্যালয় স্থাপন কৰিছিল। প্ৰথমে সৰু পুত্ৰ আৰু পাছত মাজু জীয়ৰীৰ অকাল বিয়োগৰ পাছত পৰিচালনাৰ অসুবিধাৰ বাবে স্কুলখন বন্ধ কৰিবলগীয়া হয়।

শেহতীয়াভাৱে নিজৰ সম্পত্তি এটা বিক্ৰী কৰি পোৱা টকাৰে নগাঁৱৰ বৰদোৱা সত্ৰত তেওঁৰ স্বামী কণবাপা খাটনিয়াৰৰ স্মৃতিত আটক ধুনীয়াকৈ এটা দুমহলীয়া ঘৰ সাজি দি তাত এটা সংগ্ৰহালয়, এটা পুথিভড়াল আৰু গৱেষণা কেন্দ্ৰ আৰু আটকধুনীয়া সভাকক্ষ নিৰ্মাণ কৰিছে। গুৱাহাটীৰ জয়ানগৰৰ টঙৰা সত্ৰৰ বাটচ’ৰাটো আটকধুনীয়াকৈ সাজি দিয়াৰ লগতে খোল-তালৰ আৰ্হিত এক জিৰণিচ’ৰাও নিৰ্মাণ কৰিছে।

ডাঃ হৰিশ পাটোৱাৰী

**আজিৰ দিনটো**



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৫ জেঠ বৃহস্পতিবাৰ ২০ মে’

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪৩।৪২, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫৪।৫৪। **তিথি ঃ** শুক্লা অষ্টমী, দং ৫।৮।৯ ঘঃ ৬।৪৬।৫৮। **নক্ষত্ৰ ঃ** মঘা, দং ১৫।৪২।২৬ ঘঃ ১১।০১।৪০। **যোগ ঃ** ব্যাঘাত, দং ৩৬।২।৫ ৰাঘঃ ৮।৩২।৩২। **কৰণ ঃ** বৱ। **জন্মত ঃ** সিংহৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, দেৱাৰিগণ, বান্দৰৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰ মঙ্গল, বিংশোত্তৰী কেতুৰ দশা, ঘঃ ১১।০।৪০ যোৱাত মনুষ্যগণ, বিংশোত্তৰী শুক্ৰৰ দশা। **আদ্যঋতু হ’লে ঃ** সাতদিনীয়া কান্তা যোগ মতান্তৰে ১৫ দিনীয় বেশ্যা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** ঈশানকোনত, ঘঃ ৬।৪৬।৫৮ যোৱাত পূৱত। **যাত্ৰা ঃ** শুভ, অমৃতযোগ উত্তৰত নাই, ঘঃ ৬।৪৬।৫৮ যোৱাত শুভ ত্ৰ্যমৃতযোগ, ঘঃ ১১।০।৪০ যোৱাত নাই ৰিক্তাদি দোষ। **শুভকৰ্ম ঃ** ঘঃ ১১।০।৪০ যোৱাত ভিতৰত পুংসৱন, পঞ্চামৃত, সাধভক্ষন, জাতকৰ্ম, নামকৰণ, মুখ্যান্নপ্ৰাশন, ৰত্নাদিধাৰণ, দোকান-নাট্যাৰম্ভ, নাওযাত্ৰা, আৰোগ্যস্নান, হালযাত্ৰা, গুটিসিঁচা,গছৰোৱা, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয়, ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** নাৰিকল, ঘঃ ৬।৪৬।৫৮ যোৱাত নাৰিকল খোৱা নিষেধ।

***দিনটোৰ ৰাশিফল***

**মেষ ঃ** দুই ধৰণৰ চিন্তাই আপোনাৰ কৰ্মত আহুকালৰ সৃষ্টি কৰিব। শৰীৰৰ প্ৰতি নজৰ ৰাখক। প্ৰিয় লোকৰ কোনো কথাত সন্তুষ্ট নহ’ব। পিছে অপেক্ষা কৰা কোনো সংবাদত সুখ। শুভ ৰং বেঙুনীয়া।
**বৃষ ঃ** কৰ্মৰ ওপৰত বিশ্বাস থাকিব। কোনো কাৰণে বিৰক্ত ভাব আহিব পাৰে। আৰ্থিক আমদানিৰ লগতে খৰচৰ পথো মুক্ত থাকিব। সন্তানৰ ভালেই। সন্তান সম্ভৱাৰ কন্যা সন্তান লাভৰ যোগ। শুভ ৰং নীলা।
**মিথুন ঃ** সাধাৰণ খংৰাগ। কিন্তু উন্নত পৰিৱেশক সিয়ে ক্ষতি নকৰিব। প্ৰেম প্ৰীতিত মধ্যম আবেগ বৃদ্ধি। খৰচ বাঢ়িব। দৰকাৰী কামৰ বাবে কোনোৰে কৰা চেষ্টাত সফল হ’ব। শুভ ৰং আকাশী নীলা।
**কৰ্কট ঃ** ক্ষীপ্ত পৰিৱেশ আৰম্ভণিৰ সম্ভাৱনা হ’লেও প্ৰকট নহ’ব। শৰীৰৰ প্ৰতি যত্ন লোৱাটো দংকাৰ বিদ্যাৰ্থীৰ মধ্যম। বন্ধু-বান্ধৱৰ পৰা উৎসাহ। কিন্তু তেওঁলোকৰ ওপৰত নিৰ্ভৰ নকৰাই ভাল। শুভ ৰং বগা।
**সিংহ ঃ** ধৈৰ্যৰে প্ৰতিকূল বিষয়াদি নিয়ন্ত্ৰণৰ চেষ্টা কৰক। বিদ্যালাভত বাধা কম। ভ্ৰমণাদিত কষ্ট হ’লেও শুভ। পিতৃৰ কথাত নিৰুৎসাহ। শৰীৰ বৰ ভালেৰে যোৱা টান। নতুন সংবাদত আনন্দ। শুভ ৰং ক্ৰীম।
**কন্যা ঃ** আনৰ কথাত অসন্তুষ্টি প্ৰকাশ। শাৰীৰিকত বিশেষ দুৰ্ভাৱনা নাই। আত্মীয়ৰ সংগ লাভ। বিদ্যাত বেয়া নহ’ব। শুভ ৰং ক’লা।
**তুলা ঃ** সদায় স্বাৱলম্বিতা আপুনি পছন্দ কৰিব, কিন্তু সময়ে তাক উৎসাহিত নকৰিব। বাধ্য হৈ আনৰ সহানুভূতিৰ কথা বিবেচনা কৰিব লাগিব। আৰ্থিকত চিন্তিত। খৰচৰ মাত্ৰা বৃদ্ধি। ব্যস্ততা। শুভ ৰং কমলা।
**বৃশ্চিক ঃ** কেতু, মংগল, শুক্ৰ, ৰবি যাৰ জীৱনত শুভ তেওঁৰ দিনটোত বেছি আহুকাল নাই। কিন্তু সামগ্ৰিক দৃষ্টিত আহুকাল সামান্য হ’লেও থাকিব। শৰীৰ মধ্যম। বিদ্যাত মধ্যম। শুভ ৰং নীলা।
**ধনু ঃ** দৰিদ্ৰ নাৰায়ণৰ প্ৰতি চিন্তা থাকিলেও কিছু সন্দেহ মনত লাগি থাকিব। দাম্পত্য, সন্তান আদিৰ লগত মধ্যম প্ৰভাৱ। অৰ্থ লাভ। স্বাৰ্থৰ বাহিৰত থকালৈ আপোনাৰ অহৈতুক অবিশ্বাস হ’ব। শুভ ৰং হালধীয়া।
**মকৰ ঃ** মধ্যম হ’লেও সাৱধানেৰে দিনটো পাৰ কৰক। খৰচ পাতিৰ লগত কোনোৰ বাবে মনত দুখ বা অযথা কৰ্মত সময় অপব্যয় হ’ব। বিদ্যাত জটিলতা নাপায়। কৰ্মাদিও অযথা মন্থৰতা। শুভ ৰং ৰঙা।
**কুম্ভ ঃ** ইচ্ছাকৃত কথাত কিবা বাধা পাব শৰীৰৰ অথন্তৰো দেখা যায়। ব্যৱসায় বাণিজ্যত বেয়া দেখা নাযায়। শুভ ৰং সেউজীয়া।
**মীন ঃ** খং-ৰাগ বৃদ্ধি পাব পাৰে। শৰীৰৰ উত্তাপ হ’লেও ভয়ৰ বিশেষ নাই। অৰণ্যে প্ৰাপ্য ধন পোৱাৰ সম্ভাৱনা থাকিব। শুভ ৰং বেঙুনীয়া।

### শব্দ-বেহু ঃ ২০ মে ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**
৩। মেজ, চকী, খাট আদি বস্তু-বাহানি (৪)
৫। মৈদা, ভৰিৰে হেঁচুকি শাক-পাচলি কটা এবিধ কটাৰী (২)
৬। মাকৰ গাখীৰ পিবলৈ এৰা গৰু-ম’হৰ পোৱালি (৪)
৭। কামিজ, পুৰুষে পিন্ধা দীঘল হাতৰ বসন (২)
৮। অপযশ, দুৰ্নাম (৪)
১০। প্ৰতিপত্তি আৰু সন্মান থকা মুৰব্বীৰ দৰে লোক (৪)
১৪। হাতেৰে বা যন্ত্ৰৰে দূৰলৈ নিক্ষেপ কৰিব পৰা অস্ত্ৰ, অত্যাধুনিক যুদ্ধাস্ত্ৰ (৪)
১৫। পানশালা, সুৰাপান কৰাৰ বাবে থকা আছুতীয়া ঘৰ (৪)
১৭। আধাৰ, বয়-বস্তু থোৱা যতনৈ (২)
১৮। কোনো বিষয়ত সৰহ সংখ্যক লোকৰ সাধাৰণ অভিমত (৪)
২০। বান্দৰ, মৰ্কট (২)
২১। জিতেন্দ্ৰিয়, কাম-ক্ৰোধ আদি ৰিপুবোৰক যি দমন কৰিব পাৰে (৪)

**থিয়কৈ ঃ**
১। আকাৰ, কোনো বস্তুৰ এভাগ (৪)
২। দুৱাৰ আদিৰ চিটকানি, হাঁকোটা (২)
৩। পাৰিশ্ৰমিক লৈ আলপৈচান ধৰা মহিলা, ধাই (২)
৪। ছপা কিতাপৰ ওপৰৰ ঢাকনী, গছৰ ছাল বা তেনে পাতল বস্তু (৩)
৬। ডাংকোপ মাৰি ফেপেৰি পাতি ফুৰা (৪)
৭। তস্কৰ, আনৰ বস্তু মনে মনে হস্তগত কৰোঁতা (২)
৯। মৃত্যুৰ দহ দিনা পতা মৃতকৰ মাংগলিক অনুষ্ঠান (২)
১০। নাৱৰ গুৰিয়াল, নাৱৰীয়া (২)
১১। কাপোৰ, পিন্ধা বসন (২)
১২। জমা থোৱা ধন (৪)
১৩। গছৰ ডাল, কোনো বস্তুৰ মূল অংশৰ পৰা ফাটি যোৱা অংশ (২)
১৪। ঠাই, স্থান, পথাৰ (২)
১৬। দেখাত জেঠীটোৰ দৰে কিন্তু তাতকৈ ডাঙৰ এবিধ সৰীসৃপ (৪)
১৭। খ্ৰীষ্টান ধৰ্মযাজক, খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰক (৩)
১৮। আনক পৰাজিত কৰি পোৱা সফলতা, জিৎ (২)
১৯। পূজা-উপাসনা কৰোতে মুখেৰে আওৰোৱা বচন (২)

**উত্তৰ অহা সংখ্যাত**

**১৯ মে সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ৩। খলিহনা ৫। বিন্ধা ৬। হকিকত ৭। বেল ৮। লহপহ ১০। চিপৰাং ১৪। পতনুৱা ১৫। চকপীৰা ১৭। জল ১৮। হালখতি ২০। হাপা ২১। কাকবলি
**থিয়কৈ ঃ** ১। অবিকল ২। জাকি ৩। খত ৪। নাঙল ৬। হৰিহৰ ৭। বেং ৯। হজ ১০। চিঠা ১১। ৰোৱা ১২। বাচমতি ১৩। পাপী ১৪। পল ১৬। ৰামপাৰ ১৭। জবকা ১৮। হালি ১৯। খন্তি

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২০ মে', ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## বৈচিত্ৰ্যপূৰ্ণ অৰ্থনীতিক সহায়ৰ উদ্দেশ্যে মধ্য অসমত স্থাপন প্ৰথমটো সৌৰশক্তি প্ৰকল্প

■ চামিটলা চুব্বা

**বৰ্তমান** সময়ত স্বচ্ছ, নিৰ্ভৰযোগ্য আৰু কম খৰচী শক্তিৰ প্ৰয়োগ কেৱল ভাৰতবৰ্ষৰে নহয়, সমগ্ৰ বিশ্বৰে এক প্ৰয়োজন হিচাপে পৰিগণিত হৈছে। প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশৰ লগে লগে নবীকৰণযোগ্য প্ৰযুক্তিৰ খৰচ কম হৈছে আৰু সৌৰশক্তিৰ শুল্ক হ্ৰাস হৈছে আৰু স্বচ্ছ শক্তিৰ ব্যৱহাৰে কেৱল পৰিৱেশজনিত সজাগতাই নহয়, এক শক্তিশালী অৰ্থনৈতিক সজাগতা গঢ়াতো সহায় কৰে। নবীকৰণ শক্তি অৰ্জন কৰাৰ এক স্পষ্ট লক্ষ্যৰে ৩১ মাৰ্চ, ২০২১ত ভাৰতবৰ্ষই ইয়াৰ লক্ষ্যৰ ৯৪.৪ গিগাৱাট সংস্থাপিত ক্ষমতাৰ ওচৰ চাপিবলৈ সক্ষম হৈছে। ভাৰতবৰ্ষই ক্ষিপ্ৰগতিৰে নবীকৰণ শক্তি খণ্ডত পদক্ষেপ আগবঢ়াইছে যদিও এতিয়াও দেশত শক্তিৰ নাটনি হৈ আছে। উল্লেখনীয় যে উত্তৰ-পূব ভাৰতত দেশৰ ভিতৰতে সৰ্বাধিক পৰিমাণৰ শক্তি যোগানৰ নাটনি হোৱা পৰিলক্ষিত হৈছে আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অসমত সৰ্বাধিক ৪৫ মিলিয়ন বিদ্যুৎ শক্তিৰ নাটনি হৈছে, যিয়ে ২০১৮তে ৰাজ্যখনক অতি গুৰুত্বপূৰ্ণ এই প্ৰয়োজনৰ সমাধানৰ উদ্দেশ্যে কিছু শক্তিশালী কাৰ্যপন্থা হাতত ল'বলৈ তৎপৰ কৰি তুলিছিল।

তিনি কোটিতকৈও অধিক জনসংখ্যাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে বৃহত্তম অৰ্থনীতি হ'ল অসম আৰু বিগত বৰ্ষসমূহত ৰাজ্যখনত শক্তিৰ চাহিদা বিশেষভাৱে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। অসমৰ শক্তিৰ প্ৰয়োজনসমূহ মূলতঃ গেছ আৰু তাপবিদ্যুৎ আৰু লগতে জলবিদ্যুতৰ দ্বাৰা পূৰণ কৰা হয়। অসমে ৩১ মাৰ্চ, ২০২১ত দেশৰ অন্যান্য অংশৰ দৰে ৭৯ মেগাৱাটৰ নবীকৰণ শক্তিৰ খুঁটা স্থাপন কৰে আৰু লগতে ৰাজ্যৰ নবীকৰণ শক্তি সম্পদ বৃদ্ধি কৰি আছে আৰু ছেপ্টেম্বৰ ২০২০ৰ পৰ্যন্ত ১৯০ মেগাৱাটৰ সৌৰশক্তি প্ৰকল্পৰ কাম আগবাঢ়ি আছে। এক দশকজোৰা যাত্ৰাৰ অভিজ্ঞতাৰে ভাৰতবৰ্ষৰ আগশাৰীৰ আৰু প্ৰথমটো ব্যক্তিগত খণ্ডৰ ব্যৱহাৰিক সৌৰশক্তি কোম্পানী যিয়ে ২০০৯তে সৌৰশক্তি প্ৰকল্পৰ কাম আৰম্ভ কৰিছিল, এজিউৰ পাৱাৰে ৰাজ্যখনক ইয়াৰ নবীকৰণ শক্তিৰ প্ৰয়োজন পূৰণৰ বাবে ৰাজ্যৰ প্ৰথমটো সৌৰশক্তি প্ৰকল্প নিৰ্মাণ কৰি আছে। যোৱা ২০১৮ত কোম্পানীয়ে প্ৰতিযোগিতামূলক নিলাম প্ৰক্ৰিয়াৰ দ্বাৰা ৯০ মেগাৱাটৰ এক প্ৰকল্প লাভ কৰিবলৈ সক্ষম হয় আৰু এয়া উত্তৰ-পূৰ্বাঞ্চলৰ বৃহত্তম সৌৰশক্তি প্ৰকল্প। এই চুক্তিৰ অধীনত কোম্পানীয়ে সৌৰশক্তি প্ৰকল্প স্থাপন কৰি অসম শক্তি বিতৰণ কোম্পানী লিমিটেডলৈ অতি প্ৰয়োজনীয় সেউজ শক্তি যোগান ধৰিব। প্ৰকল্পটো ২০২১ৰ ভিতৰত সম্পূৰ্ণৰূপে সঞ্চালিত হ'ব বুলি আশা কৰা হৈছে।

সৌৰশক্তি প্ৰকল্প স্থাপনৰ প্ৰক্ৰিয়া সময়ৰ লগে লগে সলনি হৈছে; শেহতীয়াকৈ নগাঁৱত স্থাপন হোৱা সৌৰশক্তি প্ৰকল্পও ব্যতিক্ৰম নহয়। বৰ্তমান সময়ত বিশ্ব অৰ্থনীতিৰ নিৰ্ভৰযোগ্য সম্পদসমূহ মূলতঃ খাৰুৱা তেল, কয়লা আৰু প্ৰাকৃতিক গেছ যি পৃথিৱীৰ পৰা অদূৰ ভৱিষ্যতে সম্পূৰ্ণৰূপে নিশ্চিহ্ন আৰু অস্তিত্বহীন হৈ পৰিব। সাধাৰণ অৰ্থত সৌৰশক্তি প্ৰকল্পসমূহে পৰিৱেশ ক্ষতিকাৰক শক্তি উৎসৰ নিৰ্ভৰশীলতা দূৰ কৰাত সহায় আগবঢ়াব। নগাঁওস্থিত আমাৰ সৌৰশক্তি প্ৰকল্প ভূমিস্থলত সহজে সংস্থাপন কৰা হৈছে আৰু অৱস্থিত ভূমিত ইয়াৰ কোনো বিৰূপ প্ৰভাৱ নপৰে। প্ৰকল্পস্থলীত উৎপন্ন কৰা বিদ্যুতো এক প্ৰতিযোগিতামূলক মূল্য আধাৰিত, হ্ৰাস হোৱা এই বিদ্যুৎ খৰচে অৱশেষত অসমৰ জনসাধাৰণক লাভান্বিত কৰিব। ৰাজ্যত স্বচ্ছ আৰু উচিত মূল্যৰ শক্তি সম্পূৰ্ণৰূপে যোগান ধৰাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাৰ উদ্দেশ্য অব্যাহত থকাৰ সময়তে এজিউৰ পাৱাৰে প্ৰকল্প নিৰ্মাণৰ সময়ছোৱাত আৰু পৰৱৰ্তী সময়ত স্থানীয়ভাৱে সংস্থাপন সৃষ্টিৰ লক্ষ্য কৰি লৈছে। পৰৱৰ্তী সময়ত এই প্ৰকল্পসমূহ স্থাপন হোৱা ঠাই আৰু ইয়াৰ প্ৰান্তীয় অঞ্চলসমূহত স্কিল ডেভেলপমেণ্ট অনুষ্ঠানৰ স'তে কৌশল উন্নীতকৰণ পৰিস্থিতিতন্ত্ৰ স্থাপনত সহায়-সহযোগিতা আৰু অৱদান আগবঢ়োৱাৰ উদ্দেশ্য আগত ৰাখিছে।

যোৱা তিনি বছৰত এজিউৰ পাৱাৰে ছখন ৰাজ্যত ৩৫,০০০তকৈও অধিক হিতাধিকাৰী আৰু কেৱল অসমতে পাঁচশতকৈও অধিক হিতাধিকাৰীক কৌশল উন্নীতকৰণত অৰ্থনৈতিকভাৱে সহায় আগবঢ়াইছে। ইয়াৰে অধিক সংখ্যকেই লাভজনকভাৱে সংস্থাপিত। অসমৰ চাৰিখন জিলা ক্ৰমে নগাঁও, ওদালগুৰি, কামৰূপ আৰু কাছাৰত এজিউৰ সক্ৰিয়ভাৱে জীৱন-যাপনৰ মান বিকাশ অনুষ্ঠানৰ প্ৰসাৰৰ স'তে জড়িত হৈ আছে। প্ৰশিক্ষণৰ পাঠ্যক্ৰমসমূহ নিৰ্দিষ্ট অঞ্চলৰ সংস্থাপনৰ মাপ অনুযায়ী তৈয়াৰ কৰা হয়। সামাজিক গুৰুত্ব আৰু বিবেচনাৰ এক অংশ হ'ল সম্প্ৰদায় উন্নয়ন, যি কোম্পানী এটাই মনোনীত কৰে আৰু অন্যান্য যিকোনো ঔদ্যোগিক ক্ষেত্ৰৰ দৰে এনে এক সৌৰশক্তি প্ৰকল্পৰ উন্নয়নো প্ৰকল্প লাভ কৰা সময়ৰ পৰা প্ৰকল্প স্থাপন কৰা সময়লৈ বিভিন্ন কৰ্তৃপক্ষৰ পৰা অনুমোদন লাভ কৰালৈকে অহৰহ পৰিশ্ৰমৰ মাজেৰে পাৰ হৈ যাব লাগে। সেই বাবে প্ৰকল্প সঞ্চালনৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ মজুত থকাটো অতি গুৰুত্বপূৰ্ণ আৰু মিকিৰ বামুণীসহিত প্ৰকল্পৰ লগতে সকলো সৌৰশক্তি প্ৰকল্পৰ বাবেও নথিপত্ৰ সংগ্ৰহ কৰা হৈছে।

য'ত এজিউৰ আৰু অন্যান্য কোম্পানীসকলে ৰাজ্যত স্থাপন কৰা যিকোনো প্ৰকল্পৰ বাবে ৰাজ্যৰ আইন মানি চলাটো বাধ্যতামূলক আৰু লগতে কৰ্প'ৰেট সামাজিক দায়বদ্ধতাৰ দ্বাৰা সমাজলৈ অৱদান আগবঢ়োৱাটো জৰুৰী। বৰ্তমান সময়ত আটাইতকৈ প্ৰয়োজনীয় পদক্ষেপ হৈছে চৰকাৰ আৰু সমাজ উভয়ৰে একেলগে নবীকৰণযোগ্য শক্তি খণ্ডৰ স'তে জড়িতসকলোকে উৎসাহিত কৰিব লাগে। এনেবোৰ প্ৰকল্পই নবীকৰণযোগ্য শক্তি স্থাপন বৃদ্ধিৰ লগতে ৰাজ্যলৈ বিনিয়োগ অনাত সহায় কৰিব, যিয়ে স্ব-নিৰ্ভৰশীল পৰিস্থিতিতো গঠনৰ দ্বাৰা বিশেষকৈ গ্ৰামাঞ্চলত অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে অৱদান আগবঢ়াব।

Advertorial

**প্ৰকৃত হিতাধিকাৰীক বঞ্চনা ঃ উপকৃত হোৱা নাই মীন পালক**

# নগাঁৱত পুখুৰী খন্দা-উন্নয়নৰ নামতেই কোটি টকাৰ লুণ্ঠন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ মে' ঃ** সততে ৰাইজৰ দৃষ্টিৰ আওতাৰ বাহিৰত থকাৰ লগতে বিভাগটোৰ স'তে ৰাইজৰ সম্পৰ্কহীনতাৰ সুযোগ গ্ৰহণ কৰি নগাঁও জিলাত বছৰ বছৰ ধৰি মীন বিভাগৰ আঁচনি ৰূপায়ণৰ নামত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত কৰি আহিছে নগাঁও মীন বিভাগে। জিলা মীন বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীয়ে মীন বিভাগৰ আঁচনিসমূহক ধন ঘটাৰ আহিলাত পৰিণত কৰি কে'বা দশক ধৰি এই লুণ্ঠনৰ ধাৰাবাহিকতা অব্যাহত আছে। বিভাগটোৱে সাধাৰণ শ্ৰেণী, অনুসূচিত জাতিৰ বহু অযোগ্য আৰু ভুৱা হিতাধিকাৰীৰ জৰিয়তে বিভিন্ন আঁচনিৰ ছয় পৃষ্ঠাত চাওক



*দিচাংমুখত ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়া অব্যাহ, বুধবাৰে।*

# কোকৰাঝাৰত ক'ভিডত মৃতকৰ সৎকাৰৰ বাবে চাফাইকৰ্মীৰ ১০-২৫ হেজাৰ টকা দাবী

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৯ মে' ঃ** সমগ্ৰ দেশতে এতিয়া ক'ভিডে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বিশেষকৈ ক'ভিড আক্ৰান্ত হৈ মৃত্যু হোৱা আৰ্থিকভাৱে দুৰ্বল পৰিয়ালে মৃতকক দাহন কৰিবলৈ হাবাথুৰি খাবলগীয়া হৈছে। উল্লেখ্য যে যোৱাবাৰ চৰকাৰে ক'ভিডত আক্ৰান্ত হোৱাসকলক যি আতিথ্য দিছিল ইয়াৰ বিপৰীতে এইবেলি ইয়াৰ সম্পূৰ্ণ বিপৰীত ৰূপহে ফুটি উঠিছে। মৃত ব্যক্তি সৎকাৰ কৰিলেও

**চৰকাৰীভাৱে সৎকাৰ কৰাৰ আহ্বান**

চৰকাৰে এইবাৰ ন্যূনতম ধন দিয়া নাই। ফলত আৰ্থিকভাৱে দুৰ্বল পৰিয়ালে আত্মীয়ক দাহ কৰিবলৈ সমস্যাৰ সন্মুখীন হৈছে। বিগত বৰ্ষত মৃতকক সৎকাৰ কৰিবলৈ চৰকাৰে চাফাই কৰ্মীসকলক পাঁচ হেজাৰকৈ ধন দিয়াৰ উপৰি যাৱতীয় সকলোখিনি যোগান ধৰিছিল। কিন্তু এইবাৰ চাফাইকৰ্মী সকলক আৰ্থিক ধন দিয়াতো দূৰৈৰ কথা খৰিখিনিও যোগান ধৰা নাই। ইয়াৰ সুযোগ লৈছে চাফাইকৰ্মীসকলে। চাফাইকৰ্মীসকলে এজন মৃতকক সৎকাৰ কৰিবলৈ ছয় পৃষ্ঠাত চাওক

**ৰাজ্যত অব্যাহত কয়লাৰ চোৰাং সৰবৰাহ**

## নগাঁৱত চালক-হেণ্ডিমেনসহ কয়লাভৰ্তি ট্ৰাক জব্দ



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ মে' ঃ** ক ৰ' না কে ন্দ্ৰি ক পৰিস্থিতিয়ে চৌদিশে ত্ৰাসৰ সৃষ্টি কৰাৰ মাজতে ৰাজ্যত অব্যাহত আছে কয়লাৰ চোৰাং বেহা। চোৰাং কয়লা মাফিয়াই আৰক্ষীৰ চকুত ধূলি দি সৰবৰাহ কৰা এনে এখন কয়লাভৰ্তি ট্ৰাক আজি নগাঁও আৰক্ষীয়ে জব্দ কৰে। নগাঁৱৰ ভিতৰুৱা অঞ্চলৰ পথৰে কয়লা কঢ়িয়াই আনিছিল এ এছ-০১ এম চি-৭৫২৬ নম্বৰৰ ১৪ চকীয়া ট্ৰাকখনে। এই বিষয়ে বিশেষ সূত্ৰৰ পম ছয় পৃষ্ঠাত চাওক

## হোজাইত চালান বিহীন ডাম্পাৰ-বাহন জব্দ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৯ মে' ঃ** হোজাই জিলাৰ দক্ষিণ নগাঁও বন সংমণ্ডলৰ অধীনত বন বিভাগে অবৈধভাৱে শিল-বালি সৰবৰাহৰ বিৰুদ্ধে অব্যাহত ৰাখিছে অভিযান। ইয়াৰ অংশ হিচাপে আজি হোজাই বন সুৰক্ষা বাহিনীৰ ৰেঞ্জাৰ ছেমিম আখতাৰৰ নেতৃত্বত ডবকাৰ ভেলৌগুৰিৰ ৰাষ্ট্ৰীয় ঘাইপথত চলা অভিযানত শিলভৰ্তি ছয় পৃষ্ঠাত চাওক

## মাইক্ৰ'ফাইনেন্স ঋণৰ টকা চৰকাৰে দিয়ক ঃ মুছলপুৰত মহিলাৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১৯ মে' ঃ** ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনৰ পূৰ্বে মাইক্ৰ'ফাইনেন্সৰ ঋণ লোৱা হিতাধিকাৰীসকলক ঋণ ৰেহাই দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। তাকে লৈ সমগ্ৰ ৰাজ্যখনৰ ঋণ লোৱা মহিলাসকলে আনন্দ-উল্লাস কৰিছিল। পিছে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি আজিও কাৰ্যকৰী নোহোৱাৰ লগতে মাইক্ৰ'ফাইনেন্সৰ এজেণ্টসকলে ঋণৰ ধন ছয় পৃষ্ঠাত চাওক



**আৰ্থিক সাহায্য প্ৰদানৰ দাবী যুৱ-ছাত্ৰ পৰিষদৰ**

## ক'ভিডসৃষ্ট পৰিৱেশ দুৰ্যোগ নমাই আনিছে নলবাৰীৰ কুটিৰ শিল্পীলৈ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৯ মে' ঃ** কুটিৰ শিল্পৰে ৰাজ্যত সুনাম কঢ়িয়াই অনা নলবাৰী জিলাৰ কুটিৰ শিল্পৰ স'তে জড়িত ব্যক্তিসকলৰ ক'ভিডসৃষ্ট জটিল পৰিৱেশে জীৱন-জীৱিকালৈ প্ৰচণ্ড ভাবুকি কঢ়িয়াই আনিছে। এনে পৰিপ্ৰেক্ষিতত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিয়ে নলবাৰী জিলাৰ উপায়ুক্তই ই-মেইলযোগে এক স্মাৰকপত্ৰ প্ৰেৰণ কৰি কুটিৰ শিল্পৰ লগত জড়িতসকলক সাহায্য প্ৰদানৰ দাবী জনায়। সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম শৰ্মা আৰু সাধাৰণ সম্পাদক কৌশিক বৰ্মন স্বাক্ষৰিত এক স্মাৰকপত্ৰযোগে সংগঠনটোৱে প্ৰকাশ কৰে যে নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত জাপি শিল্প, মৃৎ শিল্প, স্থাপত্য-ভাস্কৰ্য শিল্পৰ লগত জড়িত ব্যক্তিসকলে ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে যথেষ্ট আৰ্থিক অনাটনত ভুগিবলগীয়া হৈছে। আনহাতে, যিহেতু এই লোকসকলে ছয় পৃষ্ঠাত চাওক

**প্ৰকৃতিপ্ৰেমীসকলৰ বাবে দুঃখবৰ**

## মানাহ ৰাষ্ট্ৰীয় উদ্যানত গৰ্ভৱতী গঁড়ৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৯ মে' ঃ** বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত গৰ্ভৱতী এজনী গঁড়ৰ সকৰুণ মৃত্যু হৈছে। মাত্ৰ কিছুদিন পূৰ্বে পবিতৰাৰ পৰা মানহলৈ স্থানান্তৰ কৰা গঁড়জনী উদ্যানখনৰো মতা গঁড়ৰ আক্ৰমণত



অনাকাংক্ষিতভাৱে মৃত্যুমুখত পৰিবলগা হোৱা ঘটনাই উদ্যানখনৰ বিষয়া-কৰ্মচাৰী, বনকৰ্মী, স্থানীয় স্বেচ্ছাসেৱী সংগঠন, জীপ চাফাৰী সন্থা, ডব্লিউ ডব্লিউ এফ আদিৰ কৰ্মীক হতচকিত কৰি তোলাৰ লগতে দুখ প্ৰকাশ কৰিছে। মানাহৰ বাঁহবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ সমীপত ছয় পৃষ্ঠাত চাওক

## বটদ্ৰৱাৰ কদমণিত ড্ৰাগছৰ ঘাটি উচ্ছেদ ঃ ধৃত এক



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/বটদ্ৰৱা, ১৯ মে' ঃ** নগাঁও জিলাৰ আৰক্ষী অধীক্ষকৰ নেতৃত্বত আৰু বটদ্ৰৱা আৰক্ষীৰ সহযোগত আজি এক বিশেষ সূত্ৰৰ পম খেদি চলোৱা ড্ৰাগছ বিৰোধী অভিযানত বটদ্ৰৱাৰ কদমণিৰ পৰা চিৰাজুল ইছলাম নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে বৃহৎ পৰিমাণৰ ড্ৰাগছ আৰু নগদ ধন জব্দ কৰে। নগাঁৱৰ নৱনিযুক্ত আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই সংবাদ মাধ্যমৰ আগত কৰা মন্তব্য অনুসৰি ড্ৰাগছ সৰবৰাহকাৰী চিৰাজুল ইছলামৰ পৰা ১৩৬ গ্ৰাম ব্ৰাউন ছুগাৰৰ ১২টা পেকেট উদ্ধাৰ কৰাৰ লগতে নগদ ধন ২২ হেজাৰ জব্দ কৰে। বিগত বহুদিন ধৰি চিৰাজুলে নগাঁও জিলাৰ পশ্চিমাঞ্চলত ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল। যাৰ কবলত পৰি ইতিমধ্যে নৱপ্ৰজন্মৰ বহু বিপথগামী হোৱা পৰিলক্ষিত হৈছে। বৰ্তমানেও ধিং আৰু বটদ্ৰৱাৰ কদমণি, ধূপগুৰি, ডুমডুমীয়া, লহকৰ বান্দৰ চাৰিআলি, টুকটুকী, ধনীয়াভেটী, বাৰুৱাটী আৰু মাৰ্কেটিং আদি বিভিন্ন অঞ্চলত এতিয়া ড্ৰাগছৰ প্ৰচলন অব্যাহত আছে।

**কৰ'নাৰ বাবে উপযুক্ত বজাৰৰ অভাৱত হতাশ ফলমূলৰ বিক্ৰেতা**

## গ্ৰামাঞ্চলত গছতে পকি নষ্ট হোৱাৰ উপক্ৰম সুস্বাদু লিচু

**বিশেষ সংবাদদাতা**

**নগাবাট, ১৯ মে' ঃ** কৰ'না ৰোধৰ লক্ষ্যৰে চৰকাৰ তথা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি একাংশ দোকান-বজাৰ, শ্বপিং মল আদি আধা বেলাতে বন্ধ কৰিবলগীয়া হোৱাৰ লগতে ৰাজ্যৰ বহুকেইখন জিলাৰ সৰু-বৰ সাপ্তাহিক বা পষেকীয়া বজাৰ বৰ্তমানেও সম্পূৰ্ণৰূপে বন্ধ হৈ আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত গ্ৰামাঞ্চলৰ অধিকাংশ ক্ষুদ্ৰ ব্যৱসায়ী বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। উল্লেখ্য যে যোৰহাট জিলাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী নগাবাট, বেঁকাজান, বৰহোলা আদি অঞ্চলৰ বহু কৃষকে কল, লিচু, কুঁহিয়াৰ, মাটি কঁঠাল আদি বতৰৰ ফলমূল বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰে। এই ক্ষুদ্ৰ ব্যৱসায়ীসকলে তেওঁলোকৰ ঘৰৰ বাৰীত উৎপাদিত ফলমূলবোৰ বিক্ৰীৰ বাবে ৰাজ্যৰ বিভিন্ন সাপ্তাহিক-পষেকীয়া বজাৰলৈ প্ৰেৰণ কৰে। কিন্তু কৰ'না পৰিস্থিতিৰ বাবে বজাৰসমূহ বন্ধ হৈ থকাত তেওঁলোকৰ ফলমূলবোৰৰ বিক্ৰীও সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। ফলত শ শ ফলমূল গছতে পকি নষ্ট হোৱাৰ উপক্ৰম হৈছে। উপায়হীন ছয় পৃষ্ঠাত চাওক



## নগাঁৱত তিনিদিন ক'ভিড প্ৰতিষেধকৰ অভাৱ


**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ মে' ঃ** যোৱা তিনিদিন ধৰি নগাঁও চহৰৰ প্ৰতিষেধক কেন্দ্ৰসমূহত ৪৫ বছৰ উৰ্ধৰ লোকৰ বাবে প্ৰদান কৰা ক'ভিড প্ৰতিষেধকৰ অভাৱ ঘটিছে। কেন্দ্ৰসমূহত পুৱা চাৰি বজাৰ পৰা শ শ লোক প্ৰতিষেধক ল'বলৈ ৰৈ থকাৰ পাছত পুৱা ১০ বজাত প্ৰতিষেধক যোগান নথকাৰ বাবে প্ৰদান কৰা নহ'ব বুলি স্বাস্থ্য বিভাগে অৱগত কৰাত ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। চৰকাৰে সকলোকে প্ৰতিষেধক গ্ৰহণ কৰিবলৈ আহ্বান জনোৱাৰ বিপৰীতে ইয়াৰ অভাৱত শ শ লোক বোন্দাপৰ দি উভতি যাব লগা হৈছে।

**নগাঁও চহৰত নতুন প্ৰতিষেধক কেন্দ্ৰ মুকলি**

নগাঁও জিলাৰ স্বাস্থ্য বিভাগে জনোৱা অনুসৰি, ছয় পৃষ্ঠাত চাওক

## চিনামৰাত আৰক্ষীৰ জালত ভুৱা দণ্ডাধীশ




**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৯ মে' ঃ** কৰ'না অতিমাৰীৰ আতংকৰ মাজতে আজি চিনামৰাত এজন ভুৱা দণ্ডাধীশ আৰক্ষীৰ জালত পৰা ঘটনাই ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি পুৱা ১০ বজাত এ এছ-০৩ এফ-৬৩৪৭ নম্বৰৰ সন্মুখত কাৰ্যবাহী দণ্ডাধীশ, তিতাবৰ-যোৰহাট বুলি ফলক লগোৱা এখন আই-১০ বাহন আহি চিনামৰা আৰক্ষী চকীত প্ৰৱেশ কৰে। বাহনৰ পৰা নামিয়েই নিজকে অনিৰ্বাণ দত্ত আৰু এগৰাকী কাৰ্যবাহী দণ্ডাধীশ বুলি পৰিচয় দিয়াত সেই সময়ত থানাত কৰ্মৰত আৰক্ষী কনিষ্টবল কেইজনৰ মাজত হুৱাদুৱা লাগে। লোকজনে থানাখনৰ পৰিৱেশ সন্দৰ্ভত তেওঁলোকক বিভিন্ন নিৰ্দেশ দি ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক বিচাৰে। সেই সময়ত আৰক্ষী চকীত ভাৰপ্ৰাপ্ত বিষয়া হিমাংশু গোহাঁই উপস্থিত ছয় পৃষ্ঠাত চাওক

## তেজপুৰৰ বিধ্বস্ত পথৰ আজিলৈকে নহ'ল পকীকৰণ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৯ মে' ঃ** ইয়াণ্ডাবু সন্ধিৰ পূৰ্বেই নিৰ্মাণ হোৱা তেজপুৰ চহৰৰে এটা ঐতিহাসিক অঞ্চলৰ দুশবছৰীয়া পথৰ দুৰৱস্থা আজিলৈকে সলনি নোহোৱাক লৈ



স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। উল্লেখ্য যে চৰকাৰী তথ্য অনুসৰিয়ে তেজপুৰৰ বাম পৰ্বতীয়া অঞ্চলৰ ভগীচুবুৰি চাৰিশ ৫০ মিটাৰ দৈৰ্ঘ্যৰ পথটোৰ আজিলৈকে নিৰ্মাণ নহ'ল। তেজপুৰৰ বাম পৰ্বতীয়া আৰু দ' পৰ্বতীয়াৰ আছে এক ঐতিহাসিক পৰিচয়। আহোম ছয় পৃষ্ঠাত চাওক

## জোৰা-টাপলিৰে চলিছে জনাৰামচৌকা আদৰ্শ চিকিৎসালয় ঃ নাই বিদ্যুৎ-পানী যোগান

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৯ মে' ঃ** জোৰা-টাপলিৰে চলিছে দৰং জিলাৰ ক'ভিড চিকিৎসালয়লৈ ৰূপান্তৰ হোৱা জনাৰামচৌকা আদৰ্শ চিকিৎসালয়। সম্প্ৰতি নিতৌ ৩০-৪০গৰাকী ক'ভিড ৰোগী ভৰ্তি হৈ থকা চিকিৎসালয়খনত নিতৌ ন ন সমস্যাৰ সৃষ্টি হৈছে। উত্থাপিত অভিযোগ মতে, অপৰিষ্কাৰ পৰিৱেশ, লেতেৰা আৰু অপৰিষ্কাৰ পানী, বিকল জেনেৰেটৰ, সকলো কোঠালৈ পানী যোগান নোহোৱা, নিয়মীয়া কৰ্মচাৰীৰ অভাৱ আদিৰ কুফল ভুগিবলগীয়া হৈছে ৰোগীসকলে। আইৰণযুক্ত পানীৰ বাবে শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ মলিয়ন হৈ পৰিছে। তদুপৰি ওপৰ মহলালৈ পানী যোগান নোহোৱাত ৰোগীয়ে খাবলৈ নিয়া মিনাৰেল পানীকে ব্যৱহাৰ কৰিবলগীয়া হৈছে স্নানাগাৰত। ইপিনে, জেনেৰেটৰটো সঘনে বিকল হোৱাত প্ৰায় সকলো আন্ধাৰত বুৰ গৈ থাকিবলগীয়া হয়। মানসিক চাপত থকা অৱস্থাতে আন্ধাৰত বুৰ গৈ থকাটো কিমান ভয়ানক সেয়া ভুক্তভোগীৰ বাহিৰে আনে বুজি নাপাব বুলি ক্ষোভ উজাৰে এগৰাকী মহিলা ৰোগীয়ে। তদুপৰি অস্ত্ৰোপচাৰ কক্ষত নাই জেনেৰেটৰৰ সংযোগ। এই সন্দৰ্ভত চিকিৎসালয়খনৰ তত্ত্বাৱধায়ক ডাঃ মঞ্জুলা দেৱীয়ে কয় যে স্থানীয় বিধায়ক বসন্ত দাসে ব্যক্তিগত উদ্যোগ লৈ বহুখিনি সমস্যা সমাধান কৰিছে। পানীৰ পাইপবোৰ বন্ধ হৈ থকা আৰু কিছু পাইপ বেয়া হোৱাৰ বাবে সুকলমে পানী যোগান নহয় যদিও বিধায়ক দাসে প্লাম্বাৰ আৰু পাইপ পঠাই পানী যোগানৰ ছয় পৃষ্ঠাত চাওক





## শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ উন্নয়নৰ কোটিটকীয়া কেলেংকাৰিৰ তদন্তৰ নামত ভেঁকোভাওনা

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৯ মে' ঃ** সৰিয়হৰ ডুলিতে ভূত থকাৰ লেখীয়াকৈ গোৱালপাৰা জিলা প্ৰশাসনে শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ উন্নয়নৰ কোটিটকীয়া কেলেংকাৰিৰ তদন্তৰ নামত বিগত আঠমাহে ভেঁকোভাওনা চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, গোৱালপাৰা চহৰৰ আঠ নম্বৰ ৱাৰ্ডত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী শ্যামৰায় সত্ৰৰ উন্নয়নৰ বাবে অসম চৰকাৰৰ পুৰাতত্ত্ব বিভাগে ২০১৭ৰ ২২ মাৰ্চৰ 'আৰ্ক সত্ৰ ১৭৫/পি টি-৫/২০১৬-১৭/১৬০ 'নম্বৰ চিঠিযোগে মুঠ এক ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী বৃহস্পতিবাৰ ৫ জেঠ ১৪২৮ভাস্কৰাব্দ ২০ মে' ২০২১



# আৰু এখন যুদ্ধ?

পুনৰ আৰৱ আৰু ইজৰাইলৰ মাজত ভয়ংকৰ ৰক্তক্ষয়ী যুদ্ধ আৰম্ভ হ'ব নেকি? এই প্ৰশ্ন উত্থাপিত হৈছে শেহতীয়া ইজৰাইল আৰু পেলেষ্টাইনৰ মাজত হোৱা সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত। যোৱা এসপ্তাহৰো অধিক সময় ধৰি ইজৰাইলী বায়ুসেনাই পেলেষ্টাইনৰ গাজা ষ্ট্ৰীপ অঞ্চলত বোমা আৰু ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলাই আছে। বোমা আক্ৰমণ ইমানেই শক্তিশালী যে ১২ মহলীয়া সুউচ্চ অট্টালিকাও ধ্বংস কৰিছে। ইজৰাইলে যদিও দাবী কৰি আহিছে যে ইয়াৰ বায়ুসেনাই কেৱল হামাছ নামৰ ইছলামিক জেহাদী সশস্ত্ৰ সংগঠন আৰু ইয়াৰ নেতাসকলকহে আক্ৰমণৰ লক্ষ্য কৰি আহিছে, কিন্তু দেখা গৈছে যে এই আক্ৰমণত ইতিমধ্যে মৃত্যু হোৱা দুই শতাধিক পেলেষ্টাইনী লোকৰ ভিতৰত ৬০ৰো অধিক শিশু। পেলেষ্টাইনীসকলৰ অসামৰিক লোক আৰু শিশুৰ মৃত্যু অধিক হৈছে। ইজৰাইলী বায়ুসেনাই হামাছৰ ঘাটিসমূহ, আশ্ৰয় স্থলসমূহ, কাৰ্যালয়সমূহ ধ্বংস কৰিছে আৰু সশস্ত্ৰ সংগঠনটোৰ সদস্য তথা শীৰ্ষ নেতা এই আক্ৰমণত নিহত হৈছে। ইজৰাইলী আক্ৰমণৰ ফলত হেজাৰ হেজাৰ পেলেষ্টাইনী গৃহহাৰা হোৱাত সীমামূৰীয়া মিছৰ আদি দেশত ভগনীয়া হিচাপে আশ্ৰয় লৈছে। উল্লেখ্য যে গাজাৰ কিছু সংখ্যক পেলেষ্টাইনী লোকক ইজৰাইলৰ আৰক্ষীয়ে আটক কৰাৰ প্ৰতিবাদত পেলেষ্টাইনীসকলে হিংসাত্মক প্ৰতিবাদ কৰাত তেওঁলোকৰ ওপৰত আৰক্ষীৰ আতিশয্য চলোৱা হয়। ইয়াৰ পাছতে হামাছ উগ্ৰপন্থীয়ে ক্ষেপণাস্ত্ৰৰে ইজৰাইলৰ ওপৰত আক্ৰমণ চলায়। এইদৰেই সূত্ৰপাত হয় সংঘৰ্ষৰ। ইজৰাইলী অত্যাধুনিক বায়ুসেনা বাহিনীয়ে হামাছক লক্ষ্য কৰি বোমা আৰু ক্ষেপণাস্ত্ৰৰে কৰা আক্ৰমণত ব্যাপক ধ্বংস আৰু দুশৰো অধিক লোকৰ ইতিমধ্যে মৃত্যু হৈছে। ইয়াৰ বিপৰীতে হামাছৰ আক্ৰমণত ২০ জন ইজৰাইলীৰ মৃত্যু হোৱাৰ খবৰ প্ৰকাশ পাইছে। ইজৰাইলে আনকি বায়ুসেনাৰ আক্ৰমণৰ পাছতে স্থলভাগেদি আক্ৰমণৰ বাবে সাজু কৰি ৰাখিছে ন হেজাৰ ইজৰাইলী সৈন্য। যোৱা ২০১২ৰ যুদ্ধতকৈ বেছি ভয়ানক আৰু ক্ষয়ংকৰী যুদ্ধ হোৱাৰ আশংকাই দেখা দিছে।

উল্লেখ্য যে ইজৰাইলী আৰু পেলেষ্টাইনীসকলৰ মাজত সংঘৰ্ষ তথা যুদ্ধ আৰু শত্ৰুতা দীৰ্ঘকাল ধৰি অব্যাহত আছে। পেলেষ্টাইনীসকল পেলেষ্টাইনৰ প্ৰাচীন বাসিন্দা যদিও পেলেষ্টাইনীসকলক এখন সাৰ্বভৌম স্বাধীন ৰাষ্ট্ৰ হিচাপে গঠন কৰাত ইজৰাইলে বাধা দি আহিছে। যোৱা শতিকাৰ শেষৰ ফালে পেলেষ্টাইনৰ ৱেষ্টবেংক অঞ্চলত পেলেষ্টাইনীসকলক স্বায়ত্তশাসন সদৃশ ক্ষমতাসহ চৰকাৰ গঠন কৰিবলৈ দিয়া হ'ল যদিও সামৰিক আদি ক্ষেত্ৰত ইজৰাইলী নিয়ন্ত্ৰণ বাহাল থাকিল। উল্লেখ্য যে ৱেষ্টবেংক অঞ্চলটো বিখ্যাত পেলেষ্টাইনী নেতা য়াছেৰ আৰাফটৰ সমৰ্থনত গঠিত 'ফাটাহ' নামৰ সংগঠনৰ প্ৰভাৱাধীন হৈ আছে। পেলেষ্টাইন লিবাৰেছন অৰ্গেনাইজেছন (পি এল অ')ৰ মুৰব্বী আৰাফট আৰু তেওঁৰ ফাটাহ সংগঠনে যথেষ্ট নৰম স্থিতি গ্ৰহণ কৰিছিল আৰু ইজৰাইলে ৱেষ্টবেংক অঞ্চলত পেলেষ্টাইনীসকলৰ প্ৰশাসন ব্যৱস্থা স্বীকাৰ কৰিছিল। বৰ্তমান সেয়ে এই অঞ্চলক ইজৰাইলে আক্ৰমণৰ লক্ষ্য কৰা নাই; কিন্তু গাজা অঞ্চলত ইছলামিক জেহাদী তথা উগ্ৰ সশস্ত্ৰ সংগঠন হামাছৰ প্ৰভাৱ তথা শক্তি বেছি আৰু সেয়ে হামাছ আৰু ইজৰাইলৰ মাজত সংঘৰ্ষও তীব্ৰ। এই অঞ্চল ইজৰাইলে অৱৰোধ কৰি ৰাখিছে। আনহাতে, গাজা অঞ্চলৰ শক্তিশালী হামাছৰ বিৰুদ্ধে ইতিমধ্যে ইজৰাইলে চাৰিখন যুদ্ধত লিপ্ত হৈছে। গাজাৰ প্ৰধান বাসিন্দা পেলেষ্টাইনীসকলৰ সংখ্যা ২১ লাখ। ইয়াৰ বিপৰীতে ৱেষ্টবেংকত প্ৰায় সাত লাখ লোক আছে, যিসকলক ইজৰাইলে নি সংস্থাপিত কৰিছে; কিন্তু ৱেষ্টবেংকত ২৭ লাখ পেলেষ্টাইনী লোকে বাস কৰে। স্মৰ্তব্য যে ইজৰাইল তথা ইহুদীসকলৰ বিষয়ত পেলেষ্টাইনীসকলৰ মাজত মতৰ ভিন্নতা আছে। একাংশ পেলেষ্টাইনীয়ে ইজৰাইল ৰাষ্ট্ৰৰ অস্তিত্ব মানি লৈছে; কিন্তু হামাছৰ দৰে জেহাদী সংগঠনে এই ক্ষেত্ৰত বিৰোধিতা কৰি আহিছে। ইহুদী ৰাষ্ট্ৰ ইজৰাইলেও পেলেষ্টাইনীসকলক সাৰ্বভৌম পেলেষ্টাইন ৰাষ্ট্ৰ গঠনত বাধা প্ৰদান কৰি আহিছে। সেয়ে যেতিয়ালৈকে পেলেষ্টাইন আৰু ইজৰাইলে পৰস্পৰে পৰস্পৰৰ স্বতন্ত্ৰ সত্তাক স্বীকৃতি প্ৰদান নকৰিব, তেতিয়ালৈকে দুই ভিন্নধৰ্মী জাতিৰ মাজত যুদ্ধ বিগ্ৰহ আৰু শত্ৰুতাৰ ওৰ নপৰিব।

ইহুদীসকলৰ ৰাষ্ট্ৰ ইজৰাইলক আমেৰিকা যুক্তৰাষ্ট্ৰই সকলো সময়তে সকলো ধৰণৰ সহায়-সমৰ্থন কৰি আহিছে। আনকি আমেৰিকাৰ আহ্বান বা পৰামৰ্শ নামানিলেও ইজৰাইলৰ বিৰুদ্ধে কেতিয়াও আমেৰিকাই ব্যৱস্থা গ্ৰহণ নকৰে। শেহতীয়াভাৱে গাজা আক্ৰমণ বন্ধ কৰিবলৈ আমেৰিকাই আহ্বান জনোৱা সত্ত্বেও ইজৰাইলে আক্ৰমণ বন্ধ কৰা নাই। হামাছ আৰু জেহাদীসকল থকালৈকে ইজৰাইলৰ আক্ৰমণ অব্যাহত থাকিব বুলিহে ঘোষণা কৰিছে। আনহাতে, ৰাষ্ট্ৰসংঘই ইজৰাইলৰ বিৰুদ্ধে আৰু আক্ৰমণ বন্ধ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰাৰ ক্ষেত্ৰত আমেৰিকাৰ বিৰোধিতাৰ বাবে সেয়া সম্ভৱ হোৱা নাই। এনে ক্ষেত্ৰত আমেৰিকাই কূটনৈতিক পন্থাৰে ইজৰাইলক আক্ৰমণৰ পৰা বিৰত ৰখাৰ প্ৰচেষ্টা ফলদায়ক হ'ব পাৰে। অৱশ্যে ইজৰাইল আৰু হামাছ উভয় পক্ষই যুদ্ধবিৰতি মানি লোৱাৰ প্ৰয়োজন। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে এই ক্ষেত্ৰত নিজাববীয়াকৈ ব্যৱস্থা হাতত ল'ব পাৰে। এনে প্ৰচেষ্টাৰ অভাৱ হ'লে মধ্য প্ৰাচ্যৰ পৰিস্থিতিৰ অধিক অৱনতি ঘটাৰ আশংকা নুই কৰিব নোৱাৰি। ইতিমধ্যে আৰব ৰাষ্ট্ৰসমূহ এই সন্দৰ্ভত আলোচনাত বহিছে। আন এখন আৰব-ইজৰাইলৰ যুদ্ধ যাতে নহয় সেইটোৱেই সকলোৰে কাম্য।

## খোলা মঞ্চ

# আলফাৰ কাৰ্যকলাপে অসমীয়া জাতিক সহায় কৰিছে নে?



**বৰ্তমান** কৰ'নাৰ বিভীষিকাৰ ত্ৰাসত ত্ৰাসিত হৈ থকা মানৱ সমাজত, অসমীয়া জাতিৰ ওপৰত 'ভূতৰ ওপৰত দানহ পৰা'ৰ দৰে ত্ৰাসৰ অন্য এক নাম হ'ল 'আলফা'। প্ৰকৃততে ক'বলৈ গ'লে আলফাই বৰ্তমান সময়ত নিজৰ স্থিতি প্ৰদৰ্শনৰ নামত যিবোৰ কাৰ্যকলাপ চলাইছে, সেইবোৰ কোনোমতেই গ্ৰহণযোগ্য নহয়।

আলফা এক নিষিদ্ধ সংগঠন, জংঘলেই যাৰ পৰিচয়। কিন্তু আমি যদি আজিৰ পৰা ৪০ বছৰৰ আগৰ আলফাৰ জন্মমুহূৰ্তলৈ ঘূৰি চাওঁ, তেতিয়া দেখা পাওঁ যে সেই সময়ত অসমত যি ৰাজনৈতিক, সামাজিক বাতাবৰণ চলি আছিল, সেই প্ৰেক্ষাপটত অসমৰ মানুহে হয়তো এনে এটা সংগঠনৰ প্ৰয়োজন অনুভৱ কৰিছিল; যি সংগঠনে জনসাধাৰণৰ মনত জমা হোৱা ক্ষোভবোৰ প্ৰকাশৰ বাবে এটা সাহসী কণ্ঠ লাভ কৰিব পাৰে। সেয়ে আলফাই যেতিয়া প্ৰথম অৱস্থাত সমাজত চলি থকা কিছুমান কুকৰ্মৰ বিৰুদ্ধে কিছুমান পদক্ষেপ গ্ৰহণ কৰিছিল, তেতিয়া সৰ্বসাধাৰণ মানুহে তেনেবোৰ কাৰ্যলৈ নৈতিক সমৰ্থন আগবঢ়াই আলফালৈ সহায়ৰ হাত আগবঢ়াই দিছিল। কিন্তু সময়ৰ লগে লগে আলফাত বিভিন্ন যুৱকে যোগ দিবলৈ আৰম্ভ কৰাৰ পাছত সংগঠনটোৰ কাৰ্যকলাপৰ ধৰণ সলনি হ'বলৈ আৰম্ভ কৰিলে। কিছুমান 'লিংকমেন'ৰ যোগেদি মানুহক ধন দাবী কৰা, ব্যৱসায়ীসকলক ধন দাবী কৰি অত্যাচাৰ চলোৱা, সাধাৰণ মানুহক সাধাৰণ কথাতে বিভিন্ন ধৰণে হাৰাশাস্তি কৰা, বন্দুকৰ ভয় দেখুওৱা আদি বিভিন্ন কুকাৰ্যৰে আলফাই সামাজিক পৰিৱেশটো অস্থিৰ কৰি তুলিলে। শেষত চৰকাৰে আলফাক 'নিষিদ্ধ সংগঠন' ঘোষণা কৰিলে।

**শিখা হাজৰিকা,** *লেখিকা*

ইফালে, আলফাৰ কিছুমান সদস্যই অ'ত-ত'ত বোমা বিস্ফোৰণ ঘটোৱা, মানুহ অপহৰণ কৰা আদি দুষ্কাৰ্যবোৰ কৰিবলৈ ধৰিলে। বিশেষকৈ মাজুলীৰ সঞ্জয় ঘোষক অপহৰণ কৰি হত্যা কৰা, ধেমাজিত বোমা ফুটাই শিশু হত্যা কৰা আদি ঘটনাবোৰ সংঘটিত কৰাৰ পাছত সাধাৰণ মানুহে আলফাক ভয় কৰাই নহয়, ঘৃণাৰ দৃষ্টিৰে চাবলৈ ধৰিলে।

আলফাৰ মূল উদ্দেশ্য আছিল হেনো, আলফাক এখন 'স্বাধীন অসম' লাগে। অসমীয়া মানুহৰ মনত ত্ৰাসৰ সৃষ্টি কৰি আলফাই কাক লৈ কাৰ বাবে স্বাধীন অসমৰ কল্পনা কৰিছে? তথাপি আশা ৰাখিছো, আলফাৰ সদস্যসকলে তেওঁলোকৰ কাৰ্যপন্থা সলনি কৰি মানুহৰ মাজলৈ ঘূৰি আহি জনসাধাৰণৰ আস্থাভাজন হওক। সৎ চিন্তাৰে, সৎ কাৰ্যৰে জনসাধাৰণৰ মংগলৰ হকে কাম কৰি দেশক আগবঢ়াই নিবলৈ চেষ্টা কৰক। নহ'লে ভৱিষ্যতে ইতিহাসেও তেওঁলোকক ক্ষমা নকৰিব।

*ফোন ঃ ৯৯৫৭১-২১৬৮৩*

# কৰ'না সংক্ৰমণ ৰোধৰ সৰ্বোত্তম উপায় কি?

**প্ৰতিষেধক লোৱাটোও এতিয়া বিড়ম্বনাৰ কথা হৈছে। প্ৰতিষেধক প্ৰদান কৰা কেন্দ্ৰসমূহত ৰাইজে ইজনৰ গাত সিজনে প্ৰায় লাগি থকাকৈ বিশৃংখলভাৱে যেনেদৰে শাৰী পাতি থাকে, চৰকাৰে নিৰ্ধাৰণ কৰা কৰ'না প্ৰট'কলৰ নামমাত্ৰও তাত দেখিবলৈ পোৱা নাযায়।**



## সোঁতৰ বিপৰীতে চিন্তা

**প্ৰবীণ চৌধুৰী**

যোৱা বছৰৰ আৰম্ভণিতে কৰ'না মহামাৰীয়ে অতিমাৰীৰ ৰূপ লোৱাৰে পৰা পৃথিৱীজুৰি ৰোগটো ৰোধ কৰাৰ বাবে প্ৰতিষেধক আৱিষ্কাৰ কৰাৰ মানসেৰে গৱেষণা আৰু পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰা হৈছিল। সমান্তৰালভাৱে ৰোগটোৰ চিকিৎসাৰ বাবে ঔষধ আৱিষ্কাৰ কৰাৰ বাবেও গৱেষণা আদি আৰম্ভ কৰা হৈছিল নে নাই, সেই বিষয়ে আলোচনা-বিলোচনা অথবা বাতৰি পৰিৱেশন দেখা নগৈছিল। ৰোগটোৰ চিকিৎসাৰ বাবে মেলেৰিয়াৰ চিকিৎসাত ব্যৱহাৰ কৰা হাইড্ৰ'ক্ল'ৰোকুইন আৰু সাধাৰণ জ্বৰত ব্যৱহাৰ কৰা পেৰাচিটামল ব্যৱহাৰ কৰা হৈছিল। আমাৰ দেশে আমেৰিকালৈ প্ৰচুৰ পৰিমাণৰ হাইড্ৰ'ক্ল'ৰোকুইন ৰপ্তানি কৰিছিল। আমেৰিকাৰ ড্ৰাগ নিয়ন্ত্ৰণকাৰী কৰ্তৃপক্ষই দৰৱটো কৰ'না ৰোগৰ চিকিৎসাত জৰুৰীকালীন প্ৰয়োগৰ বাবে ২৮ মাৰ্চ ২০২০ত অনুমোদন জনাইছিল। পাছত পৰীক্ষা-নিৰীক্ষা চলাই দৰৱটো ৰোগটোৰ চিকিৎসাৰ বাবে ফলপ্ৰসূ নহয় বুলি আৰু ভয়াৱহ পাৰ্শ্বক্ৰিয়া দেখি সেই অনুমোদন ১৫ জুন ২০২০ত প্ৰত্যাহাৰ কৰে। এতিয়া হাস্পতালত ভৰ্তি হোৱা কৰ'না ৰোগীৰ চিকিৎসাৰ বাবে ইব'লা নামৰ ভাইৰাছৰ সংক্ৰমণৰ বিৰুদ্ধে ব্যৱহাৰ কৰা 'ৰেমডেচিভিৰ' নামৰ ইনজেকচন এবিধ ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। দৰৱবিধ কিমান ফলপ্ৰসূ, সেই কথা সম্পূৰ্ণভাৱে প্ৰমাণিত হোৱা নাই। তথাপি 'ড্ৰাগছ কন্ট্ৰোলাৰ জেনেৰেল অৱ ইণ্ডিয়া'ৰ অনুমোদন সাপেক্ষে এই দৰৱবিধ কৰ'না ৰোগৰ চিকিৎসাৰ বাবে ব্যৱহৃত হৈ আছে। অতি সুখবৰ যে, ভাৰতৰ 'ডিফেন্স ৰিছাৰ্চ ডেভেলপমেন্ট অৰ্গেনাইজেছন'ৰ 'ইনষ্টিটিউট অৱ নিউক্লিয়াৰ মেডিচিন এণ্ড এলাইড ছায়েন্স'-এ আৱিষ্কাৰ কৰা 2-deoxy-D-glucose (2-DG) নামৰ দৰৱ এবিধ মজলীয়াভাৱে কৰ'না আক্ৰান্ত ৰোগৰ চিকিৎসাৰ বাবে ভাৰতৰ ড্ৰাগ নিয়ন্ত্ৰণকাৰী কৰ্তৃপক্ষই জৰুৰীকালীন প্ৰয়োগৰ বাবে অনুমোদন জনাইছে। দৰৱবিধে কৰ'না ৰোগীক সকাহ দিয়াৰ লগতে তেওঁলোকৰ অক্সিজেনৰ ওপৰত নিৰ্ভৰ হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। যোৱা এপ্ৰিলত জিদাছ কেডিলা নামৰ কোম্পানী এটাই প্ৰস্তুত কৰা 'ভিৰাফিন' নামৰ প্ৰায় একে ধৰণৰ দৰৱ এবিধৰ জৰুৰীকালীন প্ৰয়োগৰ বাবে ভাৰতৰ ড্ৰাগছ নিয়ন্ত্ৰণকাৰী কৰ্তৃপক্ষই অনুমোদন দিছিল। অৱশ্যে বিষয়টোৱে বিশেষ প্ৰচাৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই। যি হওক কৰ'না ৰোগৰ চিকিৎসাৰ বাবে আৱিষ্কাৰ হোৱা দৰৱৰ ফলপ্ৰসূতা সম্বন্ধে সম্পূৰ্ণভাৱে আশ্বস্ত হ'বলৈ আৰু ইয়াৰ বহুল প্ৰয়োগ আৰম্ভ হ'বলৈ কিছু সময় অপেক্ষা কৰিব লাগিব। গতিকে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰা নিজকে বচাবলৈ সকলোৱে চৰকাৰে ধাৰ্য কৰা প্ৰট'কল আৰু আন নীতি-নিয়মসমূহ মানি চলাটো দৰকাৰী কথা। লগতে কৰ'না ৰোগৰ প্ৰতিষেধক লোৱাটোও সমানেই দৰকাৰী কথা।

ভাৰতত প্ৰতিষেধক দিয়া আৰম্ভ কৰা হৈছিল ১৬ জানুৱাৰী, ২০২১ৰ পৰা। প্ৰথম অৱস্থাত প্ৰতিষেধক ল'ব নে নাই, সেই বিষয়ে মানুহৰ মন দ্বিধাগ্ৰস্ত হৈ আছিল। আনকি ডাক্তৰসকলেও বিনাদ্বিধাই প্ৰতিষেধক লোৱা নাছিল। সকলোতকৈ আগতে প্ৰতিষেধক ল'ব লগা হোৱা বাবে অনেক ডাক্তৰে নিজকে গিনিপিগ বুলি ভাবিছিল আৰু অসন্তুষ্টিত ভুগিছিল। মনত থকা দ্বিধাৰ বাবেই দ্বিতীয় পৰ্যায়ত ৬০ বছৰৰ উৰ্ধ্বৰ আৰু আন ৰোগৰ উপসৰ্গ থকা ৪৫ বছৰৰ উৰ্ধ্বৰ লোকৰ বাবে টিকাকৰণ মাৰ্চৰ এক তাৰিখৰ পৰা আৰম্ভ কৰা হৈছিল যদিও এপ্ৰিলৰ মাজভাগ মানলৈ টিকা প্ৰদান কৰা কেন্দ্ৰবোৰত টিকা ল'বলৈ অহা মানুহৰ ভিৰ দেখা নগৈছিল। তৃতীয় পৰ্যায়ত ৪৫ বছৰৰ উৰ্ধ্বৰ সকলো লোকৰ বাবে টিকাকৰণ আৰম্ভ হৈছিল এক এপ্ৰিল, ২০২১ৰ পৰা। গতিকে এপ্ৰিলৰ মাজৰ পৰা টিকা প্ৰদান কেন্দ্ৰসমূহত ভিৰ বাঢ়িবলৈ লৈছিল। এক মে'ৰ পৰা ১৮ বছৰৰ উৰ্ধ্বৰ সকলো লোককে প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰাৰ ফলত সেই ভিৰ অধিক হৈছে।

প্ৰতিষেধক লোৱাটোও এতিয়া বিড়ম্বনাৰ কথা হৈছে। প্ৰতিষেধক প্ৰদান কৰা কেন্দ্ৰসমূহত ৰাইজে ইজনৰ গাত সিজনে প্ৰায় লাগি থকাকৈ বিশৃংখলভাৱে যেনেদৰে শাৰী পাতি থাকে, চৰকাৰে নিৰ্ধাৰণ কৰা কৰ'না প্ৰট'কলৰ নামমাত্ৰও তাত দেখিবলৈ পোৱা নাযায়। প্ৰতিষেধক ল'বলৈ অহা মানুহৰ সেই শাৰীবোৰেই এতিয়া কৰ'না সংক্ৰমণ প্ৰসাৰ কৰা কেন্দ্ৰলৈ ৰূপান্তৰিত হৈছে। প্ৰতিষেধক প্ৰদান কৰা কেন্দ্ৰসমূহৰ কৰ্তৃপক্ষ আৰু চৰকাৰী কৰ্তৃপক্ষ এই ক্ষেত্ৰত কিয় নিৰ্বিকাৰ, সেই কথা জনা নাযায়। ঘৰে ঘৰে গৈ শিশুক পাল্ছ পলিঅ' প্ৰতিষেধক দিয়াৰ দৰে কৰ'না প্ৰতিষেধকো ঘৰে ঘৰে গৈ দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

ভাৰতত 'ক'ভাক্সিন' আৰু 'কভিশ্বিল্ড' নামৰ দুবিধ প্ৰতিষেধক দিয়া হয়। কোনটো প্ৰতিষেধক বেছি ভাল, উপযোগী বা কাৰ্যক্ষম, সেই বিষয়েও বিভিন্ন সময়ত বিভিন্নজনে মতামত ব্যক্ত কৰিছে। আৰম্ভণিতে ক'ভাক্সিনৰ তুলনাত ক'ভিশ্বিল্ড বেছি ভাল বুলি বাতৰি প্ৰকাশ পাইছিল। এতিয়া ক'ভিশ্বিল্ডতকৈ ক'ভাক্সিন বেছি ভাল বুলি বাতৰি ওলাইছে। অনেকৰ মতে ৰাছিয়াৰ 'স্পুটনিক ভি' প্ৰতিষেধক এই দুটাতকৈ আৰু বেছি ভাল। আমি সৰুতে বসন্ত, টিবি, কলেৰা আদিৰ ছিটা লওঁতে আৰু পাছত আমাৰ ল'ৰা-ছোৱালীক ডিফ্‌টেৰিয়া, প'লিঅ' আদি বিভিন্ন ৰোগৰ টিকা দিওঁতে কোন কোম্পানীৰ কি নামৰ প্ৰতিষেধক লৈছিলো বা দিয়াইছিলো, সেই বিষয়ে জনাৰ প্ৰয়োজন বোধ কৰা নাছিলো। এতিয়া কৰ'না ৰোগৰ প্ৰতিষেধকৰ ক্ষেত্ৰত প্ৰতিষেধকবোৰৰ নাম আৰু কোনবিধ প্ৰতিষেধক অধিক ফলপ্ৰসূ আদিৰ বিষয়ে ৰাইজক জনাই ৰাইজৰ মনত অযথা বিভ্ৰান্তিৰহে সৃষ্টি কৰা হৈছে।

যোৱা বছৰ কৰ'না সংক্ৰমণ ৰোধ কৰাৰ বাবে প্ৰথমতে তলাবন্ধ আৰম্ভ কৰি পৰ্যায়ক্ৰমে নিয়ম শিথিল কৰি অহা হৈছিল। এইবাৰ তাৰ ওলোটাটো হৈছে। প্ৰথমতে নিশাৰ ভাগত সান্ধ্য আইন বলৱৎ কৰি তাৰ অৱধি বঢ়াই বঢ়াই মানুহ ওলোৱা-সোমোৱা সময় কমাই কমাই প্ৰায় তলাবন্ধৰ পৰ্যায়লৈ গতি কৰি আছে। প্ৰক্ৰিয়াটো এতিয়া 'শ্ল' পয়জনিং' যেন লগা হৈছে। খোলা সময় এঘন্টা এঘন্টাকৈ কমাই আনি আনি মানুহক সন্ত্ৰস্ত কৰা হৈছে। মোৰ বোধেৰে এনেদৰে 'ট্ৰায়েল এণ্ড এৰৰ' প্ৰক্ৰিয়াৰে ৰাইজক বিভ্ৰান্ত আৰু সন্ত্ৰস্ত কৰাৰ সলনি কিছুদিনৰ বাবে সম্পূৰ্ণ তলাবন্ধ কৰি দিয়াটো বেছি ভাল।

সাধাৰণ শ্ৰমিক, দিন হাজিৰা কৰা লোক, অটোচালক, ৰিক্সাচালক, টেক্সীচালক আদিৰ কাৰণে সম্পূৰ্ণ তলাবন্ধ আৰু কেৱল পুৱাৰ ভাগত পাঁচ-ছয় ঘন্টা খুলি ৰখাৰ মাজত বিশেষ পাৰ্থক্য নাই। বৰঞ্চ একেবাৰে বন্ধ কৰি দিলে তেওঁলোকে অৰ্জন কৰাৰ আশা পৰিত্যাগ কৰি আশাভংগ হোৱাৰ বেদনাৰ পৰা মুক্ত হ'ব। তদুপৰি দিনটোৰ ১০ ঘন্টা সময় বজাৰ খোলা থাকিলে দিনটোত বেলেগ বেলেগ সময়ত মানুহ বজাৰলৈ আহিলহেঁতেন। এতিয়া চাৰি-পাঁচ ঘন্টাৰ ভিতৰত দিনটোত আহিবলগীয়া সকলো মানুহ বজাৰলৈ আহিবলগীয়া হোৱাত বজাৰত মানুহৰ ভিৰ বঢ়াৰ কাৰণে সংক্ৰমণৰ সম্ভাৱনা বাঢ়িছেহে। গতিকে সংক্ৰমণ ৰোধৰ বাবে গ্ৰহণ কৰা এই ব্যৱস্থা মুঠেও ফলপ্ৰসূ নহয়।

কৰ'না ৰোগৰ প্ৰাদুৰ্ভাৱৰ আগতে বিভিন্ন চিকিৎসালয়, নাৰ্ছিংহোম আদি বিভিন্ন ৰোগত আক্ৰান্ত ৰোগীৰে ভৰি আছিল। হাস্পতালবোৰৰ বহিঃবিভাগত বহিবলৈ চকী পোৱা নগৈছিল, ৰোগী



ভৰ্তি কৰিবলৈ হাস্পতালবোৰত ৰূম পোৱা নগৈছিল। চিকিৎসকসকলৰ ব্যক্তিগত চেম্বাৰতো ৰোগীয়ে ভিৰ কৰিছিল। সৰু-সুৰা নাৰ্ছিংহোমবোৰ গল ব্লাডাৰত হোৱা ষ্ট'ন ৰিমোভেল আৰু সন্তান সম্ভৱা মহিলাই সন্তান জন্ম দিবলৈ ভৰ্তি হোৱা ৰোগীৰে ভৰি আছিল। এতিয়া মানুহৰ গল ব্লাডাৰত ষ্ট'ন নহয় নেকি? মহিলাসকলে সন্তান জন্ম দিবলৈ এৰিলে নেকি? বাকী ইনফ্লুৱেঞ্জা, পেটৰ অসুখ, পানী লগা জ্বৰ, ডেংগু, চিকুণ গুইয়াঁ, জাপানীজ এনকেফেলাইটিছ, জণ্ডিচ আদি নিৰ্মূল হ'ল নেকি? এনে ধৰণৰ বিভিন্ন যিবোৰ বেমাৰৰ চিকিৎসাৰ বাবে হাস্পতালসমূহ ভৰি আছিল, চিকিৎসকৰ চেম্বাৰত শাৰী পাতিব লগা হৈছিল, সেইবোৰ বেমাৰ এতিয়া নোহোৱা হৈ গ'ল নেকি? এতিয়া কিছুমান মানুহে নিজকে নিজে চিকিৎসা কৰিবলৈ লোৱাৰ দৰে ভয়ংকৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হৈছে।

চিকিৎসালয় সমন্বিতে ৰাজ্যৰ প্ৰায় সৰহভাগ স্বাস্থ্য আন্তঃগাঁথনি কেৱল কৰ'না ৰোগৰ চিকিৎসাৰ বাবে আছুতীয়াকৈ ৰখাৰ বাবে আন ৰোগত আক্ৰান্ত হৈ থকা ৰোগী উপযুক্ত চিকিৎসাৰ পৰা বঞ্চিত হ'বলগীয়া হৈ অনেকে মৃত্যুমুখতো পৰিছে। আনকি পৰামৰ্শ লোৱাৰ বাবেও ৰাইজে কোনো ডাক্তৰকে ঢুকি নোপোৱা হৈছে। উপায় নাপাই কোনো ৰোগীক হাস্পতাললৈ নিব লগা হ'লে আৰু কেনেবাকৈ তেওঁৰ শৰীৰত কৰ'না সংক্ৰমণৰ আভাস পালে ৰোগীজনক কৰ'না ৰোগৰ চিকিৎসাৰ বাবে লৈ যোৱা হয়। শুনা যায়, তেনে ৰোগীক মূল ৰোগৰ চিকিৎসাৰ পৰা বঞ্চিত কৰা হয় আৰু মূল ৰোগৰ চিকিৎসাৰ পৰা বঞ্চিত হৈ মৃত্যুবৰণ কৰা লোকৰ শৰীৰত কৰ'না সংক্ৰমণ থাকিলে তেওঁৰ কৰ'না ৰোগতে মৃত্যু হৈছে বুলি চৰকাৰীভাৱে ঘোষণা কৰা হয়। শুনা কথা যদি সঁচা হয়, তেন্তে আন ৰোগত আক্ৰান্ত হৈ থকা ৰোগী উপযুক্ত চিকিৎসাৰ পৰা বঞ্চিত হৈ মৃত্যুবৰণ কৰাটো নিশ্চয় অতি দুৰ্ভাগ্যৰ কথা।

বৰ্তমান আমি যেনে ধৰণৰ জীৱন যাপন কৰিছো, তাতকৈ মৃত্যুয়ে শ্ৰেয় যেন লগা হৈছে। পুৱা খোজকাঢ়িবলৈ যাওঁতে মুকলি বায়ু সেৱন কৰাৰ সলনি মাস্ক পিন্ধি নিজৰ নিশ্বাসৰ পৰা ওলোৱা প্ৰদূষিত বায়ু সেৱন কৰিব লাগে। গাড়ী এখন অকলে চলাই গ'লেও চালকজনে মাস্ক পিন্ধিব লাগে। একেটা পৰিয়ালৰ চাৰি-পাঁচজন সদস্য নিজৰ গাড়ীখনত একেলগে বহি ওলাই যাব নোৱাৰে। ঘৰখনত বয়সস্থ অকলশৰীয়া পিতৃ বা মাতৃ এগৰাকী থাকিলে পুত্ৰই তেওঁক ঘৰত অকলে এৰি যাব লাগে। এহাল নাবালক ল'ৰা-ছোৱালী থকা পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক লগত লৈ ওলাই যাব নোৱাৰে।

অনিৰ্দিষ্ট কাললৈ মানুহ ঘৰত সোমাই থাকিব নোৱাৰে। সপ্তাহে-পযেকে অন্ততঃ এদিন যাতে মানুহে মুকলিমুৰীয়াকৈ অ'লৈ ত'লৈ যাব পাৰে, তাৰ বাবে এটা সময়ৰ মূৰে মূৰে একোটা দিন কৰ্তৃপক্ষই সকলো প্ৰতিবন্ধক উঠাই দিয়াৰ আৰু সংক্ৰমণৰ সম্ভাৱনা কমাই ৰখাৰ বাবে সেই দিনটোত বজাৰ-সমাৰ আৰু ৰাজহুৱা সমাগম বন্ধ ৰখাৰ কথা চিন্তা কৰিব পাৰে।

মাস্ক পিন্ধি কষ্ট পাওঁ, উশাহ লোৱাত অসুবিধা পাওঁ, চছমাত নিশ্বাসৰ ভাপ লাগি একো নেদেখা হওঁ, মাস্ক পিন্ধি কোৱা কথা স্পষ্টভাৱে নুশুনো, মাস্ক পিন্ধি আহি সন্মুখত থিয় হোৱা আপোন মানুহজনক চিনি নাপাওঁ, কাৰো মুখত হাঁহি এটা নেদেখো, আপোন মানুহজনক কৰ'না হোৱা বুলি সন্দেহ কৰো। মাস্ক পিন্ধা মানুহ দেখিলে ভাল নালাগে। টেলিভিছনত মানুহবোৰে মাস্ক পিন্ধি ওলালে আপচু দেখো, চাবৰ মন নাযায়। চম্বলৰ ডকাইতৰ ওপৰত প্ৰস্তুত কৰা হিন্দী চিনেমালৈ মনত পৰে। কি জীৱন এইটো? কৰ'না ৰোগৰ ওপৰত বিজয় প্ৰাপ্তিৰ তাড়নাত মানুহে অনিৰ্দিষ্ট কাললৈ মৃতপ্ৰায় জীৱন যাপন কৰিব নোৱাৰে। কৰ'নাৰ লগত যুঁজি থাকিও আমি এই বিভীষিকা পৰিহাৰ কৰাৰ পথ উন্মুক্ত কৰিব লাগিব।

সমগ্ৰ বিষয়টোৰ ওপৰত সামগ্ৰিকভাৱে অস্পষ্টতা, সন্দেহ আৰু বিভ্ৰান্তি বিৰাজ কৰিছে। তৎসত্ত্বেও ৰক্ষাকবচ হিচাপে প্ৰতিষেধক লোৱা, কৰ'না প্ৰট'কল মানি চলা আৰু সকলো ধৰণৰ সাৱধানতা অৱলম্বন কৰাৰ বাহিৰে গত্যন্তৰ নাই। কৰ'নাকেন্দ্ৰিক সকলো চৰকাৰী সিদ্ধান্ত ৰাইজে মানিবই লাগিব; কিন্তু ৰাইজৰ মনত সৃষ্টি হোৱা বিভ্ৰান্তি আৰু ৰাইজে ভোগ কৰা অসুবিধাবোৰো চৰকাৰেই দূৰ কৰিব লাগিব। আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ কথাটো হৈছে যেনে তেনে প্ৰকাৰে মানুহৰ মনৰ পৰা কৰ'না বিভীষিকা আঁতৰাই মানুহক মানুহ হিচাপে জীয়াই থকাৰ ব্যৱস্থা কৰিব লাগিব। কৰ'নাৰ লগত যুঁজি থাকিও সেই ব্যৱস্থা কেনেদৰে কৰা যায়, তাৰ অন্বেষণেই বোধহয় এই সময়ৰ আটাইতকৈ বেছি প্ৰত্যাহ্বানপূৰ্ণ আহ্বান।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

# উৰা বাতৰিত পতিয়ন নাযাব

## কুচক্ৰান্তকাৰীসকলৰ পৰা দূৰত্ব বৰ্তাই ৰখাটোৱেই সকলোৰে বাবে মংগল




## অৱলোকন

**চাইৰা ইছলাম বড়া**

'**হাঁহি** আৰু কান্দোনৰ অপূৰ্ব মিলন এয়ে হয় মানৱ জীৱন।' এটি জনপ্ৰিয় কবিতাৰ চিৰসত্য পংক্তিশাৰীত উল্লেখ কৰাৰ দৰে— মানৱ জীৱন হাঁহি আৰু কান্দোনৰ একেটা মুদ্ৰাৰ দুটা পিঠি। কেৱলমাত্ৰ সুখেৰেই জীৱনক জুখিব নোৱাৰি। দুখৰ পাছত পোৱা সুখখিনিয়ে জীৱনৰ মাদকতা দুগুণে বঢ়াই তোলে। দুখেই যদি নাথাকে, আনন্দৰ সুখানুভূতিৰ মূল্যয়েই নাথাকিব। সেয়ে আমি বৰ্তমান সময়ৰ কুটিল আহ্বানক জয় কৰাৰ লক্ষ্য সন্মুখত ৰাখি আগুৱাই যাব লাগিব। জীৱশ্ৰেষ্ঠ হ'লেও মানৱ জাতি সময় আৰু পৰিস্থিতিৰ দাস। কোনেও নাজানে সময়ৰ মহিমা, অশুভ সময়ত অনাকাংক্ষিতভাৱেই বিপদে ঘেৰি ধৰে। হাঁহি কান্দোনৰ মাজেদিয়েই জীৱনৰ চকৰি ঘূৰি থাকিব। আজিৰ জটিল ক্ষণত জীৱনৰ কোনো ভৰসা নাই বুলি জনাৰ পাছতো সময়ৰ আহ্বানক স্বীকাৰ কৰি ল'বলৈ সকলো বাধ্য। জীৱন অনুপম হ'লেও ক্ষণে ক্ষণে ৰূপ সলায়। নভবাকৈয়ে কেতিয়াবা অপশক্তিয়ে চাৰিওফালৰ পৰা মেৰিয়াই ধৰিলে উপায়বিহীন হৈ অসহায় অৱস্থাত শুভক্ষণলৈ অপেক্ষা কৰাৰ বাদে সন্মুখত আন কোনো বিকল্প নাথাকে। বৰ্তমান সময়ত জটিলতাৰ মেৰপেছত সমগ্ৰ মানৱজাতি। ৰজা-প্ৰজা কোনোৱেই উদ্ধাৰ পোৱা নাই কাল কৰ'নাৰ কোপদৃষ্টিৰ পৰা। অভাৱনীয় বিপদৰ সময়ত বিচলিত নহৈ ধৈৰ্য সহকাৰে আগুৱাই যোৱাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা উচিত। অকাল মৃত্যুৰ পৰা ৰক্ষা পাবলৈ প্ৰয়োজনীয় নীতি-নিয়মখিনি সুচাৰুৰূপে মানি চলাটোৱেই বৰ্তমান জ্ঞানীজনৰ কাম। এনে সংকট কালত বাস্তৱৰ অনুধাৱন নকৰাকৈ অযথা হতাশাত ভুগি দুশ্চিন্তা কৰি লাভ নাই।

সমাজ এখন শৃংখলাবদ্ধতাৰ মাজত চলিবলৈ যিকোনো কথা-কামৰেই এটা সীমা থাকে, সীমা চেৰাই গ'লেই বিপদ অনিবাৰ্য। অজানিতে কৰা নিয়ম বহিৰ্ভূত কামবোৰৰ পৰা উদ্ভৱ হোৱা কুফলৰ পৰিণাম সময়ত সকলোৱে ভুগিবলগীয়া হয়। মানুহৰ সহজাত প্ৰবৃত্তিসমূহৰ ভিতৰত ধেমালিও এটা; কিন্তু স্থান-কাল-পাত্ৰ অনুসৰি কৰা ধেমালিৰ পৰিণতি হিতে বিপৰীতহে হয়। কাৰোবাক বিপাঙত পেলাবলৈ বা অপদস্থ কৰিবলৈ কৰা ইতিকিংসূচক ধেমালি কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। স্বভাৱগতভাৱেই বহু লোকে ধেমালিৰ মাজেদি আনক অস্বস্তিত পেলাই ৰং চায়। জানি-বুজি কৰা এনেবোৰ ধেমালিয়ে কেতিয়াবা উভয় পক্ষৰ মাজত অতি ভয়ানক ৰূপ লয়। বৰ্তমান কৰ'না কালৰ জটিল সন্ধিক্ষণতো এচাম লোকৰ ভুল তথ্যই মানুহক বিপাঙত পেলাইছে। ইচ্ছাকৃতভাৱে কৰা এনে অপৰাধ অক্ষমণীয়। আগপিছ নাভাবি স্পৰ্শকাতৰ সময়ত উৰাবাতৰি বিয়পাই সৰ্বসাধাৰণক বিপথে পৰিচালিত কৰাটোও সভ্য সমাজৰ বাবে অক্ষমণীয় অপৰাধ। কৰ'না কালৰ শোচনীয় অৱস্থাৰ সুবিধা লৈ এচাম আসুৰিক প্ৰবৃত্তিৰ দুষ্কৃতিকাৰীয়ে সৰ্বসাধাৰণ ৰাইজৰ মাজত বিভিন্ন মাধ্যমৰ যোগেদি কেতবোৰ অদ্ভুত উৰাবাতৰি প্ৰচাৰ কৰা পৰিলক্ষিত হৈছে। এই সুযোগ সন্ধানী লোকসকলে বিকৃত মানসিকতাৰ বাবেই আসুৰিক তৃপ্তি লভিবলৈ তিলটোকে তালটো কৰি সমাজ এখনত বিশৃংখলাৰ সৃষ্টি কৰি শান্তি-শৃংখলা বিঘ্নিত কৰে। বৰ্তমান সময়ৰ অসহনীয় জীৱন যাত্ৰাত সকলোৰে মাজত কৰ'না সম্পৰ্কীয় আলোচনাবোৰেই প্ৰাধান্য পাইছে। এনে ক্ষেত্ৰত ইতিবাচক আলোচনাবোৰে মানুহৰ মাজত ব্যাপক চৰ্চা লাভ কৰাটোও অতিশয় গুৰুত্বপূৰ্ণ। পলে পলে সকলো উৎকণ্ঠিত হৈ থাকে কৰ'না সংক্ৰান্তীয় শেহতীয়া বাতৰিবোৰ বিতংকৈ জানিবলৈ। ভয়াৱহ সময়ৰ প্ৰয়োজনীয়তা অনুভৱ কৰি দৈনন্দিন জীৱনশৈলীত বৰ্তমান ম'বাইলটো এটা অপৰিহাৰ্য আহিলাৰূপে পৰিগণিত হৈছে। শিক্ষাৰ্থীসকলৰ অনলাইন শিক্ষাৰ পৰা আৰম্ভ কৰি যিকোনো স্থানত যিকোনো বাতৰি খন্তেকতে বিলাই দিয়াৰ সুবিধা হেতুকে ম'বাইলৰ প্ৰয়োজন অতি জৰুৰী। গৃহবন্দিত্বৰ আমনিদায়ক সময়বোৰত বন্ধ-বান্ধৱ, আপোন পৰিয়ালৰ লগতে শুভাকাংক্ষীসকলৰ স'তে সম্পৰ্কবোৰ বৰ্তাই ৰখাত ম'বাইলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ম'বাইল বিনে এতিয়া যেন জীৱনেই অচল। তেনেস্থলত ম'বাইলৰ জৰিয়তে যিকোনো অতিৰঞ্জিত খবৰ জনসাধাৰণৰ মাজত প্ৰেৰণ কৰাৰ পৰা বিৰত থকাটো অতীৱ প্ৰয়োজন। বৰ্তমান বহুল চৰ্চিত জনপ্ৰিয় ইউ টিউবাৰসকলৰ লগতে বিভিন্ন ৰেভপ'ৰ্টেলসমূহেও বিষয়বস্তুসমূহৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি বাতৰি পৰিৱেশন কৰাটো অতি জৰুৰী। অতিৰঞ্জিত বাতৰি পৰিৱেশন নকৰি সত্যৰ আধাৰত প্ৰতিষ্ঠিত বাতৰি প্ৰচাৰ কৰাতহে




গুৰুত্ব আৰোপ কৰা উচিত। যিহেতু দুৰ্যোগপূৰ্ণ সময়ত সামাজিক মাধ্যমৰ স'তে বেছিভাগ লোকেই ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে, তেনেস্থলত নেতিবাচক খবৰবোৰে মানুহৰ মাজত উদ্বিগ্নতা বঢ়াই বিৰূপ প্ৰভাৱ পেলায়। উদ্দেশ্যপ্ৰণোদিতভাৱে উৰাবাতৰি বিয়পোৱাৰ কুটিল অভিসন্ধিত জড়িত থকা লোকসকলৰ মুখাখন খোল খাই যোৱাৰ পাছত তেওঁলোকৰ প্ৰকৃত পৰিচয় ওলাই পৰিলে নাজল-নাথল অৱস্থা হয়। সচৰাচৰ দুৰ্ভাগ্যবশতঃ প্ৰত্যেকখন সমাজতেই এচাম টুটকিয়া শ্ৰেণীৰ লোক থাকে। এনে সুযোগ সন্ধানী লোকসকল তেওঁলোকৰ ঈৰ্ষাপৰায়ণ বদস্বভাৱৰ বাবে সামাজিক বাতাবৰণ বিনষ্ট কৰা যিকোনো গোপন খবৰ বতাহৰ গতিত তৎক্ষণাতে মানুহৰ মাজত বিলাই পৰম সন্তুষ্টি লাভ কৰাত অতি সিদ্ধহস্ত। সহজ-সৰল বহুতো লোকে বাতৰিৰ সঁচা-মিছাৰ পাৰ্থক্য বুজিব নোৱাৰি নানান আহুকালৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। উৰাবাতৰি বিয়পোৱাত অতি পাকৈত এই চাম মানুহ সমাজৰ বিষবৃক্ষস্বৰূপ। এনে লোকক অলপ প্ৰশ্ৰয় দিলেই ভালতকৈ বেয়া হোৱাৰ সম্ভাৱনায়েই অধিক। পৰাপক্ষত কুচক্ৰান্তকাৰীসকলৰ পৰা দূৰত্ব বৰ্তাই ৰখাটোৱেই সকলোৰে বাবে মংগল। আনৰ বিপদত আসুৰিক তৃপ্তি লাভ কৰা লোকসকলে ভবা উচিত যে বেয়াৰ পৰিণতি এদিন ওলোটাই নিজলৈকো উভতি আহে। অনাকাংক্ষিত কোনো পৰিস্থিতিতেই বিতত নহৈ যিকোনো স্পৰ্শকাতৰ মুহূৰ্তত ধৈৰ্য সহকাৰে বিবেকক প্ৰাধান্য দি সঁচা-মিছাৰ পৰ্যবেক্ষণ কৰাসকলৰ স্বাভাৱিকতে বিপদত পৰাৰ সম্ভাৱনা কম। দুৰ্বল হৃদয়ৰ বহু লোকে উৰাবাতৰিত পতিয়ন গৈ আপুৰুগীয়া প্ৰাণ হেৰুৱাব লগা পৰিস্থিতিৰ উদ্ভৱ হোৱাৰো বহু উদাহৰণ আছে। আগ-পিছ নভবাকৈ উৰাবাতৰিৰে অঞ্চল বিশেষ উত্তপ্ত কৰি অশান্তিৰ বাতাবৰণ সৃষ্টি কৰাসকল আইনৰ দৃষ্টিত দোষণীয় হোৱাৰ উপৰি দণ্ডনীয় হ'বও পাৰে। সময় সাপেক্ষে চল চাই কঠীয়া পৰাসকলে বৰ্তমানৰ জটিল পৰিস্থিতিৰ মাজতো সুবিধা বুজি ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মীয় কেন্দ্ৰিকৰ দৰে স্পৰ্শকাতৰ বিষয়সমূহক লৈ অভাৱনীয় ৰূপত নানান ধৰণৰ গুজৱ উলিয়াই বিভ্ৰান্তিৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। প্ৰথম অৱস্থাত সাধাৰণ যেন লগা এটা সৰু গুজৱেও বনজুইৰ দৰে তৎক্ষণাত বিয়পি পৰি সমাজৰ লগতে এখন দেশৰেই শোচনীয় অৱস্থাৰ সৃষ্টি কৰিব পাৰে।

এটি বিখ্যাত পুৰণি প্ৰবচন আজিও সমাজত প্ৰচলিত— 'লাগনি নহ'লে জুই নজ্বলে, টুটকীয়া নহ'লে গাঁও নবহে।' একবিংশ শতিকাৰ আধুনিক যুগত গাঁও চহৰৰ বেছিভাগ ঘৰতেই গেছৰ চৌকাৰ জুইত ৰন্ধন প্ৰকৰণ সমাপন কৰা হয় যদিও অতি আধুনিক সমাজৰ প্ৰতিটো পৰিয়ালতে আজিও টুটকীয়া স্বভাৱৰ ঈৰ্ষাপৰায়ণ লোকসকলে আনৰ সুখ-শান্তি বা উন্নতিৰ ক্ষেত্ৰত যিকোনো অসৎ উপায় অৱলম্বন কৰি বিধি-পথালি দিয়াৰ উপৰি লোকচক্ষুৰ আগত অযথা হাৰাশাস্তিৰে হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা অব্যাহত ৰাখে। অপ্ৰত্যাশিতভাৱে সন্মুখীন হ'বলগীয়া ক'ৰনা কালৰ অস্বাভাৱিক জীৱন যাত্ৰাত চাৰিওফালে মাথোঁ হতাশা, নিৰাশা, উদ্বিগ্নতাই ঘেৰি ধৰাৰ সময়ত জীৱনৰ মাদকতা যেন ক'ৰবাত হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। জানিব পৰা মতে কৰ'না আক্ৰান্তসকলে সঠিক ঔষধ সেৱন কৰাৰ লগতে প্ৰবল ইতিবাচক চিন্তাশক্তিৰ দ্বাৰাও কৰ'নাৰ পৰা মুক্তি লাভ কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। এই যন্ত্ৰণাকাতৰ সময়ত বহুতো হৃদয়ৱান লোকে আগবাঢ়ি আহিছে আৰ্তজনক সহায় কৰিবলৈ। সকলোৰে উৰ্ধ্বত মানৱ সেৱা। যদি পাৰে আনক সহায় কৰক, নহ'লে অন্যায় কৰাৰ পৰাও বিৰত থাকক। প্ৰকৃত অৰ্থত হকে-বিহকে সমাজত উৰাবাতৰি বিয়পোৱা এজন ব্যক্তি দেশৰ বাবে, দহৰ বাবে প্ৰধান শত্ৰু হিচাপে পৰিগণিত হয়।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

# এগৰাকী মহীৰুহৰ মহাপ্ৰয়াণত



**অসমীয়া** সাহিত্য-সংবাদ জগতৰ মাজৰ পৰা এটা ভোটাতৰা খহি পৰিল। অসম ৰাজ্যত চলি আছিল এক নতুন আবহাৱাৰ বাতাবৰণ— সেই আনন্দ-উল্লাসৰ মাজতে এনে এক সকৰুণ, অনাকাংক্ষিত খবৰটোৱে অসমীয়া জাতীয় জীৱনলৈ যেন এক অন্ধকাৰ নমাই আনিলে। ১২ মে'ৰ পুৱাৰ এই অনাহুত খবৰটো আছিল আমাৰ সকলোৰে আপোন সাহিত্যিক হোমেন বৰগোহাঞিং আৰু আমাৰ মাজত নাই। চৰকাৰী চাকৰি এৰি 'নীলাচল' কাকতৰ মাধ্যমেৰে সৃষ্টি কৰিছিল নতুন কবি, গল্পকাৰ, প্ৰবন্ধকাৰ, সমালোচক, ঔপন্যাসিক—যিসকলে আজি আমাৰ মাজত সাহিত্যিকৰূপে খ্যাতিমন্ত হৈ অসমীয়া সাহিত্যক ন ন ৰূপ প্ৰদান কৰি জগত সভালৈ আগুৱাই নিয়াত অৰিহণা যোগাই, জীৱনটোক এই কলমটোৱে ন ন সৃষ্টি

## পদ্ম পাটৰ

কৰাত সুদীৰ্ঘ ৮৯টা বছৰ অতিক্ৰমি আমাৰ পৰা চিৰ বিদায় ল'লে। সাহিত্যৰ ক্ষেত্ৰত গল্প, উপন্যাস আৰু কবিতাৰ দিশত যিদৰে অৰিহণা যোগাই সবাৰে মাজত স্বীকৃত সাহিত্যিক হৈ যিদৰে তেওঁ সেই ৰচনাৰাজিৰে যশ-মান, বঁটা-বাহন, পুৰস্কাৰ আদিৰে সন্মানিত হ'ল, সেইদৰে এজন সাংবাদিকৰূপে নীলাচলৰ পাততে সীমাবদ্ধ নাথাকি 'নাগৰিক', 'আমাৰ অসম', দৈনিক বাতৰি', 'অসম বাণী'ৰ দৰে কাকতৰ সম্পাদকৰ গুৰু দায়িত্ব লৈ এচাম নতুন সাংবাদিকৰো সৃষ্টি নকৰাকৈ নাথাকিল। সেইদৰে 'সূত্ৰধাৰ'ৰ দৰে সাহিত্য-সংস্কৃতিৰ অন্য এখন আলোচনীৰো সম্পাদকৰ গুৰু দায়িত্ব লৈ এচাম নতুন সাহিত্যিকৰ জন্ম দি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছিল। 'পিতা-পুত্ৰ'ৰ বাবে সাহিত্য একাডেমী বঁটা প্ৰাপক এইগৰাকী কথাশিল্পীয়ে 'অসম উপত্যকা' সাহিত্য বঁটা, 'শংকৰদেৱ বঁটা' আদিৰ বাহিৰেও অসংখ্য বঁটা-বাহনেৰে সমৃদ্ধ হৈছিল এইগৰাকী বৰেণ্য সাহিত্যিক জীৱন।

এই বৰেণ্য সাহিত্যিকগৰাকীৰ জীৱন-কথা, সাহিত্যৰ নানা দিশ আমি ঢুকি নাপাওঁ। এই বৰগোহাঞিং যাৰ মৃত্যুৰ খবৰে আমাক শোকাচ্ছন্ন কৰি তুলিছে এই বৰেণ্য সাহিত্যিকগৰাকীৰ স'তে বয়সৰ বহু ব্যৱধান সত্বেও আমি এক সুদীৰ্ঘকাল ওচৰা-উচৰিকৈ বহু জীৱন-সাহিত্যৰ কথাৰে সময় নিয়াইছিলো। হোমেন বৰগোহাঞিংয়ে অকলশৰীয়া জীৱন-যাপন কৰি ভাল পায়। জীৱনৰ বহু সময় এই জীৱনৰ ছায়াতে বৈ সৃষ্টিৰ গতি সুদৃঢ় কৰি আহিছিল। মাজে মাজে এই নিঃসংগতাৰ অলসতা দূৰ কৰিবলৈ মোক কৈছিল তিনি চাৰিদিন ক'ৰবাত বাহিৰলৈ গৈ সময় নিয়াব পৰা যায় নেকি? ময়ো তেনে জীৱন ভাল পাওঁ। দুয়ো ওলাই যাও। তিনি চাৰিদিন দুয়ো বাহিৰত কটাওঁ। সেই নিৰ্জনতাৰো সংগী আমাৰ লগত থাকে। গীত-মাত, কবিতা সাহিত্যৰে সময় পাৰ কৰো। কাজিৰঙা অভয়াৰণ্যৰ মাজে মাজে ঘূৰো। বৰগোহাঞিংয়ে কয়— এই অভয়াৰণ্যখনৰ মাজৰ কটেজ এটাত জোনাক ভৰা ৰাতি পাৰ কৰিব পৰা হ'লে! সেই বিশাল অৰণ্যখন, এটা বনৰক্ষীৰ পহৰাদাৰী ওখ ঘৰ, শুকুলা আকাশ লগতে তৰাৰ ধেমালি চোৱাৰ সেই ৭০ বছৰীয়া লোকজনৰো মনত কি হাবিয়াস! মোৰ লগত সেই হাবিয়াস পূৰণ নহ'ল। এই হাবিয়াসৰ আঁৰত আছিল হয়তো এগৰাকী সৃষ্টিশীল লেখকৰ মনৰ মাজত উদ্ভাৱিষ উঠা সৃষ্টি অনন্য কথা, যি কথা বৰগোহাঞিংয়ে মনত গোপনে ৰাখিছিল।

বৰগোহাঞিংৰ আছিল এগৰাকী অন্যতম বন্ধু। তেৰোঁ আছিল লেখক-সাংবাদিক। মেদিনী চৌধুৰী। ২০০৩ত তেওঁ প্ৰয়াত হয়। মেদিনী চৌধুৰী চৰকাৰী বিষয়া হোৱাৰ সুযোগতে বৰগোহাঞিংক গোটেই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰাই লৈ ফুৰিছিল। কেতিয়াবা যদি কাৰ্বি পাহাৰৰ হামৰেণৰ হাবিতলিৰ বাটেৰে গৈ কাৰ্বি লিংদকপ', কাৰ্বি কাংবুঢ়াক লগ কৰি সমাজ জীৱন কথা কাহিনীত হেৰাই গৈছে— কেতিয়াবা আকৌ তিনিচুকীয়াৰ কোনোবা এখন মুগাপামত ৰাতি কটাই সময় নিয়াইছে। আনহাতে কোনোবাদিনা কোকৰাঝাৰ দোতমাৰ সেই উপেন ব্ৰহ্মহঁতৰ গাঁৱৰ কাঠৰ ভাস্কৰ্য্য শিল্পীৰ লগত বহি কথা পাতি— মুগাপামৰ যঁতৰত বহি সূতাও কাটিছে। এই বিচিত্ৰ জীৱনৰ স'তে আমিও একাত্ম হৈ আমাৰ জীৱন কৃতাৰ্থ কৰিছো। লগৰ দুগৰাকী বাঘা বাঘা সাহিত্যিক আৰু মই এগৰাকী নিমাখিত প্ৰাণী।

হোমেন বৰগোহাঞিং গ'লগৈ। এদিন, বৰগোহাঞিংৰ পৰা পুৱাতে এখন সৰু শ্লিপ পাইছিলো। সেই টুকুৰা শ্লিপত আদেশ আছিল সেইদিনাৰ সন্ধ্যাৰ আলোচনাচক্ৰত অংশগ্ৰহণ কৰিব লাগে। আদেশ অমান্য কৰা নাযায়। লগলৈ মাতো আমাৰ হাউছিং কলনীৰে বাসিন্দা সত্যেন গগৈক। পৃথিৱীৰ বিখ্যাত লেখকৰ পৰা আমাৰ নদাই-ভদাই সকলোৰে স্থান পায়। গীত-মাতো চলে। আলোচনা এক নিৰ্দিষ্ট সময়ত শেষ হ'ব লাগিব। কথামতে কাম। মোক দিয়া তাগিদা— অসমবাণীৰ বিহু সংখ্যাৰ বাবে এটা প্ৰেমৰ গল্প লাগিব। এনেকৈয়ে আমি কথা হৈছিলো এইজন বৰেণ্য সাহিত্যিকৰ লগত।

বৰগোহাঞিং গ'লগৈ। জোনাকী ৰাতি বৰগোহাঞিংৰ বাসস্থানৰ সেই হাচানাহানাৰ গোন্ধ বতাহত সোমাই আহি লেখক-কবি প্ৰাণক নতুন প্ৰাণ দিয়া খিৰিকীখন চিৰদিনৰ বাবে বন্ধ হৈ গ'ল। কাৰণ আমাৰ সবাৰে চেনেহৰ চিনাকি মানুহজনে আমাক নিৰ্দয়ভাৱে অকলশৰীয়া কৰি গুচি গ'ল নিয়তিৰ নিৰ্দেশ মানি। তেওঁ যি বাটে গ'ল—যি গ'লেই আৰু নাহে উলটি..।

*ফোন ঃ ৮৪৮৬৪০১৩৬২*

# সবল নেতৃত্বই বিজেপিক জয়মাল্য পিন্ধালে দুৰ্বল নেতৃত্বই কংগ্ৰেছক ডুবালে



আছুতীয়া চিন্তা
জয়কান্ত শৰ্মা (কনিষ্ঠ)

**কৰ্মদক্ষতা**, নিপুণতা আৰু বাগ্মিতা— এই তিনিটা গুণৰ লগত অক্লান্ত পৰিশ্ৰমৰ ক্ষমতা থকা লোকজন হয় সুদক্ষ নেতা। তেওঁ হ'ব পাৰে এজন মহান ৰাজনীতিজ্ঞ। আৰু হ'ব পাৰে সঁচাৰ্থত জনতাৰ নেতা— জননেতা।

তেনে এজন গণ নেতা অসমৰ ৰাজনৈতিক আকাশত উজ্জ্বল নক্ষত্ৰ হৈ জিলিকিছে। জিলমিল কৰিছে ড° হিমন্ত বিশ্ব শৰ্মা। লগত জিলিকি আছে হাস্যবদন লৈ সদায় আনন্দত থকা উজ্জ্বল জ্যোতিষ্ক সৰ্বানন্দ। জোন-বেলি, গ্ৰহ-নক্ষত্ৰ যিয়েই কোৱা নহওক কিয়, এই যুগলবন্দীয়ে অসম আৰু অসমীয়াক ধন্য কৰিলে। ইতিহাস ৰচিলে। প্ৰগতিৰ পথেৰে বাট বুলি শান্তি-সম্প্ৰীতি অটুট ৰাখি ইতিহাসৰ পাতত নিজৰ নিজৰ নাম সোণালী আখৰেৰে লিখি থৈ যাব পাৰিব বুলিয়ে আমাৰ বিশ্বাস।

আমি আশাবাদী, তেনেকুৱা মহান লক্ষ্য-উদ্দেশ্য আগত ৰাখি, সকলো বাধা-বিঘিনি আৰু প্ৰত্যাহ্বান নেওচি ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজনৈতিক বিচক্ষণতা, অক্লান্ত শ্ৰম আৰু চাণক্য নীতিৰে মহাজোঁটৰ হাতৰ পৰা বিজয় কাঢ়ি আনি ভাৰতীয় জনতা পাৰ্টিক জয়মাল্য পিন্ধালে। সুদীৰ্ঘ দিনৰ লক্ষ্য পূৰণ কৰি অসমৰ মুখ্যমন্ত্ৰী হ'ল।

এটা কথা সকলোৱে স্বীকাৰ কৰিবই লাগিব যে কংগ্ৰেছত বিসম্বাদ নোহোৱা হ'লে, ড° হিমন্ত বিশ্ব শৰ্মা কংগ্ৰেছৰ পৰা ওলাই গৈ বিজেপিত যোগদান নকৰা হ'লে হয়তো অসমত বিজেপিৰ চমকপ্ৰদ উত্থান কোনোদিনেই নহ'লহেঁতেন। কংগ্ৰেছৰ হাইকমাণ্ড বিশেষকৈ ৰাহুল গান্ধীয়ে ড° শৰ্মাক গুৰুত্ব দিয়াহেঁতেন, তেওঁৰ বিদ্ৰোহী মনৰ কথা শুনাহেঁতেন হয়তো ৰাজনীতিত এনেকুৱা পট পৰিৱৰ্তন নহ'লহেঁতেন।

সি যি কি নহওক, ড° শৰ্মাই দিল্লীত গৈ ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰাৰ খবৰ বিয়পি পৰাৰ লগে লগে ৰাতিৰ ভিতৰতে অসমৰ বহু মানুহ বিজেপিমুখী হৈ পৰিল। গেৰুৱা দলত যোগদানকাৰী হিমন্ত বিশ্ব শৰ্মাৰ অসম আগমন আছিল ঐতিহাসিক ঘটনা য'ত লক্ষ লক্ষ লোকে ৰাজপথলৈ ওলাই আহি তেওঁক আদৰিছিল। তেওঁৰ সহযোগী আৰু অনুগামীসকলে সময় লোৱা নাছিল নিজৰ নিজৰ সিদ্ধান্ত সলনি কৰি বিজেপিত যোগদান কৰোতে।

সেই সময়ত অসমত চলি আছিল মোদী জ্বৰ, তাতে আকৌ হিমন্ত বিশ্ব শৰ্মাৰ যোগদান— তেওঁৰ প্ৰতি থকা অগাধ আস্থা, বিশ্বাস আৰু মৰমে অসমৰ আকাশ-বতাহ গৰম কৰি তুলিছিল। হাৱা ব'ব ধৰিছিল বিজেপিৰ সপক্ষে। মানুহৰ মনত আশাৰ সঞ্চাৰ হৈছিল অৱধাৰিতভাৱে।

প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ স্বভাৱসুলভ গা এৰা দিয়া কথা-বতৰা আৰু সোপাচিলা শাসনে বহুতক বিতুষ্ট কৰি তুলিছিল। দুৰ্নীতি-ভ্ৰষ্টাচাৰ, বাদ-বিসম্বাদ আৰু বেপৰোৱা আচৰণে অনেক লোকক অতিষ্ঠ কৰি তুলিছিল। 'বাদ দিয়াহে'ৰ দৰে ভেঙুচালি ভালপোৱা নাছিল সচেতন মহলে। কাজেই অধিকাংশ লোক কংগ্ৰেছৰ কব্জাৰ পৰা ওলাই আঁতৰি গৈছিল। সৰহভাগ মানুহে বহুদিন আগৰ পৰাই বিকল্পৰ সন্ধান কৰি আছিল তলে তলে।

তেনেহেন সময়তে এজন কৰ্মঠ আৰু কঠোৰ শ্ৰম কৰিব পৰা নেতা ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰূপত পাই স্বস্তিৰ নিশ্বাস এৰিছিল অসমীয়া ৰাইজে। তেওঁক মৰমেৰে আঁকোৱালি ধৰি আদৰি আনিলে দিছপুৰলৈ। প্ৰতিদানস্বৰূপে ড° শৰ্মাই বিজেপিক আনি দিলে চমৎকাৰ বিজয়। তেওঁৰ ৰাজনৈতিক জীৱনৰ দ্বিতীয় অধ্যায় আৰম্ভ হ'ল দক্ষ আৰু বলিষ্ঠ নেতৃত্বৰে।

সৰ্বানন্দ সোণোৱালৰ মুখ্যমন্ত্ৰিত্বত তিনিটাকৈ গুৰুত্বপূৰ্ণ বিত্ত, স্বাস্থ্য আৰু লোক নিৰ্মাণ বিভাগৰ দায়িত্ব লৈ এজন দক্ষ সেনাপতিৰ দৰে নিৰলসভাৱে কাম কৰি সকলো দিশতে পাৰদৰ্শিতা দেখুৱাই বিভাগবোৰৰ ৰেহ-ৰূপ বদলাই ৰাইজৰ কল্যাণাৰ্থে কাম কৰাৰ নজিৰ ৰচনা কৰিব পাৰিছিল।

ড° শৰ্মাৰ কৰ্মতৎপৰতা, বহুদৰ্শিতা আৰু বুদ্ধিমত্তাৰ জনতাৰ মাজত প্ৰশ্ন জাগ্ৰত হৈছিল দৰাচলতে অসমৰ মুখ্যমন্ত্ৰী কোন? বহুতে ক'বলৈ লৈছিল, সোণোৱাল নামতহে মুখ্যমন্ত্ৰী, কাৰ্যতঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাহে। তেনেদৰেই অসমৰ মানুহে পূৰ্বৰে পৰা হিমন্ত বিশ্ব শৰ্মাৰ মুখাবয়ৱত মুখ্যমন্ত্ৰীৰ ছবিখন প্ৰত্যক্ষ কৰিবলৈ লৈছিলেই।

সুদীৰ্ঘ দিনৰ অন্তত সপোন পূৰ্ণ কৰি অসমৰ মুখ্যমন্ত্ৰীৰ গাদীত উপবিষ্ট হোৱাত জনতাই ড° শৰ্মাই শুভেচ্ছা আৰু অভিনন্দন জনাই সন্তুষ্টি লভিছে। মুখ্যমন্ত্ৰীৰ আসনখন স-সন্মানে এৰি দি বিদায়ী মুখ্যমন্ত্ৰী সোণোৱালে উচিত কামেই কৰিছে। ড° শৰ্মাৰ প্ৰতি ন্যায় বিচাৰ কৰিছে। সোণোৱালৰ ত্যাগ, মহানতা আৰু নম্ৰতা প্ৰকাশ পাইছে স্পষ্ট ৰূপত। ভ্ৰাতৃত্বসুলভ গুণ ফুটি উঠিছে আচৰণত। ড° শৰ্মাৰ যোগ্যতাক স্বীকাৰ কৰি লৈছে তেওঁ অতি নমনীয়তাৰে।

এনেহেন ৰাজনৈতিক নেতা ড° শৰ্মাক নিৰ্বাচনী প্ৰচাৰ সভাত কোনো কোনো মুহূৰ্তত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে ক'বলৈ সাহস কৰিছিল— 'হাগ্ৰামা ইন, হিমন্ত আউট।' 'মই দিছপুৰত থাকিব, হিমন্ত নাথাকিব।' ইত্যাদি কথাৰে নিৰ্বাচনী প্ৰচাৰ অভিযানত হাগ্ৰামা আৰু হিমন্তৰ বাক্-বিতণ্ডা, তৰ্কযুদ্ধ আৰু তিৰ্যক মন্তব্যই চৰম সীমা অতিক্ৰম কৰিছিল। তুংগত উঠিছিল তুচ্ছ-তাচ্ছিল্য, গালি-গালাজ আৰু কটু সমালোচনাই। কঠোৰ আৰু তীব্ৰ-তীক্ষ্ণ বাক্যবাণেৰে দুয়োকে দুয়োৰে ক্ষত-বিক্ষত কৰিছিল।

কিন্তু যেতিয়া নিৰ্বাচনৰ ফলাফল ওলাল হাগ্ৰামাৰ লগতে মহাজোঁটে মুখথেকেচা খালে, আনহাতে, হিমন্ত বাহিনী মিত্ৰজোঁটে নিৰংকুশ সংখ্যাগৰিষ্ঠতা পালে, তেতিয়া হাগ্ৰামাৰ কেপ্‌কেপাই থকা মুখখনত ঠিলা লাগিল কপ্‌কপীয়াকৈ। জোকৰ মুখত চূণ পৰিল।


একে ধৰণে চূণ পৰিল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাৰ মুখতো। ৰিপুণ বৰাৰ ঘোঁৰা (বিধায়ক) বোৰৰ মুখবোৰো মোলান পৰি গ'ল। মুখবোৰ একপ্ৰকাৰ বন্ধই হ'ল। কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ তজবজীয়া ঘোঁৰাবোৰ কোনোবাই কিনে বুলি, কোনোবা ক'ৰবাত বিক্ৰী হয় বুলি বৰাই সেইবোৰক দূৰে দূৰে ৰাখিছিল। বুট-মাহ খুৱাই হৃষ্ট-পুষ্ট কৰি ৰাখিছিল নামী-দামী হোটেল-ৰিজৰ্টত।

অৱশ্যে এশখন আসন পাম বুলি দাবী কৰা মহাজোঁটে বিধায়ক (ঘোঁৰা) বোৰক শ্বিলঙৰ বিলাসী হোটেল আৰু সোণাপুৰৰ ৰিজৰ্টত আৱদ্ধ কৰি ৰখাৰ কাৰণ কেৰে নুবুজিলে। সকলোৰে বাবে সি এটা ডাঙৰ সাঁথৰ হৈ থাকিল সদায়।

আমি জনাত এফালে যেনেকৈ মহাজোঁটৰ ভয় আৰু সন্দেহ আছিল, মিত্ৰজোঁটৰ হাতত বিধ্বস্ত হ'ব বুলি হয়তো পূৰ্বতে কিছু উমানো পাইছিল। নাটক এখন কৰি আছিল চৰকাৰ গঠনৰ হুংকাৰ দি। ৰাজনৈতিক নাটকখন আৰম্ভ কৰিছিল মুখ্যমন্ত্ৰীৰ নাম প্ৰক্ষেপ কৰি। আনহাতে, এ আই ইউ ডি এফৰ পৰাও মুখ্যমন্ত্ৰিত্ব নাপালেও উপ-মুখ্যমন্ত্ৰী, বিত্ত, গৃহ, স্বাস্থ্য ইত্যাদি গুৰুত্বপূৰ্ণ বিভাগ পাব বুলি আশা কৰা হৈছিল; কিন্তু নিৰ্বাচনী ফলাফলে সকলোৰে আশাত চেঁচাপানী ঢালিলে। ভবামতে একোৱেই নহ'ল।

অতএব বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠনৰ পথ প্ৰশস্ত হ'ল। মিত্ৰজোঁটে চৰকাৰ গঠন কৰিলে। শপত গ্ৰহণ অনুষ্ঠানলৈ সকলো ৰাজনৈতিক দলকে আমন্ত্ৰণ জনাই ড° শৰ্মাই ৰাজনৈতিক বিচক্ষণতা প্ৰকট কৰিলে। ৰাজনৈতিক শত্ৰুক সুযোগ বুজি মিত্ৰলৈ পৰিৱৰ্তন কৰিব পৰা গুণ ড° শৰ্মাৰ বাহিৰে আন কাৰোবাৰ ইমান আছে জানো?

এটা মহা চিন্তাৰ বিষয় এই যে অসম কি ভাৰত, এতিয়া সকলোতে পশ্চাদপসৰণ হ'ব ধৰিছে কংগ্ৰেছৰ। এখন ডুবন্ত নাৱত পৰিণত হ'ব ধৰিছে এসময়ৰ শক্তিশালী দলটো। ধাৰাবাহিক বিপৰ্যয়ে কংগ্ৰেছ দলটোৰ ভিতৰ চ'ৰাত কঁপনি তুলিছে। অসম, কেৰালা, তামিলনাডু, পুডুচেৰী আদি ৰাজ্যত হতাশাজনক ফলাফলৰ মাজতে পশ্চিমবংগৰ আসন শূন্যতাই বাৰুকৈয়ে চিন্তাত পেলাইছে কেন্দ্ৰীয় নেতৃত্বক। দলৰ জ্যেষ্ঠ নেতা কপিল চিবাল গৰজি উঠিছে। তেওঁ দলটোক কঠোৰ ভাষাৰে সমালোচনা কৰাই নহয়, দলে আত্মবিশ্লেষণ কৰাটো জৰুৰী বুলিও মন্তব্য দাঙি ধৰিছে। বিহাৰৰ ফলাফলকে ধৰি সম্প্ৰতি প্ৰায়বোৰ ৰাজ্যতে কংগ্ৰেছ ধৰাশায়ী হ'বলৈ ধৰাত ভাৰপ্ৰাপ্ত মুৰব্বী ছোনিয়া গান্ধী ক্ষুব্ধ হৈ উঠিছে। ক্ষোভ প্ৰকাশ কৰি তেওঁ কৈছে যে দলে এনে পৰিস্থিতিত কঠোৰ স্থিতি গ্ৰহণ কৰিব লাগে। দলৰ নেতৃত্ব অধিক সতৰ্ক আৰু শৃংখলাবদ্ধ হ'ব লাগিব। দলৰ চৰম বিপৰ্যয়ৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি উচিত পদক্ষেপ লোৱাটো প্ৰয়োজন বুলি তেওঁ দলক সকীয়াই দিয়ে।



কথাবোৰ বাৰু সঁচা; কিন্তু কামবোৰ কৰিব কোনে? কাৰ নেতৃত্বত কাৰ্যবোৰ পৰিচালিত আৰু শৃংখলিত হ'ব? ধাৰাবাহিক বিপৰ্যয় ৰোধ কৰিব কোনে? সন্মুখৰ পৰা সবল নেতৃত্ব দিব কোনে? নে দুৰ্বল নেতৃত্বই কংগেছক ডুবাইহে এৰিব?

এনেবোৰ প্ৰশ্নৰ সঠিক আৰু সমীচীন উত্তৰ দিব পৰা নেতা কংগ্ৰেছৰ মাজত আছেনে? কপিল চিবাল, গোলাম নবী আজাদ, আনন্দ শৰ্মা— এই তিনিজনৰ ভিতৰৰ পৰা কোনোবা এজন ওলাই আহি সবল নেতৃত্বৰে কংগ্ৰেছ দলটোৰ চৰম বিপৰ্যয় ৰোধ কৰিব পাৰিম বুলি সৎ সাহস গোটাব পাৰিবনে?

আমি আগতে বহুবাৰ লিখিছো। এতিয়াও লিখিম যে গান্ধী পৰিয়ালৰ অবাঞ্ছিত আৰু আক্ৰোহী হাতোৰাৰ কবলৰ পৰা কংগ্ৰেছক মুক্ত কৰিব নোৱাৰিলে আন নেতাবোৰে আত্মশক্তি গোটাব নোৱাৰিব। আত্মবল নাপাব কোনোদিন। দলটোৰ ধাৰাবাহিক গৰাখহনীয়া ৰোধ কৰিব পৰা টান হ'ব, কাৰণ মধ্যযুগীয়া সামন্ত প্ৰথা আৰু পৰম্পৰাৰে গান্ধী পৰিয়ালে ভাৰতীয় মানুহক সদায় পদানত কৰি ৰাখিব খোজে। আভিজাত্যপূৰ্ণ ভেমত সদায় চলি থাকিব খোজে হাতত মূলধন (ৰাজনৈতিক জ্ঞান) নোহোৱাকৈ।

আমি ভাবো ভাৰতৰ জনতাৰ মাজত আস্থা-বিশ্বাস জন্মাবলৈ সবল, সাহসী আৰু দক্ষ নেতৃত্বৰ নতুন মুখ দেখুৱাব লাগিব, যিজন নেতা হ'ব গান্ধী পৰিয়ালৰ প্ৰভাৱমুক্ত, দুৰ্নীতিৰ দাগ নথকা আৰু কিছু পৰিমাণে সৎ। আমি আশা কৰিম, সেই নেতাজন হ'ব সংখ্যালঘুৰ ওপৰত কম নিৰ্ভৰশীল আৰু হিন্দু বিদ্বেষহীন।

আপাততঃ অসমত কংগ্ৰেছ দলৰ দুৰ্বল নেতৃত্বৰ ছবিখন স্পষ্ট, য'ত দলৰ সভাপতিজনৰে হয় শোচনীয় পৰাজয়। পাঁচটাৰো অধিক দল লগ লাগি মহাজোঁট বন্ধনৰে বান্ধ খাই সৰ্বশক্তি প্ৰয়োগ কৰিও নিৰ্বাচনত মুখথেকেচা খাব লগা হোৱাটো বৰ লাজৰ কথা। এনেকুৱা অবাঞ্ছিত ফলাফলে নেতৃত্বৰ দুৰ্বলতা আৰু দলটোৰ ওপৰত জনতাৰ আস্থাহীনতাৰ কথাকে নকয় জানো?

বাস্তৱিকতে প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ ১৫ বছৰীয়া শাসন কালৰ শেষৰ তিনি-চাৰিটা বছৰত হোৱা চৰম দুৰ্নীতি-ভ্ৰষ্টাচাৰ, গৰ্ব-অহংকাৰ আৰু অৰাজকতাৰ কথা কোনে নাজানে। কোনে পাহৰিব পাৰে, সেই নিয়ন্ত্ৰণহীন শাসনৰ কথা। এতিয়াও মানুহে পাহৰিব পৰা নাই সেই বিৰক্তিকৰ বাদ-বিসম্বাদৰ কথাবোৰ। ড° হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ ত্যাগ কৰা ক্ষণতে আৰম্ভ হোৱা খহনীয়া আজিও চলি আছে। সেই গৰাখহনীয়া ৰোধ কৰিব পৰা বিশ্বস্ত, বলিষ্ঠ আৰু বুদ্ধিমান নেতা কংগ্ৰেছ দলত নাই। সকলো ধৰ্ম-সম্প্ৰদায়ক নেতৃত্বত দি সমান দৃষ্টিৰে চাব পৰা নেতাৰো আগমন হোৱা নাই এথোন।


কংগ্ৰেছৰ ডুবন্ত নাও ডুবাৰ পৰা ৰক্ষা কৰিবলৈ সৰ্বসন্মত, ধৰ্মনিৰপেক্ষ আৰু কৰ্মদক্ষ নেতা এজন অনুসন্ধান কৰাৰ বাহিৰে দলৰ গত্যন্তৰ নাই। শক্তিশালী বিৰোধী দলৰ খাতিৰতে কংগ্ৰেছক শক্তিশালী কৰাটো অতি দৰকাৰ। গণতন্ত্ৰক স্বৰূপত ধৰি ৰাখি শাসকীয় দলক স্বেচ্ছাচাৰী হোৱাত বাধা দিব পৰাকৈ বিৰোধী দল সদায় শক্তিশালী আৰু প্ৰাণৱন্ত হোৱাটো অতি প্ৰয়োজন।

*ফোন ঃ ৮৮২২১৮৮৬৭৯*

# পাকিস্তান ঘূৰি আহিলো

## মহাজনৰ তেজাৰতিৰ কাৰবাৰৰ প্ৰভাৱ পূব পাকিস্তানত সৰ্বত্ৰ

মূল বাংলা ঃ শকুন্তল সেন
অসমীয়া অনুবাদ ঃ ড° সুনীল পবন বৰুৱা



ষষ্ঠ খণ্ড

**অৰ্থনৈতিক দুৰৱস্থা**

**পাকিস্তানৰ** বৰ্তমান অৰ্থনৈতিক অৱস্থা অত্যন্ত সংকটজনক। খাদ্য-বস্ত্ৰ-শিক্ষাৰ অভাৱ সকলোতে দেখা যায়। গাঁও অঞ্চলত বাঙালী মুছলমানৰ সম্বল মাত্ৰ এখন লুঙি আৰু এখন গামোচা— খুব বেছি এটা হাফ চাৰ্ট। বেছিভাগৰে আশ্ৰয়স্থল খেৰৰ চাল, ফলা বাঁহৰ বেৰ আৰু মাটিৰ ভেটি। প্ৰতি ছখন গাঁৱৰ বাবে এখন প্ৰাথমিক স্কুল। চিকিৎসাৰ বাবে ডাক্তৰ দূৰৈৰে কথা, সামান্য ঔষধ সংগ্ৰহ কৰাটোও তেওঁলোকৰ ক্ষমতাৰ বাহিৰত। বছৰৰ কেইটামান মাহ এওঁলোকে দুবেলা পেট পূৰাই খাবলৈ পায়, বাকী সময় আধা লঘোণ। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে প্ৰায় সকলোতে কাবুলিৱালা বিয়পি পৰিছে। প্ৰায় প্ৰত্যেকজনেই ধৰুৱা। এইটো মোৰ কথা নহয় চট্টগ্ৰামৰ 'ইউনিটী' নামৰ দৈনিক কাকত এখনে এই বিষয়ে তথ্য সহকাৰে জনাইছে— 'মহাজনৰ তেজাৰতিৰ কাৰবাৰৰ প্ৰভাৱ পূব পাকিস্তানত সৰ্বত্ৰ।' আনকি সুদূৰ গ্ৰামাঞ্চলতো এওঁলোকৰ ব্যৱসায় বিস্তৃত হৈছে। দৰিদ্ৰ আৰু অসহায় কৃষকসকলে (যাৰ সংখ্যা জনসংখ্যাৰ শতকৰা ৭৫ ভাগ) উচ্চ হাৰত এওঁলোকৰ পৰা ঋণ লৈ থাকে। ক্ৰমশঃ ঋণ আৰু সুদ চক্ৰবৃদ্ধি হাৰত বৃদ্ধি হৈ থাকে আৰু ইয়াৰ ফল এটাই হৈছে যে সুদ দিওঁতে এওঁলোকৰ আয়ৰ এটা ডাঙৰ অংশ গুচি যায়। বহু ক্ষেত্ৰত ঘৰ-মাটি বিক্ৰী কৰি এওঁলোকে মহাজনৰ ঋণ পৰিশোধ কৰে আৰু তাৰ পাছত দিন হাজিৰাৰ শ্ৰমিক অথবা চহৰ অঞ্চলত ভিৰ বৃদ্ধি কৰে। মহাজনৰ কবলৰ পৰা মধ্যবিত্ত সমাজেও নিষ্কৃতি নাপায়। (দ্য ইউনিটী-১৮-২-৬৪)

অথচ পাকিস্তান প্ৰতিষ্ঠা হোৱাৰ পূৰ্বে লাখ লাখ এই দৰিদ্ৰ মানুহখিনিয়ে ভাবিছিল যে কাফেৰবোৰ গুচি গ'লে সিহঁতৰ মাটি-বাৰী সকলো তেওঁলোকৰ হাতলৈ আহিব। এতিয়া সেইটো দিবাস্বপ্ন বুলি বুজা গৈছে। চাঁদপুৰৰ পৰা চট্টগ্ৰামলৈ যাওঁতে এনে ধৰণৰ বহুত মাটি দেখিছো, যিবোৰ এতিয়া পতিত হৈ আছে। কিছু কিছু বিতৰণ কৰা হৈছে পশ্চিম পাকিস্তান অথবা অসমৰ পৰা অহা ভগনীয়াৰ মাজত। স্মৰণযোগ্য যে পাকিস্তান চৰকাৰে যান-বাহনৰ ওপৰত এটা কৰ বহুৱাইছে, যিটো 'ৰিফিউজি টেক্স' নামে পৰিচিত। যোৱা ১৪ বছৰে এনেদৰে সংগৃহীত ধনৰ পৰিমাণ ৮০ কোটি ৩৫ লাখ টকাৰ সমান। এই সংগৃহীত ধন যেনেদৰে ব্যয় কৰা হৈছে, সেই মতে পূব পাকিস্তানৰ ভাগত প্ৰায় ১০ কোটি টকা আৰু পশ্চিম পাকিস্তানৰ বাবে ব্যয় কৰা হৈছে ৪৫ কোটি তিনি লাখ ৭৬ হেজাৰ টকা। অথচ পূব পাকিস্তানৰ ওপৰতে ভগনীয়াৰ হেঁচাটো বেছি। এই ক্ষেত্ৰত পাক চৰকাৰে পূব পাকিস্তানৰ বাঙালীসকলৰ প্ৰতি মাহীআই সদৃশ আচৰণ কৰিছে। (Red. Some Fundamental Statistics-1963 : Published by govt. of Pakistan) অৰ্থনৈতিক দুৰৱস্থাৰ ফলত জাতীয় জীৱনত এক চৰম বিশৃংখল অৱস্থা লক্ষ্য কৰা যায়। এই বিষয়ে চট্টগ্ৰামৰ পৰা প্ৰকাশিত 'দৈনিক ইনচাফ'-এ কৈছে— জাতীয় জীৱনৰ প্ৰতিটো স্তৰতে শিক্ষা ক্ষেত্ৰত, শিল্প-বাণিজ্য সংস্থাত, ৰাজনীতিৰ ক্ষেত্ৰত, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত, ধৰ্মীয় অনুষ্ঠান আৰু উৎসৱ সকলোতে বিশৃংখলতা বিৰাজমান।' (ইনচাফ ১৮-২-৬৪) হিন্দু আৰু ভাৰত বিদ্বেষী এই কাকতখনে অতি নগ্নভাৱে নিজৰে স্বৰূপ উদঙাই দিছে।

পাকিস্তানৰ বৰ্তমানৰ অৰ্থনৈতিক পৰিস্থিতি কেনে ধৰণৰ জটিল অৱস্থাত উপনীত হৈছে, সেই বিষয়ে পাক চৰকাৰৰ বিশেষ সমৰ্থক এজনে কৈছে— 'এই কথা খোলাখুলিকৈ কোৱা উচিত বুলি ভাবো যে পূব পাকিস্তান দৰিদ্ৰতম দেশ, অনুন্নত আৰু ইয়াত ভাৰসাম্যহীন অৰ্থনৈতিক অৱস্থা চলি আছে। নিৰাশাজনক অৰ্থনৈতিক উন্নতি আৰু ব্যক্তিগত আয়ৰ ক্ষেত্ৰত অৱনতি দেখা যায়। কৃষি ক্ষেত্ৰত সকলোতে এটা অচল অৱস্থা। স্বীকাৰ কৰা হৈছে যে জনসংখ্যা প্ৰতি বছৰে ১.৪ ভাগ বৃদ্ধি পাইছে; কিন্তু সেই অনুপাতে খাদ্য উৎপাদন বৃদ্ধি হোৱা নাই। ১৯৪৭-৪৮ত সকলো প্ৰকাৰৰ খাদ্য আছিল জনমূৰি ১৬.৫ আউন্স, ১৯৫০-৬০ত সেইটো কমি গৈ হৈছে জনমূৰি ১৫.৪ আউন্স। পূব পাকিস্তানৰ জনসংখ্যাৰ হেঁচা সীমা অতিক্ৰম কৰিবলৈ গৈছে, জনসংখ্যাৰ এই হেঁচাই অৰ্থনীতি বিপৰ্যস্ত কৰি তুলিছে। পশ্চিম পাকিস্তানত প্ৰতি বৰ্গমাইলত য'ত জনসংখ্যা মাত্ৰ ১৩৮ জন, সেই ক্ষেত্ৰত পূব পাকিস্তানত ৯,২২৭ জন অৰ্থাৎ প্ৰায় সাতগুণ। কোৱা বাহুল্য যে পৃথিৱীৰ ঘনবসতিপূৰ্ণ দেশবোৰৰ ভিতৰত পূব বাংলাৰ স্থান অন্যতম প্ৰধান। পূব বংগৰ পৰা অসম, ব্ৰহ্মদেশ, পশ্চিমবংগত যিবোৰ মানুহ প্ৰৱেশ কৰিছে, সেইটো মানুহৰ হেঁচা আৰু খাদ্য সংগ্ৰহৰ প্ৰেৰণাত। সকলোতে খাদ্যৰ অভাৱ ইমান বেছি যে লাখ লাখ মানুহ সকলো বাধা অতিক্ৰম কৰি ব্ৰহ্মদেশ, অসম, ত্ৰিপুৰালৈ কেৱল মাত্ৰ এমুঠি ভাতৰ বাবে অগ্ৰসৰ হৈছে। এই সম্পৰ্কত কোৱা হৈছে— 'গাঁও অঞ্চলত বৰ্তমান দৰিদ্ৰতা তীব্ৰ।



এইবোৰ ক্ষুধাৰ্ত, অসন্তুষ্ট, ক্ষুব্ধ মানুহ, কেৱল সামাজিক কলংক নহয়, ৰাজনৈতিক সংকটৰো কাৰণ।' এওঁলোক দেশৰ অসংখ্য সমস্যাৰ প্ৰতিফলন। পাকিস্তানৰ পৰিকল্পনা আয়োগে অৰ্থনৈতিক ক্ষেত্ৰত তেওঁলোকৰ শোচনীয় ব্যৰ্থতাৰ কথা নিজে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। তেওঁলোকে কৈছে যে দেশৰ অৰ্থনৈতিক ভেটি কঁপি উঠিছে। ইয়াৰ কাৰণ দৰ্শাই কৈছে যে এনে ব্যৰ্থতাৰ কাৰণ বহুত আছে। প্ৰথমতে ৰাজনৈতিক অস্থিৰতা, দ্বিতীয়তে উদ্যোগৰ অভাৱ, তৃতীয়তে সমস্যাসমূহৰ বিষয়ে সংকীৰ্ণ জ্ঞান। (Second Five year plan : govt of Pakistan)।

আজিৰ পাকিস্তানৰ সামাজিক, অৰ্থনৈতিক ক্ষেত্ৰত দেখা দিয়া বিশৃংখলা চৰম পৰ্যায়ত উপনীত হৈছে। কেৱল ব্যৰ্থতা আৰু গ্লানি। মাথোন অভাৱ আৰু লঘোণ। কেৱল হাহাকাৰ। এই সকলো মিলি পূৱবংগৰ অৱস্থা অত্যন্ত সংকটজনক। লাখ লাখ মানুহে অতীতলৈ চাই দেখিছে— নিষ্ফলতা, বৰ্তমানত ব্যৰ্থতা আৰু ভৱিষ্যতৰ বাবে অপেক্ষা কৰি আছে নিৰাশাৰ অন্ধকাৰ।

**নৱ জাগ্ৰত ছাত্ৰ সমাজ**

পাকিস্তানত ভ্ৰমণৰ সময়ত এটা অপূৰ্ব বস্তু লক্ষ্য কৰিছো, নিৰাশাৰ মাজত এটা স্পষ্ট আশাৰ লক্ষণ দেখা পাইছো। সকলোতে ছাত্ৰ সমাজৰ এটা বিৰাট প্ৰভাৱ, তেওঁলোকৰ বক্তব্য স্পষ্ট, চিন্তাত এক বৈপ্লৱিক ভাৱধাৰাই কাম কৰিছে। আচৰিত হৈছো যে ধৰ্ম বিষয়ক গোড়ামী ক্ৰমশঃ বিলুপ্তিৰ ফালে গতি কৰিছে। কাশ্মীৰৰ পৱিত্ৰ চুলি সম্পৰ্কে এওঁলোক যে অলপমানো চিন্তিত সেইটো মনে ধৰা নাই। কাশ্মীৰ ৰাজ্য সম্পৰ্কে প্ৰত্যেকৰে কম-বেছি দুৰ্বলতা আছে আৰু প্ৰয়োজন হ'লে তেওঁলোকে যুদ্ধ কৰি হ'লেও কাশ্মীৰ দখল কৰিবলৈ অনিচ্ছুক নহয়। ছাত্ৰ সমাজৰ প্ৰভাৱ আৰু প্ৰতিপত্তি দেখি মই মুগ্ধ হৈছো, পুলিচে এওঁলোকক ভয় কৰে, অধ্যাপকসকলে এওঁলোকক সমীহ কৰে। সামৰিক কৰ্তৃপক্ষ চিন্তিত আৰু শংকিত। ইছলাম বিপন্ন এই প্ৰচাৰত এওঁলোক বিভ্ৰান্ত নাই হোৱা। ওলোটাই প্ৰশ্ন কৰে— ইছলাম ধৰ্মৰ সন্মান ৰক্ষাৰ দায়িত্ব কেৱল পাকিস্তানৰ? পৃথিৱীৰ অন্যান্য মুছলমান ৰাষ্ট্ৰসমূহৰ কি কোনো দায়িত্ব নাই? সেয়েহে স্বাৰ্থপৰ মানুহে ছাত্ৰ সমাজক বিভ্ৰান্ত কৰাৰ এই অস্ত্ৰ এতিয়া আৰু কামত লগাব নোৱাৰে। ঈদৰ সময়ত দেখিছো এওঁলোক আনন্দত মতলীয়া হৈ আছে, বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান কৰিছে। চট্টগ্ৰামৰ মৌলবী ৰফিউদ্দিনে অভিযোগ কৰিছে যে ছাত্ৰসকলে ধৰ্ম সম্পৰ্কে মূৰ নঘমায়। এইটো তেওঁৰ কাৰণে দুশ্চিন্তাৰ কাৰণ।

সাম্প্ৰদায়িক কটা-মৰাৰ বাদেও 'বিশ্ব শান্তি আৰু নিৰস্ত্ৰীকৰণ' সম্পৰ্কেও এওঁলোকে ভাবিছে। (দ্ৰষ্টব্য ঃ জগন্নাথ কলেজ সাহিত্য আৰু সংস্কৃতি মেলা-ন জানুৱাৰী, ১৯৬৪)। এওঁলোকৰ দুঃসাহস দেখি স্তম্ভিত হৈছো যেতিয়া দেখিছো সামৰিক শাসকবৰ্গৰ মুখৰ আগতে সভা আহ্বান কৰি প্ৰস্তাৱ গ্ৰহণ কৰে— 'গণতন্ত্ৰই শ্ৰেষ্ঠ শাসনতন্ত্ৰ'। এই প্ৰসংগত এজন ছাত্ৰ নেতাই ক'লে— 'আমি অনুভৱ কৰো যে যদি এনে ধৰণৰ অনুষ্ঠান নিয়মিত হয়, তেনেহ'লে শিক্ষাকেন্দ্ৰত ছাত্ৰসকলৰ মাজত বাহিৰৰ কলুষিত পৰিৱেশে প্ৰৱেশ কৰিবলৈ সুবিধা নাপাব।'

ৰাজনৈতিক চিন্তাধাৰাই এক বলিষ্ঠ পদক্ষেপেৰে সুনিৰ্দিষ্ট পৰিণতিৰ দিশে ক্ৰমশঃ আগুৱাই গৈছে। পূব পাকিস্তানত হেজাৰ হেজাৰ মানুহ ৰাজনৈতিক কাৰণত জেললৈ যায় আৰু শাসকৰ দমন নীতিয়ে এওঁলোকক সেই পথৰ পৰা আঁতৰাবলৈ সক্ষম হোৱা নাই। ফৰিদপুৰৰ এসময়ৰ বিশিষ্ট ছাত্ৰনেত্ৰী আৰু বৰ্তমান ৰাজনৈতিক কৰ্মী নাজমা বেগমে ক'লে— 'হিন্দু মুছলমানৰ বিৰোধে আমাক লক্ষ্যৰ পৰা আঁতৰাব নোৱাৰে।' প্ৰসংগক্ৰমে পূব পাকিস্তানৰ বিভিন্ন চহৰত পৱিত্ৰ ছহিদ দিৱস উপলক্ষে (২১, ফেব্ৰুৱাৰী ১৯৬৪) পোষ্টাৰ লগাইছে— 'সকলোৰে বাবে ভোটাধিকাৰ লাগে', 'সকলো প্ৰকাৰৰ ৰাজনৈতিক অধিকাৰ লাগে', 'এবডো উঠাই দিয়ক' (এবডো অৰ্থাৎ ৰাজনৈতিক কৰ্মীসকলক ৰাজনীতিৰ পৰা বাধ্যতামূলক অপসাৰণ), 'সকলো স্তৰতে বাংলা আৰম্ভ কৰিব লাগিব', 'ৰাজনৈতিক বন্দীসকলৰ মুক্তি লাগে', 'সম্পূৰ্ণ স্বায়ত্তশাসন আমাৰ লক্ষ্য'। কোৱা বাহুল্য যে সেইবোৰ পোষ্টাৰৰ তলত কোনো দল বা সংগঠনৰ নাম নাছিল।

**বাঙালী-অবাঙালী বিৰোধ**

পূব বাংলা ভ্ৰমণৰ সময়ত অনেক সময়ত লক্ষ্য কৰিছো যে বাঙালী মুছলমানৰ লগত অবাঙালী মুছলমানৰ বিৰোধ। বাঙালীসকলে অবাঙালীসকলৰ প্ৰতি এটা তীব্ৰ বিদ্বেষ ভাৱ পোষণ কৰে। কাৰণটো যে অৰ্থনৈতিক, সেই কথা নক'লেও হ'ব। পূব বাংলাৰ মানুহে ধাৰণা কৰে যে অবাঙালীসকলে তেওঁলোকৰ ব্যৱসায়-বাণিজ্যতো প্ৰায় দখল কৰিছেই, তাৰ উপৰি অন্যান্য পেছাৰ ফালেও হাত মেলিছে। মই ঢাকাত থাকোতে কেইটামান ঘটনা দেখিছো য'ত বাঙালী-অবাঙালীৰ বিৰোধ ৰক্তপাতত পৰিণত হৈছে। আনকি বাঙালী ছাত্ৰসকলৰ মাজতো এই মনোভাৱ আছে। ঢাকাৰ কায়েদ আজম কলেজ বেছ কিছুদিন বন্ধ আছিল। কিয়নো বাঙালী মুছলমান ছাত্ৰই অবাঙালী ছাত্ৰক বেছ পিতন দিছে। ঢাকা চহৰৰ ব্যৱসায়-বাণিজ্যৰ শতকৰা ৪০ ভাগ অবাঙালী মুছলমানসকলৰ হাতত চট্টগ্ৰাম চহৰতো একেই অৱস্থা আনকি বন্দৰসমূহতো অবাঙালীসকলে প্ৰৱেশ কৰিছে। ইমানদিনে পূব বংগৰ ব্যৱসায়-বাণিজ্যৰ বেছিভাগেই আছিল বাঙালী হিন্দুসকলৰ হাতত। তেওঁলোক গুচি যোৱাৰ পাছত লাভতো হোৱাই নাই; বৰঞ্চ ব্যাপক ক্ষতি হৈছে। কিয়নো বাঙালী হিন্দুৱে দেশৰ ধন দেশতে ৰাখিছিল, অবাঙালীয়ে উপাৰ্জ্জিত সম্পদ পশ্চিম পাকিস্তানলৈ পঠাই দিয়ে। বাঙালীসকলৰ এইটোৱেই ক্ৰোধৰ মূল কাৰণ।

বাঙালী মুছলমানে বিচাৰে যে হিন্দুসকলে যেন দেশ ত্যাগ নকৰে। হিন্দুবোৰ গুচি গ'লে পশ্চিম পাকিস্তানৰ তুলনাত তেওঁলোক সংখ্যালঘু হৈ পৰিব। এতিয়া পূব বংগত মুছলমানৰ সংখ্যা চাৰি কোটি আঠ লাখ ৯০ হেজাৰ আৰু পশ্চিম পাকিস্তানত চাৰি কোটি ১৬ লাখ ৬৬ হেজাৰ। পূব বাংলাত হিন্দু আছে আৰু ৮৩ হেজাৰ। সেয়েহে হিন্দুবোৰ গুচি গ'লে তেওঁলোকৰ অৱস্থা শোচনীয় হ'ব।

এটা কথা কোৱাৰ প্ৰয়োজন আছে। আজি-কালি বাঙালীসকলে পূব পাকিস্তান বুলি নকয়। কয় পূব বাংলা। ভৱিষ্যতে এইটোৱে কি ইংগিত বহন কৰি আনিছে? এই আশা আৰু বিশ্বাস লৈ ঘূৰি আহিছো যে পূব বাংলাৰ ছাত্ৰ সমাজৰ মাজত এক বলিষ্ঠ যুক্তিবাদী চিন্তাধাৰা অতি দৃঢ়তাৰে স'তে গঢ় লৈ উঠিছে আৰু আয়ুব শাহীৰ বাবে সেইটো এটা প্ৰচণ্ড দুঃস্বপ্ন। উপায় নেদেখি হিন্দু মুছলমানৰ ঐক্যবোধ বিনষ্ট কৰাৰ উদ্দেশ্যে ঘৃণা চক্ৰান্ত কৰিছে।

**পাকিস্তান ভ্ৰমণৰ শেষ পৰ্যায়**

ঘূৰি ঘূৰি আহিছো চট্টগ্ৰামলৈ। এইবাৰ ঘূৰি যোৱাৰ আয়োজন। যি পথেৰে আহিছিলো মনে হৈছে সেই পথেৰে ঘূৰিব নোৱাৰিম। যদি ঘূৰিব নোৱাৰো, যদি সীমান্তত ধৰি ৰাখে তেনেহ'লে, ৰাতিৰ গোপন অন্ধকাৰত অথবা আন কোনো ধৰণেৰে পলাব পাৰি নেকি? কম্পমানত মই আৰু নাৱৰীয়া। বিশাল কৰ্ণফুলী নৈয়েদি বন্দৰ অভিমুখে গৈ আছো। বেলি ডুবো ডুবো অন্ধকাৰ নামি আহিছে, নাৱৰীয়াই দুই হাতেৰে ব'ঠা মাৰিছে চেহেৰাৰ ফালে চাবলৈ ভয় লাগে। হঠাতে চমক খাই উঠিলো। দেশী ভাষাত প্ৰশ্ন কৰিলে— 'চাহাব কি ভাবিছা? অকস্মাত সোধা প্ৰশ্নত কিছু থতমত খালো। তাৰ পাছত একপ্ৰকাৰ উদাসীনভাৱে প্ৰশ্ন কৰিলো— 'আচ্ছা ব'ৰ্ডাৰ কিমানদূৰ?' ওলোটাই প্ৰশ্ন কৰিলে— 'আৰাকান নে হিন্দুস্তান?'

— 'আৰাকান হ'লে?'

— 'যাম।'

— 'তোমাৰ এই চাম্পান সাগৰলৈ যাব পাৰে?'

— 'যাব পাৰে।'

তাৰ পাছত ব'ঠা মৰা বন্ধ কৰি কাণৰ কাষলৈ মুখ আনি ফুচফুচাই সুধিলে— 'চাহাব কি কমিউনিষ্ট?' শিয়ৰি উঠিলো। উত্তৰ নিদি মনে মনে থাকিলো। কাণৰ কাষলৈ পুনৰ মুখ আনি আৰু ফুচফুচাই ক'লে— 'হুজুৰ ভয় নাই, অলপমান জোৰেৰে চলাই ব'ৰ্ডাৰ পাৰ কৰি দিম। দুজন চাহাবক পৌচাই দিছিলো। এজন চাহাব গুলি খাইও ব'ৰ্ডাৰ পাৰ হৈছিল। আৰু আনজন ধৰা পৰিল। বেচেৰা।

এজন সাধাৰণ নাৱৰীয়া, প্ৰথম দৃষ্টিত তাক ভয়ানক বুলি ভাবিছিলো; কিন্তু তাৰ কণ্ঠত কি এক আশ্চৰ্য অভয়ৰ সুৰ। অপূৰ্ব আশ্বাস আৰু সেই আশ্বাসে মোৰ বিশ্বাস ঘূৰাই দিছে। *সমাপ্ত*

*ফোন ঃ ৯৪০১৩৬৯৪৬৯/ ৮৩৯৯৯৬৭৩৩০*

# গ্ৰামাঞ্চলত গছতে পকি নষ্ট হোৱাৰ

*তিনি পৃষ্ঠাৰ পৰা* বহু কৃষকে পানীৰ দৰতে কল, লিচু আদিবোৰ বিক্ৰী কৰিব লগা হৈছে। বছৰে বছৰে পৰিয়াল চলাই অহা উপাৰ্জনৰ পথবোৰ এনেদৰে স্তব্ধ হৈ পৰাত ক্ষুদ্ৰ ব্যৱসায়ীসকল একপ্ৰকাৰ চিন্তিত হৈ পৰিছে। প্ৰতি বছৰে হেজাৰ হেজাৰ টকাৰ লিচু বিক্ৰী কৰা কে'বাজনো ব্যৱসায়ীয়ে কয় যে এই বছৰ লিচুবোৰ গছৰ পৰা ছিঙিবই ইচ্ছা নোযোৱা হৈছে। বিক্ৰীৰ বাবে উপযুক্ত বজাৰ নাই। কৰ'নাৰ বাবে অধিকাংশ গ্ৰাহকে ক্ৰয় কৰিবলৈও ভয় কৰে। ইফালে, কলৰ চাহিদা ক্ৰমাৎ হ্ৰাস পোৱাৰ লগতে বহু কৃষকে অতি কম দামতে বিক্ৰী কৰিবলগীয়া হোৱাৰ কথাও ব্যক্ত কৰিছে। যোৱা বছৰটোৰ দৰে এইবাৰো ফলমূল বিক্ৰী কৰি উপাৰ্জন কৰিব বুলি ভবাটো অৰ্থহীন হৈ পৰিছে বুলি দুখ প্ৰকাশ কৰিছে কে'বাজনো কৃষকে। চৰকাৰে শীঘ্ৰে এক যথোচিত পদক্ষেপ গ্ৰহণ কৰিব বুলি গ্ৰামাঞ্চলৰ এইসকল ক্ষুদ্ৰ ব্যৱসায়ীয়ে আশা প্ৰকাশ কৰিছে।

# শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ উন্নয়নৰ কোটিটকীয়া

*তিনি পৃষ্ঠাৰ পৰা* কোটি ৬৫ লাখ ৭৬ হেজাৰ টকা আৰ্থিক অনুদান আগবঢ়ায়। সেইমৰ্মে মণিৰা দাসক সভাপতি, অজিত দাসক সম্পাদক, উদ্ধৱ সাউদক কোষাধ্যক্ষ আৰু গোৱালপাৰা গড়কাপ্তানী গৃহ সংমণ্ডলৰ কনিষ্ঠ অভিযন্তা কমল দাসক কাৰিকৰী সদস্য হিচাপে লৈ সত্ৰৰ অন্তৰ্গত ভকত বাপৰ, সেৱক তথা সমূহ ভক্তপ্ৰাণ ৰাইজে এখন নিৰ্মাণ কমিটী গঠন কৰি দিয়ে। কিন্তু নিৰ্মাণ কাৰ্যৰ নামত প্ৰাককলন অনুযায়ী কোনো এটা কামেই সম্পূৰ্ণ হোৱা নাই বুলি যোৱা ২৯ ছেপ্টেম্বৰত ভক্তপ্ৰাণ ৰাইজে গোৱালপাৰা জিলাৰ উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে আৰু এই অভিযোগৰ প্ৰতিলিপি অসমৰ মুখ্যমন্ত্ৰীক প্ৰেৰণ কৰা হয়। অভিযোগ অনুসৰি কাৰিকৰী প্ৰাককলন অনুযায়ী ধনৰ প্ৰায় ৫০ লাখ টকাৰ উন্নয়নৰ কাম এতিয়াও আধৰুৱা হৈ আছে। উদাহৰণ স্বৰূপে সত্ৰৰ মূল তোৰণত গ্ৰেনাইট, মাৰ্বল লগোৱাৰ বাবদ প্ৰায় ছয় লাখ টকা, শংকৰ মঠত গ্ৰীল, মাৰ্বল, গ্ৰেনাইট লগোৱাৰ বাবদ প্ৰায় ১২ লাখ ২৫ হেজাৰ টকা, অতিথিশালাত টাইলছ, ৰংকৰা, টিউব লাইট, বেছিন, এলুমিনিয়াম দুৱাৰ আৰু এলুমিনিয়াম খিৰিকী লগোৱাৰ বাবদ প্ৰায় আঠ লাখ ১০ হেজাৰ টকা ধাৰ্য কৰা হৈছে। কিন্তু বাস্তৱ ক্ষেত্ৰত কিছুমান কাম নকৰাকৈয়ে অথবা কিছুমানৰ নামমাত্ৰ কাম কৰিয়েই নিৰ্মাণ কমিটীয়ে দায়িত্ব সামৰিছে। ইপিনে, সত্ৰৰ মূল তোৰণৰ পৰা সত্ৰলৈ যোৱা পথছোৱা প্ৰাককলন অনুযায়ী কৰা হোৱা নাই। পুৰণি সমিতিয়ে নিৰ্মাণ কৰা পথৰ ওপৰতে নামমাত্ৰ কাম কৰা বাবেই নিৰ্মাণ কাৰ্যৰ পাছতেই বহি গৈছে। উল্লেখ্য যে সত্ৰ চৌহদত মুঠ ন হেজাৰ ২৬৬.৫১ চি এম মাটিৰ কাম হ'ব লাগিছিল যদিও মাত্ৰ দুহেজাৰ চি এম মাটি পেলোৱা হৈছে। অৰ্থাৎ মাটি পেলোৱাৰ বাবে আবণ্টিত হোৱা ১৯ লাখ ৫০ হেজাৰ টকাৰ ভিতৰত প্ৰায় ১৫ লক্ষাধিক টকা ভুৱা বিলেৰে আত্মসাৎ কৰা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সত্ৰৰ পশ্চিম দিশত পকী দেৱাল নিৰ্মাণত অতি নিম্নমানৰ বাংলা ভাটাৰ ইটা ব্যৱহাৰ কৰাৰ লগতে ৰং কৰা হোৱা নাই। নিৰ্মাণ কমিটীৰ সভাপতিয়ে নিজৰ দোকানৰ পৰা টাইলছকে ধৰি অতি নিম্নমানৰ সামগ্ৰী ক্ৰয় কৰি নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰা বুলিও অভিযোগ উত্থাপন কৰিছে। এইদৰে কিছুমান কাম একেবাৰে নকৰাকৈয়ে অথবা আধৰুৱা কৰি কনিষ্ঠ অভিযন্তা কমল দাস, নিৰ্মাণ কমিটীৰ সভাপতি, সম্পাদক আৰু কোষাধ্যক্ষই বিয়াগোম কেলেংকাৰি সংঘটিত কৰা বুলি সত্ৰৰ অন্তৰ্গত কে'বাগৰাকী ভক্তপ্ৰাণ জ্যেষ্ঠ ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। ক্ষোভিত ৰাইজে আৰু কয় যে বিগত প্ৰায় ২৫ বছৰে একেখন চকীত বহি কাৰ্যনিৰ্বাহ কৰা কনিষ্ঠ অভিযন্তা দাসে ভুৱা বিলেৰে লাখ লাখ টকা আত্মসাৎ কৰিছে। ইপিনে, এই বিয়াগোম দুৰ্নীতি সম্পৰ্কে যোৱা ২৯ ছেপ্টেম্বৰত ৰাইজে জিলা উপায়ুক্তক অভিযোগ দাখিল কৰাৰ পাছত কোনো সুফল নোপোৱাত পুনৰ ন নৱেম্বৰত জিলা উপায়ুক্তক আন এখন লিখিত অভিযোগ দাখিল কৰে। উক্ত অভিযোগৰ ভিত্তিত যোৱা ন নৱেম্বৰত কাৰ্যবাহী দণ্ডাধীশ সৌৰভ দাসে চৰজমিন তদন্ত কৰি প্ৰাককলন অনুযায়ী কাম কৰিবলৈ কাৰিকৰী সদস্যজনক নিৰ্দেশ দিয়ে। কিন্তু কাৰ্যবাহী দণ্ডাধীশৰ নিৰ্দেশনাৰ পাছতো কোনো সুফল নোপোৱাত আশ্চৰ্য প্ৰকাশ কৰিছে সচেতন মহলে। ইপিনে, মহাপুৰুষ শংকৰদেৱৰ অস্থি থকা অসমৰ একমাত্ৰ এই গোৱালপাৰাৰ শ্যামৰায় সত্ৰখনৰ উন্নয়নৰ বাবে আবণ্টিত পুঁজিৰ সিংহভাগ ধন আত্মসাৎ কৰাটো সচেতন মহলে সহজভাৱে মানি ল'ব পৰা নাই। লগতে জিলা প্ৰশাসনে তদন্তৰ নামত বিগত আঠমাহে ভেঁকোভাওনা চলোৱা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সেয়েহে এই বিয়াগোম কেলেংকাৰি তদন্তমূলে উপায়ুক্তক পদক্ষেপ লোৱাৰ দাবীৰে নতুনকৈ কাৰ্যভাৰ লোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লগ কৰি অভিযোগ দাখিল কৰিব বুলিও ক্ষোভিত ৰাইজে জানিবলৈ দিয়ে।


# কোকৰাঝাৰত ক'ভিডত মৃতকৰ সৎকাৰৰ

*তিনি পৃষ্ঠাৰ পৰা* ১০ হেজাৰৰ পৰা ২০-২৫ হেজাৰ টকালৈকে দাবী কৰাৰ অভিযোগ উঠিছে। ফলত আৰ্থিকভাৱে সবল পৰিয়ালে দৰ-দাম কৰি সাত হেজাৰৰ পৰা ২০ হেজাৰ টকালৈকে আদায় দিব লগা হৈছে চাফাইকৰ্মীসকলক। এনে ধন দিয়াৰ পাছতো কোনো নিৰ্দিষ্ট সময় নাই। নিজৰ খেয়াল-খুচি মতে দাহ কৰিছে। দিনত মৃত্যু হ'লেও কিছুমানক পিছদিনাহে দাহ কৰিছে। জিলা প্ৰশাসনে এই ক্ষেত্ৰত আজিলৈকে পুঁজি নথকাৰ অজুহাত দেখুৱাই এইসকল পৰিয়ালৰ মৃতকৰ সৎকাৰ কৰিবলৈ এতিয়ালৈকে কোনো ব্যৱস্থা লোৱা নাই। ইতিমধ্যে কোকৰাঝাৰ জিলাত কৰ'নাৰ দ্বিতীয় ঢৌত প্ৰায় চাৰিশ লোক আক্ৰান্ত হোৱাৰ লগতে আজিলৈকে ৫৬গৰাকী ক'ভিড আক্ৰান্তৰ মৃত্যু হৈছে। উল্লেখ্য যে চৰকাৰে ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে নতুন নতুন নীতি-নিৰ্দেশনা জাৰি কৰাৰ ফলত ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ লগতে দিন হাজিৰা কৰি খোৱাসকলৰ মাজত ক'ভিড সংক্ৰমণতকৈ অনাহাৰে মৃত্যুক সাবটি লোৱাৰ আতংকই খেদি ফুৰিছে। উপায়বিহীন তেওঁলোক। জীয়াই থকাৰ তাড়নাত পৰি ক'ভিডৰ ভয়ংকৰ সংক্ৰমণৰ কথা জানিও বাধ্য হৈছে ঘৰৰ বাহিৰলৈ ওলাবলৈ। ফলত সংক্ৰমণৰ হাৰৰ লগতে মৃত্যুৰ হাৰো বৃদ্ধি পাইছে। উল্লেখ্য যে কৰ'নাৰ পৰা ৰক্ষা পাবলৈ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিব লাগিব আৰু তাৰ বাবে খোৱা খাদ্যৰ তালিকাখনো অলপ সুকীয়া হ'ব লাগিব। যিটো একাধিক জনগণৰ বাবে আকাশৰ জোনটোলৈ হাত মেলাৰ দৰে কথা। ইপিনে, কৰ'না আক্ৰান্ত হোৱাসকলৰ বাবে খাদ্যৰ তালিকাখন অলপ সুকীয়া হোৱাৰ লগতে ঔষধ ইত্যাদিৰ অত্যন্ত প্ৰয়োজনীয়। বিগত বছৰত চৰকাৰে কৰ'না ৰোগীসকলক চৰকাৰী আৰ্থিক সাহায্য আৰু সামৰি বিশেষভাৱে সহায় কৰিছিল। কিন্তু এইবাৰ দ্বিতীয় ঢৌত তেনেকুৱা কোনো ধৰণৰ সহায়-সহযোগ আগবঢ়োৱা নাই। ফলত ক'ভিড পৰিস্থিতিয়ে উদ্ভৱ কৰা সমস্যাবোৰৰ মাজত নিম্ন আৰু দুৰ্বল শ্ৰেণীৰ লোকসকলে জুলা-কলা খাইছে। এই ক্ষেত্ৰত সত্তাগতাৰ অভাৱত কিছু সংখ্যকে ঘৰৰ পৰা চিকিৎসা লৈ আছিছে যদিও কিছুমানৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাত চিকিৎসালয়লৈ যাবলৈ বাধ্য হৈছে। কিন্তু ইয়াৰে কিছুমানে মৃত্যুক সাবটি লৈছে। আৰ্থিকভাৱে সবল পৰিয়ালে উক্ত খৰচ বহন কৰিব পাৰিলেও আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ বাবে এইখিনি খৰচ বহন কৰাটো অতিকৈ দুৰ্বিষহ। যাৰ ফলত তেওঁলোকৰ বাবে এনে দৰে সৎকাৰৰ নামত টকা আদায় কৰাটো অমানৱীয় হৈছে। আনহাতে, চাফাই কৰ্মীৰ এনে নাভূত-নাক্ষত দাবীৰ আঁৰত একাংশ মহলে ক'ভিডত মৃত ব্যক্তি সৎকাৰৰ নামত কমিছনৰাজ আৰু দালালৰাজ চলি থকা বুলিও অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত কোকৰাঝাৰ প্ৰশাসন আৰু পৌৰসভাৰ তৰফৰ পৰা ক'ভিড-১৯ত মৃত্যু হোৱা মৃতকৰ সৎকাৰ চৰকাৰীভাৱে বিনামূলীয়া কৰিব লাগে নতুবা ন্যূনতম পাৰিশ্ৰমিক ঘোষণা কৰিব লাগে বুলি বিভিন্ন মহলে দাবী উত্থাপন কৰিছে। এই সন্দৰ্ভত কোকৰাঝাৰৰ সংবাদ মাধ্যমৰ তৰফৰ পৰা স্থানীয় বিধায়ক লৰেন্স ইছলাৰী, বিটিচিআৰ প্ৰমুখ্য বিষয়াৰ লগত যোগাযোগ কৰা হৈছিল যদিও তেওঁলোকে ইয়াৰ বাবে কোনো পুঁজি নাই বুলি স্পষ্ট কৰি দিয়ে। তেনে ক্ষেত্ৰত আগন্তুক দিনত ক'ভিড-১৯ৰ ভয়াবহ পৰিস্থিতিৰ প্ৰেক্ষাপটত ক'ভিডসৃষ্ট পৰিস্থিতিয়ে সৰ্বসাধাৰণ জনগণৰ হকে এটা সমস্যা সৃষ্টি কৰিব। আৰ্থিকভাৱে দুৰ্বল লোক মৃতদেহ সৎকাৰ কৰাৰ ক্ষেত্ৰত চৰকাৰক সহায় কৰিবলৈ আহ্বান জনাইছে।

# নগাঁৱত পুখুৰী খন্দা-উন্নয়নৰ নামতেই

*তিনি পৃষ্ঠাৰ পৰা* ধনৰ ওপৰত বছৰ বছৰ ধৰি লুণ্ঠন চলাই অহাৰ অভিযোগ প্ৰায়েই উত্থাপিত হৈ আহিছে। বিভিন্ন সংবাদপত্ৰ আৰু বৈদ্যুতিন মাধ্যমত এই বিষয়ে বহুবাৰ বা-বাতৰি প্ৰকাশ হৈছে যদিও এই দুৰ্নীতি-অনিয়মত উৰ্ধ্বতন কৰ্তৃপক্ষই সদায় চকুমুদা কুলিৰ ভাওহে ধৰি অহা পৰিলক্ষিত হৈছে। নগাঁও জিলাত মীন বিভাগৰ মৎস্য জাগৰণ, নীল বিপ্লৱ, আৰআইডিএফ, মুখ্যমন্ত্ৰীৰ স্বনিয়োজন, মুখ্যমন্ত্ৰীৰ আমাৰ পুখুৰী, এছঅ'পিডি আঁচনি অনুসূচিত জাতিৰ উপ-শিতান (এছচিএছপি), আৰকেভিৱাই, এপিএআৰটি আদি বিভিন্ন আঁচনিৰ অধীনত কোটি কোটি টকাৰ আবণ্টন পোৱাৰ পাছতো মীন ক্ষেত্ৰখনক ঈপ্সিত লক্ষ্যত উপনীত কৰাব পৰা নাই। মীনপালক সকলেও ৮০ শতাংশই এই চৰকাৰী আঁচনিসমূহৰ পৰা লাভান্বিত হ'ব পৰা নাই। অভিযোগ অনুসৰি এছঅ'পিডি শিতানত মীন বিভাগে ২০১৭-১৮ত এক কোটি ৩৮ লাখ ৭৩ হেজাৰ টকাৰ আৰু ২০১৮-১৯ বিত্তীয় বৰ্ষত সাত কোটি ৯৬ লাখ সাত হেজাৰ টকা আবণ্টন লাভ কৰিছিল। মাত্ৰ দুটা বিত্তীয় বৰ্ষতে ন কোটি ৩৫ লাখ ৪০ হেজাৰ চৰকাৰী টকা জিলা মীন বিভাগে আবণ্টন লাভ কৰিলেও সাধাৰণ শ্ৰেণীৰ দুখীয়া মীনপালক আৰু অনুসূচিত জাতিৰ দৰিদ্ৰ মীনপালক কিম্বা মাছমৰীয়া লোকসকল মুঠেই উপকৃত হ'ব নোৱাৰিলে। তথ্য অনুসৰি ২০১৭-১৮ বিত্তীয় বৰ্ষত প্ৰথম আঁচনি এছঅ'পিডি শিতানৰ অধীনত আবণ্টিত ধনেৰে মৎস্য জাগৰণ আঁচনিৰ অধীনত নতুন পুখুৰী খন্দোৱাৰ বাবে (সাধাৰণ) মুঠ ৫৬গৰাকী হিতাধিকাৰীক ৩৫.২৮ লাখ টকা আবণ্টন দিয়া হয়। ঠিক একেদৰে এছঅ'পিডিৰ অধীনত মাছৰ পোনা পোহাৰ বাবে পুখুৰী খন্দোৱাৰ বাবদ ৭০জন হিতাধিকাৰীক ৩৭.৮ লাখ টকা আৰু মৎস্য জাগৰণ আঁচনিৰ অধীনত নতুন পুখুৰী খন্দোৱা (এছচিএছপি)ৰ বাবে অনুসূচিত জাতিৰ ১০জন হিতাধিকাৰীক ৫.০৪ লাখ টকা আবণ্টন দি মোকলাই দিয়া হৈছিল। কিন্তু ৰাইজৰ পৰা পোৱা অভিযোগ অনুসৰি এছঅ'পিডি শিতানৰ ধনেৰে নতুন পুখুৰী খন্দোৱাৰ নামত চৰম প্ৰহসনহে হয়। বহু হিতাধিকাৰীয়ে পুৰণা পুখুৰীকে পাৰ কেইটা চিকুণাই পৰিষ্কাৰ কৰি তাকে নতুন পুখুৰীৰ ৰূপ দি চৰকাৰী ধন হস্তগত কৰে। তদুপৰি এই পুখুৰীৰ হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰতো ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে, বিত্তীয় বৰ্ষটোত নীল বিপ্লৱ আঁচনিৰ অধীনত অনুসূচিত জাতিৰ ১০জন হিতাধিকাৰীক পুৰণা পুখুৰী উন্নয়নৰ বাবে ২.৭ লাখ টকা, মাছৰ পোনা পুহিবলৈ পুখুৰী নিৰ্মাণৰ (সাধাৰণ) বাবে ২০জন হিতাধিকাৰীক ৩.৮৮ লাখ টকা, অনুসূচিত জাতিৰ ১০জন মাছমৰীয়া লোকৰ বাসগৃহ নিৰ্মাণৰ বাবে ১৭.৩৩৪ লাখ টকা, চ'লাৰ ইৰেক্টৰ ছিষ্টেমৰ (দুটা) বাবদ এক লাখ ৭৩ হেজাৰ ৩৪০ টকা, ৰিচাৰকুলেটৰী একুৱাকালছাৰ ছিষ্টেম (আৰএএছ)ৰ এটা শাখাৰ বাবদ ২৫ লাখ টকা মোকলাই দিয়া হৈছিল। অভিযোগ অনুসৰি পুৰণা পুখুৰী উন্নয়নৰ নামত চৰম প্ৰহসনহে কৰা হয়। ইপিনে, মাছৰ পোনাৰ পুখুৰীবোৰো বিভাগীয় নীতি-নিৰ্দেশনা অনুসৰি খন্দোৱা নাছিল। আনহাতে, অনুসূচিত জাতিৰ দৰিদ্ৰ মাছমৰীয়া লোকৰ যি ১০টা বাসগৃহৰ বাবে ১০.৭ লাখ টকা দিয়া হৈছিল সেই সকলো হিতাধিকাৰী কেৱল ৰহা উন্নয়ন খণ্ডৰ হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। অন্য উন্নয়ন খণ্ডৰ দৰিদ্ৰ মাছমৰীয়া লোকক বঞ্চিত কৰা হয় বুলিও অভিযোগ উঠিছে। নীল বিপ্লৱৰ আঁচনিৰ ধনেৰে হাতত লোৱা ২৫ লাখটকীয়া ৰিচাৰকুলেটৰী একুৱাকালছাৰ ছিষ্টেমে মৎস্যজীৱী ৰাইজক কিমান উপকৃত কৰে সেয়াও ৰহস্যৰ আৱৰ্তত। জিলা মীন বিভাগে ২০১৮-১৯তো এপিএআৰটি শিতানত ২৬ হেক্টৰ ভূমিত পলিকালছাৰ ডেমনষ্ট্ৰেচনৰ বাবে ৯৯গৰাকী হিতাধিকাৰীক ৫২ লাখ টকা, একেটা আঁচনিৰ অধীনত মুঠ আঠ হেক্টৰ মাটিত ধানৰ স'তে মাছ পোহাৰ বাবদ ২০জন হিতাধিকাৰীক ৮.০৬ লাখ টকা, আৰআইডিএফ আঁচনিৰ অধীনত নতুন পুখুৰী নিৰ্মাণৰ বাবদ ৬৭৫জন হিতাধিকাৰীক চাৰি কোটি চাৰি লাখ ৫৪ হেজাৰ টকা, ৪৫টা নতুন সমূহীয়া পুখুৰী খন্দোৱাৰ বাবদ দুই কোটি ৯৯ লাখ ছহেজাৰ টকা মোকলাই দিয়া হৈছিল। এই আটাইকেইখন আঁচনিৰ ৰূপায়ণতেই ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হৈছিল বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ২৬ হেক্টৰ মাটিত পলিকালছাৰ ডেমনষ্টচন আৰু আঠ হেজাৰ মাটিত ধানৰ স'তে মাছৰ খেতিৰ নিৰ্দেশনা দিয়া হৈছিল যদিও সেই ভূমিৰ পৰিমাণ আছিল তেনেই নগণ্য। ইপিনে, আৰআইডিএফ আঁচনিৰ অধীনত মুঠ ৭২.২৪ হেক্টৰ মাটিত ৬৭৫টা নতুন পুখুৰী খন্দোৱাৰ বাবে যি ৪০৪.৫৪ লাখ টকা মোকলাই দিয়া হৈছিল তাৰে নগাঁও আৰু হোজাই জিলাকো সামৰি লোৱা হৈছিল। নগাঁও জিলাৰ ৪০টা গোটক মুঠ ৫১ হেক্টৰ মাটিত পুখুৰী খন্দোৱা আৰু মাছৰ পোনাৰ বাবদ গাইপতি সাত লাখ ১০ হেজাৰকৈ টকা, ৪৫৮জন ব্যক্তিগত হিতাধিকাৰীক প্ৰায় তিনি কঠাকৈ মাটিত পুখুৰী খন্দোৱাৰ বাবে গাইপতি ৯৯,৪০০ টকাকৈ মোকলাই দিয়া হয় যদিও সেই পুখুৰী খন্দোৱাৰ নামতো ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে, একেটা বিত্তীয় বৰ্ষতেই ১.৮৮ হেক্টৰ মাটি-কালিৰ ৪৫টা ৰাজহুৱা পুখুৰী খন্দোৱাৰ বাবে নগাঁও জিলা মীন বিভাগে দুই কোটি ৯৯ লাখ ছহেজাৰ টকা মোকলাই দিছিল যদিও সেই কামতো ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই ৰাজহুৱা পুখুৰী খন্দোৱাৰ ধনৰ ৫০ শতাংশ ধনো ব্যৱহাৰ নোহোৱাৰ অভিযোগ তুলিছে একাংশ লোকে। বিত্তীয় বৰ্ষটোতে আৰকেভিৱাই আঁচনিৰ অধীনত দ' পতিত ভূমিক ৰাজহুৱা পুখুৰীলৈ পৰিৱৰ্তন কৰাৰ বাবদ বটদ্ৰৱা, কঠিয়াতলি, লাওখোৱা আৰু বাজিয়াগাঁও উন্নয়ন খণ্ডৰ চাৰিটা আত্মসহায়ক গোটক মুঠ ৩২.৫ লাখ টকা আবণ্টন দিয়া হৈছিল যদিও সেই কামো মুঠেই সন্তোষজনক নাছিল বুলিহে সংশ্লিষ্ট অঞ্চলবাসীয়ে অভিযোগ তুলিছে। বটদ্ৰৱা, ৰহা, কঠিয়াতলিৰ আত্মসহায়ক গোটসমূহৰ বিপৰীতে গাইপতি ৬.৫০ লাখ টকাকৈ আৰু বাজিয়াগাঁৱৰ আত্মসহায়ক গোটটোক ১৩ লাখ টকা আবণ্টন দিয়া হৈছিল যদিও সেই কামত ৫০ শতাংশ ধনো খৰচ কৰা হোৱা নাছিল বুলিহে ৰাইজে অভিযোগ তুলিছে। অভিযোগ অনুসৰি মীন বিভাগে নিৰ্বাচিত কৰা হিতাধিকাৰীসকলৰ অধিকাংশই ভুৱা, অযোগ্য হিতাধিকাৰী আছিল। অভিযোগ অনুসৰি সেই হিতাধিকাৰী নিৰ্বাচনত ব্যাপক দুৰ্নীতি-অনিয়ম, স্বজন-তোষণ আৰু ৰাজনৈতিক হস্তক্ষেপ হৈছিল। যোগ্য হিতাধিকাৰীৰ নাম-তালিকাত সন্নিবিষ্ট হোৱাৰ বিপৰীতে ৰাজনৈতিক নেতা, মীন বিভাগৰ বিষয়া-কৰ্মচাৰীৰে বুজাপৰা কৰা একাংশ লোকৰ নামহে হিতাধিকাৰীৰ তালিকাত সন্নিবিষ্ট হৈছিল। জিলাখনৰ মীন বিভাগে বিভাগটোৰ বিভিন্ন আঁচনিৰ অধীনত কোটি কোটি টকাৰ আবণ্টন লাভ কৰিছিল যদিও প্ৰকৃত মীনপালক, অনুসূচিত জাতি, অনুসূচিত জনজাতি প্ৰকৃত মীনপালক আৰু মৎস্যজীৱী লোকসকলৰ ১০ শতাংশ লোকো উপকৃত হ'ব পৰা নাছিল। স্মৰ্তব্য যে জিলাখনত মীন বিভাগৰ আঁচনিৰ ধনৰ ওপৰত বছৰ বছৰ ধৰি কৰি অহা লুণ্ঠনৰ বাবেই প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও আজিও জিলাখনত নীল বিপ্লৱে ঈপ্সিত লক্ষ্যত উপনীত হ'ব পৰা নাই বুলি ৰাইজে অভিযোগ কৰিছে।

## সোঁতৰ বিপৰীতে



# নগাঁৱত তিনিদিন ক'ভিড

*তিনি পৃষ্ঠাৰ পৰা* কাইলৈৰ পৰা নগাঁও চহৰৰ পূৰ্বৰ প্ৰতিষেধক কেন্দ্ৰসমূহৰ পৰিৱৰ্তে নগাঁও মহাবিদ্যালয়, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় আৰু নগাঁও বাণিজ্য মহাবিদ্যালয়ত প্ৰতিষেধক কেন্দ্ৰ স্থাপন কৰা হৈছে।

# হোজাইত চালান বিহীন

*তিনি পৃষ্ঠাৰ পৰা* দুখনকৈ টাটা ডিআই বাহন জব্দ কৰে। টাটা ডি আই দুখনে দুখনে কোনো বিভাগীয় চালান নোহোৱাকৈ শিল-সৰবৰাহ কৰি থকা বুলি জনাইছে ৰেঞ্জাৰ ছেমিম আখতাৰে। জব্দকৃত টাটা ডি আই দুখনৰ নম্বৰ হ'ল ক্ৰমে এ এছ ০৯ চি ৯৭৩১ আৰু এ এছ-০২ বিচি ১৯৪৭। ইয়াৰ পূৰ্বে চালান বিহীনভাৱে ছেণ্ডগ্ৰেভেল কঢ়িয়াই অনা এখন ডাম্পাৰো নীলবাগানৰ পৰা জব্দ কৰে।

# মাইক্ৰ'ফাইনেন্স ঋণৰ টকা

*তিনি পৃষ্ঠাৰ পৰা* ঘূৰাই দিয়াৰ নামত হিতাধিকাৰীসকলক হাৰাশাস্তি প্ৰদানৰ অভিযোগ উত্থাপিত হৈছে। এই লৈ আজি বাগ্‌সা জিলাৰ সদৰ মুছলপুৰৰ নিকটৱৰ্তী পূৰণা মুছলপুৰ আৰু বালাপাৰাত মাইক্ৰ'ফাইনেন্সৰ বিৰুদ্ধে অৰ্ধশতাধিক মহিলা ওলাই আহি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে পূৰণা মুছলপুৰ আৰু বালাপাৰাৰ পাঁচ শতাধিক মহিলাই ৰাজ্যখনৰ আশীৰ্বাদ, আৰোহণ, অন্নপূৰ্ণা, এল এণ্ড টি, স্মল ফাইনেন্স আদিৰ পৰা ঋণ লৈছিল। ঋণ লোৱা মহিলাসকলে পাৰ্যমানে ঋণৰ কিস্তি পৰিশোধও কৰি আহিছিল। পিছে বিগত বৰ্ষৰ তলাবন্ধ আৰু শেহতীয়া ক'ভিড পৰিস্থিতিৰ বাবে ৰাজ্যখনত বজাৰ-হাট বন্ধ হৈ যোৱাত ঋণ লোৱা মহিলাসকল সমস্যাৰ সন্মুখীন হয়। বেপাৰ-বাণিজ্য বন্ধ হোৱাত মহিলাসকল আৰ্থিক সংকটত পৰে। তাৰ পাছতো কিন্তু মাইক্ৰ'ফাইনেন্স কোম্পানীৰ এজেণ্টসকলে ঋণ লোৱা মহিলাসকলক ঋণ পৰিশোধৰ নামত বিভিন্ন ধৰণে হাৰাশাস্তি কৰি আহিছে। সময়-অসময়ে ফোন কৰি ঋণ পৰিশোধ কৰিবলৈ ভাবুকি দি আহিছে। যাৰ ফলত আজি বালাপাৰা আৰু পূৰাণ মুছলপুৰৰ অৰ্ধশতাধিক মহিলা ৰাজপথলৈ ওলাই আহি মাইক্ৰ'ফাইনেন্স কোম্পানীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। মহিলাসকলে 'হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ, ঋণ পৰিশোধৰ নামত হাৰাশাস্তি বন্ধ কৰক, আমাৰ ঋণ ৰেহাই দিয়ক' আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। মহিলাসকলে কয় যে নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পালন কৰক। আমি এতিয়া ফাইনেন্সৰ ঋণ পৰিশোধ কৰিব নোৱাৰো। তেওঁলোকে কয় যে কৰ'না মহামাৰীৰ বাবে হাট-বজাৰ বন্ধ হোৱাত কৰ্মহীন হৈ পৰিছে। দুবেলা দুসাঁজ খাবলৈও এতিয়া সমস্যা হৈছে। তেনেস্থলত আমি কেনেকৈ ঋণ পৰিশোধ কৰিম। সেয়ে বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিব লাগে।

# চিনামৰাত আৰক্ষীৰ জালত

*তিনি পৃষ্ঠাৰ পৰা* নাছিল। খবৰ পাই ততাতৈয়াকৈ তেওঁ আহি থানাত উপস্থিত হয়। তেওঁকো দণ্ডাধীশ ৰূপী লোকজনে বিভিন্ন প্ৰশ্ন কৰে। কিন্তু কিছু সময় কথা-বাৰ্তাৰ পাছত আৰক্ষী বিষয়াজনৰ সন্দেহ হোৱাত তেওঁ যোৰহাট পুব চক্ৰৰ সংলগ্ন চক্ৰ বিষয়া কৃতিকা শৰ্মাৰে যোগাযোগ কৰি সবিশেষ জনোৱাত তেওঁ অনিৰ্বাণ দত্ত নামৰ কোনো দণ্ডাধীশ নাই বুলি জনায়। পাছত আৰক্ষী বিশয়াজনে দণ্ডাধীশ ৰূপী দত্তক উপৰ্যুপৰি প্ৰশ্ন কৰাত উৰহীৰ গছৰ ওৰ ওলায় পৰে। আৰক্ষীয়ে উল্লেখ কৰা মতে, যুৱকজনৰ প্ৰকৃত নাম বিশ্বজিত দত্ত। ঘৰ যোৰহাটৰ ন আলি ঢেকীয়াজুলীৰ কঁহাৰ গাঁৱত। পূৰ্বতেও নিজকে এগৰাকী চিকিৎসক বুলি পৰিচয় দি গ্ৰেপ্তাৰ হোৱা যুৱকজনে সম্প্ৰতি দণ্ডাধীশৰ ৰূপ লৈ অপকৰ্মত জড়িত আছিল। ইফালে, এ এছ-০৩ এফ-৬৩৪৭ নম্বৰৰ আই টেন বাহনখনৰ গৰাকী অৰুণ শইকীয়াকো আৰক্ষীয়ে আটক কৰে। শইকীয়াই জানিবলৈ দিয়া মতে, তেওঁৰ ঘৰ যোৰহাটৰ নিমাতীত। নিজকে দণ্ডাধীশ বুলি পৰিচয় দিয়া লোকজনে চাৰিদিন পূৰ্বে দৈনিক তিনি হেজাৰ টকাৰ বিনিময়ত ওঁৰ বাহনখন ভাড়াত লৈছিল। তেওঁ বাহনখন লৈ বিগত চাৰিদিনত জিলাখনৰ বিভিন্ন স্থানলৈ গৈছে; কিন্তু লোকজনে কি কাৰ্য সংঘটিত কৰি আহিছে সেই বিষয়ে তেওঁ অৱগত নহয় বুলি কয়। সম্প্ৰতি দুয়োকে নিজৰ জিম্মাত লৈ আৰক্ষীয়ে তদন্ত চলাই আছে। তদন্তৰ পাছতে বিগত সময়ত দুয়ো কেনেধৰণৰ অপকৰ্ম সংঘটিত কৰিছে পোহৰলৈ আহিব।

# তেজপুৰৰ বিধ্বস্ত পথৰ

*তিনি পৃষ্ঠাৰ পৰা* ৰজাৰ শাসন কালত পৰ্বতীয়া ফুকনৰ অধীনত থকা এই বৃহত্তৰ পৰ্বতীয়াৰ তেজপুৰ চহৰৰ সমীপৰ অংশ বাম পৰ্বতীয়া আৰু চহৰৰ পৰা কিছু নিলগৰ অংশ দ' পৰ্বতীয়া হিচাপে পৰিচিত হৈ পৰে। আনহাতে, এই বামপৰ্বতীয়াৰে এক চুবুৰি ভগী চুবুৰিৰো আছে নিজস্ব আন এক ইতিহাস। ৰাজ্যত দুশ বছৰৰ পূৰ্বে হোৱা মানৰ আক্ৰমণৰ সময়ত যোৰহাটৰ তিতাবৰ অঞ্চলৰ পৰা ভাগি আহি তিনিজন ককাই-ভায়ে তেজপুৰৰ পৰ্বতীয়াৰ এই অঞ্চলত বসবাস কৰিবলৈ লোৱাৰ পৰাই এই চুবুৰি গঢ়ি উঠে আৰু পৰৱৰ্তী সময়ত সেই বাবেই চুবুৰিটোৰ নামো ভগী চুবুৰি হিচাপে পৰিচিত হৈ পৰে। আন একাংশ লোকৰ মতে, অঞ্চলটোৰ পূৰ্বৰ নাম ভগী চুবুৰি আছিল যদিও মানুহৰ মুখ বাগৰি সেয়া ভগী চুবুৰি হৈ পৰে। ৰাষ্ট্ৰীয় পথৰ পৰা মাত্ৰ তিনিশ মিটাৰ দূৰত আৰু গাভৰু উন্নয়ন খণ্ডৰ অধীনৰ তথা পৰ্বতীয়া জিলা পৰিষদ আৰু গাঁও পঞ্চায়ত অন্তৰ্গত প্ৰায় ১৩ ফুট বহল পথটোৰ নিৰ্মাণৰ বাবে যোৱা সময়ত তেজপুৰৰ জনপ্ৰতিনিধিসকলক ৰাইজে বাৰম্বাৰ আবেদন কৰাৰ পাছতো কোনো এজন জনপ্ৰতিনিধিয়ে বিষয়টোৰ প্ৰতি গুৰুত্ব নিদিলে। উল্লেখ্য যে নিৰ্বাচনৰ সময়ত কেতিয়াবা কিছু পৰিমাণৰ শিল-বালি পেলায়ে দায়িত্ব সামৰাৰ বিপৰীতে চুবুৰিবাসীৰ ভোট বিচৰা ঘটনাত অতিষ্ঠ হৈ পৰিছে স্থানীয় ৰাইজ। বৰ্তমান ১২০ টা পৰিয়াল থকা এই চুবুৰিটোৰ পথটো এনেদৰে দুশ বছৰ নিৰ্মাণ নোহোৱাকৈ থকাৰ বিপৰীতে ২০২০ত পথটোৰ দুয়োকাষে নলা নিৰ্মাণৰ বাবে ধনৰ আবন্টন দিয়া হয় চৰকাৰীভাৱে। কিন্তু এই নলা নিৰ্মাণ হ'ল যদিও ইয়াত স্থাপিত পকী ফলকখনত কিন্তু এই নলা কোন শিতানত আৰু কিমান টকাৰ ব্যয় কৰা হ'ল তাৰ চিন-মোকাম এই পৰ্যন্ত নাই। তদুপৰি, ৰাইজে পথছোৱাৰ নিৰ্মাণৰ বাবে দীৰ্ঘদিনৰ পৰাই আবেদন জনাই অহাৰ পাছতো মূল পথটো নিৰ্মাণ নকৰি নলা নিৰ্মাণৰ আঁচনি ৰূপায়ণত আশ্চৰ্য প্ৰকাশ কৰিছে। বৰ্তমান এই বিধ্বস্ত পথৰে যাতায়াত কৰাটো অতি কষ্টকৰ বুলি অভিযোগ কৰি ৰাইজে কয় যে বাৰিষা এই পথটো অধিক কদৰ্য ৰূপ লয়। যোৱা সময়ছোৱাত তেজপুৰৰ বহুসংখ্যক পথ নিৰ্মাণ হ'ল যদিও চহৰখনৰ গাতে লাগি থকা এইটো পথৰ উপৰি আৰু কিছুসংখ্যক পথ কিন্তু ৰহস্যজনকভাৱে কোনো আঁচনিৰ অধীনতে নিৰ্মাণ নোহোৱাকৈ থাকিল। বাৰিষা এই পথটোৰ দুৰৱস্থাৰ বাবে ৰাইজ আহুকালত পৰিবলগীয়া হোৱাৰ বিপৰীতে তেজপুৰৰ নৱ নিৰ্বাচিত বিধায়ক পৃথ্বিৰাজ ৰাভাৰ প্ৰতি ৰাইজে এইবাৰ পথছোৱা নিৰ্মাণ কৰিব বুলি আশাৰে অপেক্ষা কৰিছে।

# মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টাত আলফা (স্বা)ৰ যুদ্ধ বিৰতিক আদৰণি

**গুৱাহাটী, ১৯ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত সংযুক্ত মুক্তি বাহিনী অসম (স্বাধীন)ৰ তিনিমহীয়া যুদ্ধ বিৰতিৰ ঘোষণাক সদৌ অসম প্ৰাক্তন আলফা সমন্বয়ৰক্ষী সমিতিয়ে আদৰণি জনাইছে। এক বিবৃতিত সমন্বয়ৰক্ষী সমিতিৰ সাধাৰণ সম্পাদক বিজয় হাজৰিকাই কয় যে মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰিয়ে ড° শৰ্মাই সৰ্বপ্ৰথমে অসমৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত পৰেশ বৰুৱা তথা আলফা (স্বা)ক শান্তি আলোচনাৰ বাবে আহ্বান জনোৱা বিষয়টো তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। যাৰ কাৰণে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে নৱনিৰ্বাচিত মিত্ৰদলৰ চৰকাৰখনকো শলাগ লয় সমন্বয়ৰক্ষী সমিতিয়ে। বিবৃতিটোত হাজৰিকাই লগতে কয়, 'আমি ২০০৬ত তদানীন্তন প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈক সাক্ষাৎ কৰি আমাৰ সকলো সমস্যাবোৰৰ লগতে আলফা আৰু চৰকাৰৰ আলোচনাৰ বিষয়টো গুৰুত্বপূৰ্ণভাৱে পৰ্যালোচনা কৰি কেন্দ্ৰীয় চৰকাৰকো অৱগত কৰিছিলো। যাৰ পৰিপ্ৰেক্ষিতত প্ৰয়াত মুখ্যমন্ত্ৰীজনৰ তৎপৰতাত ১০ দিনৰ বাবে চৰকাৰে প্ৰথমে যুদ্ধ বিৰতি ঘোষণা কৰিছিল। সেই সময়তে পিচিজিৰ দ্বাৰা শান্তি আলোচনা প্ৰক্ৰিয়া আগবাঢ়িছিল যদিও বিশেষ কিছু অসুবিধাৰ বাবে স্থৱিৰ হৈ পৰিল। ২০১৫-১৬তো আমি ভাৰত চৰকাৰৰ গৃহমন্ত্ৰীক সাক্ষাৎ কৰি আমাৰ সমস্যাবোৰ সমাধানৰ লগতে অনুপ চেতিয়াক বাংলাদেশৰ পৰা ভাৰতলৈ আনি আলফা-চৰকাৰৰ আলোচনা ত্বৰান্বিত কৰিবলৈ দাবী উত্থাপন কৰিছো। আজিৰ কৰ'না কালৰ ভয়াৱহ পৰিস্থিতিৰ মাজতো আলফা (স্বা)ৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই যুদ্ধ বিৰতি সঁচাই প্ৰশংসনীয়।' প্ৰাক্তন আলফা সমন্বয়ৰক্ষী সমিতিৰ সাধাৰণ সম্পাদকজনে গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীয়ে ভাৰত চৰকাৰৰ লগত আলফাই উপস্থাপন কৰা অসম-ভাৰত সংঘাতৰ বিষয়ে ফলপ্ৰসু আলোচনাৰ দ্বাৰা অসমত সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত শান্তি-সম্প্ৰীতিৰ বাবে ব্যৱস্থা হাতত ল'ব বুলিও আশা প্ৰকাশ কৰে।

**মুখ্যমন্ত্ৰীৰ পদক্ষেপক লৈ আশাবাদী সদৌ অসম প্ৰাক্তন আলফা সমন্বয়ৰক্ষী সমিতি**

# শিৱচৰণ কলিতা-কৃতী শিক্ষক যাদৱ চন্দ্ৰ শালৈৰ ঘৰত বিধায়ক

**ছয়গাঁও, ১৯ মে' ঃ** কামৰূপ জিলাৰ ছয়গাঁও অঞ্চলৰ অন্যতম দুই বিশিষ্ট ব্যক্তি তথা জ্যেষ্ঠ সাংবাদিক শিৱচৰণ কলিতা আৰু কৃতী শিক্ষক যাদৱ চন্দ্ৰ শালৈৰ কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হৈছিল। আজি দুয়োজন ব্যক্তিৰ বাসগৃহত ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ উপস্থিত হয়। প্ৰয়াত শিক্ষক তথা নাট্যকাৰ, প্ৰবন্ধকাৰ শালৈৰ পৰিয়ালৰ লগত দীৰ্ঘ সময় কথা-বাৰ্তা পাতি তেওঁলোকৰ পৰিয়ালৰ লগত সুখ-দুখৰ সমভাগী হয় বিধায়কজন। ইয়াৰ পাছতে বিধায়ক আহমেদে জ্যেষ্ঠ সাংবাদিক কলিতাৰ বাসগৃহত উপস্থিত হৈ মৃতকৰ আত্মাৰ সদগতি কামনা কৰি পত্নী আৰু পুত্ৰৰ স'তে বাৰ্তালাপ কৰে।

# গোসাঁইগাঁৱৰ গৌজনফুৰিত পথ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**দোতমা, ১৯ মে' ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত গৌজনফুৰিত চি চি ব্লক পথ আজি মুকলি কৰা হয়। গোসাঁইগাঁৱৰ এছ এছ মাৰ্কেটৰ পৰা তিনিআলি হৈ দুই কিলোমিটাৰ পথ চি চি ব্লকলৈ ৰূপান্তৰিত কৰা হয়। উক্ত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে এম চি এল এ বিটিআৰৰ কাৰ্যবাহী সদস্য উকিল মুছাহাৰী। পথ মুকলি কৰি বিটিআৰৰ কাৰ্যবাহী সদস্য মুছাহাৰীয়ে কয় যে গৌজনফুৰি অঞ্চলৰ ৰাইজৰ বহুদিনীয়া এটা সমস্যা সমাধান হ'ল। তেওঁ কয় যে প্ৰমোদ বড়ো চৰকাৰখনে সঁচাকৈয়ে পৰিৱৰ্তনৰ বাবে কাম কৰি আছে।

# হাজোত ক'ভিডত মৃতকৰ গৃহত চুৰি

অগ্ৰদূত বাৰ্তা

**হাজো, ১৯ মে' ঃ** চোৰ-ডকাইতৰ ৰম্যভূমিলৈ পৰ্যবসিত তীৰ্থনগৰী হাজোত ক্ৰমশঃ বৃদ্ধি পাবলৈ ধৰিছে অপৰাধজনিত ঘটনা। তেনে সময়তে এটি ক'ভিডত মৃতকৰ পৰিয়ালৰ ঘৰত এক চুৰি কাণ্ড সংঘটিত হোৱা ঘটনা পোহৰলৈ আহিছে। হাজো আৰক্ষী থানাৰ অন্তৰ্গত হাজো-মাজৰচুবাৰ হৰমোহন দাসৰ পৰিয়ালটো ক'ভিডত আক্ৰান্ত হৈ যোৱা ১১ মে'ৰ পৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। ইফালে, দাসো ক'ভিডত আক্ৰান্ত হৈ চিকিৎসালয়ৰ পৰা ক'ভিড মুক্ত হোৱাত ঘৰলৈ ওভতে যদিও দাস পুনৰ অসুস্থ হয় আৰু যোৱা ১৭ মে'ত দাসৰ মৃত্যু হয়। পৰিয়ালৰ সদস্যই প্ৰয়াত দাসৰ মৃতদেহ নিজ গৃহলৈ আনি ঘৰৰ দুৱাৰৰ তলা খুলি ভিতৰত প্ৰৱেশ কৰা মাত্ৰেই ঘৰৰ ভিতৰৰ সকলো বয়-বস্তু, আচবাব সিচঁৰতি হৈ পৰি থকা প্ৰত্যক্ষ কৰে।

# গোসাঁইগাঁও-শ্ৰীৰামপুৰত ধাবা-পেট্ৰ'ল পাম্প কৰ্মচাৰীৰ ক'ভিড পৰীক্ষা

অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ১৯ মে' ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত গোসাঁইগাঁও আৰু শ্ৰীৰামপুৰৰ ঘাইপথৰ ধাবা-পেট্ৰ'ল পাম্পৰ কৰ্মচাৰীৰ আজি ক'ভিড পৰীক্ষা কৰা হয়। কাৰ্যকৰী আয়ুক্ত প্ৰিয়াংকৰ প্ৰতিম ডেকা, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ উদ্যোগত এই কাৰ্যসূচী যোৱা ১১, ১২ আৰু ১৮ মে'ত অনুষ্ঠিত হয়। তিনিদিনলৈকে হোৱা এই কাৰ্যসূচীত গোসাঁইগাঁও আৰু শ্ৰীৰামপুৰৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওচৰত থকা প্ৰতিটো ধাবা আৰু পেট্ৰ'ল পাম্পক সামৰি লোৱা হয়। গোসাঁইগাঁৱৰ মহকুমাধিপতি পল্লবী সৰকাৰে সদৰী কৰা মতে, গোসাঁইগাঁও-শ্ৰীৰামপুৰৰ ঘাইপথৰ ওচৰত থকা ৩০খন ধাবা আৰু পেট্ৰ'ল পাম্পৰ ২০৫জনৰ ক'ভিড ৰেপিড এণ্টিজেন পৰীক্ষা কৰা হয়। ইয়াৰে চাৰিজনৰ দেহত ক'ভিড পজিটিভ ধৰা পৰাত তেওঁলোকক হোম আইছ'লেছনত ৰখা হৈছে। ইতিমধ্যে শ্ৰীৰামপুৰৰ পাঞ্জাৱী ধাবাখন কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰাৰ লগতে ছেনিটাইজেছনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

# ক'ভিডসৃষ্ট পৰিৱেশ দুৰ্যোগ

*তিনি পৃষ্ঠাৰ পৰা* একাগ্ৰতাৰে কুটিৰ শিল্পৰ লগত জড়িত হৈ থকাৰ সুবাদতে নলবাৰী জিলাৰ সুনাম বৃদ্ধি পাই আহিছে সেয়েহে তৎকালে কাৰ্যকৰী হোৱাকৈ নলবাৰী জিলা প্ৰশাসনে এইসকল লোকক আৰ্থিক সাহায্য প্ৰদান কৰি নলবাৰীৰ প্ৰসিদ্ধ কুটিৰ শিল্পক জীয়াই ৰখাৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায় সংগঠনটোৱে। উল্লেখ্য যে নলবাৰীৰ ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱত নলবাৰীৰ মৃণ্ময় শিল্পীৰ কাৰুকাৰ্যত জিলাবাসীয়ে গৌৰৱ অনুভৱ কৰাৰ সমান্তৰালভাৱে নলবাৰীৰ জাপিয়ে সমগ্ৰ ৰাজ্যৰ লগতে ৰাজ্যৰ বাহিৰতো সুনাম বুটলিবলৈ সক্ষম হৈছে। সম্প্ৰতি ক'ভিডসৃষ্ট জটিল পৰিস্থিতিৰ বাবে এই শিল্পৰ লগত জড়িতসকলৰ জীৱিকা স্তব্ধ হৈ পৰিছে। নলবাৰী জিলা প্ৰশাসনে অতি শীঘ্ৰে কুটিৰ শিল্পৰ লগত জড়িত ব্যক্তিসকলক সাহায্য প্ৰদান নকৰিলে যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে ক'ভিডৰ নিয়ম মানি গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমক সদৰী কৰে।

# নগাঁৱত চালক-হেণ্ডিমেনসহ কয়লাভৰ্তি

*তিনি পৃষ্ঠাৰ পৰা* খেদি আৰক্ষীয়ে নগাঁও জিলাৰ বটদ্ৰৱাত জব্দ কৰে ট্ৰাকখন। লগতে ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনকো আটক কৰে। নগালেণ্ডৰ পৰা মৈৰাবাৰী অভিমুখে নগাঁৱৰ মূল পথৰে নগৈ বটদ্ৰৱাৰ ভিতৰুৱা পথেৰে আহি মৰিগাঁৱত ওলাই আৰক্ষীৰ চকুত ধূলি দিয়াৰ চেষ্টা কৰিছিল। আৰক্ষীয়ে ট্ৰাকখন জব্দ কৰাৰ পাছত পোহৰলৈ আহিছে এই বিস্ফোৰক তথ্য। শেহতীয়াকৈ চোৰাং কয়লা সৰবৰাহকাৰী চক্ৰটোৱে চোৰাংভাৱে কয়লা সৰবৰাহ অব্যাহত ৰাখিবলৈ এইদৰে বিকল্প পন্থা হাতত লৈছে। উল্লেখ্য যে পূৰ্বতেও কয়লাৰ সৰবৰাহ কৰা অসাধু চক্ৰটোৱে এইদৰে বহিঃৰাজ্যলৈ সৰবৰাহ কৰি আহিছে অবৈধ কয়লা।

# মানাহ ৰাষ্ট্ৰীয় উদ্যানত গৰ্ভৱতী গঁড়ৰ

*তিনি পৃষ্ঠাৰ পৰা* সংঘটিত হৈছে এই ঘটনাটো যোৱা নিশা উদ্যানখনত থকা মতা গঁড় এটাৰ আক্ৰমণত ২২ নম্বৰ মাইকী গঁড়জনীৰ মৃত্যু হোৱা বুলি বন কৰ্তৃপক্ষই জনিবলৈ দিছে। মানাহৰ বাঁহবাৰী বনাঞ্চলিক বিষয়া বাবুল ব্ৰহ্মই জানিবলৈ দিয়ামতে যোৱা ১৪ এপ্ৰিলত পবিতৰা অভয়াৰণ্যৰ পৰা মাইকী গঁড়জনীক অনা হৈছিল ৰাষ্ট্ৰীয় উদ্যানখনলৈ। মানাহৰ বাবে গঁড়জনী নতুন আছিল বাবে উদ্যানখনত পূৰ্বৰে পৰা থকা মতা গঁড়ৰ আক্ৰমণত নিশ্চিত মৃত্যু হোৱাৰ কথা সদৰী কৰে বিষয়াজনে। আজি পুৱাৰ ভাগত ঘটনাস্থলীত উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক অমল চন্দ্ৰ শৰ্মা, উপ-সঞ্চালক ৰঘুনাথ বড়ো, বাঁহবাৰী বনাঞ্চলিক বিষয়া বাবুল ব্ৰহ্ম, চিকিৎসক প্ৰভাত বসুমতাৰীৰ লগতে ডব্লিউ ডব্লিউ এফৰ নেতৃত্বত উপস্থিত হৈ ঘটনাৰ বুজ লয়। মৃত গঁড়জনীক মৰণোত্তৰ পৰীক্ষা কৰাৰ বাবে বনবিভাগৰ এটা সঁজাতী দলে পুৱাৰ ভাগতেই আহি উপস্থিত হয় ঘটনাস্থলীত। গঁড়জনীৰ মৃত্যুৰ লগে লগে মানাহত গঁড়ৰ সংখ্যা ৪৭ টালৈ হ্ৰাস পালে বুলিও সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি ক্ষেত্ৰ সঞ্চালক অলম কুমাৰ শৰ্মাই কয় যে পুৰণি মতা গঁড়বোৰে বিশেষকৈ নতুনকৈ অহা মাইকী গঁড়বোৰক সহজতে গ্ৰহণ নকৰে। তাৰ বাবে মাজে মাজে নতুনবোৰক আক্ৰমণ কৰে পূৰ্বৰে পৰা থকা গঁড়বোৰে। মানাহৰ কোনটো গঁড়ে আক্ৰমণ কৰিছে সেয়া আমি চাম। এয়া বৰ দুখ লগা ঘটনা। এনেকুৱা ঘটনা যাতে আগলৈ মানাহত সংঘটিত হ'বলৈ নোৱাৰে তাৰ বাবে আমি সদা সতৰ্ক থাকিম। মৰণোত্তৰ পৰীক্ষাৰ অন্ততঃ এটা মৃত পোৱালিও উদ্ধাৰ কৰে চিকিৎসকে।

# জোৰা-টাপলিৰে চলিছে জনাৰামচৌকা

*তিনি পৃষ্ঠাৰ পৰা* ব্যৱস্থা কৰিছে। কিন্তু আইৰণযুক্ত পানীৰ সমস্যা আঁতৰাবলৈ কিছুদিনৰ প্ৰয়োজন হ'ব বুলি তেওঁ কয়। তত্ত্বাৱধায়ক ডাঃ দেৱীয়ে আৰু কয়, 'ক'বলৈ বেয়া লাগে যে একাংশ ৰোগীয়ে পায়খানাত পানীৰ বটল পেলোৱাত আৰু আনকি শিখৰ, গুটখাৰ পেকেট জধে-মধে পেলোৱাৰ বাবেও পাইপত সোপা লাগিছে।' উল্লেখ্য যে বিধায়কজন ক'ভিড আক্ৰান্ত হৈ গৃহ আছুতীয়াকৰণত থকা সত্ত্বেও সঘনে যোগাযোগ কৰি বিদ্যুৎ সংযোগৰ লগতে আন সমস্যাৰ ক্ষেত্ৰতো উদ্যোগ লোৱাৰ আশ্বাস দিয়া বুলি তেওঁ কয়। ইপিনে, জেনেৰেটৰটো প্ৰায়ে বিকল হোৱাৰ বাবে মেকানিকৰ স'তে যোগাযোগ কৰা হৈছে যদিও অস্ত্ৰোপচাৰ কক্ষত জেনেৰেটৰৰ সংযোগ নাই বুলি উল্লেখ কৰি ডাঃ দেৱীয়ে কয় যে কক্ষটোৰ যেতিয়াই প্ৰয়োজন হয় তেতিয়াই বিদ্যুৎ বিভাগৰ লগত যোগাযোগ কৰি বিদ্যুৎ কৰ্তন নকৰিবলৈ অনুৰোধ কৰিবলগীয়া হয়। আনহাতে, এজন চিকিৎসক, এগৰাকী নাৰ্ছ আৰু ৱাৰ্ড বয়সহ পাঁচজন ক'ভিডত আক্ৰান্ত হোৱাত বহু অসুবিধাৰ সন্মুখীন হোৱা বুলি উল্লেখ কৰি অৱশ্যে তেওঁলোকৰ তিনিজন ইতিমধ্যে আৰোগ্য হোৱাত কিছু সকাহ হৈছে বুলি কয়।

**স্থানীয় ৰাইজৰ দাবী**

নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি সেৱা আগবঢ়াই থকা ৱাৰ্ড বয়কেইজনৰ চাকৰি নিময়ীয়া নোহোৱালৈকে সমস্যাৰ স্থায়ী সমাধান নহয় বুলি স্থানীয় ৰাইজে মন্তব্য কৰিছে। সম্প্ৰতি চতুৰ্থবৰ্গৰ কৰ্মচাৰী হিচাপে বিনা বেতনে সেৱা আগবঢ়াই আছে স্থানীয় কমল ডেকা, হীৰামণি ডেকা আৰু ধিৰু ডেকাই। তিনিওজনৰ চাকৰি (ক'ভিড যোদ্ধা) নিয়মীয়া কৰিবলৈ ৰাইজে দাবী জনাইছে। ৰাজহুৱা অভিযোগ মতে, বছৰ বছৰ ধৰি কবিকাৰা গাঁৱৰ মন্দিৰৰ নামত সংৰক্ষিত ভূমি জনগণৰ বৃহত্তৰ স্বাৰ্থত তদানীন্তন মন্ত্ৰী আৰু নৱনিৰ্বাচিত বিধায়ক বসন্ত দাসৰ আহ্বানক সঁহাৰি জনাই চিকিৎসালয়ৰ বাবে এৰি দিয়া হৈছিল। কিন্তু এতিয়া চিকিৎসালয়খন আনি 'খাল খান্দি ঘঁৰিয়াল মাতা'ৰ দৰে হোৱা বুলি অভিযোগ কৰি জনবসতিপূৰ্ণ ঠাইত অৱস্থিত চিকিৎসালয়খনৰ বাহিৰৰ চৌহদ তথা প্ৰতিবেশী ঘৰবোৰ নিয়মীয়াকৈ নিৰ্বীজাণুকৰণ কৰি থাকিবলৈও ৰাইজে প্ৰশাসনক আহ্বান জনাইছে। তদুপৰি ইমান স্পৰ্শকাতৰ অঞ্চলটোত আজিলৈ ক'ভিড টিকাকৰণ আৰু পৰীক্ষাৰ কেন্দ্ৰ স্থাপন নোহোৱাত ৰাইজে আশ্বৰ্য প্ৰকাশ কৰে। আনকি সাধাৰণ সময়তো একাংশ কৰ্মচাৰী ১০ বজাৰ পাছত উপস্থিত হৈ ১২ বজাৰ আগতেই ঘৰমূৱা হোৱাৰ বাবে তত্ত্বাৱধায়কগৰাকীৰ পালমাৰা ভূমিকাক সমালোচনা কৰে ৰাইজে।

## এইগৰাকী ৰাহুলৰ প্ৰেমিকা নেকি? সামাজিক মাধ্যমত ভাইৰেল হোৱা ফটোখন প্ৰকৃততে কাৰ?



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৯ মে’ ঃ** সামাজিক মাধ্যমত শেহতীয়াভাৱে এখন ফটো যথেষ্ট ভাইৰেল হৈছে। এই ফটোত কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীৰ কোলাত এগৰাকী সুন্দৰীক দেখা গৈছে। বিভিন্ন ছ’চিয়েল মিডিয়াত এই ফটোখন ভাইৰেল হোৱাৰ লগতে যুৱতীগৰাকী ৰাহুলৰ প্ৰেমিকা বুলিও দাবী কৰা হৈছে। কিন্তু প্ৰকৃততে ঘটনাটো কি? সঁচাকৈয়ে কংগ্ৰেছ সাংসদজনৰ কোনোবা প্ৰেয়সী আছে নেকি? দৰাচলতে ভাইৰেল হোৱা ফটোখনৰ যুৱকজন ৰাহুল নহয়, ৰাহুলৰ স’তে চেহেৰাৰ কিছু সাদৃশ্য থকা হলিউডৰ অভিনেতা জেমী ডৰ্নন্‌ৰহে। সামাজিক মাধ্যমত ৰাহুল আৰু প্ৰেমিকা বুলি ব্যাপক প্ৰচাৰ হোৱা এই ফটো প্ৰকৃততে ‘ফিফটি শ্বেডছ অব গ্ৰে’ নামৰ ধাৰাবাহিকৰ এক দৃশ্যৰহে। অভিনেতা জেমীৰ কোলাত থকা যুৱতীগৰাকী হৈছে অভিনেত্ৰী ডাক’টা জনছন। জেমীক চিনি নোপোৱা একাংশ লোকে ৰাহুল বুলি ভুল কৰি সামাজিক মাধ্যমত এই ফটো ভাইৰেল কৰে।

## বাংলাদেশত বিশিষ্ট সাংবাদিকক গ্ৰেপ্তাৰক লৈ ব্যাপক প্ৰতিক্ৰিয়া



**নিউজ ব্যুৰ’, ঢাকা, ১৯ মে’ ঃ** অনুমতি অবিহনে ৰাষ্ট্ৰীয় গোপন নথিপত্ৰৰ ফটো তোলা আৰু কিছু নথিপত্ৰ আহৰণ কৰাৰ অভিযোগত যোৱা নিশা বাংলাদেশ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে দেশখনৰ প্ৰতিষ্ঠিত মহিলা সাংবাদিক ৰ’জিনা ইছলামক। সাংবাদিকগৰাকীৰ বিৰুদ্ধে ঢাকাৰ ১৮৬০ বৰ্ষৰ দণ্ডবিধি অনুসৰি চুৰিৰ আৰু ১৯২৩ বৰ্ষৰ কাৰ্যালয়ৰ গোপনীয়তা আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। মহিলা সাংবাদিকক এইদৰে গ্ৰেপ্তাৰ কৰাক লৈ ৰাজধানী ঢাকাত সাংবাদিকসকলে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিছে। বাংলাদেশৰ এখন আগশাৰীৰ সংবাদপত্ৰৰ সাংবাদিক ৰ’জিনাই দেশখনৰ স্বাস্থ্য মন্ত্ৰণালয়সহ অন্যান্য বিভাগৰ অনিয়ম আৰু দুৰ্নীতিৰ বিৰুদ্ধে নিয়মিতভাৱে সংবাদ পৰিবেশন কৰি আহিছে। সাংবাদিকসকলে অভিযোগ কৰা মতে, এইদৰে চৰকাৰী দুৰ্নীতি-কেলেংকাৰি উদঙাই দিয়াৰ পৰিণতিত ৰ’জিনা চৰকাৰৰ ৰোষৰ বলি হ’ল। সাংবাদিকগৰাকীক শীঘ্ৰে মুকলি কৰি দিবলৈ বাংলাদেশৰ সাংবাদিক সংগঠনসমূহে দাবী জনাইছে।

## কৰ’নাৰ সংক্ৰমণত দেশত প্ৰাণ হেৰুৱালে ৩০০ সাংবাদিকে



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৯ মে’ ঃ** মাৰাত্মক কৰ’না ভাইৰাছত আক্ৰান্ত হৈ দেশত প্ৰাণ হেৰুৱালে কমেও ৩০০ সাংবাদিকে। অৱশ্যে এতিয়ালৈকে পশ্চিমবংগৰ বাহিৰে আন কোনো ৰাজ্যত সাংবাদিকক ক’ভিড যোদ্ধা হিচাপে ঘোষণা কৰা হোৱা নাই। ফলত অন্যান্য ৰাজ্যসমূহত কৰ’নাত আক্ৰান্ত আৰু মৃত সাংবাদিক সংখ্যা বৃদ্ধি পাইছে। তলাবন্ধৰ মাজতো সাংবাদিকসকলে অহৰহ কৰ্তব্যত নিয়োজিত হৈ আহিছে। টিকা প্ৰদানৰ ক্ষেত্ৰতো ৰাজ্যসমূহে সাংবাদিকক অগ্ৰাধিকাৰ প্ৰদান কৰাটো দৃষ্টিগোচৰ হোৱা নাই। প্ৰকাশিত তথ্য অনুসৰি যোৱা এপ্ৰিলত দেশত দৈনিক তিনিজনকৈ সাংবাদিকৰ কৰ’নাত মৃত্যু হৈছিল। এই সংখ্যা চলিত মে’ত দৈনিক চাৰিজনলৈ বৃদ্ধি পাইছে। ২০২০ৰ এপ্ৰিলৰ পৰা ৩১ ডিচেম্বৰলৈকে দেশত ক’ভিডত ৫৬ জন সাংবাদিকে প্ৰাণ হেৰুৱাইছিল। আনহাতে, চলিত বৰ্ষৰ পহিলা এপ্ৰিলৰ পৰা ১৬ মে’ৰ সময়ছোৱাত ক’ভিডে প্ৰাণ কাঢ়িলে ১৭১ জন সাংবাদিকৰ। দেশৰ ভিতৰতে তেলেংগানাত সৰ্বাধিক ৩৯ জন সাংবাদিকে ক’ভিডত মৃত্যুবৰণ কৰিলে। উত্তৰ প্ৰদেশত ৩৭, দিল্লীত ৩০ আৰু মহাৰাষ্ট্ৰত ২৪ জন সাংবাদিকৰ কৰ’না কালত মৃত্যু হ’ল। পৰিসংখ্যা অনুসৰি ৪১-৫০ বছৰ বয়স্ক সাংবাদিকৰ ক’ভিডত মৃত্যুৰ হাৰ সৰ্বাধিক ৩১ শতাংশ। আনহাতে, ৩১-৪০ বছৰ বয়সৰ সাংবাদিকৰ মাজত দেশত ক’ভিডত মৃত্যুৰ হাৰ হৈছে ১৫ শতাংশ।



## হাইপাৰছ’নিক নতুন ক্ষেপণাস্ত্ৰ তৈয়াৰ কৰিলে আমেৰিকাই

**নিউজ ব্যুৰ’ ৱাশ্বিংটন, ১৯ মে’ ঃ** ৰাছিয়া আৰু চীনৰ পাছত এইবাৰ আমেৰিকাই হাইপাৰছ’নিক ক্ষেপণাস্ত্ৰ তৈয়াৰত সফলতা অৰ্জন কৰিলে। আমেৰিকাই নতুনকৈ তৈয়াৰ কৰা এই হাইপাৰছ’নিক ক্ষেপণাস্ত্ৰই শব্দতকৈ ১৭ গুণ অধিক গতিৰে শত্ৰুদেশক আঘাত হানিবলৈ সক্ষম হ’ব। তদুপৰি আমেৰিকাই তৈয়াৰ কৰা এই হাইপাৰছ’নিক ক্ষেপণাস্ত্ৰক ৰেডাৰে ধৰা পেলাব নোৱাৰে। মাৰ্কিন হাইপাৰছ’নিক ক্ষেপণাস্ত্ৰৰ মাৰণ ক্ষমতা হৈছে ২৭০০ কিলোমিটাৰ। এই ক্ষেপণাস্ত্ৰৰ জৰিয়তে আমেৰিকাই অনায়াসে ৰাছিয়া আৰু চীনক আঘাত হানিবলৈ সক্ষম হ’ব। আমেৰিকাই নতুনকৈ তৈয়াৰ কৰা হাইপাৰছ’নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ ২০২৩ সম্পন্ন কৰিব।

### এখন্তেকৰ বাবেও থমকি ৰোৱা নাই হামাছ-ইজৰাইলৰ ঃ ৬২ খন যুঁজাৰু বিমানৰে ক্ষেপণাস্ত্ৰ আক্ৰমণ

## বাইডেনৰ যুদ্ধবিৰতি প্ৰস্তাৱ অগ্ৰাহ্য কৰি গাজাত তীব্ৰ যুঁজ



**নিউজ ব্যুৰ’ গাজা, ১৯ মে’ ঃ** বিগত দুসপ্তাহ ধৰি এখন্তেকৰ বাবেও থমকি ৰোৱা নাই হামাছ আৰু ইজৰাইলৰ ৰক্তক্ষয়ী সংঘৰ্ষ। বিমানৰে আক্ৰমণ আৰু ৰকেট আক্ৰমণৰ জৰিয়তে প্ৰতিবেশী দুই ৰাষ্ট্ৰই ইখনে-সিখনক ব্যতিব্যস্ত কৰি ৰাখিছে। এনে পৰিস্থিতিতে সংঘৰ্ষ বিৰতিৰ প্ৰস্তাৱৰে ময়দানত অৱতীৰ্ণ হৈছিল আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেন। কিন্তু মাৰ্কিন ৰাষ্ট্ৰপতিৰ যুদ্ধবিৰতিৰ এই প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে পেলেষ্টাইন-ইজৰাইলে। বুধবাৰেও ইজৰাইলে গাজাত একাধিকবাৰ বোমা আক্ৰমণ সংঘটিত কৰিলে। ইফালে, গাজাৰ পৰা সন্ত্ৰাসবাদী সংগঠন হামাছেও ৰকেটেৰে ইজৰাইলক প্ৰত্যুত্তৰ দিছে। যোৱা সোমবাৰে গাজাত যুদ্ধ বন্ধ কৰিবলৈ ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটানিয়াহুৰ স’তে আমেৰিকাৰ ৰাষ্ট্ৰপতি বাইডেনে ফোনৰে আলোচনা কৰিছিল। ফোনৰ বাৰ্তালাপত নেটানিয়াহুৱে শান্তি স্থাপনৰ ইংগিত দিলেও আজি বুধবাৰেও গাজাত ইজৰাইলী সেনাই বোমাবৰ্ষণ কৰে। শান্তি প্ৰস্তাৱৰ পাছতো ৬২ খন যুঁজাৰু বিমানৰে গাজাত এশৰো অধিক ক্ষেপণাস্ত্ৰ আক্ৰমণ সংঘটিত কৰিলে ইজৰাইলী সেনাবাহিনীয়ে। ইজৰাইলী সেনাৰ এই আক্ৰমণৰ লক্ষ্য আছিল মেট্ৰ’। গাজাত মাটিৰ তলেদি সুৰংগ খান্দি যুদ্ধাস্ত্ৰ আৰু সৈনিকৰ যাতায়াতৰ বাবে হামাছে এক গোপন পথ তৈয়াৰ কৰিছিল আৰু ইয়াৰ নামৰ ৰখা হৈছিল মেট্ৰ’। এই মেট্ৰ’কে আক্ৰমণৰ লক্ষ্য হিচাপে লৈ ইজৰাইলী সেনাই আজি ব্যাপক অভিযান চলায়। ইজৰাইলী সেনাৰ অহৰহ আক্ৰমণৰ ফলত গাজাত প্ৰায় ২০ লাখ লোকৰ বাসস্থানৰ ব্যাপক ক্ষতি হৈছে। তদুপৰি বিমান আক্ৰমণৰ ফলত পাঁচশৰো অধিক অট্টালিকা চূৰ্ণ-বিচূৰ্ণ হৈছে। এই পৰ্যন্ত সংঘৰ্ষত পেলেষ্টাইনৰ ২১২ জন লোকৰ প্ৰাণহানি ঘটিছে। হামাছে নিক্ষেপ কৰা ৰকেটৰ আক্ৰমণত ইজৰাইলৰো কমেও ১২ জন লোক নিহত হৈছে।

## ইজৰাইলৰ স’তে চুক্তি আমেৰিকাৰ, বাইডেন প্ৰশাসনে দিব অত্যাধুনিক বোমা



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১৯ মে’ ঃ** পেলেষ্টাইন আৰু ইজৰাইলৰ মাজত যুদ্ধ অব্যাহত থকাৰ সময়তে ইজৰাইলৰ স’তে এখন অস্ত্ৰ চুক্তি স্বাক্ষৰ কৰিলে আমেৰিকাই। ইজৰাইলক ৭৩৫ নিযুত ডলাৰ মূল্যৰ অস্ত্ৰ যোগান ধৰিবলৈ সন্মতি প্ৰকাশ কৰিলে আমেৰিকাৰ জ’ বাইডেনৰ চৰকাৰে। এই অস্ত্ৰ সম্ভাৰৰ মাজত আছে অত্যাধুনিক বোমা আৰু এই বোমা বিমানৰ পৰা শত্ৰুৰ ঘাটিত নিক্ষেপ কৰিব পাৰি। ইজৰাইল-হামাছৰ মাজত সংঘৰ্ষ চলি থকাৰ সময়তে আমেৰিকাই ইজৰাইলক এইদৰে অস্ত্ৰ সাহায্য দিবলৈ আগবাঢ়ি অহা কাৰ্যত বিতৰ্কৰ সৃষ্টি হৈছে। অৱশ্যে মাৰ্কিন কংগ্ৰেছৰ এজন সদস্যই দাবী কৰা মতে, ইজৰাইল আৰু হামাছৰ মাজত চলি থকা সংঘৰ্ষৰ কোনো প্ৰভাৱ এই অস্ত্ৰ বিক্ৰীৰ প্ৰক্ৰিয়াত নপৰে। আমেৰিকাই পূৰ্বৰে পৰা ইজৰাইলক সামৰিক সাহায্য প্ৰদান কৰি আহিছে আৰু ভৱিষ্যতেও এয়া অব্যাহত ৰাখিব বুলি বাইডেন প্ৰশাসনে কয়।

## কেজৰিৱালৰ মন্তব্যত ক্ষুব্ধ ছিংগাপুৰ, বৈদেশিক মন্ত্ৰণালয়ৰ স্পষ্টীকৰণ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ১৯ মে’ ঃ** ছিংগাপুৰত ক’ভিডৰ যি নতুন প্ৰজাতি ধৰা পৰিল, এই প্ৰজাতিৰ সংক্ৰমণ শিশুসকলৰ বাবে যথেষ্ট ভয়াৱহ। এই তথ্যৰ আধাৰত কালি ছিংগাপুৰৰ স’তে তৎকালীনভাৱে বিমান যোগাযোগ বন্ধ কৰিবলৈ আহ্বান জনাইছিল দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। দিল্লীৰ মুখ্যমন্ত্ৰীজনৰ এনে আহ্বানৰ সন্দৰ্ভত ব্যাপক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ছিংগাপুৰে। ছিংগাপুৰে কয়, ‘ক’ভিডৰ বিৰোধী যুঁজত ছিংগাপুৰ আৰু ভাৰত নিবিড় সহযোগী। অক্সিজেন সৰবৰাহকাৰী হিচাপে ছিংগাপুৰৰ ভূমিকাক আমি প্ৰশংসা কৰো। আমাক সহায়ৰ বাবে তেওঁলোকে সামৰিক বিমান দিছে। ইয়াৰ পৰাই স্পষ্ট হয় এই সম্পৰ্ক কিমান ব্যতিক্ৰমী। একাংশ লোকৰ দায়িত্বজ্ঞানহীন মন্তব্যই দীৰ্ঘদিনৰ সম্পৰ্ক নষ্ট কৰিছে। আমি এটা কথা স্পষ্ট কৰি দিওঁ, দিল্লীৰ মুখ্যমন্ত্ৰীৰ ভাৰতৰ হৈ কথা কোৱাৰ অধিকাৰ নাই।’



কেজৰিৱালৰ মন্তব্যত ক্ষোভ প্ৰকাশ কৰাত বৈদেশিক মন্ত্ৰণালয়ে আজি ছিংগাপুৰৰ পক্ষত থিয় দি দিল্লীৰ মুখ্যমন্ত্ৰীজনক তীব্ৰ কটাক্ষ কৰি

## ছিছ’ডিয়াই ক’লে ‘শিশুৰ বাবে নহয়, বিজেপি চিন্তিত ছিংগাপুৰক লৈ’



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৯ মে’ ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে ক’ভিডৰ নতুন প্ৰজাতিৰ ভাইৰাছ ছিংগাপুৰত ধৰা পৰাৰ পাছত ছিংগাপুৰৰ স’তে সকলো যোগাযোগ বন্ধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক কালি দাবী জনাইছিল। এই প্ৰসংগত ছিংগাপুৰে তীব্ৰ ক্ষোভ প্ৰকাশ কৰাত আজি বৈদেশিক মন্ত্ৰণালয়ে কেজৰিৱালৰ দেশৰ হৈ এনেবোৰ প্ৰসংগত মাত মতাৰ অধিকাৰ নাই বুলি স্পষ্টীকৰণ দিছিল। ইয়াৰ পাছতে আজি দিল্লীৰ উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ’ডিয়াই বিজেপিয়ে নিকৃষ্ট ৰাজনীতি আৰম্ভ কৰা বুলি অভিযোগ কৰে। এখন সংবাদমেলত কেজৰিৱালৰ দাবীৰ সমৰ্থনত থিয় দি ছিছ’ডিয়াই কয়, ‘মূলতঃ অৰবিন্দ কেজৰিৱালে দুটা কথা কৈছিল। এটা হ’ল ছিংগাপুৰত ধৰা পৰা কৰ’নাৰ প্ৰজাতিৰ কথা আৰু আনটো আছিল তেওঁ শিশুক সুৰক্ষিত ৰখাৰ দাবী জনাইছিল। আজি ভাৰতীয় জনতা পাৰ্টি আৰু কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইয়াৰ পৰা স্পষ্ট হ’ল যে শিশুসকলৰ সন্দৰ্ভত কেজৰিৱালে চিন্তা কৰিছে। কিন্তু বিজেপি আৰু কেন্দ্ৰীয় চৰকাৰৰ ছিংগাপুৰক লৈহে অধিক চিন্তা হৈছে। চৰকাৰে ছিংগাপুৰৰ কথা এতিয়া ভাবিব নালাগে, দেশৰ শিশুৰ সুৰক্ষাৰ কথা চিন্তা কৰক।’

## দুই-তিনিমাহত ভাৰতত সকলোকে প্ৰতিষেধক প্ৰদান সম্ভৱ নহয় ঃ ছিৰামৰ মুৰব্বী




**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৯ মে’ ঃ** ভাৰতৰ জনসংখ্যা ইমানে অধিক যে মাত্ৰ দুই-তিনিমাহৰ ভিতৰত দেশৰ সকলোকে ক’ভিড প্ৰতিষেধক প্ৰদান কৰাটো সম্ভৱ নহ’ব। ইয়াৰ বাবে প্ৰয়োজন হ’ব দুইৰ পৰা তিনি বছৰ সময়ৰ। এই মন্তব্য প্ৰকাশ কৰিলে ক’ভিশ্বিল্ড প্ৰতিষেধকৰ প্ৰস্তুতকাৰক প্ৰতিষ্ঠান ছিৰাম ইনষ্টিটিউটৰ মুৰব্বী আডাৰ পুনাৱালাই। উল্লেখ্য যে পুনেত অৱস্থিত ছিৰাম হৈছে বিশ্বৰ সৰ্ববৃহৎ প্ৰতিষেধক প্ৰস্তুতকাৰক প্ৰতিষ্ঠান। দেশত ক’ভিডৰ প্ৰতিষেধকৰ ব্যাপক নাটনি ঘটাৰ সময়তে পুনাৱালাই স্পষ্টভাৱে কয় যে ভাৰতৰ দৰে দেশত ইমান বৃহৎ জনসংখ্যাৰ টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ দুই-তিনি বছৰ সময়ৰ প্ৰয়োজন হ’ব।

## গাডকাৰীয়ে ক’লে ‘এটাৰ পৰিৱৰ্তে ১০ কোম্পানীক দিয়ক প্ৰতিষেধকৰ দায়িত্ব’



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৯ মে’ ঃ** দেশত ক’ভিডৰ প্ৰতিষেধকৰ নাটনি অব্যাহত থকাৰ সময়তে নিজৰ চৰকাৰকে এই সন্দৰ্ভত এক পৰামৰ্শ দিলে কেন্দ্ৰীয় পথ আৰু পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে। কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে চৰকাৰে ক’ভিডৰ প্ৰতিষেধক প্ৰস্তুত কৰাৰ দায়িত্ব এটা কোম্পানীক অৰ্পণ কৰাৰ পৰিৱৰ্তে ১০টা কোম্পানীক এই দায়িত্ব দিয়া উচিত। কালি এক ভিডিঅ’ কনফাৰেন্সিঙত অংশ লোৱাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীজনে এই প্ৰতিষেধকৰ প্ৰসংগত এইদৰে কৈছিল ‘যদিহে যোগানতকৈ অধিক পৰিমাণৰ প্ৰতিষেধকৰ প্ৰয়োজন হয়, তেতিয়া এনে পৰিস্থিতিৰ উদ্ভৱ হোৱাটো স্বাভাৱিক। এটা কোম্পানীৰ পৰিৱৰ্তে চৰকাৰে প্ৰতিষেধক প্ৰস্তুত কৰাৰ বাবে কমেও ১০টা কোম্পানীক অনুমতি দিয়া উচিত। তেতিয়া কম সময়ৰ ভিতৰত দেশত পৰ্যাপ্ত পৰিমাণৰ প্ৰতিষেধকৰ উৎপাদন সম্ভৱ হৈ উঠিব। দেশৰ চাহিদা পূৰণৰ পাছতহে প্ৰতিষেধক বিদেশলৈ ৰপ্তানি কৰাৰ ব্যৱস্থা লওক। এইসমূহ কাম ১০-১৫ দিনত কৰাটো উচিত হ’ব।’

## প্ৰধানমন্ত্ৰী জনছনৰ জীৱন ৰক্ষা কৰা নাৰ্চে দিলে ইস্তফা, কিন্তু কিয়?



**নিউজ ব্যুৰ’, লণ্ডন, ১৯ মে’ ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন যোৱা বছৰত যেতিয়া ক’ভিড-১৯ত সংক্ৰমিত হৈছিল, তেতিয়া তেওঁৰ প্ৰাণৰক্ষাত এগৰাকী নাৰ্চে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে সুস্থ হোৱাৰ পাছত ইয়াৰ বাবে জেনি মেকগী নামৰ নাৰ্চগৰাকীক ধন্যবাদ জ্ঞাপন কৰিছিল। সম্প্ৰতি উক্ত নাৰ্চগৰাকীয়ে চাকৰি ত্যাগ কৰাৰ লগতে ব্ৰিটেইনৰ স্বাস্থ্য সেৱা বিভাগৰ পৰা পদত্যাগ কৰিলে। কিন্তু কিয় জেনিয়ে ক’ভিডৰ এই পৰিস্থিতিত নাৰ্চৰ চাকৰি ত্যাগ কৰিলে? জেনিয়ে প্ৰকাশ কৰা মতে, কৰ’না যোদ্ধাৰ সন্মানৰক্ষা আৰু চৰকাৰৰ নীতিৰ বিৰোধিতাৰে তেওঁ পদত্যাগৰ পদ গ্ৰহণ কৰিলে। জেনিৰ পদত্যাগে ব্ৰিটেইনত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমত যথেষ্টসংখ্যক লোকে তেওঁলৈ সমৰ্থন জনাইছে। নিউজিলেণ্ডত জন্ম লাভ কৰা জেনিয়ে প্ৰধানমন্ত্ৰী জনছনক চেন্ট্ৰেল লণ্ডনৰ এখন চিকিৎসালয়ত ক’ভিড আক্ৰান্ত হোৱাৰ সময়ত প্ৰয়োজনীয় সেৱা আগবঢ়াইছিল। পাছত সুস্থ হৈ জনছনে জেনিৰ লগতে আন এগৰাকী নাৰ্চৰ নাম লৈ কৈছিল যে তেওঁ এই দুগৰাকী নাৰ্চৰ শুশ্ৰূষাত আৰোগ্য হ’ল। কিন্তু এতিয়া জেনিয়ে ব্ৰিটেইনৰ চৰকাৰৰ বিৰুদ্ধে থিয় দি চাকৰিৰ পৰা অব্যাহতি ল’লে। এই ঘটনাৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী জনছনে এতিয়ালৈকে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।



## এদিনত বিশ্বত আক্ৰান্ত ৬.০৮ লাখ, প্ৰাণ হেৰুৱালে ১৩,৮৩৩ জনে

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১৯ মে’ ঃ** বিশ্বজুৰি লাহে লাহে ক’ভিড আক্ৰান্তৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছে। কালি বিশ্বত নতুনকৈ ক’ভিডত আক্ৰান্ত হ’ল ৬.০৮ লাখ। আনহাতে, একেটা দিনতে ক’ভিডত বিশ্বজুৰি ১৩,৮৩৩ জন লোকে প্ৰাণ হেৰুৱালে। ক’ভিডৰ সংক্ৰমণ হ্ৰাস পাইছে যদিও বিশ্বজুৰি মৃত্যুৰ সংখ্যা বৃদ্ধি পোৱাত ক’ভিডকেন্দ্ৰিক ত্ৰাস অব্যাহত আছে। শেহতীয়াভাৱে ছিংগাপুৰত ধৰা পৰা ক’ভিডৰ এক নতুন প্ৰজাতিক লৈ বিশ্বজুৰি নতুন উদ্বেগ সৃষ্টি হৈছে। ছিংগাপুৰৰ পৰা বিশ্বৰ আন দেশলৈ এই নতুন প্ৰজাতিৰ ক’ভিডৰ সংক্ৰমণ হ’ব পাৰে বুলিও শংকা কৰা হৈছে। বিশ্বজুৰি এতিয়ালৈকে ১৬.৪৮ কোটিৰো অধিক লোক কৰ’নাত সংক্ৰমিত হৈছে। বৰ্তমানে বিশ্বত ১.৭৬ কোটি কৰ’না ৰোগী চিকিৎসাধীন হৈ আছে।

## উত্তৰ প্ৰদেশ, বিহাৰ, ৰাজস্থানৰ চাৰি গাঁৱত ১২১ জনৰ কৰ’নাত মৃত্যু



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ১৯ মে’ ঃ** কৰ’নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌত দেশৰ গ্ৰামাঞ্চলসমূহ বিশেষভাৱে প্ৰভাৱিত হৈছে। উত্তৰ প্ৰদেশ, বিহাৰ, ৰাজস্থান আৰু মধ্য প্ৰদেশত এতিয়ালৈকে গ্ৰামাঞ্চলত বৃহৎসংখ্যক লোক ক’ভিডত আক্ৰান্ত হৈছে। এইসমূহ গাঁৱত বাস কৰা বহু লোক সম্প্ৰতি চৰ্দি, কাহ, জ্বৰত আক্ৰান্ত হৈছে যদিও এওঁলোকৰ ক’ভিড পৰীক্ষণ সম্ভৱ হোৱা নাই। কিয়নো গ্ৰামাঞ্চলত এতিয়াও এনে সুবিধা উপলব্ধ নহয়। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, উত্তৰ প্ৰদেশ, বিহাৰ, ৰাজস্থান আৰু মধ্য প্ৰদেশৰ চাৰিখন গাঁৱত এতিয়ালৈকে কমেও ১২১ জন লোকৰ কৰ’নাত মৃত্যু হৈছে। উত্তৰ প্ৰদেশৰ গোৰখপুৰৰ এখন গাঁৱত ২৪ জন আৰু ইন্দৰপুৰ গাঁৱত ২৪ জন লোকৰ ক’ভিডত মৃত্যু হৈছে। ৰাইবৰেলীৰ চুলতানপুৰত যোৱা এমাহত ১৭ জন লোকৰ কৰ’নাত মৃত্যু হ’ল। এইসকল লোকৰ কোনো ক’ভিড পৰীক্ষণ হোৱা নাছিল যদিও তেওঁলোকৰ দেহত কৰ’নাৰ উপসৰ্গ আছিল। ৰাজস্থানত ছমালপুৰ গাঁৱত যোৱা এমাহত ৪৪ জন লোকৰ মৃত্যু হৈছিল আৰু এওঁলোকৰ শৰীৰত ক’ভিডৰ উপসৰ্গ স্পষ্ট হৈছিল। বিহাৰৰ ছৰমছপুৰ পঞ্চায়তৰ অধীনত যোৱা ২৭ দিনত ক’ভিডৰ উপসৰ্গ থকা ৩৬ জন লোকৰ মৃত্যু হ’ল।

## এইবাৰ লেবাননত অহৰহ বোমাবৰ্ষণ ইজৰাইলৰ

**নিউজ ব্যুৰ’, জেৰুজালেম, ১৯ মে’ ঃ** ইজৰাইল-পেলেষ্টাইনৰ মাজত হোৱা সংঘৰ্ষত উত্তাল হৈ পৰিছে মধ্যপ্ৰাচ্য। ইয়াৰ মাজতে আন এখন ভয়ংকৰ যুদ্ধৰ আতংক সৃষ্টি হ’ল আৰৱ বিশ্বত। এইবাৰ লেবাননৰ স’তে সংঘাতত লিপ্ত হ’ল ইজৰাইল। লেবানন-ইজৰাইল সীমান্তত দুই দেশে পৰস্পৰলৈ কৰিছে অহৰহ বোমাবৰ্ষণ। অৱশ্যে এতিয়ালৈকে লেবানন-ইজৰাইলৰ আক্ৰমণত কোনো ব্যক্তি হতাহত হোৱাৰ বাতৰি লাভ কৰা হোৱা নাই। কিন্তু লেবাননৰে ইজৰাইলে আৰম্ভ কৰা শেহতীয়া সংঘৰ্ষৰ পৰিণতি অধিক ভয়াৱহ হ’ব পাৰে বুলি শংকা কৰা হৈছে। ইজৰাইলৰ সেনাই আজি প্ৰকাশ কৰা মতে, লেবাননৰ পৰা ছটা ৰকেট নিক্ষেপ কৰা হৈছিল। কিন্তু এটাও ৰকেটে ইজৰাইলৰ সীমান্ত অতিক্ৰম কৰিব নোৱাৰিলে। ইফালে, লেবাননে কৰা অভিযোগ অনুসৰি, ইজৰাইলে কমেও ২২টা বোমা লেবাননলৈ নিক্ষেপ কৰিলে।

## ‘ৱৰ্ক ফ্ৰম হোম’ৰ ফলত ক’ভিড কালত বৃদ্ধি পাইছে অকাল মৃত্যু



**নিউজ ব্যুৰ’, জেনেভা, ১৯ মে’ ঃ** কৰ’না সংক্ৰমণৰ পাছৰে পৰা বিশ্বজুৰি ‘ৱৰ্ক ফ্ৰম হোম’ পদ্ধতি যথেষ্ট জনপ্ৰিয় হৈছে। বহু প্ৰতিষ্ঠানে কৰ্মচাৰীসকলক অনলাইনত ঘৰত থাকিয়ে কাৰ্যালয়ৰ কাম-কাজ কৰাৰ সুবিধা দিছে। কিন্তু ‘ৱৰ্ক ফ্ৰম হোম’ পদ্ধতিয়ে মানৱ স্বাস্থ্যত ক্ষতিকাৰক প্ৰভাৱ পেলাইছে। বিশ্ব স্বাস্থ্য সংস্থা (হু) আৰু আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংগঠন (আই এল অ’)ৰ তথ্য অনুসৰি একেৰাহে কে’বাঘণ্টা ধৰি ঘৰত থাকি কাম-কাজ কৰাৰ ফলত কৰ্মচাৰীৰ মাজত ষ্ট্ৰ’ক আৰু হাৰ্টএটেকত মৃত্যুৰ শংকা বৃদ্ধি পাইছে। ২০১৬ তে চলোৱা এক অধ্যয়নত প্ৰকাশিত তথ্য অনুসৰি একেৰাহে কে’বাঘণ্টা বহি কাম কৰাৰ ফলত উক্ত বৰ্ষত বিশ্বত ষ্ট্ৰ’ক আৰু হাৰ্টএটেকত ৭,৪৫,০০০ লোকৰ অকাল মৃত্যু হৈছিল। হু আৰু আই এল অ’ৰ তথ্য অনুসৰি ২০১৬ বৰ্ষত সপ্তাহত কমেও ৫৫ ঘণ্টা কাম কৰা লোকৰ মাজত এইদৰে হৃদৰোগ আৰু ষ্ট্ৰ’কত মৃত্যু হোৱা লোকৰ সংখ্যা সৰ্বাধিক আছিল। ‘ৱৰ্ক ফ্ৰম হোম’ পদ্ধতিয়ে স্বাস্থ্যত যথেষ্ট ক্ষতিকাৰক প্ৰভাৱ পেলাইছে আৰু কৰ’না কালতো এই পদ্ধতি জনপ্ৰিয় হোৱাৰ ফলত বুজনসংখ্যক লোকৰ মৃত্যু হৈছে। ‘ৱৰ্ক ফ্ৰম হোম’ পদ্ধতিৰে কাম কৰা লোকসকলক দৈনিক পৰ্যাপ্ত পৰিমাণৰ ব্যায়াম কৰিবলৈ হুৱে পৰামৰ্শ দি কয় যে নিয়মীয়া ব্যায়ামৰ অনুশীলনৰ জৰিয়তে এই পদ্ধতিৰ ক্ষতিকাৰক প্ৰভাৱৰ পৰা শৰীৰক মুক্ত ৰাখিব পাৰি।



## টাইৱানৰ সমুদ্ৰত শক্তি প্ৰদৰ্শন মাৰ্কিন ৰণতৰীৰ

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১৯ মে’ ঃ** পুনৰ চীনলৈ কঠোৰ বাৰ্তা প্ৰেৰণ কৰিলে আমেৰিকাই। বেইজিঙৰ আপত্তিলৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি টাইৱান প্ৰণালীত টহল দি গন্তব্য দিশলৈ গতি কৰিলে মাৰ্কিন ৰণতৰীয়ে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, কালি চীন আৰু টাইৱানৰ মাজৰ টাইৱান প্ৰণালীত উপস্থিত হৈছিল আমেৰিকাৰ ৰণতৰী ই ইউ এছ এছ কাৰ্টিছ উইলবাৰ। এই ৰণতৰীখনত অত্যাধুনিক ক্ষেপণাস্ত্ৰ আছিল আৰু মাজ সমুদ্ৰৰ পৰা এই ৰণতৰীৰে শত্ৰুপক্ষৰ যিকোনো ঘাটিত ক্ষেপণাস্ত্ৰৰে আক্ৰমণ সংঘটিত কৰিব পাৰি। মাৰ্কিন নৌসেনাই এক বিবৃতিত প্ৰকাশ কৰা মতে, আন্তৰ্জাতিক আইন পালন কৰিয়ে টাইৱান প্ৰণালীত মাৰ্কিন ৰণতৰীয়ে টহল দিছিল। আন্তৰ্জাতিক আইন পালন কৰি বিশ্বৰ যিকোনো স্থানত নিজৰ কৰ্তব্য পালন কৰি যাব বুলি মাৰ্কিন নৌসেনাই বিবৃতিত উল্লেখ কৰে।






# ৰাজ্যত একেদিনাই পুনৰ ছয় সহস্ৰাধিক আক্ৰান্ত, মৃত্যু

*এক পৃষ্ঠাৰ পৰা* সংখ্যা। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টুইটযোগে জনোৱা মতে, আজি ৰাজ্যত ছহেজাৰ ১৪৩ জনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। আজি মুঠ এক লাখ দুহেজাৰ ৪০ জন লোকৰ ক'ভিড পৰীক্ষা সম্পন্ন হয়। ফলত আজিৰ দৈনিক সংক্ৰমণৰ হাৰ ৬.০২ শতাংশলৈ নামে। কালি ৰাজ্যত ৬.৪৭ শতাংশ হাৰত পাঁচ হেজাৰ ৮৩৫ জন লোক আক্ৰান্ত হৈছিল। আনহাতে, কালিৰ দিনটোত ৭৩ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল।

ইপিনে, স্বাস্থ্য বিভাগৰ তৰফৰ পৰা সদৰী কৰা মতে আজিৰ দিনটোত ৰাজ্যত চাৰি হেজাৰ ৫৭ জন লোক ক'ভিডমুক্ত হয়। সম্প্ৰতি ৰাজ্যত সক্ৰিয় ৰোগী আছে ৪৮ হেজাৰ ৩৯০ জন। কামৰূপ মহানগৰত আজি ৯১৩ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। মহানগৰত আজি ২৬ জন ৰোগী মৃত্যু হয়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ তৰফৰ পৰা সদৰী কৰা তথ্য অনুসৰি আজি নগাঁও জিলাত ৪৪৮ জন, কাছাৰ জিলাত ৪৩৮ জন আৰু ডিব্ৰুগড় জিলাত ৩৯৭ জন নতুনকৈ আক্ৰান্ত হয়। সেইদৰে ডিব্ৰুগড় আৰু কামৰূপ গ্ৰাম্য জিলাত আঠজনকৈ ৰোগীৰ মৃত্যু হয়। ইয়াৰ উপৰি কাৰ্বি আংলঙত ছজন, কাছাৰত পাঁচজন, যোৰহাট, মৰিগাঁও, শোণিতপুৰ, তিনিচুকীয়াত তিনিজনকৈ, বৰপেটা, চৰাইদেউ, গোৱালপাৰা, হোজাই, কোকৰাঝাৰ, নগাঁও, শিৱসাগৰ, ওদালগুৰিত দুজনকৈ তথা বিশ্বনাথ, বঙাইগাঁও, দৰং, ধেমাজি, ধুবুৰী, হাইলাকান্দি, নলবাৰী আৰু দক্ষিণ শালমাৰা-মানকাচৰ জিলাত এজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হয়। ৰাজ্যত এই পৰ্যন্ত মুঠ দুহেজাৰ ৪৩৩ জন ক'ভিড ৰোগীৰ মৃত্যু হোৱাৰ তথ্য স্বাস্থ্য বিভাগৰ নথিভুক্ত হৈছে। উল্লেখ্য যে আজি মৃত ৰোগীৰ তালিকাত এন আৰ এলৰ প্ৰাক্তন বিষয়া, অৱসৰপ্ৰাপ্ত অধ্যাপক, চাহ বাগিচাৰ শ্ৰমিক, বিজেপি নেত্ৰী আদিও আছে। ইপিনে, ডিব্ৰুগড়ৰ পাছত এইবাৰ শিৱসাগৰৰ কাৰাগাৰত গণ সংক্ৰমণ আৰম্ভ হৈছে।

### শিৱসাগৰৰ কেন্দ্ৰীয় কাৰাগাৰত গণ সংক্ৰমণ ঃ পাঁচজনৰ মৃত্যু

**শিৱসাগৰৰ বিশেষ সংবাদদাতা ঃ** শিৱসাগৰ জিলাৰ কেন্দ্ৰীয় কাৰাগাৰতো ক'ভিডৰ গণ সংক্ৰমণ আৰম্ভ হৈছে। মাত্ৰ দুটা দিনতে কাৰাগাৰত সম্পন্ন কৰা কৰ'না পৰীক্ষাত ৭৪ জন বন্দীৰ ফলাফল পজিটিভ আহে। দুদিনৰ পূৰ্বে কাৰাগাৰৰ এজন বন্দীৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰাৰ বাবেই পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছিল। সম্প্ৰতি বন্দীসকলৰ চিকিৎসাৰ বাবে কাৰাগাৰৰ ভিতৰত এটা আছুতীয়া কক্ষৰ ব্যৱস্থা কৰা হৈছে। সম্প্ৰতি কেন্দ্ৰীয় কাৰাগাৰত ৫১৭ জন বন্দী আছে। কালি ৫১ আৰু আজি ২৩ জন বন্দীৰ পৰীক্ষাৰ ফলাফল পজিটিভ আহে। ইপিনে, আজি শিৱসাগৰ জিলাত মুঠ ১৬১ জন ক'ভিড ৰোগী চিনাক্ত হয়। আনহাতে, পাঁচজন ৰোগীৰ মৃত্যুৰ তথ্য পোৱা গৈছে।

### যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপকসহ তিনিজনৰ মৃত্যু

**যোৰহাটৰ ষ্টাফ ৰিপৰ্টাৰ ঃ** ক'ভিডত আক্ৰান্ত হৈ আজি প্ৰাণ হেৰুৱালে যোৰহাট মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ঘনশ্যাম নেওগে। ৭৭ বছৰীয়া শিক্ষাবিদজনে ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত চাৰিদিনৰ পূৰ্বে তেওঁক যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ক'ভিড হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। আজি বিয়লি চাৰি বজাত নেওগৰ মৃত্যু হয়। উল্লেখ্য যে নেওগৰ পত্নীও সম্প্ৰতি ক'ভিডত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। ইয়াৰ উপৰি যোৰহাট জিলাত আজি আন দুজন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। মৃত ৰোগী দুজন হৈছে গোহাঁই টেকেলাগাঁৰৰ আমিৰ আনচাৰি (৬৯) আৰু পুলিবৰৰ বিজয় কুমাৰ শৰ্মা (৭০)। ইফালে আজি জিলাখনত নতুনকৈ ১৬১ জন ক'ভিড ৰোগী চিনাক্ত হয়।

### মৃতকৰ সংখ্যাই এশ অতিক্ৰম কৰিলে ডিব্ৰুগড়ত

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** ডিব্ৰুগড় জিলাত ক'ভিডৰ দ্বিতীয় লহৰত মৃত্যু হোৱা লোকৰ সংখ্যাই আজি শতকৰ সীমা অতিক্ৰম কৰে। আজিৰ দিনটোত জিলাখনৰ বিভিন্ন প্ৰান্তত ১০ জন ৰোগীৰ মৃত্যু হয়। ফলত জিলাখনত মৃত ক'ভিড ৰোগীৰ সংখ্যা ১০৬ জনলৈ বৃদ্ধি পালে। আনহাতে, জিলাখনত আক্ৰান্ত সংখ্যা আঠ হেজাৰ ৮৪৬ জনলৈ বৃদ্ধি পাইছে। আজি নতুনকৈ ৩৭৫ জন লোকৰ পৰীক্ষাৰ ফলাফল পজিটিভ আহে। ইতিমধ্যে জিলাখনৰ চাৰি হেজাৰ ৪০৫ জন ৰোগী ক'ভিডমুক্ত হৈছে।

### নাজিৰাত দুজনৰ মৃত্যু ঃ মুকলিকৈ বিচৰণ ক'ভিড ৰোগীৰ

**নাজিৰাৰ অগ্ৰদূত বাৰ্তা ঃ** নাজিৰাত দুজন ক'ভিড ৰোগীৰ মৃত্যুৰ তথ্য সদৰী হৈছে। যোৱা নিশা নাজিৰাৰ চন্দন মল্লিক (৩৭) নামৰ যুৱ ব্যৱসায়ীজনৰ শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালত মৃত্যু হয়। তেওঁ পিতৃ-মাতৃ আৰু পত্নীৰ লগতে এটি ছমহীয়া সন্তান এৰি গৈছে। আনহাতে, একেখন হাস্পতালতে চিকিৎসাধীন হৈ মেকীপুৰ চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক সনাতন ঘাটোৱাৰ (৫৭)ৰ আজি বিয়লি মৃত্যু হয়। ১০ দিনৰ পূৰ্বে চিকিৎসাধীন হোৱা ঘাটোৱাৰে পূৰ্বৰে পৰা আন ৰোগৰ চিকিৎসা কৰি আছিল। তেওঁ পত্নী আৰু দুই কন্যাক এৰি গৈছে। নাজিৰা মহকুমাত যোৱা ১৭ মে'ৰ পৰা মুঠ সাতজন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। ইফালে, মহকুমাটোত আজি সাতজন ক'ভিড ৰোগী চিনাক্ত হয়। ফলত নাজিৰা মহকুমাত আক্ৰান্তৰ সংখ্যা ৩৮৯ জনলৈ বৃদ্ধি পালে। ইপিনে, এগৰাকী মহিলা ক'ভিড ৰোগীয়ে মুক্তভাৱে বিচৰণ কৰাৰ অভিযোগ উত্থাপন হৈছে। লিগিৰীপুখুৰী চুমনিগাঁৱৰ এগৰাকী ৬২ বছৰীয়া মহিলাই উচ্চ ৰক্তচাপৰ বাবে শিৱসাগৰত পৰীক্ষা কৰোৱাত কালি তেওঁৰ ফলাফল পজিটিভ আহিছিল। ইয়াৰ পাছতে মহিলাগৰাকীক স্বাস্থ্য বিভাগৰ তৰফৰ পৰা নিজ গৃহতে আছুতীয়াকৈ থকাৰ পৰামৰ্শ দিছিল। কিন্তু তাকে নকৰি মহিলাগৰাকীয়ে সম্পূৰ্ণ নীতি-নিৰ্দেশনা উলংঘা কৰি অঞ্চলটোত মুক্তভাৱে ঘূৰি ফুৰাত স্থানীয় লোকৰ মাজত আতংকৰ সৃষ্টি হয়। অৱশ্যে আজি নাজিৰাৰ মহকুমাধিপতি লখিমী দত্তৰ তৎপৰতাত ৰোগীগৰাকীৰ চিকিৎসাৰ ব্যৱস্থা কৰা হয়।

### মৰাণত তিনিজন ক'ভিড ৰোগীৰ মৃত্যু

**মৰাণৰ অগ্ৰদূত বাৰ্তা ঃ** বৃহত্তৰ মৰাণ অঞ্চলত আজি তিনিজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হয়। আজি পুৱা পাঁচ বজাত চৰাইদেউ জিলাৰ মৰাণ কোৱোকানি মধুপুৰ গাঁৱৰ ভোলানী হাজৰিকা (৬৮)ৰ ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। ১৩ দিনৰ পূৰ্বে আক্ৰান্ত হৈ চিকিৎসাধীন হোৱা মহিলাগৰাকী হৈছে আছুৰ চৰাইদেউ জিলা সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক হেমন্ত হাজৰিকাৰ মাতৃ। ইয়াৰ উপৰি ঘোঁৰাগাছ উপস্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত কাঁচিপথাৰ নিবাসী বিনোদ কান্দুলানা (২৩) আৰু মৰাণ বেজৰচুক বঙালী গাঁৱৰ সাৱিত্ৰী কুৰ্মী (৩৫)ৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বৃহত্তৰ মৰাণ অঞ্চলত আজি ৮৪ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত অঞ্চলটোত আক্ৰান্ত লোকৰ সংখ্যা এহেজাৰ ৬৯৬ জনলৈ বৃদ্ধি পালে।

### চিকিৎসাৰ নামত ভেঁকোভাওনাৰ অভিযোগত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি মৃতকৰ আত্মীয়ৰ ঃ পাঁচজনৰ মৃত্যু

**মাটিয়া/কৃষ্ণাইৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাত বিগত ২৪ ঘণ্টাত পাঁচজন ক'ভিড ৰোগীৰ মৃত্যু হয়। আনহাতে, চিকিৎসকৰ গাফিলতিত তথা চিকিৎসাৰ নামত ভেঁকোভাওনা কৰাৰ অভিযোগত আজি গোৱালপাৰা অসামৰিক চিকিৎসালয়ত মৃত ক'ভিড ৰোগীৰ আত্মীয়ই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। উল্লেখ্য যে স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত আৰু জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই গোৱালপাৰা অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ কৰ'না ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত যাতে ত্ৰুতি নাথাকে তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগক নিৰ্দেশ দিছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত বিপৰীত ছবি এখনহে দেখা গ'ল। অক্সিজেন লাভ নকৰাৰ ফলতে আজি পুৱতি নিশা দুই বজাত এজন কৰ'না ৰোগীৰ চিকিৎসালয়খনত মৃত্যু হয়। অভিযোগ অনুসৰি পশ্চিম মাটিয়াৰ নৃপেন নাথ (৫২) নামৰ ৰোগীজনে শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰি অক্সিজেন বিচাৰি আছিল। কিন্তু নিশাৰ ভাগত কোনো চিকিৎসকে ক'ভিড কক্ষত প্ৰৱেশ নকৰাৰ ফলতে লোকজনৰ মৃত্যু হোৱাৰ অভিযোগ তুলিছে। আনহাতে, আজি পুৱা পৰ্যন্ত নাথৰ মৃত্যুৰ তথ্য পৰিয়ালক অৱগত নকৰাৰ উপৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা নকৰাত মৃত ৰোগীজনৰ একাংশ আত্মীয়ই চিকিৎসালয়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ক্ষুব্ধ আত্মীয় অভিযোগ কৰে যে আজি দিনৰ ১১-৩০ বজাৰ পাছতহে নাথৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নিয়া হয়। আনহাতে, চিকিৎসালয় কৰ্তৃপক্ষৰ গুৰুত্বহীনতাৰ বাবে আজি আন এজন ক'ভিড ৰোগীয়ে ঘৰলৈ যাব বিচাৰে। কিন্তু চিকিৎসালয় কৰ্তৃপক্ষই অনুমতি নিদিয়াত ৰোগীৰ অভিভাৱকসকলে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। পাছত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। অৱশ্যে চিকিৎসাৰ ক্ষেত্ৰত গাফিলতিৰ অভিযোগ অস্বীকাৰ কৰিছে চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত অধীক্ষক ডাঃ শ্যামলেন্দু দাসে। তেওঁ কয় যে নৃপেন নাথ নামৰ ৰোগীজনৰ আজি পুৱা ৭-৩০ বজাতহে মৃত্যু হয়। উল্লেখ্য যে গোৱালপাৰা চহৰৰ শাস্ত্ৰী নগৰৰ গীতা দাস (৬২) নামৰ মহিলাগৰাকী কালি ক'ভিডত আক্ৰান্ত হোৱাৰ পাছতে চিকিৎসালয়ত ভৰ্তি হৈছিল। কিন্তু ১৫ মিনিট পাছতে তেওঁৰ মৃত্যু হয়। অশোক নগৰৰ মিলন ৰায় (৭৫) নামৰ মহিলাগৰাকীৰো কালি সন্ধিয়া চিকিৎসালয়ত মৃত্যু হয়। আনহাতে, আজি পুৱা চিকিৎসাধীন অৱস্থাত মৃত্যু হয় চহৰৰ মৰিয়ম নগৰৰ মহিন নাথ (৬২)ৰ। ইপিনে, উপযুক্ত চিকিৎসাৰ অভাৱতে ক'ভিড ৰোগীৰ মৃত্যু হোৱা বুলি অভিযোগ কৰিছে বাওঁপন্থী নেতা ননী দাসে। ইপিনে, জিলাখনত আজি নতুনকৈ ২২০ জন লোকৰ শৰীৰত ক'ভিড চিনাক্ত হয়। ফলত গোৱালপাৰাত আক্ৰান্ত লোকৰ সংখ্যা ৯৯৯ জনলৈ বৃদ্ধি পালে। আজি ১৪৪ জন ৰোগী ক'ভিডমুক্ত হয়। আনহাতে, জিলাখনত কণ্টেইনমেণ্ট জ'নৰ সংখ্যাও বৃদ্ধি পাইছে। আজি কৃষ্ণাইৰ হস্তিনাপুৰ অঞ্চল প্ৰশাসনে কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰে। গাঁওখনত ৩০ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰাৰ পাছতে প্ৰশাসনে এই সিদ্ধান্ত লয়।

### তামুলপুৰত ক'ভিড পৰীক্ষা কৰি থকা অৱস্থাতে এজনৰ মৃত্যু

**তামুলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** তামুলপুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি পুৱা এজন লোকে ক'ভিড পৰীক্ষা কৰিবলৈ আহি মৃত্যুক আঁকোৱালি লয়। মৃত লোকজন হৈছে মহকুমাটোৰ তেতেলিগুৰী নিবাসী কান্দুৰা বড়ো (৫৬)। তামুলপুৰ প্ৰাথমিক চিকিৎসালয়ৰ চিকিৎসক গৌতম মেধিয়ে জনোৱা মতে, শাৰীৰিক অসুস্থতাৰ বাবে বড়োৱে আজি প্ৰতিষেধক ল'বলৈ আহিছিল। কিন্তু প্ৰতিষেধক প্ৰদানৰ পূৰ্বে লোকজনৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য কৰি চিকিৎসা কৰ্মীয়ে তেওঁৰ ক'ভিড পৰীক্ষাৰ ব্যৱস্থা কৰে। স্বাস্থ্য কৰ্মীয়ে বড়োৰ মুখৰ লেলাউটি সংগ্ৰহ কৰি থকা অৱস্থাতে তেওঁ হঠাৎ ঢলি পৰে আৰু লগে লগে লোকজনৰ মৃত্যু হয়। ডাঃ মেধিয়ে জনোৱা মতে, মৃত্যুৰ পাছত লোকজনৰ পৰীক্ষাৰ ফলাফল নিগেটিভ অহাত উপস্থিত চিকিৎসক তথা স্বাস্থ্যকৰ্মীসকলে স্বস্তিৰ নিশ্বাস পেলায়। ডাঃ মেধিয়ে লগতে কয় যে মৃত লোকজনৰ যকৃৎ সম্পূৰ্ণৰূপে বিকল হৈ পৰিছিল। ইপিনে, মহকুমাটোত আজি নতুনকৈ ২১ জন লোকৰ শৰীৰত কৰ'না চিনাক্ত হয়।

### নগাঁৱত পুনৰ চাৰিজনৰ মৃত্যু ঃ আক্ৰান্ত চাৰি শতাধিক

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** নগাঁও জিলাত আজি পুনৰ ৪৩৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত ক'ভিডৰ দ্বিতীয় লহৰত আক্ৰান্ত লোকৰ সংখ্যা ছহেজাৰ ২৬৪ জনলৈ বৃদ্ধি পালে। সংক্ৰমণৰ উদ্বেগজনক বৃদ্ধিৰ সমান্তৰালকৈ আজি জিলাখনৰ এজন যুৱক 'ব্লেক ফাংগাছ'ত আক্ৰান্ত হৈ মৃত্যুমুখত কৰাত সম্প্ৰতি নগাঁওবাসী আতংকিত হৈ পৰিছে। ধিঙৰ পলমণি বৰা (২৭) নামৰ উক্ত যুৱকজনকে ধৰি নগাঁৱত বিগত ২৪ ঘণ্টাত চাৰিজন আক্ৰান্তৰ মৃত্যু হয়। ইয়াৰ ভিতৰত এগৰাকী বিজেপি নেত্ৰীও আছে। চহৰৰ সমীপৰ ননৈ ধেনুচোঁচা গাঁৱৰ নিবাসী তথা বিজেপিৰ নগাঁও জিলা মহিলা মৰ্চাৰ উপ-সভানেত্ৰী নিৰলা বৰুৱা (৪৯) আজি গুৱাহাটীত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আনহাতে, নগাঁও ছহিদ ভোকেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালত আজি চিকিৎসাধীন অৱস্থাতে চহৰৰ হয়বৰগাঁও শান্তিপুৰ নিবাসী সাৰদা দেৱী (৯৫) আৰু আমোলাপট্টিৰ তাৰিণী বৰা (৫৬)ৰ মৃত্যু হয়। জিলাখনত এই পৰ্যন্ত ৩৪ জন ক'ভিড ৰোগীৰ মৃত্যু হোৱা বুলি নগাঁও স্বাস্থ্য বিভাগৰ সূত্ৰই জনাইছে যদিও জিলাখনত মৃত ৰোগীৰ সংখ্যা অধিক হোৱাৰ আশংকা কৰা হৈছে।

### খুমটাইত প্ৰথম ক'ভিড আক্ৰান্তৰ মৃত্যু

**খুমটাই ঃ** গোলাঘাট জিলাৰ খুমটাই অঞ্চলত প্ৰথমগৰাকী ক'ভিড ৰোগীৰ মৃত্যু হৈছে। আজি পুৱতি নিশা খুমটাই চাহ বাগিচাৰ অস্থায়ী শ্ৰমিক বিনু কৰ্মকাৰ (৩৯)ৰ মৃত্যু হয়। তেওঁ স্বামীৰ লগতে দুই পুত্ৰক এৰি গৈছে। ১৪ মে'ত আক্ৰান্ত হৈ নিজ গৃহতে পৰ্যবেক্ষণত থকা মহিলাগৰাকীয়ে বিনা চিকিৎসাই তথা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা কোনো পৰামৰ্শ লাভ নকৰাকৈ মৃত্যুমুখত পৰাৰ অভিযোগ তুলিছে চাহ জনজাতি ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিয়ে। ইপিনে, খুমটাই আদৰ্শ চিকিৎসালয়ত আজি দুগৰাকী আশা কৰ্মীসহ মুঠ ১১ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে।

### নুমলীগড় শোধনাগাৰৰ প্ৰাক্তন বিষয়াৰ মৃত্যু

**নুমলীগড়ৰ অগ্ৰদূত বাৰ্তা ঃ** নুমলীগড় শোধনাগাৰৰ প্ৰথমজন পৰিচালন সঞ্চালক ৰঞ্জিত কুমাৰ দত্তৰ ক'ভিডত মৃত্যু হৈছে। অৱসৰপ্ৰাপ্ত বিষয়াজনৰ আজি কলকাতাৰ এপল' হাস্পতালত মৃত্যু হয়। অইলৰ প্ৰাক্তন চি এম ডি দত্তৰ মৃত্যুত আজি নুমলীগড় শোধনাগাৰত গভীৰ শোকৰ ছাঁ পৰে।

### তিতাবৰত আক্ৰান্ত মহিলাৰ মৃত্যু

**মেলামাটিৰ অগ্ৰদূত বাৰ্তা ঃ** তিতাবৰ মহকুমাত এগৰাকী মহিলা ক'ভিড ৰোগীৰ মৃত্যু হৈছে। নামচুঙী গাঁৱৰ পদুমী বৰা (৭৩) নামৰ মহিলাগৰাকীৰ কালি মৃত্যু হয়। যোৱা ১৬ মে'ত গাঁওখনৰ এটা পৰিয়ালৰ ১৪ জন সদস্যৰ শৰীৰত কৰ'না চিনাক্ত হৈছিল। সম্প্ৰতি মহিলাগৰাকীৰ পুত্ৰ-বোৱাৰীকে ধৰি কে'বাজনো সদস্য চিকিৎসাধীন হৈ আছে।

### বিশ্বনাথত দুজনৰ মৃত্যু ঃ বিভিন্ন স্থানত মাইক্ৰ' কণ্টেইনমেণ্ট জ'ন

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** বিশ্বনাথ চাৰিআলিৰ আজি দুজন ক'ভিড ৰোগীৰ মৃত্যু হয়। অৱশ্যে মৃত লোক দুজনৰ সঠিক তথ্য এই পৰ্যন্ত পোহৰলৈ অহা নাই। জিলাখনত এই পৰ্যন্ত ১৮ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছে। আনহাতে, আজি জিলাখনত নতুনকৈ ৫৯ জন লোক আক্ৰান্ত হয়। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা এহেজাৰ ৩০৪ জনলৈ বৃদ্ধি পালে। ইয়াৰে ৭৬৫ জন ইতিমধ্যে সুস্থ হৈছে। আজি বিশ্বনাথ জিলা প্ৰশাসনে জিলাখনৰ নটা স্থানক মাইক্ৰ' কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰে।

### বঙাইগাঁৱত তিনিজনৰ মৃত্যু ঃ আক্ৰান্ত ৭৫

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ'/অভয়াপুৰীৰ অগ্ৰদূত বাৰ্তা ঃ** বঙাইগাঁও জিলাত আজি তিনিজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত ৰোগী তিনিজন হৈছে মূলাগাঁও জেলকাঝাৰৰ ৰাজেন ৰায় (৫১), নিউ বঙাইগাঁও বিজি কল'নীৰ বিনদানন্দ চৌধুৰী (৫৬) আৰু অভয়াপুৰীৰ টেংনামাৰীৰ সহৰ আলী (৪৫)। আলীৰ নিজ গৃহতে মৃত্যু হোৱাৰ বিপৰীতে বাকী দুজনৰ চিকিৎসালয়ত মৃত্যু হয়। আজি জিলাখনত নতুনকৈ ৭৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। সম্প্ৰতি বঙাইগাঁও জিলাত ৩৯১ জন সক্ৰিয় ৰোগী আছে। আজি ৫৮ জনক ক'ভিডমুক্ত বুলি ঘোষণা কৰা হয়। জিলাখনৰ উত্তৰ শালমাৰা মহকুমাত সম্প্ৰতি গণ সংক্ৰমণৰ আশংকাই দেখা দিছে। আজি মহকুমাৰ অন্তৰ্গত দুটা স্বাস্থ্য কেন্দ্ৰত মুঠ ৩৩ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে।

### ওদালগুৰিত এজনৰ মৃত্যু ঃ শতাধিক আক্ৰান্ত

**ওদালগুৰিৰ বিশেষ সংবাদদাতা/টংলাৰ অগ্ৰদূত বাৰ্তা ঃ** ওদালগুৰি জিলাত আজি ১০৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। সম্প্ৰতি জিলাখনত ৬১২ জন সক্ৰিয় ৰোগী আছে। আজি ৫২ জন ৰোগী ক'ভিডমুক্ত হয়। ইপিনে আজি জিলাখনত এজন ক'ভিড ৰোগীৰ মৃত্যু হয়। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি ক'ভিডৰ দ্বিতীয় লহৰত জিলাখনত এই পৰ্যন্ত ২৮ জন ৰোগীৰ মৃত্যু হৈছে। আজি মৃত্যু হোৱা ৰোগীগৰাকী হৈছে পশ্চিম ফুটুকীবাৰী গাঁৱৰ বনৰক্ষী বাহিনীত কৰ্মৰত সম্ৰাট ডেকাৰ পত্নী ৰত্না ডেকা (৫০)। ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত উন্নত চিকিৎসাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়াৰ পথতে তেওঁৰ মৃত্যু হয়।

### ৰাণীত ৰেল বিভাগৰ কৰ্মচাৰীৰ মৃত্যু

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** কামৰূপ জিলাৰ ৰাণীত আজি পুৱতি নিশা এজন ৰেল বিভাগৰ কৰ্মচাৰীৰ ক'ভিডত মৃত্যু হয়। মৃত লোকজন হৈছে ৰাণীৰ বাহুপাৰা গাঁৱৰ দীনেশ বড়ো (৫৮)। যোৱা ১২ মে'ত ক'ভিড পজিটিভ হোৱাৰ পাছত স্বাস্থ্য বিভাগৰ পৰামৰ্শত তেওঁ নিজ গৃহতে আছিল যদিও আজি পুৱতি নিশা প্ৰায় ২-৩০ বজাত বড়োৰ মৃত্যু হয়। উল্লেখ্য যে বড়োৰ পুত্ৰ আৰু কন্যাও সম্প্ৰতি আক্ৰান্ত হৈ নিজ গৃহতে আছে।

### চিৰাঙত এজনৰ মৃত্যু ঃ আক্ৰান্ত ৩৫

**গৰুভাষাৰ অগ্ৰদূত বাৰ্তা ঃ** চিৰাং জিলাত আজি এজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত ৰোগীজন হৈছে ঢালিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বৰতালোৱাৰ নিবাসী গফৰ আলী মণ্ডল (৪৯)। কিছুদিনৰ পূৰ্বে ক'ভিডত আক্ৰান্ত হৈ তেওঁ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। আলি মণ্ডলৰ মৃত্যুত শোক প্ৰকাশ কৰিছে ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সভাপতি আব্দুল আৱাল মণ্ডলে। ইপিনে, চিৰাঙত আজি নতুনকৈ ৩৫ জন কৰ'না ৰোগী চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা ৬৭৬ জনলৈ বৃদ্ধি পালে। ইয়াৰ ভিতৰত ৩২২ জন সক্ৰিয় ৰোগী আছে।

### কোকৰাঝাৰত নতুনকৈ আক্ৰান্ত ৮৭ জন

**গোসাঁইগাঁও/দোতম/ফকিৰাগ্ৰামৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰ জিলাত ক্ৰমাৎ বৃদ্ধি পাইছে ক'ভিডৰ সংক্ৰমণ। আজি জিলাখনত ৮৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ভিতৰত আছে শ্ৰীৰামপুৰত চিনাক্ত হোৱা ছজন বহিঃৰাজ্যৰ যাত্ৰী। এই পৰ্যন্ত জিলাখনত ৪২৯ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৯৫ জন হাস্পতালত চিকিৎসাধীন হৈ আছে। জিলাখনৰ দোতমা অঞ্চলতো আজি ছজন লোকৰ শৰীৰত কৰ'না চিনাক্ত হয়। ফলত অঞ্চলটোত আক্ৰান্তৰ সংখ্যা ৪৪ জনলৈ বৃদ্ধি পালে।

### ৰঙিয়াত ২২ জন আক্ৰান্ত

**ৰঙিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** ৰঙিয়া মহকুমাত আজি ২২ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত মহকুমাটোত আক্ৰান্ত লোকৰ সংখ্যা ৭৪১ জনলৈ বৃদ্ধি পালে। ইয়াৰে ৩৫১ জন ইতিমধ্যে সুস্থ হৈছে। আনহাতে, ১২ জন ৰোগীৰ মৃত্যু হৈছে।

### ছাগলীয়াত ২০ জন আক্ৰান্ত

**বক্সিৰহাটৰ অগ্ৰদূত বাৰ্তা ঃ** ধুবুৰী জিলাৰ ছাগলীয়া ক'ভিড কেন্দ্ৰত আজি বহিঃৰাজ্যৰ পৰা অহা ২০ জন ক'ভিড ৰোগী চিনাক্ত হয়। উক্ত কেন্দ্ৰত বহিঃৰাজ্যৰ পৰা অহা ৪৫০ জন লোকৰ শৰীৰত এই পৰ্যন্ত কৰ'না ধৰা পৰিছে।

### বৰছলাৰ একাধিক স্থান কণ্টেইনমেণ্ট জ'ন

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত বৰছলা বিধানসভা সমষ্টিত কৰ'নাৰ ব্যাপক সংক্ৰমণ ঘটিছে। সমষ্টিটোৰ অন্তৰ্গত বিভিন্ন অঞ্চলত শতাধিক লোক আক্ৰান্ত হোৱাৰ ফলত আতংকৰ সৃষ্টি হৈছে। আজি গণকচুবুৰীত ১১ জনৰ শৰীৰত কৰ'না চিনাক্ত হয়। ইতিমধ্যে সমষ্টিটোৰ বাৰোৱাৰী গাঁও, বাহবাৰী গণকচুবুৰী গাঁও, পুঠিমাৰীৰ বৰুৱাদলনীকে ধৰি বহুকেইটা অঞ্চল প্ৰশাসনে কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰিছে। শিঙৰী আৰু ঢেকিয়াজুলি চাহ বাগিচাতো ইতিমধ্যে সংক্ৰমণ বৃদ্ধি পাইছে। বৰছলাৰ বিধায়ক গণেশ লিম্বুৱে আজি আক্ৰান্ত পৰিয়ালসমূহৰ খবৰ লোৱাৰ লগতে কণ্টেইনমেণ্ট জ'নৰ ভিতৰত থকা লোকসকলৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে।

### নলবাৰীত ১৭১ জন আক্ৰান্ত এজনৰ মৃত্যু

**নলবাৰী/চামতা/বৰভাগৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাত আজি নতুনকৈ ১৭১ জনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত আক্ৰান্তৰ সংখ্যা তিনি হেজাৰ ৯৮৬ জনলৈ বৃদ্ধি পালে। আজি জিলাখনত এজন আক্ৰান্ত মৃত্যু হয়। উল্লেখ্য যে পশ্চিম নলবাৰীৰ কামৰূপীয়া ঢুলীয়াগাঁও খ্যাত কৈহাটীয়েও সম্প্ৰতি সংক্ৰমণৰ কবলত পৰিছে। কামৰূপীয়া ঢুলীয়া কৃষ্টিৰ প্ৰবীণ ঘাই ঢুলীয়া অতুল দাস (৮০)ৰ লগতে তেওঁৰ পৰিয়ালৰ ছবছৰীয়া শিশুসহ কে'বাজনো সদস্য আক্ৰান্ত হৈছে। আনহাতে, জিলাখনৰ বৰভাগ অঞ্চলত আজি ২৬ জন লোক আক্ৰান্ত হয়।

### দৰঙত নতুনকৈ দ্বিশতাধিক লোক আক্ৰান্ত

**মঙলদৈৰ বিশেষ সংবাদদাতা ঃ** দৰং জিলাত আজি ২৬৫ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জানুৱাৰীৰ পৰা জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা তিনি হেজাৰ ৯১৫ জনলৈ বৃদ্ধি পালে। ইয়াৰ ভিতৰত সক্ৰিয় ৰোগী আছে এহেজাৰ ৭৮০ জন। ইয়াৰ ২০২ জন ৰোগী বিভিন্ন হাস্পতালত চিকিৎসাধীন হৈ আছে।

### হোজাইত এজনৰ মৃত্যু ঃ আক্ৰান্ত ৮০

**যমুনামুখৰ অগ্ৰদূত বাৰ্তা ঃ** বিগত ২৪ ঘণ্টাত হোজাই জিলাত ৮০ জন লোক নতুনকৈ আক্ৰান্ত হৈছে। আনহাতে, আজি সুস্থ হৈ ১৬ জন ৰোগী ঘৰলৈ উভতে। জিলাখনৰ এজন ৰোগীৰ আজি মৃত্যু হয় যদিও তেওঁৰ সঠিক তথ্য সদৰী হোৱা নাই।

### সোণাপুৰৰ এখন গাঁও কণ্টেইনমেণ্ট জ'ন ঘোষণা

**সোণাপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া-সোণাপুৰ অঞ্চলতো সম্প্ৰতি সংক্ৰমণ বৃদ্ধি পাইছে। সোণাপুৰ ৰাজহ চক্ৰৰ অধীনস্থ লুৰী গাঁৱত প্ৰশাসনে কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰি আন মানুহৰ যাতায়াত নিষিদ্ধ কৰিছে। গাঁওখনত কালিৰে পৰা সম্পন্ন কৰা কৰ'না পৰীক্ষাত ৬০ জন লোকৰ ফলাফল পজিটিভ আহিছে। ইপিনে, কণ্টেইনমেণ্ট জ'নৰ ভিতৰত থকা দৰিদ্ৰ পৰিয়াল তথা দিন হাজিৰা কৰা লোকসকল আৰ্থিক সমস্যাৰ সন্মুখীন হৈছে।

### কলিয়াবৰৰ দুটা স্থান কণ্টেইনমেণ্ট জ'ন

**কলিয়াবৰৰ অগ্ৰদূত বাৰ্তা ঃ** কলিয়াবৰ মহকুমাতো সম্প্ৰতি সংক্ৰমণ বৃদ্ধি পাইছে। ইয়াৰ বাবে মহকুমাটোৰ দুটা স্থান প্ৰশাসনে কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰিছে। আজি জাৰনি গাঁৱত কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰা হয়। গাঁওখনৰ ১৮ জন লোকৰ শৰীৰত কালি ক'ভিড চিনাক্ত হৈছিল। ইয়াৰ পূৰ্বে চুলুঙৰ গেমন ইণ্ডিয়া কোম্পানীক কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰিছিল। উল্লেখ্য যে কলিয়াবৰ মহকুমাত এই পৰ্যন্ত ৬৩১ জন লোক আক্ৰান্ত হৈছে আৰু ইয়াৰে দুজনৰ ইতিমধ্যে মৃত্যু হৈছে।

## কেবিনেটৰ সিদ্ধান্ত

*এক পৃষ্ঠাৰ পৰা*

- বৰ্তমান চলি থকা উদ্যোগৰ সম্প্ৰসাৰণ গোটেইলৈও এশ শতাংশ বিনামূলীয়া বিদ্যুৎ
- বৰ্তমান উৎপাদন চলি থকা অক্সিজেন উদ্যোগক ২০ শতাংশ বিনামূলীয়া বিদ্যুৎ
- পহিলা এপ্ৰিল, ২০২১ৰ পৰা ৩১ মাৰ্চ, ২০২২লৈ প্ৰযোজ্য হ'ব বিনামূলীয়া বিদ্যুৎ যোগান
- বিটিআৰ, কাৰ্বি আংলং আৰু ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পদক কেবিনেট মৰ্যাদা প্ৰদান
- জিলাৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী হ'ব অভিভাৱক মন্ত্ৰী
- দেৱজিৎ শইকীয়া নতুন মহাধিবক্তা

# ছিণ্ডিকেটৰ সম্ভেদ পালে ডিজিপিক

*এক পৃষ্ঠাৰ পৰা* আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হৈ অসম আৰক্ষীৰ আধুনিকীকৰণৰ বিভিন্ন দিশ সম্পৰ্কত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে আৰক্ষীৰ মুখ্য কাৰ্যালয়ত পদাৰ্পণ কৰাৰ লগে লগে 'গাৰ্ড অৱ অনাৰে'ৰে তেওঁক অভিবাদন জনোৱা হয়।

ইয়াৰ পাছতে অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত উপস্থিত থকা সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ এক লাখ শিক্ষিত যুৱক-যুৱতীক চাকৰি প্ৰদানৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সংকল্প লৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত অসম আৰক্ষীত বৰ্তমানে খালী হৈ থকা পদসমূহ সোনকালে কেনেদৰে পূৰণৰ পদক্ষেপ ল'ব পৰা যায় সেই সম্পৰ্কে আলোচনা কৰা হৈছে। আৰক্ষীৰ বদলিকৰণ তথা নিয়োগৰ ক্ষেত্ৰত মেধা আৰু দক্ষতাৰ ভিত্তিত ব্যৱস্থা লোৱা হ'ব বুলিও তেওঁ কয়। ইয়াত যাতে কোনোধৰণৰ হস্তক্ষেপ নাথাকে সেইটো সুনিশ্চিত কৰাৰ পদক্ষেপ সম্পৰ্কত আজি প্ৰাৰম্ভিক পৰ্যায়ত আলোচনা কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। ক'ৰবাত যদি ছিণ্ডিকেট ইত্যাদিৰ সম্ভেদ পায় তেন্তে সাংবাদিকসকলক তাৎক্ষণিকভাৱে আৰক্ষী সঞ্চালকপ্ৰধানক অৱগত কৰিবলৈ ড° শৰ্মাই আহ্বান জনায়। পাঁচ বছৰৰ ভিতৰতে অসম আৰক্ষীৰ মৌলিক পৰিৱৰ্তন ৰাজ্যখনৰ জনসাধাৰণে প্ৰত্যক্ষ কৰিব পাৰিব বুলিও তেওঁ কয়। চৰকাৰে ৰাজ্যখনৰ আৰক্ষী থানাসমূহৰ কাম-কাজ সুচলতৰ কৰাৰ বাবে পদক্ষেপ ল'ব বুলি প্ৰতিশ্ৰুতি দি আৰক্ষী বাহিনীৰ লোকসকলৰ কৰ্তব্যৰ চাপ হ্ৰাসৰ বাবে ব্যৱস্থা লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে।

মুখ্যমন্ত্ৰীৰ পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা উপস্থিত থাকে।

# কাৰ্বি আংলঙত পুনৰ যুৱকক গুলীয়াই

*এক পৃষ্ঠাৰ পৰা* কোনে, কিয় হত্যা কৰিলে সেয়া এই পৰ্যন্ত পোহৰলৈ অহা নাই যদিও সঞ্জয় নিষিদ্ধ সংগঠন ডি এইছ ডিৰ স'তে পূৰ্বতে জড়িত আছিল বুলি এক বিশেষ সূত্ৰই সদৰী কৰিছে। প্ৰাথমিকভাৱে কাৰ্বি আংলঙত বৰ্তমান সক্ৰিয় হৈ থকা সশস্ত্ৰ সংগঠন ডি এন এল এৰ যুৱকজনৰ হত্যাৰ ঘটনাত জড়িত থাকিব পাৰে বুলি সন্দেহ কৰা হৈছে। অৱশ্যে আৰক্ষীৰ তদন্ততহে ইয়াৰ প্ৰকৃত ৰহস্য উদ্‌ঘাটন হ'ব। ঘটনাৰ পাছতে ডিফু আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে মাত্ৰ তিনিদিন পূৰ্বে ডিফু আৰক্ষী থানাৰ অন্তৰ্গত ধনশিৰি হাতীকেম্পত স্থানত দুই যুৱকে গুলীয়াই হত্যা কৰিছিল ডিফুৰ যুৱ ব্যৱসায়ী দেৱজিৎ সিনহাক। কাঢ়ি নিছিল তেওঁৰ দুচকীয়া বাহনখন। আৰক্ষীয়ে অতি কম সময়ৰ ভিতৰতে ঘটনাৰ স'তে জড়িত দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে নগালেণ্ডৰ পৰা দুচকীয়া বাহনখন উদ্ধাৰ কৰিছিল। ইয়াৰ মাজতে আজি পুনৰ ধনশিৰিত হত্যাকাণ্ডৰ ঘটনা সংঘটিত হোৱাত স্থানীয় ৰাইজ শংকিত হৈ পৰিছে।

# গুৱাহাটীত বহি গৰুৰ চোৰাং সৰবৰাহ

*এক পৃষ্ঠাৰ পৰা* নম্বৰ গোচৰত আৰক্ষীৰ অপৰাধ শাখাই পৰহি চাৰিজনকৈ লোকক গ্ৰেপ্তাৰ কৰাৰ পাছতে এই তথ্য পোহৰলৈ আহিছে। অপৰাধ শাখাৰ বিষয়াই সদৰী কৰা অনুসৰি, বিহাৰ আৰু উত্তৰ প্ৰদেশৰ গৰু অসমলৈ চোৰাংভাৱে সৰবৰাহ কৰি এটা বৃহৎ চক্ৰই অসমত ব্যৱসায় অব্যাহত ৰাখিছে। অসমৰ উপৰি চুবুৰীয়া ৰাজ্য মেঘালয়তো এই চক্ৰটোৱে বহিঃৰাজ্যৰ গৰু সৰবৰাহ অব্যাহত ৰাখিছে। উল্লেখ্য যে বশিষ্ঠ থানাৰ উল্লিখিত গোচৰত ভাৰতীয় দণ্ড বিধিৰ ১৮৮/৪০৬/৩৭৯/৪২০ ধাৰাৰ অধীনত অপৰাধ শাখাই যোৱা ১৭ মে'ত গৰু ব্যৱসায়ৰ স'তে জড়িত চাৰিজনক গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, ধৃত চাৰি গো-মাফিয়া হৈছে ক্ৰমে পশ্চিমবংগৰ মহম্মদ আছাউদ্দিন, ছয়গাঁৱৰ আব্দুল চালাম, বৰপেটাৰ কলগাছিয়াৰ হালিউদ্দিন আৰু ক্ষেত্ৰীৰ মহম্মদ মহিদুল আলী। ইফালে, কালি আদালতত হাজিৰ কৰাৰ পাছত অপৰাধ শাখাই জিম্মাত লাভ কৰা চাৰি ধৃতই জেৰাত বিহাৰ-উত্তৰ প্ৰদেশৰ গৰুৰে ৰাজ্যত কিদৰে দীৰ্ঘদিন ধৰি বৃহৎ গৰুৰ ছিণ্ডিকেট গঢ়ি তুলিছিল এই কথা স্বীকাৰ কৰাৰ লগতে কে'তবোৰ গুৰুত্বপূৰ্ণ তথ্য সদৰী কৰিছে। উল্লেখ্য যে চাৰি ধৃতৰ স্বীকাৰোক্তিৰ ভিত্তিতে আজি অপৰাধ শাখাই পুনৰ আন এজন গো-মাফিয়াক গ্ৰেপ্তাৰ কৰে। ধৃত গো-মাফিয়াজন উত্তৰ প্ৰদেশৰ ভুজপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মক্ৰামিন (৪৫) বুলি আৰক্ষীয়ে সদৰী কৰিছে।

ইফালে, বহিঃৰাজ্যৰ গৰু আনি ৰাজ্যত গঢ়ি তোলা বৃহৎ গৰুৰ ছিণ্ডিকেট তথা এই গোচৰত আৰু অধিক লোক গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে আৰক্ষীয়ে। সমান্তৰালভাৱে এই গোচৰৰ সন্দৰ্ভত মেঘালয়তো অভিযান চলোৱাৰ সম্ভাৱনা ব্যক্ত কৰি অভিযানকাৰী বিষয়াই তদন্তৰ খাতিৰত অধিক মন্তব্যৰ পৰা বিৰত থাকে। উল্লেখ্য যে বিশেষকৈ উত্তৰ-প্ৰদেশ আৰু বিহাৰৰ পৰা দৈনিক অসমলৈ শ-শ গৰু আমদানি কৰে এটা বৃহৎ চক্ৰই। সংশ্লিষ্ট পক্ষক মেনেজ কৰি চক্ৰটোৱে অসমৰ বিভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়া মেঘালয় আৰু বাংলাদেশলৈও গৰু ৰপ্তানি কৰি আহিছে। শাসকীয় চক্ৰৰ পৃষ্ঠপোষকতা লাভ কৰি অহা এই ছিণ্ডিকেটৰ মূল কাণ্ডাৰীসকলক তদন্তই ঢুকি পাব নে নাই সেয়া সময়তহে পৰিস্ফুট হ'ব।

# নতুন প্ৰজাতিৰ সন্ধান লাভ ঃ ভাৰতত

*এক পৃষ্ঠাৰ পৰা* ভাৰতসহ বিভিন্ন দেশত আৰু অধিক সংক্ৰামক ৰূপ ধাৰণ কৰিব পাৰে কৰ'না ভাইৰাছে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, ২০২০ৰ অক্টোবৰত প্ৰথম ভাৰতত কৰ'না ভাইৰাছৰ বি.১.৬১৭ প্ৰজাতিৰ সন্ধান লাভ কৰা হৈছিল। পৰৱৰ্তী সময়ত এইবিধ কৰ'না ভাইৰাছ ভাৰতীয় কৰ'না হিচাপে পৰিচিত হৈছিল। ভাৰতত দ্ৰুত সংক্ৰমণ ঘটোৱা এই বি.১.৬১৭ প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণ ইতিমধ্যে বিশ্বৰ বিভিন্ন দেশলৈ বিয়পি পৰিছে। দুই দফাত জিনগত চৰিত্ৰ সলনি কৰাৰ কাৰণত বি.১.৬১৭ ভাইৰাছক ডাবল মিউটেণ্ট অৰ্থাৎ দ্বি অভিযোজিত ভাইৰাছ হিচাপে হুৱে চিনাক্ত কৰিছিল। এইবিধ কৰ'না ভাইৰাছৰ সংক্ৰমণ ক্ষমতা বৰ্তমানলৈকে ধৰা পৰা ক'ভিডৰ আন প্ৰজাতিৰ তুলনাত সবাতোকৈ অধিক। ভাৰতত বি.১.৬১৭ প্ৰজাতিৰ ভাইৰাছ ধৰা পৰিলেও একাংশ গৱেষকৰ মতে, এইবিধ ভাইৰাছৰ প্ৰকৃত উৎপত্তি স্থল আছিল ব্ৰিটেইন।

'নেচাৰ' পত্ৰিকাত প্ৰকাশিত এক প্ৰতিবেদনত গৱেষকে উল্লেখ কৰা মতে, পৰৱৰ্তী সময়ত পশ্চিমবংগসহ দেশৰ কে'বাখনো চহৰত তিনিটা পৰ্যায়ত জিনৰ গঠন সলনি কৰা 'ত্ৰিপল মিউটেণ্ট' কৰ'না ভাইৰাছ বি.১.৬১৮ৰ সন্ধান লাভ কৰা হৈছে। অৱশ্যে দিল্লীৰ নেচনেল চেণ্টাৰ ফ'ৰ ডিজিজ কন্ট্ৰ'লৰ সঞ্চালক সুৰজিৎ সিঙৰ মতে, বি.১.৬১৭ৰ সংক্ৰমণৰ হাৰ সবাতোকৈ অধিক। অৰ্থাৎ ৰূপ সলনি কৰিলেও কৰ'না ভাইৰাছ অধিক সংক্ৰামক হ'ব, এয়া নিশ্চিত নহয়। যোৱা বছৰৰ শেষৰ ফালে কৰ'না ভাইৰাছৰ যি নতুন ৰূপে ভাৰতত সংক্ৰমণ আৰম্ভ কৰিছিল, সেইবিধ ভাইৰাছৰ ৰূপ আৰু চৰিত্ৰ ইতিমধ্যে বহু সলনি হোৱা বুলি গৱেষকসকলে দাবী কৰিছে। জিনৰ গঠন বিন্যাসৰ পৰিৱৰ্তনৰ ফলত প্ৰস্তুত হৈছে ডি-৬১৪ জিৰ দৰে প্ৰায় ১০ গুণ অধিক সংক্ৰামক ক'ভিড ভাইৰাছ। অলপতে মালয়েছিয়াত এই প্ৰজাতিৰ কৰ'না ভাইৰাছৰ সন্ধান লাভ কৰা হৈছিল। ২০২০ৰ শেষৰ ফালে কৰ'না ভাইৰাছৰ প্ৰথম পৰিৱৰ্তিত প্ৰজাতি বি.১ৰ সন্ধান লাভ কৰা হৈছিল। ইয়াৰ পাছত পৰ্যায়ক্ৰমে এইবিধ কৰ'না ভাইৰাছে সঘনাই ৰূপ আৰু চৰিত্ৰ সলনি কৰি আহিছে। বিশিষ্ট ভাইৰাছ বিজ্ঞানী ছাহিদ জামিলৰ মতে, অদূৰ ভৱিষ্যতে জিনৰ পৰিৱৰ্তনৰ মাধ্যমৰে কৰ'না ভাইৰাছৰ এইসমূহ ভাৰতীয় প্ৰজাতিয়ে বৰ্তমানতকৈ অধিক সংক্ৰামক ৰূপ ধাৰণ কৰিব পাৰে। কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ ভাইৰাছ বিশেষজ্ঞ ৰবীন্দ্ৰ গুপ্তৰ মতেও ভৱিষ্যতে অধিক শক্তিশালী কৰ'না ভাইৰাছৰ ভাৰতত সংক্ৰমণৰ যথেষ্ট শংকা আছে। দক্ষিণ আফ্ৰিকাত সন্ধান লাভ কৰা কৰ'না ভাইৰাছৰ পৰিৱৰ্তিত ৰূপ বি.১.৩৫১ৰ ক্ষেত্ৰতো আৰ এন এ স্পাইক প্ৰ'টিনৰ বিন্যাস সলনিৰ ফলত যথেষ্ট সংক্ৰামক হোৱাৰ শংকা ইতিমধ্যে একাধিক গৱেষণামূলক অধ্যয়নত ব্যক্ত কৰা হৈছে। গৱেষণাত লাভ কৰা শেহতীয়া তথ্য অনুসৰি, বি.১.৬১৭.২ প্ৰজাতিৰ ভাইৰাছে সম্প্ৰতি ছিংগাপুৰত সংক্ৰমণ আৰম্ভ কৰিছে আৰু দেশখনৰ শিশুও এই ভাইৰাছত আক্ৰান্ত হৈছে।

# আৰু এক বিশ্বযুদ্ধৰ আগজাননী!

এক পৃষ্ঠাৰ পৰা পাছতে উত্তেজনা আৰম্ভ হয়। সাত মে'ৰ নিশা জেৰুজালেমত পেলেষ্টাইনী প্ৰতিবাদকাৰী আৰু ইজৰাইল আৰক্ষীৰ মাজত সূত্ৰপাত ঘটা সংঘৰ্ষত কে'বাশ পেলেষ্টাইনী প্ৰতিবাদকাৰী আৰু ইজৰাইলী আৰক্ষী আহত হয়। পৰম্পৰাগত জেৰুজালেম দিৱস সমদলৰ পূৰ্বে সংঘৰ্ষৰ সূচনা হয়। জেৰুজালেমত অভিযানপন্থী ইহুদীসকলে পৰম্পৰাগতভাৱে উলিওৱা সমদলৰ পূৰ্বে পৰিস্থিতিৰ অৱনতি ঘটে। এই সমদলৰ বাবে ইজৰাইলৰ কৰ্তৃপক্ষই অনুমতি দিছিল। তাৰ পূৰ্বে ১০ মে'ত ইজৰাইলৰ সশস্ত্ৰ বাহিনীয়ে জেৰুজালেমৰ হাৰাম ইশ্ব-শ্বৰীফৰ অল আকছা মছজিদত অতৰ্কিতে অভিযান চলায়। ধুমুহাৰ গতিৰে প্ৰৱেশ কৰি ইজৰাইলী সশস্ত্ৰ বাহিনীয়ে ৰবৰ বুলেট, ষ্টান গ্ৰেণেড, কন্দুৱা গেছ নিক্ষেপ কৰি পেলেষ্টাইনৰ লোকক উৎখাত অভিযান চলায়। ইজৰাইলৰ ভাষ্য অনুসৰি, পেলেষ্টাইনীসকল শিল আদিৰে সুসজ্জিত আছিল। এই সংঘৰ্ষত তিনি শতাধিক পেলেষ্টাইনী আহত হয়। ইয়াৰ পাছতে পেলেষ্টাইনৰ উগ্ৰপন্থী সংগঠন হামাছে আল-আছকা ত্যাগ কৰিবলৈ ইজৰাইলী বাহিনীক চূড়ান্ত সময় বান্ধি দিয়ে। সন্ধিয়ালৈ ইজৰাইলী বাহিনীৰ অভিযানৰ প্ৰত্যুত্তৰত হামাছে কে'বাটাও ৰকেট নিক্ষেপ কৰে। ইজৰাইলে এইবাৰ গাজাত আকাশী আক্ৰমণ চলোৱাত ১০টি শিশুকে ধৰি কমেও ৪২জন পেলেষ্টাইনী নিহত হয়।

বিগত সপ্তাহত ৫৮টি শিশুকে ধৰি কমেও ১৯২জন লোক নিহত হৈছে, ১২ শতাধিক আহত হয়। ইজৰাইলী বাহিনীৰ দাবী অনুসৰি হামাছে বিগত সপ্তাহত কমেও তিনি হেজাৰ ৰকেট নিক্ষেপ কৰে। ২০১৪ৰ যুদ্ধৰ পাছতে এই সংঘৰ্ষ সৰ্বাধিক শোচনীয় বুলি কোৱা হৈছে। এক টেলিভিছন বাৰ্তাত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে পূৰ্ণ শক্তিৰে গাজাত আক্ৰমণ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ বুলি উল্লেখ কৰি কয় যে এনে আক্ৰমণ দীঘলীয়া সময় অব্যাহত থাকিব। হামাছে মূল্য ভৰিব লাগিব বুলিও তেওঁ সকীয়াই দিয়ে। ইজৰাইলৰ নাগৰিকক উদ্দেশি তেওঁ কয় যে শান্তি পুনৰুদ্ধাৰ নকৰাকৈ ক্ষান্ত নহয়।

ইপিনে, মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেনে ইজৰাইল আৰু হামাছৰ মাজত যুদ্ধবিৰতিৰ বাবে আহ্বান জনাইছে। উল্লেখ্য যে ২০১৪ৰ গাজা সংঘৰ্ষতকৈ এইবাৰ অধিক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈছে। আজিও অব্যাহত থকা আক্ৰমণত এই পৰ্যন্ত ৬০ৰ অধিক শিশুকে ধৰি কমেও ২১৩জন পেলেষ্টাইনী নিহত হয়। একে সময়তে ১২জন ইজৰাইলীয়ে প্ৰাণ হেৰুৱাইছে। সোমবাৰৰ পৰা ইজৰাইলী বাহিনীয়ে কে'বাশ বিমান আক্ৰমণৰ লগতে গাজাত পদাতিক সৈন্যৰ জৰিয়তে আক্ৰমণ কৰে। উগ্ৰপন্থী সংগঠন হামাছে আনহাতে মধ্য আৰু কেন্দ্ৰীয় ইজৰাইলত এতিয়ালৈ প্ৰায় তিনি হেজাৰ ৰকেট নিক্ষেপ কৰিছে। সীমান্তৱৰ্তী লেবাননতো পৰিস্থিতি উত্তপ্ত হৈ আছে।

লক্ষ্যণীয় যে ইজৰাইল-পেলেষ্টাইন সংঘাতে আজি ১০ দিনত ভৰি দিলে। বিভিন্ন পৰ্যায়ত কূটনৈতিকভাৱে সমস্যা নিৰসনৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। বিভিন্ন আন্তৰ্জাতিক পক্ষই সমসুৰত এই সংঘৰ্ষৰ অন্ত পেলাবলৈ আহ্বান জনাইছে। ফ্ৰান্সে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত যুদ্ধবিৰতিৰ বাবে প্ৰচেষ্টাৰ নেতৃত্ব লৈছে। পাকিস্তানে ইজৰাইলক গৰিহণা দি সৰ্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰিছে। আনহাতে, উপ-সাগৰীয় আৰৱ দেশসমূহত ইজৰাইলৰ বিৰুদ্ধে পদ প্ৰতিবাদ, সংবাদ মাধ্যম-সামাজিক মাধ্যমত বিক্ষোভ প্ৰদৰ্শিত হৈছে। কঠোৰ সমালোচনাত মুখৰ হৈছে উপসাগৰীয় বাসিন্দা। ইপিনে, চিকাগোত ভাৰতীয়মূলৰ বৃহৎসংখ্যক আমেৰিকানে ইজৰাইলৰ পক্ষত থিয় দিছে।

ইপিনে, ইজৰাইলৰ লক্ষ্য হামাছৰ মুৰব্বী মহম্মদ ডেইফ বুলি প্ৰকাশ কৰিছে ইজৰাইলী বাহিনীয়ে। ইজৰাইলী সেনা বিষয়াই এইদৰে কয়, 'অভিযানকালত আমি মহম্মদ ডেইফক ধৰাশায়ী কৰিবলৈ চেষ্টা কৰিছো। কে'বাবাৰো আমি ডেইফক হত্যাৰ চেষ্টা চলাইছো।' ডেইফ হৈছে হামাছৰ সামৰিক শাখাৰ মুৰব্বী আৰু দীৰ্ঘ বছৰ ধৰি ইজৰাইলৰ 'ম'ষ্ট ৱাণ্টেড' তালিকাত আছে।

### শ্বেইখ জাৰাহ বিতৰ্ক কি?

১৯৪৮ত ঐতিহাসিক পেলেষ্টাইনত ইজৰাইল ৰাষ্ট্ৰ নিৰ্মাণৰ সময়ত হেজাৰ হেজাৰ পেলেষ্টাইনীক বলপূৰ্বক গৃহহাৰা কৰা হৈছিল। এইসমূহৰ ২৮টা পৰিয়াল পূব জেৰুজালেমৰ শ্বেইখ জাৰাহত গৈ বসতি আৰম্ভ কৰে। ১৯৫৬ত জৰ্ডানে পূব জেৰুজালেম শাসন কৰি থকাৰ সময়ত জৰ্ডান চৰকাৰ আৰু ৰাষ্ট্ৰসংঘই পৰিয়ালসমূহৰ ঘৰবোৰ নিৰ্মাণ কৰে। অৱশ্যে ১৯৬৭ত ইজৰাইলে জৰ্ডানৰ পৰা নিজৰ অধীনলৈ নিয়ে এই অঞ্চল। ১৯৭০ৰ আৰম্ভণিত ইহুদী প্ৰশাসনে এই পৰিয়ালকেইটাক ভূমি ত্যাগ কৰিবলৈ কয়। চলিত বৰ্ষত পূব জেৰুজালেমৰ আদালতে পেলেষ্টাইনীক গৃহহাৰা কৰি সংস্থাপিত কৰিবলগীয়া ইহুদী পৰিয়ালৰ পক্ষত ৰায় দিয়ে। ১০ মে'ত ইজৰাইলী উচ্চতম ন্যায়ালয়ে গোচৰৰ শুনানি গ্ৰহণৰ কথা আছিল যদিও সাম্প্ৰতিক হিংসাৰ বাবে স্থগিত ৰখা হয়।

উল্লেখ্য যে ইজৰাইলী-পেলেষ্টাইনী সংঘৰ্ষৰ কেন্দ্ৰবিন্দু হৈছে জেৰুজালেম। ১৯৪৭ৰ ৰাষ্ট্ৰসংঘৰ বিভাজন পৰিকল্পনা অনুসৰি জেৰুজালেম আন্তৰ্জাতিক মহানগৰী হোৱাৰ কথা আছিল। ১৯৪৮ত প্ৰথমখন অৰ্ধেক আৰৱ-ইজৰাইল যুঁজত ইজৰাইলে জেৰুজালেমৰ পশ্চিমৰ অবৈধ দখল কৰে আৰু জৰ্ডানে পূব অংশ দখল কৰে। ১৯৬৭ত ইজৰাইলে জৰ্ডানৰ পৰা পূব জেৰুজালেম দখল আৰু ইহুদী সংস্থাপিত কৰে। সম্প্ৰতি পূব জেৰুজালেমত প্ৰায় ২,২০,০০০জন ইহুদী বাসিন্দা আছে। পূব জেৰুজালেমত জন্মগ্ৰহণ কৰা ইহুদীসকল ইজৰাইলৰ নাগৰিক। আনহাতে, পেলেষ্টাইনীসকলক চৰ্তযুক্ত বসবাসৰ অনুজ্ঞা দিয়া হয়। অৱশ্যে তেওঁলোকে ইজৰাইলৰ নাগৰিকত্বৰ বাবে আবেদন কৰিব পাৰে।



# পুৰণা স্থানতে অস্থায়ীকৈ ব্যৱসায়ীক সংস্থাপনৰ সিদ্ধান্ত

## তেজপুৰ চ’কবজাৰৰ ক্ষতিগ্ৰস্ত ব্যৱসায়ীৰ হৈ স্থানীয় সংস্থাৰ বিধায়কক স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৯ মে’ ঃ** যোৱা আঠ মে’ৰ নিশা এক বিধ্বংসী অগ্নিকাণ্ডত তেজপুৰৰ ব্যৱসায়ীক হৃদপিণ্ড স্বৰূপ চ’ক বজাৰৰ ২৩৫খন দোকান ভস্মীভূত হোৱাৰ পাছত ব্যৱসায়ী আৰু কৰ্মচাৰীসকলৰ মাজত নাজল-নাথল অৱস্থাৰ উদ্ভৱ হোৱাৰ বিপৰীতে বৰ্তমান অস্থায়ী ৰূপত পূৰ্বৰ স্থানসমূহতে ব্যৱসায় কৰাৰ পোষকতা কৰিছে বিধায়ক পৃথ্বিৰাজ ৰাভাই। উল্লেখ্য যে আজি তেজপুৰৰ দি ছ’চিয়েলিষ্ট অৰ্গেনাইজেছনৰ সাধাৰণ সম্পাদ তৃষাণু ভুঞাই চ’ক বজাৰৰ সমগ্ৰ ঘটনাটোৰ বিষয়ে উপায়ুক্ত আৰু বিধায়কৰ স’তে আলোচনা কৰাৰ লগতে স্মাৰকপত্ৰ প্ৰদান কৰে। বিধায়ক ৰাভাই কয় যে তেজপুৰ চ’ক বজাৰত সংঘটিত অগ্নিকাণ্ডত ক্ষতিৰ সন্মুখীন হোৱা ব্যৱসায়ীসকলৰ মাজত একাংশ বিত্তশালী আৰু একাংশ দৰিদ্ৰ ব্যৱসায়ী আছে। তদুপৰি একাংশই দৈনিক ঋণ লৈ দিনটো সেই ধনেৰে ব্যৱসায় কৰাৰ পাছত দৈনিক ঋণ পৰিশোধ কৰাৰ লগতে পৰিয়ালৰ ভৰণ-পোষণ দিব লাগে। তদুপৰি একাংশ দোকানৰ সন্মুখত আন একাংশই চিলাইকে ধৰি সৰু-সুৰা কাম কৰিছিল বুলি উল্লেখ কৰি বিধায়ক ৰাভাই এই সকলো ব্যৱসায়ীৰ বাবে বৰ্তমান তাৎক্ষণিক সকাহ হোৱাকৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব বুলি মন্তব্য কৰে। ইতিমধ্যে প্ৰশাসনৰ স’তে হোৱা আলোচনাত পূৰ্বৰ স্থানতে নতুনকৈ আৰু সম্পূৰ্ণ অস্থায়ী ৰূপত দোকান গৃহ নিৰ্মাণ কৰি দিয়াৰ ব্যৱস্থা কৰা হ’ব বুলি বিধায়কজনে উল্লেখ কৰি পুনৰ কয় যে ব্যৱসায়ীসকলক পৃথক খেলপথাৰত ব্যৱসায় কৰাৰ অনুমতি দিয়াটো সম্ভৱ নহয়। উল্লেখ যে আজি বিয়লি বিধায়কজনক স্মাৰকপত্ৰ প্ৰদানৰ সময়ত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সাধাৰণ সম্পাদক মনোজ কুমাৰ শইকীয়াৰ লগতে স্মাৰকপত্ৰ প্ৰদানকাৰী সংস্থাটোৰ আন দুজন সদস্য দীপাংকৰ কলিতা আৰু মাধুৰ্য কলিতাও উপস্থিত আছিল। উল্লেখ্য যে ইতিমধ্যেই বিপজ্জনক হিচাপে পাঁচবছৰ পূৰ্বেই চিহ্নিত তেজপুৰ চ’ক বজাৰ পুনৰ নিৰ্মাণৰ বাবে চি আই ডি এফ পুঁজিৰ ২৯ কোটি টকা আবণ্টিত হৈ আছে ২০২০-২১ত। উক্ত ধনেৰে বজাৰখন পৰিকল্পিতভাৱে নিৰ্মাণ হ’লে বৰ্তমানৰ ব্যৱসায়ীসকলৰেই নহয় বহু নিবনুৱাৰ বাবেও সংস্থাপনৰ সুযোগ মুকলি হ’ব। এনে অৱস্থাত চ’ক বজাৰতে পুনৰ অস্থায়ী ব্যৱসায় আৰম্ভ হ’লে ইয়াত পুনৰ নিৰ্মাণৰ সময়ত একেই সমস্যাৰ উদ্ভৱ হ’ব নেকি বুলিও প্ৰশ্ন উঠিছে। তদুপৰি তেজপুৰ পৌৰসভাৰ পৰা অতি কম ধনৰ বিনিময়ত দোকান গৃহ লৈ ইয়াত একাংশই গুডাম হিচাপে ব্যৱহাৰ কৰা তথা বহুতে আনক ভাড়ালৈ দিয়াৰ উপৰি পৌৰসভাৰ জ্ঞাতসাৰেই এখন দোকান ভাগ ভাগ কৰি সংখ্যা বৃদ্ধি কৰিছে। এনে ক্ষেত্ৰত এইবোৰ বিষয়ে সম্প্ৰতি গুৰুত্ব দিয়া নহয় বুলিও বিধায়ক ৰাভাই মন্তব্য কৰে।

# গোৱালপাৰাত ৰাইজৰ সহযোগত বিদ্যালয় কৰ্তৃপক্ষৰ পথ মেৰামতি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৯ মে’ ঃ** স্থানীয় ৰাইজৰ সহযোগত বিদ্যালয় কৰ্তৃপক্ষই কালি গোৱালপাৰা জিলাৰ মাটিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত তিনি নম্বৰ বলদমাৰী চৰৰ বালাৰভিঠাপাৰা প্ৰাথমিক বিদ্যালয়ৰ সন্মুখৰ পথ মেৰামতি কৰে। উল্লেখ্য যে গোৱালপাৰা চহৰৰ উপকণ্ঠ অঞ্চলৰ বালাৰভিঠাপাৰা প্ৰাথমিক বিদ্যালয়ৰ সন্মুখৰ পথছোৱাৰ দুৰৱস্থাৰ বাবেই ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্থানীয় ৰাইজেও যাতায়াতৰ নামত দীৰ্ঘদিন ধৰি যমৰ যাতনা ভুগিবলগীয়া হৈছিল। বিশেষকৈ বিদ্যালয়ৰ সন্মুখত বিশাল আকাৰৰ গাঁত হোৱাত সামান্য বৰষুণতে পানী জমা হৈ থকাত ছাত্ৰ-ছাত্ৰীসকলে অধিক দুৰ্ভোগ ভুগিবলগীয়া হৈছিল। পথছোৱাৰ দুৰৱস্থাৰ বিষয়ে বিভাগীয় কৰ্তৃপক্ষৰ লগতে জনপ্ৰতিনিধিক বাৰে বাৰে দাবী জনাই আহিছিল যদিও গুৰুত্ব প্ৰদান কৰা নাছিল। পাছত কাৰো মুখাপেক্ষী নহৈ, স্থানীয় ৰাইজৰ সহযোগত বিদ্যালয়খনৰ প্ৰধান শিক্ষক আবু শ্বামাই নেতৃত্ব দি আজি প্ৰায় ৬০ মিটাৰ পথ মেৰামতি কৰে। ইয়াৰ পূৰ্বেও আংশিক মেৰামতি কৰা হৈছিল যদিও আজি পুনৰ ২০ ট্ৰেক্টৰ মাটি পেলাই বিদ্যালয়ৰ সন্মুখৰ পথছোৱা যাতায়াতৰ বাবে সুচল কৰি তোলা হয়।

# টিহুৰ গোৰৰাদল চিকিৎসালয়ত ক’ভিড প্ৰতিষেধক কেন্দ্ৰ স্থাপনৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৯ মে’ ঃ** টিহু মহকুমাৰ নামবৰভাগ মৌজাৰ গোৰৰাদলত অৱস্থিত গোৰৰাদল-ষাঠিকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত গোৰৰাদল, ষাঠিকুছি, বকুৱাজাৰী আদি ধঅঞ্চলসমূহত দিনে দিনে কৰ’না আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি হোৱাত অঞ্চলবাসী চিন্তিত হৈ পৰিছে। এই অঞ্চলসমূহত কৰ’না সংক্ৰমণ প্ৰতিৰোধৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু গোৰৰাদল-ষাঠিকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ক’ভিড প্ৰতিষেধক কেন্দ্ৰ স্থাপন কৰিবলৈ দাবী উত্থাপন কৰিছে পূব নামবৰভাগ আঞ্চলিক ছাত্ৰ সন্থাই। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত পূব নামবৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি দল এটাই আজি টিহু প্ৰাথমিক প্ৰেৰণ গোটৰ উপ-অধীক্ষক ডাঃ প্ৰমোদ তালুকদাৰৰ জৰিয়তে নলবাৰীৰ যুটীয়া স্বাস্থ্য সঞ্চালকলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। পূব নামবৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি পৰাগজ্যোতি কলিতা আৰু সম্পাদক সমৰ বৰ্মন স্বাক্ষৰিত স্মাৰকপত্ৰখনত উল্লেখ কৰা অনুসৰি সমগ্ৰ বিশ্বৰ লগতে অসমতো মহামাৰী কৰ’নাই সংহাৰী ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰত ক’ভিডৰ প্ৰতিষেধক প্ৰদান কৰি থকা হৈছে; কিন্তু টিহু মহকুমাৰ পূব নামবৰভাগ অঞ্চলৰ ন-১০খন গাঁৱৰ সামৰি গোৰৰাদলত স্থাপন কৰা গোৰৰাদল-ষাঠিকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এই পৰ্যন্ত সেয়া প্ৰদানৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আনকি উক্ত স্বাস্থ্যকেন্দ্ৰখনৰ একমাত্ৰ চিকিৎসকগৰাকীকো ক’ভিডৰ সংক্ৰমণৰ এটি জটিল সময়ত অন্য হাস্পতাললৈ পঠোৱাৰ বাবে বৃহত্তৰ অঞ্চলবাসী ৰাইজ স্বাস্থ্য সেৱা লাভৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। সেয়েহে স্বাস্থ্য কেন্দ্ৰখনৰ চিকিৎসকগৰাকীক পুনৰ চিকিৎসালয়লৈ ঘূৰাই আনিবলৈ আৰু চিকিৎসালয়খনত প্ৰতিষেধক কেন্দ্ৰ স্থাপন কৰি বৃহত্তৰ অঞ্চলবাসী ৰাইজক সকাহ দিবলৈ দাবী জনাইছে।

# প্ৰতিনিশাই সংঘটিত হৈছে চুৰিকাণ্ড ঃ ধৃত দুই

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৯ মে’ ঃ** ডবকাত সান্ধ্য আইনৰ সুযোগ লৈ প্ৰতিনিশাই চুৰি কাণ্ড সংঘটিত হৈ আহিছে। হাঁহ পালনেৰে স্বনিৰ্ভৰশীল হ’ব খোজা স্থানীয় এজন উদ্যোগী যুৱক তথা সাংবাদিক আব্দুল হান্নান তালুকদাৰৰ হাঁহৰ ফাৰ্মত যোৱা কিছু দিন ধৰি প্ৰতিনিশাই চুৰি কাৰ্য সংঘটিত হৈ আহিছে। নিজ ডবকা গাঁৱত থকা আব্দুল হান্নানৰ হাঁহৰ ফাৰ্মত যোৱা নিশা পুনৰ পাঁচটাকৈ হাঁহ চুৰি হয়। সাংবাদিক হান্নানে গোপনে এই বিষয়ে তদন্ত কৰাত সকলো তথ্য পোহৰলৈ আহে। চুৰি হোৱা হাঁহসমূহ চোৰে ডবকাৰ চুহেল আহমেদ নামৰ এজন মাংস ব্যৱসায়ীৰ ওচৰত বিক্ৰী কৰি আহিছিল। চুহেল আহমেদক আৰক্ষীয়ে হাতে-লোটে আটক কৰি থানালৈ আনি সোধপোছ কৰাত আব্দুৰ ৰহিম নামৰ এজন লোকে হাঁহসমূহ বিক্ৰী কৰা বুলি স্বীকাৰ কৰে। আনকি পূৰ্বেও তেওঁ চুৰি হাঁহ ক্ৰয় কৰা বুলি আৰক্ষীৰ আগত স্বীকাৰ কৰে। পাছত আৰক্ষীয়ে তৎপৰতাৰে আব্দুৰ ৰহিম নামৰ গভাইত চোৰজনক আটক কৰে।

# পাণবাৰী উপ-ডাকঘৰত অৰাজকতা ঃ গুৰুত্বপূৰ্ণ নথি-পত্ৰ হেৰাই যোৱাৰ অভিযোগ

**অগ্ৰদূত ব্যুৰ’**

**ৰঙাইগাঁও, ১৯ মে’ ঃ** বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পয়োভৰৰ সময়ত হেৰাই যাব ধৰিছে নেকি ডাকঘৰসমূহৰ গৰিমা, ডাকঘৰৰ বিষয়া-কৰ্মচাৰীয়ে পাহৰি পেলাইছে নেকি নিজৰ কৰ্ম-সংস্কৃতি। চৰকাৰী বাৰ্তাবাহকৰ নিৰ্ভৰযোগ্য অনুষ্ঠান ডাকঘৰৰ ওপৰত উত্থাপন হৈছে এনে গুৰুত্বপূৰ্ণ অভিযোগ। চিৰাং জিলাৰ পাণবাৰী উপ-ডাকঘৰৰ পোষ্ট মাষ্টৰ আৰু পিয়নে ৰাইজক প্ৰয়োজনীয় নথি-পত্ৰসমূহ সময়মতে যোগান নধৰা বুলি অভিযোগ উত্থাপন হৈছে। এই ক্ষেত্ৰত ডাকঘৰটোৰ পিয়ন বিদিত বসুমতাৰীয়ে নিজৰ অধীনত থকা ডাকঘৰটোৰ অন্তৰ্গত বৃহৎ অঞ্চলৰ অজুহাত দেখুৱাই গুৰুত্বহীন কৰি তুলিছে নিজৰ কৰ্তব্য। যাৰ ফলত বিভিন্ন গুৰুত্বপূৰ্ণ নথি-পত্ৰ ডাকঘৰত হেৰাই যোৱা বুলি অভিযোগ উত্থাপিত হৈছে। লগতে বছৰ বছৰ ধৰি প্ৰয়োজনীয় বহু নথি-পত্ৰ ৰাইজৰ হাতত নপৰা বুলি অভিযোগ উত্থাপন হৈছে। ঘটনা সংক্ৰান্তত ডাকঘৰটোৰ পোষ্ট মাষ্টৰ লংকেশ্বৰ বড়োৱে দয়া দায় সৰা মন্তব্যৰে এৰাই চলিবলৈ চেষ্টা কৰিছিল যদিও তেনে অভিযোগ আগতেও পোৱা বুলি স্বীকাৰ কৰে। তেওঁ উল্লেখ কৰা মতে, পিয়নজনে কিছু নথি-পত্ৰ কেইজনমান এজেণ্টক টকাৰ বিনিময়ত বিতৰণ কৰিব দিয়ে।



*কৃষ্ণাইৰ এটি কণ্টেইনমেণ্ট জ’ন, বুধবাৰে।*

# বৰক্ষেত্ৰীৰ বিভিন্ন খহনীয়া অঞ্চল পৰিদৰ্শন বিধায়কৰ

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১৯ মে’ ঃ** বৰক্ষেত্ৰী সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দিগন্ত বৰ্মনে আজি সমষ্টিটোৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ নৈৰ খহনীয়াৰ কৱলত পৰা অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ লগতে মুকালমুৱা সামূহিক চিকিৎসালয়ত উপস্থিত হৈ বিস্তীৰ্ণ অঞ্চলটোৰ ক’ভিড পৰিস্থিতি সন্দৰ্ভত বুজ লয়। আজি পুৱাৰ ভাগত জিলা জলসম্পদ বিভাগৰ বিষয়াক লগত লৈ বিধায়ক বৰ্মনে নাওৰে লাৰকুছিৰ ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে খহনীয়া আৰম্ভ কৰা অঞ্চলসমূহলৈ যায়। নিৰ্বাচিত বিধায়কজনে ক’ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সমষ্টিত উপস্থিত হোৱা নাছিল যদিও অঞ্চলটোত খহনীয়া আৰম্ভ হোৱা বাবে কালি হঠাৎ সমষ্টিত উপস্থিত হৈ মাত্ৰ কেইজনমান সমৰ্থকক লগত লৈ ওলাই আহে। বিধায়কজনে আজিৰ পৰা ততাতৈয়াকৈ খহনীয়া ৰোধৰ বাবে কাম আৰম্ভ কৰাৰ বাবে বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে। লগতে সমষ্টিৰ খহনীয়া সম্পৰ্কে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অৱগত কৰিব বুলিও সাংবাদিকক ব্যক্ত কৰি বৃহত্তৰ এই অঞ্চলৰ খহনীয়া প্ৰতিৰোধ নকৰিলে বৰক্ষেত্ৰীৰ প্ৰায় কুৰিখনৰো আধিক গাঁও নিঃশেষ হ’ব বুলি দুখ প্ৰকাশ কৰে। বিধায়কজনে ইয়াৰ পাছতে মুকালমুৱা সামূহিক চিকিৎসালয়ত উপস্থিত হৈ বৃহত্তৰ অঞ্চলটোৰ ক’ভিড পৰিস্থিতি সন্দৰ্ভত বুজ লয়। মুকালমুৱা সামূহিক চিকিৎসালয়ত সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত মুকালমুৱাত ২৮৮ জন ক’ভিড আক্ৰান্ত লোক থকাৰ বিপৰীতে এতিয়ালৈ দুজন লোকৰ মৃত্যু হোৱা বুলি ব্যক্ত কৰে।

# বুধবাৰ-শনিবাৰে বন্ধ থাকিব চামতা মটৰষ্টেণ্ডৰ স্থায়ী পাচলি বজাৰ

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১৯ মে’ ঃ** চহৰৰ দৰে এতিয়া গাঁওসমূহতো দিনে দিনে বৃদ্ধি পাব ধৰিছে কৰ’না আক্ৰান্তৰ সংখ্যা। নলবাৰী জিলাৰ পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত চামতা মটৰষ্টেণ্ড বৃহত্তৰ অঞ্চলটোৰ এখন বৃহৎ ব্যৱসায়িক কেন্দ্ৰস্থল। কৰ’না অতিমাৰীৰ সংহাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা নীতি নিৰ্দেশনা সদায়ে মানি চলা চামতা মটৰ ষ্টেণ্ড বজাৰ পৰিচালনা সমিতিয়ে এইবাৰ এক নিজাববীয়াকৈ সিদ্ধান্ত লৈ কৰ’না সংক্ৰমণ ৰোধৰ প্ৰয়াস কৰিছে। চামতা বজাৰ পৰিচালনা সমিতিৰ সম্পাদক ৰমেশ ভূঞাই সদৰী কৰা মতে, চামতা মটৰষ্টেণ্ড বজাৰৰ স্থায়ী দৈনিক গধূলি বজাৰখন চৰকাৰৰ এছ অ’ ৰি মতে আবেলিৰ পৰা বন্ধ হৈ থকাৰ লগে লগে চামতাৰ সমীপৰে অৰ্ধসাপ্তাহিক নদলা বজাৰৰ বুধবাৰ আৰু শনিবৰীয়া হাট বজাৰো বন্ধ হৈ পৰিছে। ইয়াৰ বিপৰীতে বুধবাৰ আৰু শনিবাৰে চামতা মটৰষ্টেণ্ডৰ স্থায়ী গধূলি বজাৰখন পুৱাৰে পৰা দোকানী পোহাৰী আৰু গ্ৰাহকৰে ভৰি পৰে। ফলত সামাজিক দূৰত্বৰ নিয়ম ধোঁৱাচাঙত উঠিছে। এনে পৰিপ্ৰেক্ষিততে কালি চামতা মটৰষ্টেণ্ড বজাৰ পৰিচালনা সমিতিয়ে এখন জৰুৰী সভা অনুষ্ঠিত কৰি সপ্তাহটোৰ প্ৰতি বুধবাৰ আৰু শনিবাৰে চামতা মটৰষ্টেণ্ডৰ স্থায়ী গধুলি বজাৰ পুৱাৰে পৰা বন্ধ ৰখাৰ সিদ্ধান্ত কৰিছে। বজাৰ পৰিচালনা সমিতিৰ এনে পদক্ষেপ প্ৰশংসনীয় বুলি বিবেচিত হৈছে। এইফালে চামতা মটৰষ্টেণ্ড বজাৰ প্ৰতিদিনে পুৱা আঠ বজাৰ পৰা দুপৰীয়া ১-৩০ বজালৈ লোকে লোকাৰণ্য হৈ আছে।

# ক’ভিডৰ নীতি-নিয়ম সঠিকভাৱে পালন কৰিবলৈ আহ্বান জিলা উপায়ুক্তৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১৯ মে’ ঃ** মৰিগাঁও জিলাত ক’ভিড-১৯ৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি কালি মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত মায়ং খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলা পৰিষদৰ সদস্য, আঞ্চলিক পঞ্চায়তৰ সদস্য, গাঁও পঞ্চায়তৰ সভাপতি আৰু সচিবসকলৰ উপস্থিতিত অনুষ্ঠিত সজাগতা সভাত জিলা উপায়ুক্ত সীমা ৰেখা ভূঞাই ক’ভিডৰ ক্ষেত্ৰত জিলা প্ৰশাসনে গ্ৰহণ কৰি থকা পদক্ষেপসমূহত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে। ক’ভিডৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে বান্ধি দিয়া নীতি-নিৰ্দেশনাসমূহ সঠিকভাৱে পালন কৰিবলৈ আহ্বান জনাই উপায়ুক্তই কয় যে ক’ভিডৰ জটিল পৰিস্থিতিক মোকাবিলা কৰিবলৈ হ’লে প্ৰত্যেকে সজাগ আৰু সচেতন হ’বই লাগিব। তদুপৰি ক’ভিডৰ ক্ষেত্ৰত কিবা সমস্যা উদ্ভৱ হ’লে ততাতৈয়াকৈ জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়। সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষিতীশ পেগু, অতিৰিক্ত উপায়ুক্ত ৰমী বৰুৱাকে আদি কৰি কে’বাজনো বিষয়াই প্ৰতিষেধক প্ৰদান, হোম আইছ’লেছনত ল’বলগীয়া সাৱধানতা আদিৰ ওপৰত পৰামৰ্শ আগবঢ়াই।

**মায়ং খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ত ক’ভিড-১৯ৰ সজাগতা সভা**

# ব্যৱসায়িক স্থানসমূহত ছেনিটাইজেছন কৰাৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১৯ মে’ ঃ** ৰাজ্যখনত কৰ’না ভাইৰাছে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। দিনকদিনে আক্ৰান্তৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ লগতে মৃত্যুৰ সংখ্যাও বৃদ্ধি পাইছে। ৰাজ্যৰ আন প্ৰান্তৰ লগতে মৰিগাঁও জিলাৰ লাহৰীঘাট অঞ্চলতো কৰ’না আতংক বিৰাজ কৰিছে। ইফালে, লাহৰীঘাট বজাৰত বিভিন্ন ঠাইৰ পৰা নিতৌ আহি আছে আলু, পিঁয়াজকে ধৰি বিভিন্ন সামগ্ৰী ভৰ্তি ট্ৰাক। এই ট্ৰাকসমূহৰ চালক-হেণ্ডিমেনসকলে চলাফুৰা কৰাত ৰাইজৰ মাজত আতংক বৃদ্ধি পাইছে। ক’ভিড পৰীক্ষা নকৰাকৈ অহা চালক-হেণ্ডিমেনৰ দ্বাৰা ভাইৰাছৰ সংক্ৰমণ হোৱাৰ আশংকাই ৰাইজক অধিক শংকিত কৰিছে। এনে ক্ষেত্ৰত লাহৰীঘাট বজাৰত ছেনিটাইজাৰ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য কৰিছে সচেতন ৰাইজে। যাতে অঞ্চলটোত ভাইৰাছৰ সংক্ৰমণ হ’ব নোৱাৰে। সেয়ে লাহৰীঘাট বজাৰৰ ব্যৱসায়িক স্থানসমূহত ছেনিটাইজেছন কৰাৰ লগতে অঞ্চলটোৰ বিভিন্ন স্থানত ছেনিটাইজেছনৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসনক সচেতন ৰাইজে দাবী জনাইছে।

# ক’ভিড পৰীক্ষা, প্ৰতিষেধক প্ৰদানৰ কাম আৰম্ভ মাজবাট মহলীয়াপাৰা আদৰ্শ চিকিৎসালয়ত

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৯ মে’ ঃ** অৱশেষত বাতৰি প্ৰকাশৰ পাছতে গা লৰিল ওদালগুৰি স্বাস্থ্য বিভাগৰ। উদ্বোধনৰ পাছতো বিগত প্ৰায় তিনিমাহে বন্ধ হৈ থকা মাজবাটৰ মহলীয়াপাৰা আদৰ্শ চিকিৎসালয়ৰ দুৱাৰ অৱশেষত মুকলি হ’ল। আজিৰে পৰা চিকিৎসালয়খনত আৰম্ভ হৈছে ক’ভিড পৰীক্ষা তথা প্ৰতিষেধক প্ৰদান প্ৰক্ৰিয়া। ক’ভিড টিকাকৰণৰ সময়ত মাজবাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সূৰজ সোণোৱাল মাজবাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিণ্টু সন্দিকৈ আৰু ওৰাং প্ৰাথমিক স্বাস্থ্য খণ্ডৰ ব্লক বিপিএম পংকজ সভাপণ্ডিত উপস্থিত থাকে। চিকিৎসালয়খনত টিকাকৰণৰ সময়ত ৩৯ নম্বৰ পাঁচনৈ চেৰফাং বিটিচি পৰিষদীয় সমষ্টিৰ এমচিএল দীপক মৌৰও উপস্থিত থাকে। উদ্বোধনৰ তিনিমাহ পাছত আজি চিকিৎসালয়খনত ক’ভিডৰ এনে পদক্ষেপৰ ফলত কিছু পৰিমাণে হ’লেও অঞ্চলটোৰ ৰাইজ উপকৃত হৈছে। উল্লেখ্য যে বিগত আঠ মে’ত ‘দৈনিক অগ্ৰদূত’ কাকতত এই সম্পৰ্কে এক বাতৰি প্ৰকাশ হৈছিল। প্ৰকাশিত বাতৰি অনুসৰি, চলিত বৰ্ষৰ ১৭ ফেব্ৰুৱাৰীত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ দেৰ উপস্থিতিত আনুষ্ঠানিকভাৱে আদৰ্শ চিকিৎসালয়খন উদ্বোধন কৰা হৈছিল। কিন্তু উদ্বোধন হোৱাৰ প্ৰায় তিনিমাহ পাছতো চিকিৎসালয়খনৰ চিকিৎসা সেৱা আৰম্ভ নোহোৱাত স্বাভাৱিকতে বৃহত্তৰ অঞ্চলটো চিকিৎসাৰ পৰা বঞ্চিত হোৱাৰ কথা উল্লেখ কৰা হৈছিল। ওদালগুৰি জিলাখনত উদ্বেগজনক হাৰত বৃদ্ধি পোৱা কৰ’না সংক্ৰমণৰ সময়ত চিকিৎসালয়সমূহত বিছনাৰ নাটনি হোৱাৰো সম্ভাৱনাৰ কথা বাতৰিটোত প্ৰকাশ কৰি চিকিৎসালয়খনৰ সেৱা আৰম্ভ হ’লে অন্ততঃ কিছু পৰিমাণৰ বিছনা ক’ভিড ৰোগীৰ বাবে মুকলি হ’ব বুলিও বিভাগটোক দৃষ্টিগোচৰ কৰা হৈছিল। ইয়াৰ উপৰি মাজবাট অঞ্চলৰ কে’বাটাও দল-সংগঠনে ক’ভিড সংক্ৰমণৰ পৰা ৰক্ষা পাবলৈ অতি শীঘ্ৰে মহলীয়াপাৰা আদৰ্শ চিকিৎসালয়খনত চিকিৎসা সেৱা প্ৰদান কৰিবলৈ মাজবাট ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে স্বাস্থ্যমন্ত্ৰী আৰু স্বাস্থ্য বিভাগলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল। অন্যথা স্বাস্থ্য বিভাগৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰিছিল দল-সংগঠনসমূহে। সমান্তৰালভাৱে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ততাতৈয়াকৈ চিকিৎসালয়খন উদ্বোধন কৰি দায়িত্ব সামৰি চিকিৎসা সেৱা প্ৰদান কৰাৰো অভিযোগ উত্থাপন কৰিছিল একাংশ ৰাইজে।

# চিৰাঙৰ বিজনীত চিকিৎসালয় পৰিদৰ্শন বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্যৰ

**অগ্ৰদূত ব্যুৰ’**

**ৰঙাইগাঁও, ১৯ মে’ ঃ** বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেই কালি বিয়লি ভাগত চিৰাং জিলাৰ বিজনীৰ নিকটৱৰ্তী ভেটাগাঁওস্থিত ৩০খন বিছনাযুক্ত চিকিৎসালয় পৰিদৰ্শন কৰি সাম্প্ৰতিক সময়ত চিকিৎসালখনৰ আন্তঃগাঁথনিৰ সন্দৰ্ভত বুজ লয়। সাম্প্ৰতিক কৰ’না মহামাৰীৰ ভয়াৱহ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চিকিৎসালয়খনত ৰোগীৰ চিকিৎসা আৰু অন্যান্য সা-সুবিধাৰ ওপৰতো বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্যগৰাকীয়ে পৰ্যালোচনা কৰে। তেওঁ চিকিৎসালয়খনৰ পৰিদৰ্শন কালত ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়াক প্ৰয়োজনীয় অভাৱ পূৰণৰ বাবে জিলা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালকৰ ওচৰত আবেদন দাখিল কৰিবলৈ আহ্বান জনায়। বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেৰ লগত বিটিচিৰ পৰিষদীয় সদস্য প্ৰদীপ কুমাৰ বায়ন উপস্থিত থাকে।

# ঢোলমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আটকধুনীয়াকৈ সজাই তুলিছে শিশু উদ্যান


**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৯ মে’ ঃ** হাবি-জংঘলৰে ভৰপূৰ অখ্যাত ঠাইত অৱস্থিত উপ-স্বাস্থ্য কেন্দ্ৰৰ পৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰাৰ লগতে শ্ৰেষ্ঠ স্বাস্থ্য কেন্দ্ৰৰ খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে ঢোলমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো। কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ-আৰক্ষী চকীৰ অন্তৰ্গত স্বাস্থ্য কেন্দ্ৰটো বিশেষকৈ স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ আতোৱাৰ ৰহমানৰ প্ৰচেষ্টাত চাফ-চিকুণকৈ সজাই-পৰাই, নিয়মিত কৰ্তব্য সম্পাদন কৰি অহাৰ ফলশ্ৰুতিত অসম চৰকাৰ-ভাৰত চৰকাৰৰ পৰা সময়ে সময়ে বিভিন্ন বঁটা সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। স্বাস্থ্য কেন্দ্ৰৰ সকলো সা-সুবিধা উপলব্ধ হোৱাৰ লগতে চিকিৎসালয়ৰ চাৰিওফালৰ পকী দেৱাল, আটকধুনীয়া তোৰণ, ৰোগীৰ বহা আসনৰ উপৰি শিশুসকলৰ বাবে উদ্যান নিৰ্মাণ কৰা হৈছে। উদ্যানখন বিভিন্ন ফুল-ফলৰ গছ-গছনিৰে আটকধুনীয়াকৈ সজাই-পৰাই তোলাৰ লগতে উদ্যানৰ ভিতৰত ডাইনোচৰ স্থাপন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। তিনিগৰাকী চিকিৎসক, এগৰাকী জি এন এম নাৰ্ছ, এজন এচিষ্টেণ্ট একাউণ্ট মেনেজাৰ, এজন ফাৰ্মাচিষ্ট, এজন চতুৰ্থবৰ্গৰ কৰ্মচাৰী চৰকাৰী কাম-কাজ চলাই আছে যদিও উদ্যানখন চাফ-চিকুণ কৰাৰ বাবে এজন চাফাই কৰ্মী ৰখা হৈছে। তেওঁক ৰোগীৰ পৰা পাঁচ টকাকৈ সংগ্ৰহ কৰা ধনেৰে মাহেকীয়াকৈ দৰমহা দিয়া হয়। উল্লেখ্য যে স্বাস্থ্য কেন্দ্ৰটোৰ কাম-কাজত সন্তুষ্ট হৈ পশ্চিমবংগ নিবাসী বাদল দাস নামৰ এজন লোকে গৰ্ভৱতী মহিলাসকলক কল-আপেলকে আদি কৰি বিভিন্ন ভিটামিনযুক্ত খাদ্য সামগ্ৰী আগবঢ়াই আহিছে।

# সমাজকৰ্মী হিৰেণ চন্দ্ৰ দাসৰ মৃত্যুত পলাশবাৰীত শোক

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী , ১৯ মে’ ঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰঙামাটিৰ বিশিষ্ট সমাজকৰ্মী, অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী কাৰ্যবাহী অভিযন্তা হিৰেণ চন্দ্ৰ দাস (৬৭)ৰ কালি সন্ধিয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়।




ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ হাস্পতালত ভৰ্তি হোৱাৰ পাছত তেওঁ ক’ভিডত আক্ৰান্ত হৈছিল। মৃত্যুৰ তিনিদিন পূৰ্বে ক’ভিড মুক্ত হৈছিল যদিও হঠাৎ স্বাস্থ্যৰ অৱনতি ঘটি মৃত্যু হয়। এজন নিঃস্বাৰ্থ সমাজকৰ্মী হিচাপে মৃত্যুৰ সময়লৈকে তেওঁ শ্ৰীমন্ত শংকৰদেৱ সংঘ, ৰঙামাটি হাইস্কুল পৰিচালনা সমিতি, নামঘৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াকে ধৰি অঞ্চলটোৰ বিভিন্ন সামাজিক, শৈক্ষিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ স’তে জড়িত আছিল। অমায়িক ব্যক্তিত্বৰ অধিকাৰী আৰু এজন সুদক্ষ বিষয়া হিচাপে সুনাম থকা দাসৰ নৱগ্ৰহ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁৰ আকস্মিক মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সম্পাদক প্ৰধান বাবুল বৰা, সংঘৰ পলাশবাৰী জিলা সমিতি, জিলাৰ অন্তৰ্গত বিভিন্ন শাখা সমিতি, গুৱাহাটী লোকসভাৰ সাংসদ কুইন ওজা, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, প্ৰাক্তন বিধায়ক প্ৰণৱ কলিতা, পশ্চিম গুৱাহাটী সমষ্টিৰ অগপ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সাংবাদিক সংগঠন ই পি মিডিয়া ফ’ৰাম ছাউথ কামৰূপ, অসম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, অগপৰ কামৰূপ জিলা সমিতি, বিজেপিৰ দক্ষিণ কামৰূপ জিলা সমিতিকে ধৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পুত্ৰ-কন্যাকে ধৰি বহু সংখ্যক আত্মীয়ক এৰি যায়।

# ভূমি-ৰাজহ বিভাগৰ সংযুক্ত সচিবৰূপে নিযুক্ত সোণমণি বৰা

**অগ্ৰদূত বাৰ্তা**

**কলাইগাঁও, ১৯ মে’ ঃ** অসমীয়া সু-সন্তান, জ্যেষ্ঠ ভাৰতীয় প্ৰশাসনিক বিষয়া সোণমণি বৰাই ভাৰত চৰকাৰৰ ভূমি ৰাজহ বিভাগৰ সংযুক্ত সচিবৰূপে যোগদান কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে।



তেওঁক প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই (জলসিঞ্চন) যোজনা, ৰাজস্ব আৰু ভূমি প্ৰশাসন আধুনিকীকৰণ আৰু ডিজিটাইজেছনৰ নডেল বিষয়াৰূপে দায়িত্বভাৰ অৰ্পণ কৰা হৈছে। চত্তিছগড় কেডাৰৰ ১৯৯৯ বেটছৰ জ্যেষ্ঠ প্ৰশাসনিক বিষয়াজনে দীৰ্ঘদিনে চত্তিছগড় ৰাজ্যৰ কে’বাটাও উচ্চ পদস্থ পদত কাৰ্যনিৰ্বাহ কৰাৰ পাছত শেহতীয়াভাৱে কেন্দ্ৰীয় চৰকাৰৰ এই গুৰুত্বপূৰ্ণ বিভাগটোত যোগদান কৰা পৰিলক্ষিত হৈছে। নদীদ্বীপ মাজুলীত জন্মগ্ৰহণ কৰা সোণমণি বৰাই ১৯৯৩ত অসম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাত কটন কলেজৰ পৰা প্ৰথম স্থান অধিকাৰ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছিল। পৰৱৰ্তী সময়ত দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত আৰু আমেৰিকাৰ নিউয়ৰ্কৰ চাইৰাকুজ বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। পূৰ্বতে বৰাই উৎকৃষ্ট কামৰ বাবে ভাৰত চৰকাৰ আৰু চত্তিছগড় চৰকাৰৰ পৰা বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

# বাগিচাৰ পৰিচালক বি পি ভট্টাচাৰ্যৰ নিৰ্দেশত বাগিচাখনত চলিছে যুদ্ধকালীন প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৯ মে’ ঃ** ৰাজ্যৰ চৌদিশে ক’ভিডৰ আতংক। বিশ্বনাথ জিলাতো সহস্ৰাধিক ক’ভিড আক্ৰান্তৰে অভিলেখ গঢ়িছে। আজি বিশ্বনাথত আক্ৰান্তৰ সংখ্যা ১০৯৭জন হৈছে; কিন্তু এই অভিলেখ সংখ্যক ক’ভিড আক্ৰান্তৰ সংখ্যায়ো বিচলিত কৰিব পৰা নাই চাহ বাগিচা অধ্যুষিত সমষ্টি বিহালীক। বিহালীৰ চুকে-কোণে এতিয়াও ক’ভিড প্ৰট’কলৰ বিষয়ে জ্ঞাত নহয়। কিন্তু বিহালীৰ বাঘমাৰী চাহ বাগিচাত ক’ভিডৰ বিৰুদ্ধে আৰম্ভ কৰিছে এক বিৰল নিৰ্দৰ্শন। বিহালীৰ ঐতিহাসিক বাঘমাৰী চাহ বাগিচা। শ্ৰমিক উন্নয়নৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰা এইখন বাগিচাই বিহালীত সৃষ্টি কৰিছে এক নিদৰ্শন। ক’ভিডৰ ভয়াৱহতাৰ বাবে শ্ৰমিকসকলক সজাগ কৰিবলৈ বাগিচাখনৰ পৰিচালক বি পি ভট্টাচাৰ্যই আৰম্ভ কৰিছে এক পদক্ষেপ। বাগিচাৰ শ্ৰমিকসকলক ক’ভিড অতিমাৰীৰ পৰা ৰক্ষণাবেক্ষণ দিবৰ বাবে ঠায়ে ঠায়ে কৰিছে সজাগতা সভা। শ্ৰমিকসকলক মাস্ক পিন্ধা বাধ্যতামূলক কৰাৰ লগতে প্ৰতিটো লাইনতে কৰিছে ছেনিটাইজেছন। বাগিচাৰ চিকিৎসালয়খনো প্ৰস্তুত কৰি তুলিছে ক’ভিডৰ স’তে যুঁজিবৰ বাবে।

**ক’ভিডৰ বিৰুদ্ধে সাজু বাঘমাৰী চাহ বাগিচা কৰ্তৃপক্ষ**

# লাহৰীঘাটত আধাৰকাৰ্ডৰ নামত ব্যৱসায়

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১৯ মে’ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বিভিন্ন অঞ্চলত এটা অসাধু চক্ৰই ‘ম’বাইল আধাৰকাৰ্ড প্ৰস্তুত টীম’ বনাই অবৈধভাৱে আধাৰ কাৰ্ড প্ৰস্তুতৰ কাম কৰি থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। চক্ৰটোৱে বিভিন্ন গাঁৱত গৈ আধাৰকাৰ্ড প্ৰস্তুত হৈ আহিবলৈ কৰিবলগীয়া যাৱতীয় কাম কৰি দিয়ে বৃহৎ ধনৰ বিনিময়ত। অভিযোগ মতে, এই অবৈধ ম’বাইল আধাৰ কাৰ্ড প্ৰস্তুত টীমটোৰ নিৰ্দিষ্ট ফোন নম্বৰত যোগাযোগ কৰিলে গাঁৱত গৈ নীতিবহিৰ্ভূতভাৱে আধাৰ প্ৰস্তুতৰ কাম কৰি দিয়ে আৰু একোখন আধাৰ কাৰ্ড বনোৱাৰ বিনিময়ত সংগ্ৰহ কৰিছে আঠশ-এহেজাৰ টকা। চক্ৰটোৱে বিভিন্ন স্থানত এনেদৰে আধাৰকাৰ্ড প্ৰস্তুতৰ নামত ব্যাপক হাৰত ধন সংগ্ৰহ কৰি থকাৰ অভিযোগ উঠিছে। নিয়ম মতে, চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত তথা চৰকাৰীভাৱে স্থাপন কৰা আধাৰকাৰ্ড প্ৰস্তুত কেন্দ্ৰত গৈ তাৰ কৰ্মচাৰীৰ জৰিয়তে উপযুক্ত নথিপত্ৰ জমা দিহে আধাৰ কাৰ্ড প্ৰস্তুত কৰাব লাগে। কিন্তু লাহৰীঘাটৰ বিভিন্ন অঞ্চলত কে’বাজনমান যুৱকে আধাৰ প্ৰস্তুতত ব্যৱহাৰ হোৱা যন্ত্ৰপাতিসমূহ লগত লৈ বিভিন্ন গাঁৱত গৈ নীতিবহিৰ্ভূতভাৱে আধাৰ কাৰ্ড প্ৰস্তুতৰ কাম-কাজ কৰি থকা বুলি অভিযোগ উঠিছে। উক্ত যুৱকৰ দলটোৱে অত্যধিক ধনৰ বিনিময়ত এনেদৰে অবৈধভাৱে আধাৰকাৰ্ড প্ৰস্তুতৰ কাম কৰি আছে। আনহাতে, উপযুক্ত নথিৰ অভাৱত তথা অন্য কোনো কাৰণত যিসকলৰ আধাৰ প্ৰত্যাখ্যান হৈ আহিছে সেইসকলৰ আধাৰ কাৰ্ডো উক্ত চক্ৰটোৱে বিশেষ ব্যৱস্থাৰে প্ৰস্তুত কৰি থকা বুলি অভিযোগ উঠিছে। সম্পূৰ্ণ অবৈধভাৱে আধাৰৰ কাম কৰি থকা উক্ত চক্ৰটোক চিনাক্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচেতন ৰাইজে প্ৰশাসনক আহ্বান জনাইছে।




# ৰাজ্যত 'ব্লেক ফাংগাছ'ত আক্ৰান্তৰ মৃত্যু

*এক পৃষ্ঠাৰ পৰা* উল্লেখ্য যে পলমণিৰ শৰীৰত 'ব্লেক ফাংগাছ'ৰ সন্ধান পোৱাৰ কথা কালি সন্ধিয়া সদৰী হৈছিল। ইয়াৰ পূৰ্বে অসমত এজনো 'ব্লেক ফাংগাছ'ত আক্ৰান্তৰ তথ্য পোহৰলৈ অহা নাছিল। ধিংৰ চমুৱা গাঁৱৰ খীগেন বৰাৰ পুত্ৰ পলমণি প্ৰায় এটা পখেক পূৰ্বে ক'ভিড-১৯ত আক্ৰান্ত হৈছিল। মধুমেহ আৰু যকৃতৰ ৰোগত ভুগি থকা পলমণি আৰু তেওঁৰ মাতৃৰ শৰীৰত যোৱা ছয় মে'ত কৰ'নাৰ উপস্থিতি ধৰা পৰে। তেওঁৰ মাতৃ নিজগৃহতে পৰ্যবেক্ষণত আছিল যদিও অসুস্থতাৰ বাবে পলমণিক নগাঁও ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ১২ মে'ত পৰীক্ষাৰ ফলাফল নিগেটিভ অহাৰ পাছত যুৱকজন নিজগৃহলৈ উভতি আহিছিল যদিও যোৱা ১৫ মে'ত তেওঁৰ শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰাত পলমণিক নগাঁও চহৰৰ এখন ব্যক্তিগত হাস্পতাললৈ নিয়া হয়। অৱশ্যে শাৰীৰিক অৱস্থাৰ দ্ৰুত অৱনতি ঘটাত পলমণিক উন্নত চিকিৎসাৰ বাবে চিকিৎসকে গুৱাহাটীলৈ প্ৰেৰণ কৰে আৰু পৰিয়ালৰ লোকে তেওঁক ১৬ মে'ত গুৱাহাটীৰ এপল' হাস্পতালত ভৰ্তি কৰায়; কিন্তু আজি পুৱা তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে দুবছৰৰ পূৰ্বে এনআৰচিৰ অস্থায়ী কৰ্মীৰূপে কাম কৰা পলমণিয়ে শেহতীয়াকৈ এটা প্ৰতিষ্ঠানৰ 'ডেলিভাৰী বয়'ৰূপে কাম কৰি আছিল।

ইপিনে, যুৱকজন 'ব্লেক ফাংগাছ'ত আক্ৰান্ত হোৱা বুলি সদৰী হোৱাৰ পাছত ধিং অঞ্চলত আতংকৰ সৃষ্টি হৈছে। ইতিমধ্যে এই বাতৰি বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। অৱশ্যে এই কথা মানিবলৈ টান পাইছে পৰিয়ালে। এপল' হাস্পতালৰ চিকিৎসকে 'ব্লেক ফাংগাছ'ত পলমণিৰ মৃত্যু হোৱা বুলি পৰিয়ালক জনোৱা নাই বুলি পৰিয়ালৰ লোকে আজি সংবাদ মাধ্যমৰ আগত সদৰী কৰে। পৰিয়ালৰ লোকে জনাইছে যে সুস্থ হৈ হাস্পতালৰ পৰা উভতি অহাৰ পাছত পলমণিয়ে অধিক তাপমাত্ৰাৰ গৰমপানী পান কৰাৰ ফলত ডিঙিত কিছু অসুবিধা পাইছিল। আনহাতে, ধিঙৰ চক্ৰ বিষয়া, ধিং আৰক্ষী আৰু এফআইভিউতো যুৱকজনৰ 'ব্লেক ফাংগাছ'ত মৃত্যু হোৱাৰ কোনো তথ্য নাই বুলি সদৰী কৰিছে। অৱশ্যে এপল' হাস্পতালৰ তৰফৰ পৰা এই কথা নিশ্চিত কৰিছে।

# অক্সিজেনৰ নাটনিৰ আশংকাত

*এক পৃষ্ঠাৰ পৰা* তেনেদৰে বন্ধ হৈ থকা উৎপাদন ইউনিট পুনৰ মুকলি কৰিলেও এশ শতাংশ বিনামূলীয়া বিদ্যুৎ লাভ কৰিব। তদুপৰি বৰ্তমান চলি থকা উদ্যোগ সম্প্ৰসাৰণ কৰিলেও এশ শতাংশ বিনামূলীয়া বিদ্যুৎ যোগান ধৰা হ'ব। ইয়াৰ উপৰি বৰ্তমান উৎপাদন চলি থকা উদ্যোগসমূহকো ২০ শতাংশ বিনামূলীয়া বিদ্যুৎ চৰকাৰে যোগান ধৰিব। মহন্তই কয়, 'চৰকাৰৰ এই সিদ্ধান্তবোৰে যোৱা পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হ'ব আৰু বিত্তীয় বৰ্ষ হিচাপে এপ্ৰিলৰ পহিলা এপ্ৰিলৰ পৰা ২০২২ৰ ৩১ মাৰ্চলৈ প্ৰযোজ্য হ'ব।' অসমত বৰ্তমান ক'ভিড চিকিৎসাৰ বাবে অক্সিজেনৰ নাটনি হোৱা নাই; কিন্তু সম্ভাব্য পৰিস্থিতিৰ বাবে আমি সাজু থাকিব লাগিব। আন কে'বাখনো ৰাজ্যৰ পৰিস্থিতিৰ তুলনাত অসমৰ বৰ্তমানৰ অক্সিজেনৰ যোগান মুঠেই পৰ্যাপ্ত নহয়। তেনে পৰিস্থিতিত নাটনি হ'ব।' সেয়েহে আমি সাজু থাকিব লাগিব।' স্বাস্থ্যমন্ত্ৰীজনে হোম আইছ'লেচনৰ কালি জাৰি কৰা নতুন নিৰ্দেশিকাসম্পৰ্কে সংবাদমেলত সদৰী কৰে। আনহাতে, তেওঁ কয় যে যোগান পৰ্যাপ্ত নথকা বাবেই অসম চৰকাৰে লক্ষ্য অনুসৰি প্ৰতিষেধক প্ৰদান কৰিব পৰা নাই; তেওঁ দাবী কৰে যে কে'বাখনো ৰাজ্যত প্ৰতিষেধক প্ৰদান বন্ধ হৈছে। তাৰ বিপৰীতে অসমে দৈনিক ন্যূনতম ৫০ হেজাৰ প্ৰতিষেধক প্ৰদান কৰি থাকিবলৈ সক্ষম হৈছে।

বৈঠকৰ আন আন সিদ্ধান্তবোৰৰ সদৰী কৰি চৰকাৰৰ মুখপাত্ৰ মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে এতিয়াৰ পৰা বি টি আৰ, কাৰ্বি আংলং আৰু ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পদকেইটা কেবিনেট মৰ্যাদাৰ হ'ব। আন এটা সিদ্ধান্ত হ'ল যে এতিয়াৰ পৰা জিলাবোৰৰ দায়িত্বপ্ৰাপ্ত মন্ত্ৰীৰ পৰিবৰ্তে অভিভাৱক মন্ত্ৰী থাকিব। হাজৰিকাই কয়, 'অভিভাৱক মন্ত্ৰী হিচাপে যিকেইখন জিলাৰ দায়িত্ব যিজন মন্ত্ৰীয়ে লাভ কৰিব সেইজনে সংশ্লিষ্ট জিলাখনৰ উন্নয়ন, আইন-শৃংখলা আদি সকলো দিশ চাব লাগিব। জিলাৰ বিষয়বোৰ লৈ মুখ্যমন্ত্ৰীয়ে অভিভাৱক মন্ত্ৰীসকলৰ লগত আলাপ-আলোচনাৰে তেওঁ কাম কৰিব লাগিব।' বৈঠকে অসমৰ মহাধিবক্তাৰূপে জ্যেষ্ঠ অধিবক্তা দেৱজিৎ শইকীয়াক নিযুক্তি দিয়াৰ সিদ্ধান্তও গ্ৰহণ কৰে বুলি হাজৰিকাই জনায়। ইয়াৰ পূৰ্বে মহাধিবক্তা আছিল ৰমেশ বৰপাত্ৰ গোহাঁই।

# শিশু সন্তানৰ সন্মুখতে পিতৃ-মাতৃক হত্যা

*এক পৃষ্ঠাৰ পৰা* আৰক্ষী চকীৰ অন্তৰ্গত পাইকানডাঙা দ্বিতীয় খণ্ড গাঁৱত।

ঘটনাৰ প্ৰত্যক্ষদৰ্শী দুৰ্ভাগীয়া শিশুটিয়ে আৰক্ষী আৰু সংবাদ মাধ্যমক জনোৱা মতে, প্ৰবল বতাহ-বৰষুণৰ মাজতে পাঁচজনীয়া ডকাইতৰ দলটোৱে মাজনিশা তেওঁলোকৰ ঘৰৰ খিৰিকী ভাঙি ভিতৰত প্ৰৱেশ কৰে। ভিতৰত প্ৰৱেশ কৰিয়ে দলটোৱে প্ৰথমে শিশুটিৰ পিতৃ জাকিৰ হুছেইন আৰু মাতৃ আছমা বেগমক গামোচাৰে ডিঙিত চেপি হত্যা কৰে। এই সমগ্ৰ ঘটনাৰ শিশুটিৰ চকুৰ সন্মুখতে সংঘটিত হয়। হত্যাৰ পাছত ডকাইতৰ দলটোৱে শিশুটিক লৈ ঘৰৰ পৰা ওলাই পলায়ন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পাছতে শিশুটিয়ে গৈ চুবুৰীয়া আত্মীয়ক ঘটনাৰ বিষয়ে অৱগত কৰে। লগে লগে অঞ্চলটোৰ মানুহৰ মাজত হুৱাদুৱা লাগে আৰু ঘৰৰ ভিতৰত মৃতদেহ দুটা প্ৰত্যক্ষ কৰে। ইয়াৰ পূৰ্বেই ডকাইত দলটোৱে নগদ ধন তথা সোণ-ৰূপৰ অলংকাৰ লুট কৰি নিৰ্বিঘ্নে আঁতৰি গৈছিল।

ইপিনে, ঘটনাৰ বিষয়ে অৱগত হৈ নিশাই আৰক্ষী দল এটাই ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে আৰু মৃতদেহ উদ্ধাৰ কৰি আজি ময়নাতদন্তৰ পৰীক্ষাৰ বাবে ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আজি দুপৰীয়া ধুবুৰীৰ আৰক্ষী অধীক্ষক আৰু চিআইডিৰ দল আৰু এটা ডগ স্কোৱাড দলো ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে প্ৰশিক্ষিত কুকুৰৰ দ্বাৰা অনুসন্ধান অব্যাহত ৰাখিছে যদিও বাতৰি যুগুতোৱা পৰ্যন্ত ডকাইতৰ কোনো ভুমুকি লাভ কৰা নাই। আনহাতে, আজি অঞ্চলটোৰ শতাধিক লোকে ঘটনাস্থলীত উপস্থিত হৈ দোষীৰ শীঘ্ৰে বিচাৰ কৰাৰ দাবী তোলে। উল্লেখ্য যে হত্যাৰ বলি হোৱা হুছেইন এখন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ শিক্ষক আৰু তেওঁৰ পত্নী হাউলেটাৰী চৰকাৰী স্বাস্থ্য কেন্দ্ৰত নাৰ্ছৰূপে নিয়োজিত আছিল।

# আত্মহত্যাৰ টোকা লিখি সন্ধানহীন

*এক পৃষ্ঠাৰ পৰা* বহু গীতত কণ্ঠ নিগৰোৱা শিল্পী শিৱচৰণ দাস। ইয়াকে লৈ ডিব্ৰুগড়ত পৰিয়ালৰ লগতে গুণমুগ্ধসকলৰ মাজত সৃষ্টি হৈছে তীব্ৰ উৎকণ্ঠাৰ। উল্লেখ্য যে এগৰাকী শ্ৰোতা, দৰ্শক নিজৰ গীতৰ দ্বাৰা এক প্ৰকাৰৰ সমোহিত কৰি ৰখা, প্ৰখ্যাত চাহ জনগোষ্ঠীয় শিল্পীগৰাকীয়ে পত্নী আৰু পৰিয়ালক উদ্দেশ্য কৰি এটা আত্মহত্যাৰ টোকা লিখি আজি পুৱাই ঘৰৰ পৰা নিৰুদ্দেশ হয়। আত্মহত্যাৰ টোকাত কণ্ঠশিল্পীগৰাকীয়ে এইদৰে লিখে, 'সুৰেশৰ মা, তোকে লিখে জানছি তৰা সবাই ভালো কৰে থাকবি। সুৰেশ, দোলনা, বেবী বাবলি, আৰ যত নাতি-নাতিনী সবাইকে হামাৰ সব থাকল। তাকেও হামাৰ মৰম থাকল। হামাকে খোজা কৰি দিবি। হামি এখন যাছি ব্ৰহ্মপুত্ৰ নদী মা গংগাৰ চৰণে। তৰা সবাই সুখে থাকবি।' পত্নী আৰু পৰিয়ালক উদ্দেশি হঠাতে এইদৰে আত্মহত্যাৰ টোকা লিখি পুৱাই ওলাই যায় বিশিষ্ট শিল্পীগৰাকী। ৭০ উৰ্দ্ধৰ চাহ জনগোষ্ঠীয় কণ্ঠশিল্পীগৰাকী অনাতাঁৰ শিল্পীয়ে জীৱনৰ বিয়লি বেলাত এনেদৰে কিয় জীৱনৰ চৰম সিদ্ধান্ত ল'বলগীয়া হ'ল সেয়া লৈ এতিয়া ডিব্ৰুগড়ত শিল্পী সমাজৰ মাজত চৰ্চা চলিছে। উল্লেখ্য যে অকলশৰীয়া মই এটি ছায়া, চাহ গছৰ ঔষৰ লুকাই দুয়ো দুমোৰা সৰি, চকুৰ কথা পাই যায়, বুধবাৰ মৰমতে লক্ষ্মী পমি যায় আদি গীতৰে এসময়ত প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰা শিল্পীগৰাকীয়ে ৬০ দশকত অনাতাঁৰ শিল্পীৰূপে স্বীকৃতি লাভ কৰিছিল। তদুপৰি এইচ এম ভিত ৰেকৰ্ডিং কৰা তথা স্বনামধন্য শিল্পী ড° ভূপেন হাজৰিকাৰ স'তে বহু কাম কৰি যোৱা বিখ্যাত কণ্ঠ শিল্পী শিৱচৰণ দাসৰ ঘৰ ডিব্ৰুগড় চহৰৰ জ্যোতি নগৰত। আজি পুৱা আত্মহত্যাৰ টোকা উদ্ধাৰৰ পাছতে পৰিয়ালৰ লোকসকল হতভম্ব হৈ পৰে। প্ৰখ্যাত সংগীত শিল্পীগৰাকীৰ এনে আচৰণ আৰু সন্ধানহীন হৈ পৰাক লৈ এতিয়া ব্যাপক উৎকণ্ঠা আৰু মৰ্মবেদনাৰ সময় কটাইছে পৰিয়াল সদস্যই। আত্মহত্যাৰ টোকা লিখি তেওঁ কিয় এইদৰে নিৰুদ্দেশ হ'ল সেয়া স্পষ্ট হোৱা নাই। ইফালে, ঘটনা সন্দৰ্ভত শিল্পীগৰাকীৰ জোঁৱায়েকে আজি আৰক্ষী চকীত নিৰুদ্দেশ সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰিছে। পৰিয়ালে কোনো হাই-কাজিয়া হোৱা নাই বুলিও সংবাদ মাধ্যমৰ আগত জোঁৱায়েকে সদৰী কৰিছে। ইপিনে, শিল্পীগৰাকীৰ পত্নী কল্যাণী দাসে কয়, 'মই প্ৰত্যেক দিনৰ দৰে আজিও পুৱা ঘৰখন চাফা কৰি চাহ টেমীটো লৈ দেখোঁ মানুহজন নাই আৰু কাগজত লিখি থৈ যোৱা আত্মহত্যাৰ টোকাটো প্ৰত্যক্ষ কৰো। মানুহজন কিয় এইদৰে নাইকিয়া হ'ল মই একো গমেই নাপাওঁ।' স্বাভাৱিকতে জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীৰ এনে নিৰুদ্দেশে এতিয়া সকলোকে মৰ্মাহত কৰিছে।

# ক্ৰমশ হ্ৰাস সংক্ৰমণ, বাঢ়িছে মৃত্যু ঃ ৰহস্য

*এক পৃষ্ঠাৰ পৰা* সৰ্বোচ্চ ৪,৫২৯ জনলৈ বৃদ্ধি পাইছে। যোৱা ১৩ মে'ত দেশত ক'ভিডত আক্ৰান্ত হৈছিল তিনি লাখ ৬২ হেজাৰ ৭২৭ জন লোক। আনহাতে, উক্ত দিনা ভাৰতত ক'ভিডত ৪,১২০ জন লোকৰ মৃত্যু হৈছিল। ইয়াৰ পিছদিনা ১৪ মে'ত দেশত তিনি লাখ ৪৩ হেজাৰ ১৪৪ জন লোক ক'ভিডত আক্ৰান্ত হোৱাৰ লগতে চাৰি হেজাৰ জন লোকৰ কৰ'নাত মৃত্যু হৈছিল। ১৭ মে'ত আক্ৰান্তৰ সংখ্যা দুই লাখ ৮১ হেজাৰ ৩৮৬ জনলৈ হ্ৰাস পায়। কিন্তু একেটা দিনতে ক'ভিডত প্ৰাণ হেৰুৱালে ৪,১০৬ জন লোকে। এইদৰে দেশত এফালে ক'ভিড আক্ৰান্তৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে ইয়াৰ বিপৰীতে কৰ'নাত মৃতকৰ সংখ্যা প্ৰতিদিনে অভিলেখসংখ্যক হোৱাটোৱে ৰহস্যৰ সৃষ্টি কৰিছে। ৰাজ্য হিচাপে পশ্চিমবংগৰ ক্ষেত্ৰত একেধৰণৰ পৰিস্থিতি প্ৰত্যক্ষ কৰা হৈছে। ৰাজ্যখনত ক'ভিড সংক্ৰমণ হ্ৰাস পাইছে যদিও মৃত্যুৰ সংখ্যা তেনেদৰে হ্ৰাস পোৱা নাই। যোৱা ২৪ ঘণ্টাত পশ্চিমবংগত ১৯,৪২৮ জন কৰ'নাত সংক্ৰমিত আৰু ১৪৫ জনৰ মৃত্যু হৈছিল। যোৱা ১৩ মে'ত ৰাজ্যখনত ২০,৮৩৯ জন, ১৪ মে'ত ২০,৮৪৬ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। কিন্তু যোৱা ১৬ আৰু ১৭ মে'ত ৰাজ্যখনত সৰ্বাধিক ১৪৭ জন লোকৰ কৰ'নাত মৃত্যু হৈছিল। অৰ্থাৎ পশ্চিমবংগতো সংক্ৰমণ হ্ৰাস পালেও সমগ্ৰ দেশৰ দৰে মৃত্যুৰ সংখ্যা উৰ্দ্ধমুখী হৈছে।

### সংক্ৰমণ-মৃত্যুৰ প্ৰভেদৰ ৰহস্য কি?

স্বাস্থ্যখণ্ডৰ স'তে জড়িত বিশেষজ্ঞসকলৰ মতে, ক'ভিডৰ সংক্ৰমণ হ্ৰাস-বৃদ্ধি জনাৰ একমাত্ৰ উপায় হৈছে পৰীক্ষণ। পৰীক্ষা কৰালে ক'ভিড পজিটিভ হ'লে তাৰ তথ্য লাভ কৰা হ'ব; কিন্তু ভাৰতত সম্প্ৰতি ক'ভিড পৰীক্ষণৰ হাৰ যথেষ্ট হ্ৰাস পাইছে। নানা কাৰণত ক'ভিড পৰীক্ষণ সীমিত হোৱাৰ ফলত দেশত আক্ৰান্তৰ সংখ্যা হ্ৰাস পাইছে। বহু ক্ষেত্ৰত পৰীক্ষা কৰা লোকৰ ক্ষেত্ৰতো তথ্যপাতি সঠিকভাৱে নথিভুক্ত নোহোৱাৰ অভিযোগ উঠিছে। এনেবোৰ কাৰণত দেশত হঠাতে ক'ভিড সংক্ৰমিত ৰোগীৰ সংখ্যা হ্ৰাস পাইছে; কিন্তু মৃত্যুৰ ক্ষেত্ৰত তথ্য নথিভুক্ত নকৰাৰ কোনো উপায় নাই। ফলত মৃত্যুৰ পৰিসংখ্যাৰ এক সঠিক হিচাপ লাভ কৰা গৈছে। চিকিৎসক মহলৰ একাংশই ক'ব বিচাৰে যে কেন্দ্ৰীয় চৰকাৰে দেশত সংক্ৰমণ হ্ৰাস পোৱাটো প্ৰমাণ কৰিব বিচাৰে আৰু সেয়েহে দেশত দৈনিক পৰীক্ষণ সম্প্ৰতি সীমিত কৰা হৈছে আৰু ফলত দৈনিক সংক্ৰমণ হ্ৰাস পাইছে। কিন্তু মৃত্যুৰ পঞ্জীয়ন বাধ্যতামূলক হোৱা হেতুকে ক'ভিডত মৃতকৰ সংখ্যা বৃদ্ধি পাইছে। আন এক ব্যাখ্যা হ'ল— কৰ'নাৰ দ্বিতীয়টো ঢৌ অধিক মাৰাত্মক আৰু প্ৰাণঘাতী। ফলত সমষ্টিগতভাৱে সংক্ৰমণ হ্ৰাস পালেও অধিক সংখ্যক ক'ভিড আক্ৰান্তৰ প্ৰাণ কাঢ়িবলৈ এই মাৰাত্মক ভাইৰাছ সফল হৈছে। সংক্ৰমণ কমিলে মৃত্যুও হ্ৰাস পায়— অতীতত অতিমাৰীৰ ক্ষেত্ৰত এনে বহু প্ৰমাণ লাভ কৰা হৈছিল। কিন্তু দৈনিক সংক্ৰমণ হ্ৰাস পাইছে অথচ দৈনিক মৃত্যুৰ সংখ্যা বাঢ়িছে— এনে তথ্য ক'ভিড কালতে দেশত প্ৰথমবাৰ লাভ কৰা হৈছে। ক'ভিডৰ এই প্ৰৱণতা অধিক দিন অব্যাহত থাকিলে বিষয়টোৰ সন্দৰ্ভত গৱেষণা কৰাৰ থল থাকিব বুলি চিকিৎসক বিশেষজ্ঞসকলে মন্তব্য কৰিছে।

### দৈনিক সংক্ৰমণ পুনৰ হ্ৰাস, অভিলেখ ৰচি প্ৰথমবাৰ দেশত মৃত্যু ৪,৫২৯ জনৰ

বিগত তিনিদিন ধৰি দেশত কৰ'নাত সংক্ৰমণ তিনি লাখৰ তলত আছে। কিন্তু সংক্ৰমণ হ্ৰাস পালেও দেশত দৈনিক মৃত্যু প্ৰতিদিনে বৃদ্ধি পাইছে। অতিমাৰীৰ সমগ্ৰ পৰ্বত ক'ভিডে এদিনত সৰ্বোচ্চ মৃত্যুৰ অভিলেখ কালি ৰচিছিল। আজি উক্ত অভিলেখো ভংগ কৰিলে কৰ'নাই। ইয়াৰ লগতে প্ৰথমবাৰৰ বাবে দেশত এদিনত চাৰে চাৰি হেজাৰৰো অধিক লোকৰ কৰ'নাত মৃত্যু হ'ল। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ কৰ'নাত সংক্ৰমিত হ'ল দুই লাখ ৬৭ হেজাৰ ৩৩৪ জন লোক। মঙলবাৰৰ তুলনাত সংক্ৰমিতৰ সংখ্যা চাৰি হেজাৰৰ সামান্য অধিক। বৰ্তমানলৈকে দেশত দুই কোটি ৫৪ লাখৰো অধিক লোক ক'ভিডত আক্ৰান্ত হ'ল। আনহাতে, যোৱা ২৪ ঘণ্টাত ক'ভিডে প্ৰাণ কাঢ়িলে ৪,৫২৯ জন লোকৰ। বৰ্তমানলৈকে দেশত কৰ'নাত দুই লাখ ৮৩ হেজাৰ ২৪৮ জন লোকে ক'ভিডত প্ৰাণ হেৰুৱালে।

বিগত কিছুদিন ধৰি দেশত ক'ভিডৰ পৰীক্ষণ যথেষ্ট হ্ৰাস পাইছিল যদিও যোৱা ২৪ ঘণ্টাত দেশজুৰি ২০ লাখৰো অধিক লোকৰ পৰীক্ষণ সম্পন্ন হ'ল। এদিনৰ পৰীক্ষাৰ নিৰিখত এই সংখ্যা বৰ্তমানলৈকে সৰ্বোচ্চ। নতুন আক্ৰান্তৰ সংখ্যা কম হোৱা হেতুকে দেশত সক্ৰিয় ৰোগীৰ সংখ্যা বিগত কে'বাদিন ধৰি হ্ৰাস পাবলৈ ধৰিছে। প্ৰায় ৩৭.৫ লাখৰ পৰা হ্ৰাস পাই দেশত বৰ্তমানে সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা ৩২ লাখ ২৬ হেজাৰ ৭১৯ জন হৈছে। যোৱা ১৬ জানুৱাৰীৰ পৰা দেশত ক'ভিডৰ টিকাকৰণ অভিযান আৰম্ভ কৰা হৈছিল। বৰ্তমানলৈকে ভাৰতত ১৮.৫ কোটিৰো অধিক লোকে ক'ভিড প্ৰতিষেধক লাভ কৰিলে। অৱশ্যে যোৱা কে'বাসপ্তাহ ধৰি দেশত টিকাকৰণ অভিযান মন্থৰ হোৱাৰ অভিযোগ উঠিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যাত টিকাকৰণ হ্ৰাস পোৱাৰ তথ্য স্পষ্ট হৈছে। বিগত ২৪ ঘণ্টাত ভাৰতত ১৩ লাখ ৫৬ হেজাৰ ১৫৩ জন লোকৰ টিকাকৰণ সম্পন্ন হ'ল।

# গোসাঁইগাঁৱৰ গুৰুফেলা বজাৰত চুৰি

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১৯ মে' ঃ** সান্ধ্য আইনৰ সুযোগতে গোসাঁইগাঁও মহকুমাৰ কচুগাঁও থানাৰ অন্তৰ্গত গুৰুফেলা বজাৰত যোৱা নিশা বলোৰাম গোস্বামীৰ ম'বাইল দোকানত চুৰি হয়। চোৰে ১৩ লাখ টকা মূল্যৰ সামগ্ৰী চুৰি কৰে।

# আতংকিত নহ'ব! ব্লেক

*এক পৃষ্ঠাৰ পৰা* ছয় বজাত মৃত্যু মুখত পৰে। দিল্লী-মুম্বাই-ৰাজস্থানৰ দৰে অসমতো এই ৰোগৰ উপস্থিতি ধৰা পৰাৰ পাছত আজি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ডাঃ হৰ্ষবৰ্ধনৰ স'তে স্বাস্থ্যমন্ত্ৰী মহন্তই এক পৰ্যালোচনা বৈঠকত অংশ লোৱা বুলি সদৰী কৰি কয়, 'ব্লেক ফাংগাছৰ উপস্থিতিৰ সন্দৰ্ভত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অৱগত কৰা হৈছে। এই ৰোগৰ যাতে অধিক সম্প্ৰসাৰণ হ'ব নোৱাৰে তাৰ বাবেও যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সমগ্ৰ বিষয়টো পৰীক্ষা কৰি থকা হৈছে আৰু এই ৰোগ নিৰাময়ৰ ঔষধ শীঘ্ৰে মোকলাই দিবলৈ কেন্দ্ৰীয় মন্ত্ৰীজনক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আহ্বান জনাইছো। কাৰণ এই ৰোগৰ ঔষধ প্ৰদান কৰা ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত থাকে।' উল্লেখ্য যে 'ব্লেক ফাংগাছ'ত অধিক আতংকিত নহ'বলৈ ৰাজ্যবাসীক আহ্বান জনাই এই ৰোগৰ পৰ্যাপ্ত চিকিৎসা ব্যৱস্থা অসমত উপলব্ধ বুলিও স্বাস্থ্যমন্ত্ৰী মহন্তই সদৰী কৰে।

ইফালে, 'ব্লেক ফাংগাছ' এটা পুৰণি ৰোগ আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এই চিকিৎসাৰ সম্পূৰ্ণ ব্যৱস্থাপনা আছে বুলি অধ্যক্ষ ডাঃ অচ্যুৎ বৈশ্যই সদৰী কৰি ৰাইজক আতংকিত নহ'বলৈ আহ্বান জনাইছে। তেওঁ কয় যে 'ব্লেক ফাংগাছ' আজিৰ নহয়, পূৰ্বতেও এই ৰোগৰ সংক্ৰমণ হৈছিল। এই ৰোগৰ চিকিৎসা পূৰ্বৰে পৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত উপলব্ধ। কালি অসমতো ৰোগীৰ দেহত ইয়াৰ সংক্ৰমণ ধৰা পৰিছে। 'ৰাইজলৈ এটাই আহ্বান আতংকিত নহ'ব। চিকিৎসকসকল এই ৰোগৰ চিকিৎসাৰ বাবে সক্ষম।' ডাঃ বৈশ্য এইদৰে মন্তব্য কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল এই ৰোগৰ চিকিৎসা বাবে সাজু বুলি মন্তব্য কৰে। এই ৰোগৰ ঔষধ মজুত থকা কথাও সদৰী কৰে জ্যেষ্ঠ চিকিৎসকজনে।

# ফলাফল ঘোষণাৰ এপষেক

*এক পৃষ্ঠাৰ পৰা* লৈ তীব্ৰ ৰাজনৈতিক যুঁজো কংগ্ৰেছত অব্যাহত আছে। উল্লেখ্য যে প্ৰধান বিৰোধী দল হিচাপে কংগ্ৰেছ বিধায়িনী দলৰ দলপতিজন বিৰোধী দলপতিও হ'ব। বিৰোধী দলপতি পদটোৰ যথেষ্ট মৰ্যাদা আছে। চৰকাৰী বিভিন্ন অতিৰিক্ত সা-সুবিধা বিৰোধী দলপতিয়ে ভোগ কৰিব পাৰে। সেয়েহে দায়িত্ব পালন কৰিব পাৰকে বা নোৱাৰক পদটোৰ প্ৰতি আকৰ্ষণ বহুতৰে। কংগ্ৰেছতো সেয়াই হৈছে। তাৰ লগতে লবী ৰাজনীতিয়ে অগ্ৰাধিকাৰ পাইছে।

কংগ্ৰেছ বিধায়িনী দলপতি হিচাপে প্ৰথমতে নাম চৰ্চাত আছিল মৰিয়নিৰ পৰা চতুৰ্থবাৰলৈ নিৰ্বাচিত ৰূপজ্যোতি কুৰ্মী আৰু থাওৰাৰ পৰা দ্বিতীয়বাৰৰ বাবে বিধায়ক হোৱা সুশান্ত বৰগোহাঁইৰ নাম। কিন্তু বৰ্তমান বৰগোহাঁইৰ নাম এই যুঁজৰ পৰা বাদ পৰিছে। তাৰ পৰিৱৰ্তে নাম অন্তৰ্ভুক্ত হৈছে দলৰ জ্যেষ্ঠ নেতা তথা অগপৰ প্ৰাক্তন মন্ত্ৰী ভৰত নৰহৰ। দীৰ্ঘদিনৰ মূৰত নাওবৈচাৰ পৰা বিধায়ক নিৰ্বাচিত হোৱা নৰহে পদটো দখল কৰিবলৈ সকলো ধৰণৰ তৎপৰতা অব্যাহত ৰাখিছে। নৰহক একাংশ জ্যেষ্ঠ আৰু কনিষ্ঠ বিধায়কে সমৰ্থনো জনাইছে। ইয়াৰ মূলতে হ'ল ৰূপজ্যোতি কুৰ্মীৰ সমৰ্থকক প্ৰতিহত কৰা। যোৱা বিধানসভাত কংগ্ৰেছৰ তথা বিৰোধী দলৰ দলপতি আছিল দেৱব্ৰত শইকীয়া। কিন্তু শইকীয়া দায়িত্ব পালনত ব্যৰ্থ হোৱাৰ অভিযোগ তুলি তেওঁক অপসাৰণৰ অভিযান আৰম্ভ হয়। চৰ্চা অনুসৰি, ৰকিবুল হুছেইনসহ দুই-এজন জ্যেষ্ঠ নেতাৰ নেতৃত্বত এই বিসম্বাদে গতি লাভ কৰে। তেওঁলোকে শইকীয়াৰ পৰিৱৰ্তে সেই সময়ত কংগ্ৰেছত থকা অজন্তা নেওগক বিৰোধী দলৰ দলপতি পতাৰ চেষ্টা চলাই হাইকমাণ্ডৰো কাষ চাপিছিল; কিন্তু শইকীয়াৰ দিল্লীৰ লগত থকা শক্তিশালী যোগসূত্ৰৰ বাবে বিসম্বাদীসকল সফল নহ'ল। ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধেও সেইধৰণৰ কাণ্ডই চলিছে। এইবাৰ দেৱব্ৰত শইকীয়া বিৰোধী দলপতিৰ দৌৰত এইপৰ্যন্ত নাই। বিধায়ক কুৰ্মী শইকীয়াৰ লবীৰ মানুহ বুলি পৰিচয় আছে। তেনে ক্ষেত্ৰত শইকীয়াৰ প্ৰতিনিধি হিচাপে কুৰ্মীক প্ৰাক্তন দলপতিজনৰ বিৰোধিতা কৰি অহাসকলে সমৰ্থন নিদিয়াটো স্পষ্ট হৈছে। কুৰ্মীৰ বিকল্প হিচাপে শইকীয়া বিৰোধী শিবিৰটোৱে বৰগোহাঁইৰ নাম প্ৰক্ষেপ কৰিছিল। কিন্তু বৰগোহাঁয়ে দায়িত্ব পালনত ব্যৰ্থ হোৱাৰ আশংকা কৰি ভৰত নৰহে পদটো দখলৰ দৌৰত জঁপিয়াই পৰিছে। নৰহৰ লগতে উচ্চাৰিত হৈছে ৰকিবুল হুছেইনৰো নাম। হুছেইনক ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ একাংশ বিধায়কে এই ক্ষেত্ৰত সমৰ্থন জনাইছে।

# প্ৰ'টেম অধ্যক্ষ ফণীভূষণ

*এক পৃষ্ঠাৰ পৰা* মুখ্য সচিবৰ কাৰ্যালয়ৰ সভাগৃহত শপত বাক্য পাঠ কৰায় ৰাজ্যৰ মুখ্য সচিব জিষ্ণু বৰুৱাই। ইয়াকে লৈ বিতৰ্কৰো অৱতাৰণা হৈছে। কাৰণ নিয়ম অনুসৰি ৰাজ্যপালেহে এই শপত বাক্য পাঠ কৰাব লাগে। অৱশ্যে এই সন্দৰ্ভত মুখ্য সচিব বৰুৱাই 'দৈনিক অগ্ৰদূত'ক কয়, 'ৰাজ্যপাল সম্প্ৰতি অসমত নাই। তেওঁৰ নিৰ্দেশ মৰ্মেহে মই প্ৰ'টেম অধ্যক্ষক শপত বাক্য পাঠ কৰাও।' চৌধুৰীয়ে নতুন বিধানসভাৰ পৰৱৰ্তী অধ্যক্ষ নিৰ্বাচিত নোহোৱালৈ তেওঁৰ দায়িত্ব পালন কৰিব। চৌধুৰী চতুৰ্দশ অসম বিধানসভাৰো প্ৰ'টেম অধ্যক্ষ আছিল।

উল্লেখ্য যে নতুন বিধানসভাৰ অধিৱেশন অহা ২১ মে'ৰ পৰা আৰম্ভ হ'ব। সেই দিনাই নতুন অধ্যক্ষ আৰু উপাধ্যক্ষ নিৰ্বাচন কৰা হ'ব। এইবাৰ বিধায়ক বিশ্বজিৎ দৈমাৰী নতুন অধ্যক্ষ নিৰ্বাচিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। যোৱা বিধানসভাৰ অধ্যক্ষ হিতেন্দ্ৰ নাথ গোস্বামীক এইবাৰো অধ্যক্ষৰ দায়িত্ব ল'বলৈ বিজেপি নেতৃত্বই আহ্বান জনাইছিল; কিন্তু গোস্বামীয়ে ইচ্ছা প্ৰকাশ নকৰিলে। ফলত বিকল্প ৰূপে দৈমাৰীৰ নাম বিবেচনা কৰা হয়। অৱশ্যে দৈমাৰীয়ে প্ৰথমতে আপত্তি কৰিছিল। কিয়নো তেওঁ বিজেপিৰ পৰাই মন্ত্ৰিত্বৰ দাবীদাৰ আছিল; কিন্তু ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ৰূপে বিজেপি নেতৃত্বই তেওঁক বিধানসভাৰ অধ্যক্ষ পদতহে অধিষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# সংক্ৰমণ বৃদ্ধি পালেও নাই 'ব্লেক

*এক পৃষ্ঠাৰ পৰা* 'এম্ফ'টিৰিচিন বি' নামৰ এবিধ ইঞ্জেকচন প্ৰয়োগ কৰা হৈছে। অথচ ৰোগীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পোৱাত বিভিন্ন ৰাজ্যত এই বেজীৰ চাহিদাও দ্ৰুতগতিৰে বাঢ়িছে। কিন্তু সেই ঔষধৰ সৰবৰাহ বিশেষ নোহোৱাৰ বাবে এতিয়া একাধিক ৰাজ্যই কেন্দ্ৰৰ ওচৰত হাত পাতিবলগীয়া হৈছে।

উত্তৰ প্ৰদেশৰ ঔষধ ব্যৱসায়ী সংগঠনৰ তৰফৰ পৰা উদ্বেগ প্ৰকাশ কৰি কৈছে যে মাত্ৰ এসপ্তাহৰ আগলৈকে এই ঔষধৰ বিশেষ চাহিদা নাছিল। কিন্তু সাতদিনৰ ভিতৰতে এই চাহিদা এনে স্থানত উপনীত হৈছে গৈ যে ঔষধৰ নাটনিয়ে দেখা দিবলৈ আৰম্ভ কৰিছে। মহাৰাষ্ট্ৰৰ পুনে চহৰত ইতিমধ্যে ২৭০ জন 'ব্লেক ফাংগাছ'ত আক্ৰান্তৰ সন্ধান পোৱা গৈছে। তাতো ইতিমধ্যে এইবিধ ঔষধৰ নাটনি আৰম্ভ হৈছে। সেইদৰে কৰ্ণাটকৰ বাংগালুৰুত ইতিমধ্যে ৭৫ জন 'ব্লেক ফাংগাছ'ত আক্ৰান্তৰ সন্ধান পোৱা হৈছে। ফলত কৰ্ণাটকত মুঠ আক্ৰান্তৰ সংখ্যা ৯৭ জনলৈ বৃদ্ধি পাইছে। তিনিদিনৰ পূৰ্বে ৰাজ্যখনত এনে অৱস্থাৰ সৃষ্টি হৈছিল যে কমেও ২০ জন আক্ৰান্তৰ বাবে অনেক প্ৰচেষ্টাৰ অন্ততহে ঔষধ যোগাৰ কৰিবলৈ সক্ষম হৈছিল। গুজৰাটতো সংকটে এনে অৱস্থা পাইছেগৈ যে ৰাজ্য চৰকাৰে বেচৰকাৰী কোম্পানীৰ পৰা বেলেকৈ ঔষধ কিনিবলগীয়া হৈছে। দিল্লী আৰু হাৰিয়ানাতো এই ৰোগ ব্যাপক হাৰত বিয়পি পৰিছে। দিল্লীত ইতিমধ্যে শতাধিক আক্ৰান্তৰ সন্ধান পোৱা গৈছে। আনহাতে, ৰাজস্থানত 'ব্লেক ফাংগাছ'ৰ সংক্ৰমণে ইতিমধ্যে মহামাৰীৰ ৰূপ ধাৰণ কৰা বুলি ৰাজ্যখনৰ স্বাস্থ্য বিভাগৰ সূত্ৰই সদৰী কৰিছে।

# ক'ভিডমুক্তৰ টিকাকৰণত

*এক পৃষ্ঠাৰ পৰা* সময়সীমা ছয়ৰ পৰা ন মাহ কৰাৰ পৰামৰ্শ আবঢ়াইছে যদিও বিষয়টোৰ সন্দৰ্ভত ভিন্ন মত প্ৰকাশ কৰিলে ইণ্ডিয়ান মেডিকেল এছ'চিয়েচন (আই এম এ)-এ। আই এম এৰ অধ্যক্ষ জে এ জয়লালৰ মতে, ক'ভিডত আক্ৰান্ত হোৱা ব্যক্তিৰ টিকাকৰণ ছমাহ পিছুৱাই দিলে উক্ত সময়ছোৱাৰ ভিতৰত ব্যক্তিজন পুনৰ সংক্ৰমিত হোৱাৰ শংকা আছে। আজি এক সংবাদ প্ৰতিষ্ঠানৰ স'তে হোৱা এক সাক্ষাৎকাৰত জয়লালে কয়, 'ক'ভিডত আক্ৰান্ত হৈ সুস্থ হোৱা ব্যক্তিয়ে কেতিয়া প্ৰতিষেধক লোৱা উচিত, এই বিষয়ত মতভেদ আছে। কিন্তু প্ৰতিষেধকৰ বাবে এনে ব্যক্তিয়ে ছমাহ অপেক্ষা কৰিব লগা হ'লে তেওঁলোকক কৰ'নাৰ সংক্ৰমণৰ শংকালৈ পুনৰ ঠেলি দিয়া হ'ব।'

কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌত দেশ যথেষ্ট দুৰ্দশাগ্ৰস্ত হৈছে। এনে সময়তে ভাৰতত কৰ'নাৰ তৃতীয়টো ঢৌৰ শংকা প্ৰকট হৈছে। আসন্ন তৃতীয়টো ঢৌৰ স'তে যুঁজ দিবলৈ হ'লে দেশে পৰ্যাপ্ত পৰিমাণৰ প্ৰতিষেধকৰ পালি মজুত ৰাখিব লাগিব বুলি চৰকাৰক সকীয়াই দি জয়লালে কয়, 'সংক্ৰমণ প্ৰতিৰোধত টিকাকৰণেই একমাত্ৰ পথ। ক'ভিডৰ তৃতীয়টো ঢৌ অহাটো স্বাভাৱিক। ইয়াক প্ৰতিৰোধ কৰিবলৈ হ'লে গণ টিকাকৰণ কৰিবই লাগিব। কেন্দ্ৰই যিমান অধিক সম্ভৱ টিকা মজুত ৰখা উচিত। লগতে টিকাকৰণ প্ৰক্ৰিয়াৰ বিকেন্দ্ৰীকৰণ কৰা উচিত। আনকি, ঘৰে ঘৰে গৈ টিকাকৰণ অভিযান চলোৱা প্ৰয়োজন।' আই এম এৰ মুৰব্বীজনে লগতে কয় যে আগন্তুক কে'বামাহৰ ভিতৰত চৰকাৰে দেশত ৬০-৭০ শতাংশ লোকৰ টিকাকৰণ সম্পন্ন কৰা উচিত।

# নলবাৰীৰ মা কালীসাধক, তান্ত্ৰিক ৰাজীৱ

*এক পৃষ্ঠাৰ পৰা* প্ৰয়াত তৰুণ গগৈৰ পৰামৰ্শদাতা, বিশিষ্ট তান্ত্ৰিক ৰাজীৱ গোস্বামী (৫২)ৰ আজি দেহাৱসান ঘটে। নলবাৰী জিলাৰ খুদিয়া নিবাসী গোস্বামী দীৰ্ঘদিন ধৰি বৃক্ক ৰোগত আক্ৰান্ত হৈ আছিল। আজি দিনৰ ২-১০ বজাত গুৱাহাটীৰ লালমাটিস্থিত নিজ বাসভৱনত হৃদৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু হয়। বিশিষ্ট তান্ত্ৰিকজনৰ অকাল বিয়োগত নলবাৰীত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে বিশিষ্ট আইনজ্ঞ প্ৰয়াত প্ৰফুল্ল গোস্বামী আৰু প্ৰয়াত কমলা গোস্বামীৰ পঞ্চম পুত্ৰ আধ্যাত্মিক চেতনাৰ ব্যক্তি ৰাজীৱ গোস্বামীয়ে নলবাৰী জিলাৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গণেশ মন্দিৰ চ'কৰ সমীপৱৰ্তী খুদিয়াত স্থাপন কৰিছিল 'মা মহাকালী আশ্ৰম'। ১৯৬৯ত খুদিয়াত জন্মগ্ৰহণ কৰা গোস্বামীয়ে ১৯৭৮ত চৰকাৰী গৰ্ডন স্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ইয়াৰ পাছতে তেওঁ নলবাৰী মহাবিদ্যালয়ত নামভৰ্তি কৰে। ইয়াৰ মাজতে তেওঁ প্ৰতিষ্ঠা কৰে মা মহাকালী আশ্ৰম। ইয়াতে তেওঁ চলাই গৈছিল মা মহাকালীৰ সাধনা। সময়ৰ লগে লগে আশ্ৰমখনে শাক্তপন্থীসকলক প্ৰভাৱান্বিত কৰিছিল। প্ৰয়াত তৰুণ গগৈৰ ১৫ বছৰীয়া শাসনকালত আশ্ৰমলৈ সোঁত বৈছিল মুখ্যমন্ত্ৰী, মন্ত্ৰী-বিধায়ক কিম্বা ৰাজনীতিবিদৰ। গগৈৰ ঘনিষ্ঠ হোৱা হেতুকে তেওঁৰ ওচৰত ভিৰ কৰিছিল বহু ভি আই পি, ভি ভি আই পিয়ে। বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ চৰকাৰত মন্ত্ৰী হৈ থকা দিনত আশ্ৰমত আশিস ল'বলৈ আহিছিল। অকল মন্ত্ৰী-বিধায়কে নহয় ভাৰতীয় সেনা বাহিনীৰ শীৰ্ষ বিষয়াৰ লগতে অসম আৰক্ষীৰ শীৰ্ষ বিষয়াও আশ্ৰমখনৰ প্ৰভাৱত পৰিছিল। অৱশ্যে এনে লোকৰ মনোকামনা পূৰ্ণ হোৱা বুলিও উক্ত সময়ত চৰ্চিত হৈছিল। সেই হেতুকে গোস্বামীয়ে আয়োজন কৰা যজ্ঞৰ পূৰ্ণাহুতিত হেজাৰ হেজাৰ লোকৰ সমাৱেশ ঘটিছিল। একপ্ৰকাৰ ৰাজনৈতিকভাৱে শক্তিশালী ব্যক্তি হিচাপে পৰিগণিত হৈছিল গোস্বামী। দুয়োটা বৃক্ক বিকল হোৱা গোস্বামীক গুৱাহাটী-দিল্লীৰ চিকিৎসালয়ত উন্নত চিকিৎসা কৰা হৈছিল। কিছুদিন পাছত বৃক্ক সংস্থাপনৰ বাবেও পৰিয়ালৰ লোকে যাৱতীয় ব্যৱস্থা আগবঢ়াই নিছিল। কিন্তু নিয়তিৰ পৰিহাস সেই দিনটো নাহিল। জীৱন-মৃত্যুৰ স'তে যুঁজি যুঁজি অৱশেষত তেওঁ এই ধৰা ত্যাগ কৰে। গোস্বামীয়ে কে'বাখনো গ্ৰন্থ প্ৰণয়ন কৰি পাঠক সমাজৰ সমাদৰ লাভ কৰিছিল। অসম সাহিত্য সভাৰ পৰম হিতৈষী সদস্যজনৰ অকাল বিয়োগত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ডাঃ বিপিন চন্দ্ৰ কলিতা, সাংগঠনিক সম্পাদক গোবিন্দ কলিতা, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি, নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মা, উপ-সভাপতি অতুল চন্দ্ৰ শৰ্মা, সম্পাদক পংকজ বেজবৰুৱা, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, সাধাৰণ সম্পাদক অক্ষয় ডেকা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতীম শৰ্মা, সাধাৰণ সম্পাদক কৌশিক বৰ্মন, নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ মহাকালী আশ্ৰমৰ দায়িত্বৱাহী ড° তৰুণ শৰ্মাৰ লগতে পৰিচালনা সমিতিকে ধৰি জিলাখনৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ-কন্যাক এৰি যায়।

# পুনৰ কৰ'নাই অমানিশা কঢ়িয়াই

*এক পৃষ্ঠাৰ পৰা* সংশোধিত নাগৰিকত্ব আইন বিৰোধী আন্দোলন আৰু বিগত বৰ্ষত কালৰূপী কৰ'নাৰ ফলত বলৱৎ হোৱা তলাবন্ধই উপাৰ্জনৰ পথ স্তব্ধ কৰি পেলোৱাৰ পাছত অৰ্থনৈতিকভাৱে কোঙা হৈ পৰা এইসকল শ্ৰমজীৱী লোকে আজিও পূৰ্বৰ পৰিৱেশলৈ উভতি আহিবলৈ সক্ষম নহ'ল। কৰ'নাৰ পৰিস্থিতি কিছু উন্নত হোৱাত তেওঁলোকে জীৱনটো নতুন ৰূপত গঢ় দিয়াৰ বাবে উঠিপৰি লাগিছিল। অথচ কৰ'নাৰ দ্বিতীয় লহৰৰ আক্ৰমণত এতিয়া তেওঁলোকৰ মূৰত ভূতৰ ওপৰত দানহ পৰাদি পৰিছে ঋণ আদায়ৰ চিন্তা।

উল্লেখ্য যে এদিন উপাৰ্জন বন্ধ হ'লেই পৰিয়াল চলাবলৈ নানা সমস্যাৰ সৃষ্টি হোৱা এইসকল ক্ষুদ্ৰ ব্যৱসায়ীৰ জীৱন নিৰ্বাহৰ অৱস্থা তলাবন্ধৰ পলত শোচনীয় হৈ পৰিছিল। তেওঁলোকক সেই দুৰ্গতিৰ পৰা সকাহ দিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'পি এম ষ্ট্ৰীট ভেণ্ডৰ্ছ আত্মনিৰ্ভৰ আঁচনি'ৰ জৰিয়তে ১০ হেজাৰ টকাৰ ঋণ প্ৰদান কৰিছিল; কিন্তু কৰ'নাৰ দ্বিতীয় লহৰে পুনৰ তেওঁলোকৰ জীৱনলৈ কঢ়িয়াই আনিলে অনাকাংক্ষিত পৰিস্থিতি। 'পি এম ষ্ট্ৰীট ভেণ্ডৰ্ছ আত্মনিৰ্ভৰ আঁচনি'ৰ জৰিয়তে মহানগৰীৰ প্ৰায় সাতশ ক্ষুদ্ৰ ব্যৱসায়ীয়ে এই ঋণ লাভ কৰি পুনৰ ব্যৱসায় আৰম্ভ কৰিছিল আৰু উপাৰ্জনৰ টকাৰে মাহিলি ঋণৰ কিস্তি প্ৰদান কৰি আহিছিল। কিন্তু কৰ'নাৰ দ্বিতীয় লহৰৰ দ্ৰুত সংক্ৰমণ ৰোধ কৰিবলৈ শেহতীয়াকৈ ৰাজ্য চৰকাৰে জাৰি কৰা নিৰ্দেশনাত ১১ বজাতে ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ হৈ পৰাত এইসকল ক্ষুদ্ৰ ব্যৱসায়ীৰো উপাৰ্জনৰ পথ প্ৰায় স্তব্ধ হৈ পৰে। এই সন্দৰ্ভত পদপথ ব্যৱসায়ী সন্থাৰ সভাপতি নৰেন ৰাজবংশী আৰু সাধাৰণ সম্পাদক চন্দন গোস্বামীয়ে 'দৈনিক অগ্ৰদূত'ৰ আগত কয়, 'যেতিয়া এটা পৰিয়ালৰ উপাৰ্জনৰ কোনো পথ নাথাকে, তেতিয়া জীয়াই থকাৰ হেঁপাহত বহুজনে স্বাভাৱিকতে পদপথৰ ওপৰতে এখন অস্থায়ী ক্ষুদ্ৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰি সমস্যাৰ স'তে যুঁজ দিয়ে। কিন্তু এই পদপথৰ ব্যৱসায়ীসকলৰ কোনোদিনে সমস্যাৰ শেষ নাই। অবৈধভাৱে স্থাপন কৰাৰ অজুহাতত কেতিয়াবা যদি আৰক্ষীৰ দ্বাৰা নিৰ্যাতিত হওঁ, কেতিয়াবা আকৌ পৌৰ নিগমৰ পৰা উচ্ছেদিত হওঁ। ইয়াৰ পাছত বিগত বৰ্ষটোত দীঘলীয়া তলাবন্ধত এই শ্ৰেণীৰ ব্যৱসায়ীসকলৰ জীৱন পানীত হাঁহ নচৰাৰ দৰে হ'ল। পুনৰ ঠন ধৰি উঠিবলৈ কেন্দ্ৰীয় চৰকাৰে ১০ হেজাৰকৈ ঋণ প্ৰদান কৰিলে যদিও এতিয়া উপাৰ্জনৰ পথ বন্ধ। আশা কৰিছিলো নতুন বৰ্ষটোত কিবা এটা ভাল হ'ব; কিন্তু নাই। ঋণ ল'লো, ব্যৱসায় আৰম্ভ কৰিলো যদিও এতিয়া ঋণৰ কিস্তি মাৰিবলৈ হাহাকাৰ লাগিছে। ব্যৱসায় বন্ধ হৈ পৰাত ইয়াত কি খাব, সেয়ে বহুতে গাঁৱলৈ ঢাপলি মেলিছে। সেয়ে চৰকাৰলৈ আমাৰ আহ্বান, দয়া কৰি আমাক জীয়াই থকাৰ পৰিৱেশ দিয়ক।'

উল্লেখ্য যে সম্প্ৰতি চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি কেৱল দুঘণ্টা সময়হে ব্যৱসায় চলাব পৰা গৈছে। এই সময় এটা পৰিয়াল চলাব পৰাকৈ উপাৰ্জনৰ বাবে পৰ্যাপ্ত নহয় বুলি পদপথ ব্যৱসায়ী সন্থাই উল্লেখ কৰি ঋণৰ কিস্তি প্ৰদানৰ ম্যাদ বৃদ্ধি বা ৰেহাই দিবলৈ চৰকাৰক আহ্বান জনাইছে। সমান্তৰালকৈ ব্যৱসায় একপ্ৰকাৰৰ বন্ধ হৈ পৰাত বহু ব্যৱসায়ীয়ে পৰিয়াল চলাবলৈ দিক্‌বিদিক হেৰুৱাই পেলোৱা বুলি সন্থাই সদৰী কৰি অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্ত পদপথৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলক এককালীন সাহায্য প্ৰদান কৰিবলৈ দাবী জনাইছে। এই সন্দৰ্ভত ব্যৱসায়ী সন্থাৰ সম্পাদক গোস্বামীয়ে কয়, 'চৰকাৰৰ নীতি-নিৰ্দেশনা আমি নতশিৰে মানি লৈছো আৰু এই মহামাৰী ৰোধ কৰাৰ স্বাৰ্থত সকলোৱে সহযোগিতা আগবঢ়াইছো; কিন্তু এনে পৰিস্থিতিত বৰ্তমান সময়ত পদপথৰ ক্ষুদ্ৰ ব্যৱসায়ী, দিন-হাজিৰা কৰা লোকসকল একপ্ৰকাৰ দিশহাৰা হৈ পৰিছে। অপ্ৰিয় হ'লেও সত্য যে এসাঁজ খাবলৈকে বহুতে এতিয়া চিন্তা কৰিবলগীয়া হৈছে। বেংকৰ ঋণ মাৰিব নে পৰিয়াল চলাব, ঘৰৰ ভাড়া দিব নে ল'ৰা-ছোৱালীৰ পঢ়াৰ কথা চিন্তা কৰিব?' সেয়ে এই ক্ষুদ্ৰ ব্যৱসায়ীসকলে জীয়াই থকাৰ ক্ষেত্ৰত যাতে কিছু সকাহ লাভ কৰে, তাৰ বাবে এককালীন সাহায্য আৰু ঋণ ৰেহাই দিবলৈ চৰকাৰক আহ্বান জনায়।

# বিদ্যাৰ্থীৰ পৰীক্ষাকেন্দ্ৰিক সংকট

*এক পৃষ্ঠাৰ পৰা* সেই কথাখিনি এক আনুষ্ঠানিক পৰীক্ষাৰ মাজেৰে মূল্যায়িত হয়। এনে ব্যৱস্থা আজিৰ নহয়। এনে ব্যৱস্থাৰ প্ৰাচীনত্ব নিৰূপণ কৰিব বিচৰা নাই। স্বীকাৰ কৰো, আনুষ্ঠানিকভাৱে পৰীক্ষা অনুষ্ঠিত নকৰাকৈয়ো আমি অনানুষ্ঠানিকভাৱে পৰীক্ষা অনুষ্ঠিত কৰিব পৰাহেঁতেন অতি উত্তম কথাই হ'লহেঁতেন। কিন্তু আমাৰ শিক্ষা ব্যৱস্থা এতিয়াও বহুখিনি পিছ পৰি থকা বুলি প্ৰতিগৰাকী চিন্তাশীল ব্যক্তিয়েই অনুভৱ কৰে।

আমাৰ শিক্ষা ব্যৱস্থাৰ আনুষ্ঠানিকতাৰ কথা বাৰু পাছলৈ ৰাখিলো। এয়া এক বৃহৎ আলোচনাৰ বিষয়। তাৰ বাবে আমাক এক জাতীয় আন্দোলনৰেই প্ৰয়োজন হ'ব। কি শিক্ষাৰ দ্বাৰা আমাৰ ছাত্ৰ-ছাত্ৰীসকল কেৱল ব্যক্তিগতভাৱেই নহয়, এগৰাকী নাগৰিক হিচাপেও এক আদৰ্শ বা অনুকৰণীয় ব্যক্তিলৈ উন্নীত হ'ব পাৰে সেই কথা আমাৰ জাতিটোৱে চিন্তা নকৰাকৈ থকা নাই। আমাৰ নতুন শিক্ষানীতিতেই (New Education Policy 2020) কথাবোৰ আলোচিত নোহোৱাকৈ থকা নাই। আলোচিত বিতংভাৱেই হৈছে। কিন্তু লিখিত বা প্ৰস্তাৱিত নীতি আৰু তেনে নীতিৰ কাৰ্যকৰীকৰণৰ মাজত অনেক প্ৰভেদ। কলকাতাত থকা নতুন নীতিয়ে আমাৰ শিক্ষা ব্যৱস্থাত নতুনত্ব আনিবলৈ হ'লে আমি ব্যক্তিগতভাৱে আৰু সামাজিকভাৱে পৰিৱৰ্তন আনিবলৈ কঁকালত টঙালি বান্ধিব লাগিব। আমাৰ দীঘলীয়া শিক্ষা জীৱনত পৰিৱৰ্তন প্ৰীতিৰ উগ্ৰতা চকুত নপৰিল।

বাস্তৱ ক্ষেত্ৰত আমি আমাৰ শিক্ষা ব্যৱস্থাক মূলতঃ পৰীক্ষাকেন্দ্ৰিক কৰিহে ৰাখিছো। অৰ্থাৎ পৰীক্ষাৰ সীমাবদ্ধতাৰ মাজতহে আমি আমাৰ বিদ্যাৰ্থীসকলৰ বিদ্যায়তনিক অগ্ৰগতি আৰু সাফল্য বিচাৰ কৰো। পৰীক্ষা এক 'Necessary Evil' হ'লেও এনে ব্যৱস্থাৰ পৰা পৰিত্ৰাণ পাবলৈ আমাক আৰু এশ বছৰৰ প্ৰয়োজন হ'ব। আমি এতিয়া ঔপনিৱেশিক ইংৰাজ চৰকাৰে চলোৱা পৰীক্ষা ব্যৱস্থাকেই নহয়, সমগ্ৰ শিক্ষা ব্যৱস্থাকো চলাই ৰাখিছো। কিন্তু ইংৰাজসকলে আজি এশ বছৰৰ পূৰ্বৰ শিক্ষা ব্যৱস্থাৰ ঠাইত নতুন নতুন সম্পৰীক্ষাৰ ব্যৱস্থাকহে চলাইছে। উদাহৰণস্বৰূপে আমি আমাৰ কলেজবোৰত অব্যাহত থকা 'Affiliation' ব্যৱস্থা ইংলণ্ডৰ চৰকাৰে কেতিয়াবাই পৰিহাৰ কৰিছে। কিন্তু ইংৰাজসকলে ভাৰত এৰি যোৱাৰ সাতটা দশকৰ পাছতো আমি সেই ব্যৱস্থাকেই অব্যাহত ৰাখিছো। এনেবোৰ আলোচনাও ইয়াতে সামৰি থ'লো। পাছলৈ দেখা যাব।

এতিয়া উচ্চ মাধ্যমিক (HSLC) আৰু উচ্চতৰ মাধ্যমিক (HSSLC) পৰীক্ষাৰ বিষয়ে যৎকিঞ্চিত নিজৰ বক্তব্য ৰাখিব খুজিছো। পিতৃ-মাতৃয়ে নিজৰ নিজৰ সন্তানক বিভিন্ন প্ৰকাৰে দুয়োটা পাঠ্যক্ৰমৰ পৰীক্ষা দুটাৰ বাবে অতি কষ্টেৰে প্ৰস্তুত কৰি ৰাখিছে। ছাত্ৰ-ছাত্ৰীসকলেও পৰীক্ষাত বহি পাঠ্যক্ৰমৰ অন্ত পেলাবলৈ যৎপৰোনাস্তি চেষ্টা কৰাটোৱেই স্বাভাৱিক কথা। আমাৰ সময়ত আমিও পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ আপ্ৰাণ চেষ্টা কৰিছিলো পৰৱৰ্তী পৰ্যায়ৰ শিক্ষাৰ পাঠ্যক্ৰমত যোগদান কৰিবলৈ। কোনোবাই কলেজত নিজৰ পছন্দ মতে বিজ্ঞান, বাণিজ্য বা কলা শাখাত যোগদান কৰিবলৈ প্ৰস্তুত। উচ্চতৰ মাধ্যমিক স্তৰত পৰীক্ষাৰ্থীসকলৰ সমস্যা আৰু জটিল। তেওঁলোকে কোনোবাই চিকিৎসা মহাবিদ্যালয়, আৰু কোনোবাই হয়তো অভিযান্ত্ৰিক মহাবিদ্যালয়ত যোগদান কৰিবলৈ আন আন ক্ষেত্ৰতো প্ৰস্তুতিক আগবঢ়াই নিবলগীয়া হয়। কিন্তু যেতিয়া তেওঁলোকক পৰীক্ষা হ'ব নে নহ'ব এনেবোৰ কথা কোৱা হয়, তেওঁলোক বিভ্ৰান্ত হোৱাটোৱেই স্বাভাৱিক। অভিভাৱকসকলো বিভ্ৰান্ত হোৱাটোৱেই স্বাভাৱিক। এনে বিভ্ৰান্তি আহিছে পৰীক্ষা কেতিয়া হ'ব, আৰু কেনেদৰে হ'ব? এনেবোৰ প্ৰশ্নৰ মাজেৰেহে।

১৭ মে' সোমবাৰ (২০২১) আমাৰ নৱনিযুক্ত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ কথাখিনি ভালকৈ শুনিলো। তেওঁৰ কথাত আন্তৰিকতা আছে। সমস্যাৰ সমাধান কৰাৰো প্ৰতিশ্ৰুতি আছে। আলোচনা হৈছে ছাত্ৰসকলে নিজৰ পছন্দ মতে তিনিটা বিষয়ৰ ওপৰত পৰীক্ষাত বহিব, আৰু আন আন বিষয়বোৰত নম্বৰ দিয়াৰ ব্যৱস্থা হ'ব এনেদৰে তিনিটা বিষয়ৰ যিটো বিষয়ত ছাত্ৰগৰাকীয়ে বেছি নম্বৰ পাব, সেই নম্বৰটোকেই পৰীক্ষা নিদিয়া পেপাৰকেইখনত দিয়া হ'ব। পৰীক্ষা হ'ব স্বাভাৱিকভাৱেই। অৰ্থাৎ Off line পদ্ধতিৰেই। চিন্তনত নতুনত্ব আছে। কিন্তু এনে ব্যৱস্থাৰ দ্বাৰা কিছুমান ছাত্ৰ লাভৱান হ'ব আৰু কিছুমান ছাত্ৰৰ লোকচান হ'ব। আৰু এটা কথা, পৰীক্ষা দিবলগীয়া বিষয়কেইটা ছাত্ৰজনে পঢ়িবলৈ বাদেই দিব। আৰু কোনোবাই হয়তো ৪০ নম্বৰ পাবলগীয়া পেপাৰখনত ৮০ নম্বৰ পাব। এয়া এক বিসংগতি।

চৰকাৰৰ ভয়ৰ কাৰণ এটাই ক'ভিড সংক্ৰমণ। আমাৰ বোধেৰে এনে পৰীক্ষাত ক'ভিড সংক্ৰমণৰ বিষয়টোক প্ৰয়োজনতকৈ অধিক গুৰুত্ব দিয়া হৈছে। আমি জীৱনৰ সৰহভাগ সময় শিক্ষা জগতখনৰ লগতেই জড়িত হৈ আছো। তেনে স্থিতিৰ প্ৰেক্ষিতত আমাৰ বক্তব্যখিনি এনে ধৰণৰ—

(১) আজি-কালি কোনোখন বিদ্যালয়তেই (HSLC) বা (HSSLC) শ্ৰেণীটোৰ ছাত্ৰীৰ সংখ্যা ৫০-৬০ৰ বেছি নহয়। গতিকে এখন বিদ্যালয়ত একোটা কোঠাত চাৰিজনকৈ পৰীক্ষাৰ্থী বহিলেও কৰ'না সংক্ৰমণৰ ভয়াৱহতা নাথাকে। প্ৰতিগৰাকী পৰীক্ষাৰ্থীয়ে মুখাবৰণ পিন্ধি পৰীক্ষা দিয়াটো বাধ্যতামূলক হওক।

(২) এনেবোৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ সময়ত একোখন প্ৰতিষ্ঠিত বিদ্যালয় কেন্দ্ৰত আন আন অনেক বিদ্যালয়কো সংযোজিত কৰা হয়। তেনে ব্যৱস্থা এইবাৰ পৰিহাৰ কৰা হওক। যেনে, গুৱাহাটীৰ মাজমজিয়াত থকা উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আন আন ১০খনমান বিদ্যালয়কো চামিল কৰা হয়। ফলত পৰীক্ষাৰ্থীৰ সংখ্যা বহুত হয়। এইবেলি প্ৰতিখন বিদ্যালয়তে পৰীক্ষা পতা হওক। তেনেখন বিদ্যালয় ব্যক্তিগত খণ্ডৰেই হওক বা অপ্ৰাদেশীকৃত বিদ্যালয়েই হওক। পৰীক্ষাৰ বাবে কেৱল নিজৰ পৰীক্ষাৰ্থীখিনিয়ে থাকিব। তেনে ব্যৱস্থা হাতত ল'লে উলুবাৰীৰ দৰে বিদ্যালয় এখনত ৫০-৬০ জন পৰীক্ষাৰ্থীতকৈ বেছি নহয়। ক'ভিড বিধি মানি তেনেদৰে পৰীক্ষা চলোৱাত কোনো অসুবিধা নাথাকে। একোখন বিদ্যালয়ত ৫০-৬০ জন পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিব নোৱাৰাৰ কথা ভাবিব নোৱাৰি।

(৩) মাত্ৰ তিনিটা বিষয়তহে পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিব পাৰিব তেনে ব্যৱস্থাৰ কথা নভবাই ভাল। কাৰণ এখন বিদ্যালয়ত যদি এগৰাকী পৰীক্ষাৰ্থীয়ে তিনিটা বিষয়ত পৰীক্ষা দিবই পাৰে বাকী এখন বা দুখন পেপাৰৰ পৰীক্ষা দিব নোৱাৰাৰ কথাও নাহে। কাৰণ মূল মূল বিষয়কেইটাতহে পৰীক্ষাৰ্থীৰ সংখ্যা সৰহ হয়। অইন অইন বিষয়বোৰত পৰীক্ষাৰ্থীৰ সংখ্যা এনেও অতি তাকৰ।

(৪) ৫০-৬০ গৰাকী পৰীক্ষাৰ্থীৰ বাবে যদি স্থানৰ কথা ভবাই হৈছে, তেনে নিকটৱৰ্তী কলেজ বা আন আন শিক্ষানুষ্ঠানৰ শ্ৰেণী কোঠাবোৰৰ কথাও ভাবিব পাৰি। উদাহৰণস্বৰূপে, সোণাৰাম বিদ্যালয়ৰ পৰীক্ষাৰ্থীৰ এটা অংশ ওচৰৰ প্ৰাগজ্যোতিষ কলেজত দিব নোৱাৰাৰ যুক্তি ক'ত? একেদৰে কামৰূপ একাডেমী বা টি চি ছোৱালী বিদ্যালয়ৰ পৰীক্ষাৰ্থীসকলৰ এটা অংশ ওচৰৰ বি বৰুৱা মহাবিদ্যালয়ত পৰীক্ষা দিব নোৱাৰাৰ কথাও নাহে।

এয়া সন্মিলিতভাৱে কৰ'নাৰ বিৰুদ্ধে একত্ৰিত হৈ যুঁজ দিয়াৰ সময়। লগতে এনে সময়ত আমি প্ৰতিখন বিদ্যালয় আৰু মহাবিদ্যালয় একত্ৰিত হৈ পৰীক্ষা অনুষ্ঠিত কৰিব নোৱাৰাৰ প্ৰশ্নও নাহে। আমাৰ যুক্তি তিনিটা বা চাৰিটা বিষয়ৰ যদি পৰীক্ষা পাতিব পাৰি। আন বিষয়ৰ পেপাৰবোৰৰ পৰীক্ষাবোৰ পতাত অসুবিধা থাকিব নালাগে। সকলো কথা নিৰ্ভৰ কৰিব আমাৰ ইচ্ছাশক্তিৰ ওপৰত। আমাৰ মাননীয় শিক্ষামন্ত্ৰীগৰাকীৰো দৃষ্টি আকৰ্ষণ কৰিলো এই সৰু লেখাটিৰ জৰিয়তে।

*ফোন ঃ ৯৮৫৪০-৫০৯৪৭*

# ৰঙাপৰাত বনৰীয়া হাতীৰ উপদ্ৰৱ ঃ ভাঙিলে গৃহ



**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১৯ মে’ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা থানাৰ অন্তৰ্গত ধুলাপাদুং চাহ বাগিচাৰ চাৰি নম্বৰ শ্ৰমিক লাইনত যোৱা নিশা এটা বনৰীয়া হাতীয়ে দুটাকৈ ঘৰ ভাঙি তহিলং কৰে। নিশা প্ৰায় তিনি বজাত বনৰীয়া হাতীয়ে বাৰজু কালিন্দি আৰু বিজুলী কালিন্দিৰ বাসগৃহ ভাঙি লণ্ডভণ্ড কৰে। খাদ্যৰ সন্ধানত ওলাই অহা এটা হাতীয়ে ধুলাপাদুং চাহ বাগিচাত প্ৰৱেশ কৰি প্ৰথমে বাৰজু কালিন্দিৰ ঘৰত উপদ্ৰৱ চলাই বাসগৃহ ভাঙি পেলাই আৰু তলাবন্ধৰ সময়ত প্ৰয়োজন হ’ব পাৰে বুলি ঘৰত মজুত কৰি ৰখা প্ৰায় ৫০ কেজি চাউল খাই তহিলং কৰে। ইয়াৰ পাছত হাতীটোৱে পুনৰ স্থানীয় বিজুলী কালিন্দিৰ ঘৰত আক্ৰমণ কৰে। ফলত দুয়োটা বাসগৃহৰ যথেষ্ট ক্ষতিসাধন হয়। অৱশ্যে হাতীৰ আক্ৰমণৰ উমান পাই গৃহস্থই কথমপি পলাই প্ৰাণ ৰক্ষা কৰে। উল্লেখ্য যে অঞ্চলটোত বনৰীয়া হাতীয়ে সঘনে উপদ্ৰৱ চলাই সা-সম্পত্তি ধ্বংস কৰাৰ লগতে একাধিক লোকৰ হাতীৰ আক্ৰমণত মৃত্যু হৈছে। বন বিভাগে কিন্তু বনৰীয়া হাতীৰ সন্ত্ৰাসৰ পৰা অঞ্চলৰ জনসাধাৰণক সুৰক্ষা দিব নোৱাৰাৰ অভিযোগ উঠিছে।

# তেজপুৰত সাংবাদিকক আক্ৰমণ দুৰ্বৃত্তৰ



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ/দোতমা/ফকিৰাগ্ৰাম, ১৯ মে’ ঃ** তেজপুৰত যোৱা নিশা এজন জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত মহন্তক দুৰ্বৃত্তই আক্ৰমণ কৰি আহত কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইতিমধ্যে আহত সাংবাদিকজনে স্থানীয় কছাৰীগাঁও আৰক্ষী চকীত দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে আক্ৰমণকাৰী লক্ষী বড়ো (২৩) নামৰ যুৱক এজনক আটক কৰিছে। এখন ইংৰাজী দৈনিক কাকতৰ তেজপুৰৰ প্ৰতিনিধি সাংবাদিক মহন্তই কালি তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰিদৰ্শন আৰু সংবাদমেলৰ বাতৰি সংগ্ৰহ কৰি উভতি অহাৰ পাছত সন্ধিয়া প্ৰায় ৫-৩০ বজাত তেওঁৰ কেতেকীবাৰীস্থিত বাসগৃহলৈ অহাৰ সময়তে আকস্মিকভাৱে এই আক্ৰমণৰ ঘটনাটো সংঘটিত হয়। মহন্তই অভিযোগ কৰা মতে, তেওঁ নিজা গৃহলৈ মাত্ৰ ৫০ মিটাৰ দূৰত্বত থকা পিছফালৰ পৰা অভিযুক্তই অতৰ্কিতে আক্ৰমণ কৰে। তেওঁৰ ওপৰত এনেদৰে আক্ৰমণ কৰাৰ কোনো কাৰণ বিচাৰি নোপোৱা সাংবাদিকজনে কয় যে সেই সময়ত কৰ’নাকেন্দ্ৰিক সান্ধ্য আইন চলি থকাৰ বাবে পথছোৱাত কোনো নাছিল আৰু সেই সুযোগতে দুৰ্বৃত্তই মহন্তৰ মূৰত আৰু চকুৰ ওপৰত প্ৰহাৰ কৰাৰ লগতে অশ্লীল গালি-গালজ পাৰে। অতৰ্কিত আক্ৰমণত পথত পৰি যোৱা মহন্তৰ ডিঙিত চেপি ধৰা অভিযুক্তৰ স’তে আৰু দুগৰাকী মহিলাও আছিল বুলি এজাহাৰত উল্লেখ কৰিছে। আক্ৰান্ত সাংবাদিকজনে চিঞৰ-বাখৰ কৰাত দুৰ্বৃত্তই পলায়ন কৰে যদিও দুই-তিনিদিনৰ ভিতৰত সাংবাদিকজনক হত্যা কৰাৰো ভাবুকি দিয়ে বুলিও এজাহাৰত উল্লেখ কৰিছে। উল্লেখ্য যে ইয়াৰ পাছতে মহন্তই এই বিষয়ে আৰক্ষীক জনায় আৰু আৰক্ষীয়ে তেওঁৰ স্বাস্থ্য পৰীক্ষা কৰায়। আনহাতে, আজি এই ঘটনাৰ মুখ্য অভিযুক্ত তথা কেতেকীবাৰীত জনৈক গোঁহাই উপাধিৰ এটা পৰিয়ালৰ ভাড়াঘৰত থকা যুৱকজনক আটক কৰিছে। ইপিনে, তেজপুৰত সাংবাদিকৰ ওপৰত হোৱা এই আক্ৰমণৰ ঘটনাক বিভিন্ন দল-সংগঠনে গৰিহণা দিছে জাৰ্ণেলিষ্ট এছ’চিয়েছন অৱ আসাম (জাফা)ৰ শোণিতপুৰ জিলা সমিতিয়ে। ইপিনে, জাফাৰ কোকৰাঝাৰ জিলা সমিতিৰ লগতে দোতমা প্ৰেছ ক্লাবে উক্ত ঘটনাক গৰিহণা দিয়ে।

# বিজেপি কৰ্মী সুমিত চৌধুৰীৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**ফকিৰাগ্ৰাম, ১৯ মে’ ঃ** কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম চহৰৰ বাসিন্দা সুমিত চৌধুৰী (৬৫)ৰ কালি ক’ভিড আক্ৰান্ত হৈ মৃত্যু হোৱাৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। তেওঁ বিভিন্ন সামাজিক কাম-কাজত জড়িত থকাৰ লগতে বিজেপিৰ এজন সক্ৰিয় কৰ্মী আছিল। চৌধুৰীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে বিজেপিৰ কৰ্মকৰ্তাৰ লগতে বিভিন্নজনে। আজি বিজেপিৰ কোকৰাঝাৰ জিলাৰ উপ-সভাপতি শন্তিৰাম বৰ্মনে কয় যে দলৰ কৰ্মীসকলে এজন নিষ্ঠাবান কৰ্মকৰ্তাক হেৰুৱালে। ইপিনে, সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সভাপতি গোপাল ঘোষৰ লগতে বিটিআৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কাৰ্যবাহী পৰিষদ অৰূপ কুমাৰ দেৱে শোক প্ৰকাশ কৰিছে।

# ভূটান সীমান্তৰ গুৱাবাৰীত বনৰীয়া হাতীৰ উপদ্ৰৱ ঃ বাসগৃহ লণ্ড-ভণ্ড



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৯ মে’ ঃ** তামুলপুৰ মহকুমাৰ ভূটান সীমান্তৰ গুৱাবাৰীৰ সমীপৰ এক নম্বৰ ডোঙাগাঁৱত নিশা বন্যহস্তীয়ে উপদ্ৰৱ চলাই কে’বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি চূৰমাৰ কৰে। স্থানীয় লোকে প্ৰকাশ কৰা মতে, নিশা ভূটান পাহাৰৰ পৰা নামি অহা এটা প্ৰকাণ্ড অকলশৰীয়া বনৰীয়া হাতীয়ে গাঁওখনত প্ৰৱেশ কৰি উপদ্ৰৱ চলায়। বনৰীয়া হাতীটোৱে গাঁওখনৰ সুভদ্ৰা বিশ্বাস, নিৰ্মল বিশ্বাস, অনন্ত মণ্ডল আৰু পূৰ্ণ বিশ্বাস নামৰ লোককেইজনৰ কে’বাটাও বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে ভড়ালৰ ঘৰ ভাঙি সাঁচতীয়া ধন খাই তহিলং কৰে। বনৰীয়া হাতীটোৱে পাচলিৰ খেতিও খাই তহিলং কৰাৰ লগতে বিস্তৰ ক্ষতি সাধন কৰে। অঞ্চলটোত নিশা অহা বৰযুণৰ মাজতে এদিৰে এটা প্ৰকাণ্ড অকলশৰীয়া বনৰীয়া হাতীয়ে গাঁওখনত তাণ্ডৱ চলোৱাত আতংকিত হৈ পৰে অঞ্চলটোৰ ৰাইজ। ভয়-আতংকৰ মাজতে নিশা গাঁওখনৰ ৰাইজে বহু পৰ ধৰি চিঞৰ-বাখৰ কৰি জুই জ্বলাই, ভগা টিন বজাই হাতীটো খেদি পঠিয়াবলৈ সক্ষম হয়। ইপিনে, বনৰীয়া হাতীটো আজি পুৱাৰ ভাগত পাহাৰৰ দাঁতিত অৱস্থান কৰি থকা প্ৰত্যক্ষ কৰে স্থানীয় কিছু লোকে। আজি নিশা পুনৰ জনাঞ্চলত প্ৰৱেশ কৰি বনৰীয় হাতীটোৱে উপদ্ৰৱ চলাব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে সীমান্তৰ ৰাইজে।

# কাৰ্বি আংলং পৰ্যটন বিভাগত অস্তিত্বহীন আঁচনিৰ নামত উদৰস্থ ১৫ লাখ টকা

## ডকমকা থানাত ‘উচুকা’ৰ গোচৰ



**অগ্ৰদূত বাৰ্তা**

**হাওৰাঘাট,১৯ মে’ ঃ** কাৰ্বি আংলং জিলা পৰ্যটন বিভাগত সংঘটিত হৈছে দুৰ্নীতি। কাম নকৰাকৈয়ে অস্তিত্বহীন আঁচনিৰ নামত উদৰস্থ কৰিছে ১৫ লাখ টকা। কাৰ্বি আংলং জিলা ছাত্ৰ পৰিষদ চমুকৈ ‘উচুকা’ৰ এক চৰজমিন অনুসন্ধানত পোহৰলৈ আহিছে এই তথ্য। ‘উচুকা’ৰ সভাপতি-সম্পাদক ক্ৰমে বিবিচন টেৰণ আৰু জিন্টু হাজৰিকাই লাংহিনত এক সংবাদমেলত উল্লেখ কৰা মতে, ২০১৮-১৯ বিত্তীয় বৰ্ষত এছঅ’পিডিৰ পুঁজিৰে লাংহিনত পৰম্পৰাগত হস্তুতাঁত প্ৰদৰ্শনী আৰু বিক্ৰী কেন্দ্ৰৰ এক ভৱন নিৰ্মাণৰ নামত ১৫ লাখ টকা মোকলাই দিয়া হৈছিল। সেইমতে চৰকাৰী নথি-পত্ৰত এশ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি দেখুওৱা হৈছে। কিন্তু ‘উচুকা’ৰ ক্ষেত্ৰ-অধ্যয়নত ওলাল সম্পূৰ্ণ বিপৰীত ছবি। এশ শতাংশ দূৰৰ কথা, ৫০ শতাংশ কাম নকৰাকৈয়ে উদৰস্থ কৰিলে আঁচনিৰ সমুদায় ধন। অস্তিত্বহীন আঁচনিৰ নামত ১৫ লাখকৈ টকা উদৰস্থ কৰাৰ অভিযোগ কৰিছে। কাৰ্বি আংলং জিলাৰ পৰ্যটন বিভাগৰ বিৰুদ্ধে শেহতীয়াকৈ ‘উচুকা’ই আনিছে দুৰ্নীতিৰ বহু গুৰুতৰ অভিযোগ। অস্তিত্বহীন আঁচনিৰ নামত ভয়ংকৰ দুৰ্নীতি-অনিয়মৰ আশ্ৰয় লোৱা পৰ্যটন বিভাগৰ বিৰুদ্ধে ‘উচুকা’ই ডকমকা থানাত ৰুজু কৰিছে গোচৰ। সমগ্ৰ ঘটনাৰ উচিত তদন্তৰ দাবী কৰিছে ছাত্ৰ সংগঠনটোৱে। ডকমকা থানাত ইতিমধ্যে পঞ্জীয়ন হৈছে ১৯/২০২১ নম্বৰৰ এটা গোচৰ।

# জামুগুৰিহাটত ছেনিটাইজ-মাস্ক বিতৰণ এবিভিপিৰ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৯ মে’ ঃ** ক্ৰমশঃ ৰাজ্যত ক’ভিড-১৯ ৰোগে মহামাৰী ৰূপ ধাৰণ কৰাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন সংগঠন তথা ব্যক্তি বিশেষে সজাগতাৰ বাবে বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰাৰ সমান্তৰালকৈ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ জামুগুৰিহাট শাখায়ো যোৱা ১৮ মে’ত জামুগুৰিহাট কেন্দ্ৰস্থলত ক’ভিড-১৯ৰ বিৰুদ্ধে এক জনহিতকৰ কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ সদস্যসকলে জামুগুৰিহাট ব্যৱসায় কেন্দ্ৰৰ লগতে পৰিদৰ্শন বঙলা, জামুগুৰি আৰক্ষী নিৰেশ আদিত ছেনিটাইজ কৰে। সংগঠনটোৰ সদস্যসকলে জামুগুৰিহাটস্থিত ব্যৱসায় কেন্দ্ৰত ৰাইজৰ মাজত মাস্কো বিতৰণ কৰাৰ লগতে অনবৰত মাস্ক পৰিধান, সঘনাই হাত ধোৱা তথা অপ্ৰয়োজনত ঘৰৰ বাহিৰলৈ ওলাই আহি ঘূৰি নুফুৰিবলৈয়ো আহ্বান জনোৱা পৰিলক্ষিত হয়। কাৰ্যসূচীত অংশগ্ৰহণ কৰে এবিভিপিৰ জামুগুৰিহাট শাখাৰ সম্পাদক বিষ্ণু দাস, শোণিতপুৰ জিলাৰ সমন্বয়ক দ্বীপজ্যোতি দাস, ৰাজ্যিক কাৰ্যনিৰ্বাহক বিবেক পাল, কংকনজ্যোতি নাথকে ধৰি বিভিন্নজনে।

# মৰিগাঁও চহৰৰ ক্ষুদ্ৰ ব্যৱসায়ীক মাচুল ৰেহাই দিয়াৰ দাবীত উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান



**অগ্ৰদূত বাৰ্তা**


**মৰিগাঁও, ১৯ মে’ ঃ** ৰাজ্যখনত কৰ’নাত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পাই অহাৰ লগতে মৰিগাঁৱতো বৃদ্ধি পাই আহিছে কৰ’নাত আক্ৰান্ত ৰোগীৰ সংখ্যা। তাৰ সমান্তৰালকৈ ৰাজ্য চৰকাৰে চহৰসমূহত দিনৰ ১১ বজাত দোকান-পোহাৰ বন্ধ কৰাৰ লগতে দিনৰ ১২ বজাৰ পৰা পুৱা পাঁচ বজালৈ সান্ধ্য আইন জাৰি কৰিছে। এই সময়ছোৱাত মৰিগাঁও চহৰৰ পদপথত থকা ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ পৰা অধিক মাচুল সংগ্ৰহ কৰা কাৰ্যত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও সদৰ আঞ্চলিক সমিতিৰ এটি সঁজাতী দলে জিলা উপায়ুক্তক সাক্ষাৎ কৰি এক স্মাৰকপত্ৰ প্ৰদান কৰে। পৰিষদৰ সদৰ আঞ্চলিক সমিতিৰ সভাপতি ফাৰুক হুছেইন আৰু সাধাৰণ সম্পাদক মাধুৰ্য ময়ূৰ বৰা স্বাক্ষৰিত এক স্মাৰকপত্ৰত উল্লেখ কৰে যে ক’ভিড-১৯ৰ সময়ত চৰকাৰে নতুন এছঅ’পিৰ জৰিয়তে দিনৰ ১১ বজাত দোকান-পোহাৰ বন্ধ কৰাৰ নিৰ্দেশ দিয়ে। কিন্তু আশ্চৰ্যজনক বিষয় এই যে মৰিগাঁও জিলাত শক্তিশালী প্ৰশাসন থকাৰ পাছতো জিলাখনৰ সদৰস্থানত থকা পদপথৰ ব্যৱসায়ী বা খুচুৰা ব্যৱসায়ীসকলৰ পৰা অধিক মাচুল সংগ্ৰহ কৰা সংগঠনটোৰ দৃষ্টিগোচৰ হৈছে আৰু এই কাৰ্যক সংগঠনটোৱে ধিক্কাৰ দিয়ে। কৰ’না আতংকৰ দিনত পদপথত থকা ক্ষুদ্ৰ ব্যৱসায়ীসকলক মাচুল ৰেহাই দিবলৈ জিলা উপায়ুক্ত সীমা ৰেখা ভূএঞাক স্মাৰকপত্ৰৰ জৰিয়তে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও সদৰ আঞ্চলিক সমিতিয়ে আহ্বান জনায়। উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰাৰ সময়ত প্ৰতিনিধি দলটোত সদৰ আঞ্চলিক সমিতিৰ যুটীয়া সম্পাদকদ্বয় চন্দন পাৰ্থী আৰু প্ৰাণজিত ঠাকুৰীয়াও উপস্থিত থাকে।

# সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে নদুৱাৰ মণ্ডল বিজেপিৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৯ মে’ ঃ** চতিয়া সমষ্টিৰ খিলঞ্জীয়া লোকসকললৈ ভাবুকি কঢ়িয়াই অনা সন্দেহজনক লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবীৰে আজি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে বিজেপিৰ নদুৱাৰ মণ্ডল কমিটীয়ে। নদুৱাৰ মণ্ডল কমিটীৰ সভাপতি জয়ন্ত বৰা, সম্পাদকদ্বয় উৎপল বৰা আৰু কিশোৰ থাপাই নদুৱাৰ খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে প্ৰেৰণ কৰা স্মাৰকপত্ৰত উল্লেখ কৰে যে চতিয়া সমষ্টিৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কে’বাটাও চৰ-চাপৰিত সন্দেহজনক লোকে চৰকাৰী মাটি বেদখল কৰি নিগাজিকৈ বাস কৰি আহিছে। এইসকল সন্দেহজনক লোকে স্থানীয় লোকসকললৈ ভাবুকি কঢ়িয়াই আনিছে। চৰ-চাপৰিসমূহত বিভিন্ন দুষ্কাৰ্য সংঘটিত কৰি আহিছে এইসকল সন্দেহজনক লোকে। স্থানীয় কৃষিগোটসমূহে কৰা কৃষিভূমিসমূহ নষ্ট কৰি পেলোৱাৰ উপৰি কৃষিৰ শস্যসমূহ নিশাৰ ভিতৰতে কাটিবলৈ গৈছে। বিগত বৰ্ষত উক্ত অঞ্চলৰ পৰা ৫২২টা সন্দেহজনক পৰিয়ালক শোণিতপুৰ জিলা প্ৰশাসনে উচ্ছেদ কৰিছিল যদিও পুনৰ উক্ত অঞ্চলৰ চৰকাৰী মাটি বেদখল কৰাৰ পৰিকল্পনা কৰি আহিছে এইসকল লোকে। সময় থাকোতেই উক্ত অঞ্চলৰ পৰা সন্দেহজনক নাগৰিকসকল চিনাক্ত কৰি উচ্ছেদ কৰাৰ লগতে শ শ বিঘা চৰকাৰী ভূমি সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ স্মাৰকপত্ৰখনত উল্লেখ কৰে মণ্ডল বিজেপিয়ে।

# অসাধু ব্যৱসায়ীয়ে ধ্বংস কৰিছে কামৰূপ-দৰঙৰ সীমা বৰনদীৰ মথাউৰি



**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৯ মে’ ঃ** ৰাজ্যৰ নতুন চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰিয়ে মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত ব্যাপক তৎপৰতা অৱলম্বন কৰাৰ সময়তে দৰং-কামৰূপ জিলাৰ সীমা বৰনদীৰ দুয়োপাৰৰ মথাউৰিৰ অৱস্থাক লৈ শংকিত হৈ পৰিছে নৈখনৰ দুয়োপাৰৰ ৰাইজ। তথ্য অনুসৰি দৰং-কামৰূপৰ সীমা বৰনদীৰ বিভিন্ন ঠাইৰ পৰা একাংশ অসাধু ব্যৱসায়ীয়ে বালি-মাটি খনন কৰি ইটাভাটাকে ধৰি বিভিন্ন কামত যোগান ধৰি আহিছে। নৈখনৰ তিনিখুঁটি মুখৰ পৰা দুই নম্বৰ শুক্তাগুৰিলৈ নৈখনৰ কে’বাঠাইতো অসাধু ব্যৱসায়ীসকলে এনেদৰে বালি-মাটি কাটি কঢ়িয়াবলৈ মথাউৰিসমূহ এঢলীয়া কৰি লোৱা পৰিলক্ষিত হৈছে। ফলত উক্ত ঠাইসমূহত মথাউৰিসমূহ ঠেক আৰু চাপৰ হৈ পৰিছে। মথাউৰিসমূহ খৰালিত এনে ব্যৱসায়ীসকলে বিনাদ্বিধাই কাটি ট্ৰেক্টৰ আৰু ডাম্পাৰ চলাচলৰ বাবে উপযোগী কৰি লোৱাৰ ফলতে নদীত বান আহিলে উক্ত ঠাইসমূহত মথাউৰি ভাগি যোৱাৰ আশংকাত ভুগিছে নৈখনৰ নিকট কামৰূপ আৰু দৰঙৰ ৰাইজে। বিশেষকৈ দৰং জিলাৰ উত্তৰচুবা, মাৰুৱাচকী, শুক্তাগুৰি, সাতগাঁও আৰু কামৰূপ জিলাৰ বাথান, ইছলামপুৰ (আল্টা) আদি ঠাইত এনে কাৰণতে ভগ্নপ্ৰায় হৈ পৰিছে বৰনদীৰ মথাউৰি। শংকিত ৰাইজে এইসমূহ মথাউৰি পৰিদৰ্শন কৰি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে।

# গোসাঁইগাঁও পৌৰ নিগমৰ পৌৰপতিৰ দায়িত্বভাৰ গ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও/দোতমা/ফকিৰাগ্ৰাম, ১৯ মে’ ঃ** দীৰ্ঘদিনীয়া প্ৰতীক্ষাৰ অন্তত অৱশেষত নৱনিৰ্বাচিত পৌৰপতিৰ নেতৃত্বত উপ-পৌৰপতিকে ধৰি আঠজন ৱাৰ্ড কমিছনাৰে আজি গোসাঁইগাঁও পৌৰসভাৰ কাৰ্যভাৰ গ্ৰহণ কৰে। উল্লেখ্য যে বিটিআৰ চুক্তিৰ কিছুদিন পাছতে তদানীন্তন বিটিচি নিৰ্বাচনত ইউপিপিএল তথা বিজেপি মিত্ৰজোঁটে বিটিআৰৰ শাসনৰ বাঘজৰী চম্ভলাৰ সমান্তৰালভাৱে ইয়াৰ অধীনস্থ নিকায়-নিগমসমূহকো মিত্ৰজোঁটটোৱে নিজৰ হাতলৈ অনাৰ পৰিকল্পনাৰ এক অংশ হিচাপে গোসাঁইগাঁও পৌৰ নিগমকো আজি দল দুটাই নিজৰ দখললৈ নিয়ে। উল্লেখ্য যে পূৰ্বৰ শাসনাধিষ্ঠিত বিপিএফৰ সদস্যৰ দ্বাৰা বিগত তিনিটা কাৰ্যকাল গোসাঁইগাঁও পৌৰসভা পৰিচালিত হৈ আছিল। আজি গোসাঁইগাঁও পৌৰ নিগমৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী বিষয়া চৈতালী দত্তৰ পৌৰোহিত্যত আয়োজিত আড়ম্বৰহীন অনুষ্ঠানটোত পৌৰপতি হিচাপে প্ৰফুল্ল কুমাৰ ঈশ্লাৰী, উপ-পৌৰপতি হিচাপে ৰাজীৱ দেৱনাথ আৰু চহৰখনৰ চাৰিটা ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ হিচাপে এক নম্বৰ ৱাৰ্ডত ৰিংকু ৰক্ষিত, ফ্লৰিদা মুছাহাৰীক দুই নম্বৰ ৱাৰ্ডত বন্দনা দাস, কেং ফৌত, তিনি নম্বৰ ৱাৰ্ডত আলফা ঈশ্বৰাৰী, সুভাষ মহন্তক আৰু চাৰি নম্বৰ ৱাৰ্ডত সমিত কুমাৰ দে আৰু উজ্জ্বল ব্ৰহ্মক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায় কাৰ্যবাহী বিষয়া দত্তই। পৌৰনিগমৰ সভাগৃহত অনুষ্ঠিত শপতগ্ৰহণ অনুষ্ঠানটোত প্ৰাক্তন বিধায়ক হেমেন্দ্ৰ নাথ ব্ৰহ্ম, ইউপিপিএলৰ প্ৰাক্তন এমচিএলএ জীৱণ বসুমতাৰী, যুৱ ইউপিপিএলৰ কেন্দ্ৰীয় সভাপতি সোমনাথ নাৰ্জাৰী, শৰাইবিল মণ্ডল বিজেপিৰ সভাপতি নিৰ্মল কুমাৰ পাল, শৰাইবিল মণ্ডল যুৱ বিজেপিৰ সভাপতি গৌতম কুমাৰ দত্ত প্ৰমুখ্যে দুয়োটা দলৰ ভালেসংখ্যক নেতা-কৰ্মী উক্ত অনুষ্ঠানটোত উপস্থিত থাকে।

# ৰহাত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**ৰহা, ১৯ মে’ ঃ** ৰহা আৰক্ষী থানাৰ অন্তৰ্গত ৩৭ নম্বৰ ঘাইপথৰ সৰাগাঁৱত আজি পথৰ কাষত এটা পুৰুষৰ মৃতদেহ উদ্ধাৰ হয়। লং পেন্ট-টি চাৰ্ট পৰিহিত মৃতদেহটো অদ্যাপি চিনাক্ত কৰিব পৰা নাই। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

# গৰুভাষাত ক’ভিড নিয়ম ধোঁৱাচাঙত

## সাপ্তাহিক বজাৰত ভিৰ, নাই মাস্ক পৰিধান



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৯ মে’ ঃ** বিশ্বজুৰি ত্ৰাস সৃষ্টি কৰা কৰ’নাত লাখ লাখ লোকৰ মৃত্যু হোৱাৰ পাছতো ক’ভিড-১৯ক লৈ যেন আজিও সচেতন নহয় ৰাইজ। চিৰাং জিলাত নিতৌ কৰ’না আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ পাছতো তাক লৈ ভ্ৰূক্ষেপ নাই একাংশ লোকৰ। কৰ’নাত শতাধিক লোক আক্ৰান্ত হৈছে জিলাখনত। চৰকাৰে কৰ’না সংক্ৰমণ ৰোধৰ বাবে বাৰম্বাৰ ৰাইজক দূৰত্ব বজাই ৰখাৰ উপৰি মাস্ক পিন্ধিবলৈ আহ্বান জনাই আহিছে যদিও কাৰ্যতঃ সেই আহ্বানলৈ অধিকাংশ লোকেই কৰ্ণপাত কৰা নাই। জিলাখনত দ্ৰুতগতিত কৰ’নাৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পাছতো এইসকল লোকৰ কৰ’নাক লৈ কোনো সচেতনতা নাই। আনহাতে, একাংশ লোকে মাস্ক মুখৰ পৰিৱৰ্তে থুতৰিত পিন্ধাও দেখা গৈছে। ইপিনে, ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে চিৰাং জিলা প্ৰশাসনে কালি এক নিৰ্দেশযোগে জিলাখনত সকলো লোকক মাস্ক পৰিধান কৰাটো বাধ্যতামূলক কৰিছে যদিও আজি গৰুভাষা বজাৰত দেখা গ’ল ভিৰ। প্ৰায়ভাগ লোকেই মুখত পৰিধান কৰা নাই মাস্ক। জনসাধাৰণৰ উপৰি ব্যৱসায়ীসকলেও প্ৰশাসনৰ নিৰ্দেশনালৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি দৈনিক আৰু সাপ্তাহিক বজাৰত সামগ্ৰী বিক্ৰী কৰি আছে। আজিৰ এই সাপ্তাহিক বজাৰত দেখা গ’ল গ্ৰাহকৰ ভিৰ য’ত সামাজিক দূৰত্ব কোনোপধ্যেই মানি চলা নাই।

# ওদালগুৰি জিলা আটছাৰ কৰ’না সজাগতা অভিযান



**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৯ মে’ ঃ** বৰ্তমান সমগ্ৰ দেশত কৰ’না মহামাৰীয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। কৰ’না মহামাৰীক লৈ আতংকিত হৈ পৰিছে জনগণ। দেশ তথা ৰাজ্যৰ এই সংকট কালত ৰাইজৰ মাজত সজাগ কৰিবলৈ ওদালগুৰি জিলাৰ উত্তৰ অঞ্চলত থকা চাহ বাগিচাৰ শ্ৰমিকসকলৰ মাজত অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) ওদালগুৰি জিলা সমিতিৰ উদ্যোগত আৰু ওৰংগাজুলি চাহ বাগিচাৰ কৰ্তৃপক্ষ, আছা, ওৰংগাজুলি চিআইটিইউ আৰু এচিএমএছৰ সহযোগত ক’ভিড-১৯ৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে বাগিচাসমূহৰ ঠায়ে ঠায়ে সজাগতাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে অংশ হিচাপে আজি আটাৰীখাট, ডিমাকুছি, বাদলাপাৰ, ওৰংগাজুলি, নোনাইপাৰা, ভুটিয়াচাং, পানেৰী, মাজুলী, হাতীগড়, কোৱামোৰ আদি চাহ বাগিচাৰ শ্ৰমিক তথা ৰাইজক আতংকিত নহৈ সজাগ হ’বলৈ আহ্বান জনায় লগতে সামাজিক দূৰত্ব ৰক্ষা কৰা, মাস্ক পৰিধান, চাবোনেৰে হাত ধোৱা, ছেনিটাইজাৰ ব্যৱহাৰ কৰা, জধে-মধে চলাফুৰা নকৰি ঘৰতে থাকিবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বেও ওদালগুৰি জিলা আটছা, আছাৰ লগতে বহুকেইটা সংগঠনৰ উদ্যোগত ক’ভিড-১৯ৰ সজাগতাৰে ৰাইজক আহ্বান জনাই আহিছে।

# গোৱালপাৰাত কে’বাটাও আঁচনিৰ আধাৰশিলা স্থাপন

## আশাকৰ্মীৰ মাজত চাইকেল বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৯ মে’ ঃ** গোৱালপাৰা জিলা উপায়ুক্ত বৰ্ণালী ডেকাই আজি কে’বাটাও গুৰুত্বপূৰ্ণ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। জিলা উন্নয়ন আয়ুক্ত অশ্ৰুমণি মালাকাৰ আৰু লোক নিৰ্মাণ (পথ) বিভাগৰ গোৱালপাৰা কাৰ্যবাহী অভিযন্তা পদ্মনন্দ চৌধুৰীৰ উপস্থিতিত জিলা উপায়ুক্ত কাৰ্যালয়ৰ চৌহদত ফলক আঁৰি উপায়ুক্তই চাৰিটাকৈ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰে ২০১৯-২০ৰ ৰাজ্যিক স্ব-প্ৰাথমিকতা উন্নয়ন পুঁজি (এছঅ’পিডি-জি)ৰ ৮৭.৬৭ লাখ টকা ব্যয় সাপেক্ষে দুশখন বিছনাযুক্ত গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ সংযোগী পথসমূহৰ উন্নীতকৰণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। ইপিনে, একেই আঁচনিৰ ২০২০-২১ৰ ১৯.৮৫ কোটি টকা ব্যয়েৰে উৰপদ বিলৰ প্ৰান্তৰেখাৰ চাৰিওফালে ১৪.৭৪ কিলোমিটাৰ পদপথৰ নিৰ্মাণ কাৰ্যও ইতিমধ্যে আৰম্ভ হৈছে। ইয়াৰ উপৰি নগৰৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি চমুকৈ চিআইডিএফৰ ২০১৯-২০ৰ ৮.১৮ কোটি টকা ব্যয়েৰে আঠ কিলোমিটাৰ দৈৰ্ঘ্যৰ গোৱালপাৰা চহৰৰ দুৰ্গা মন্দিৰৰ পৰা মাকৰীলৈ যোৱা পথটোৰ নিৰ্মাণ কাৰ্য অচিৰেই অৰাম্ভ কৰা হ’ব। উল্লেখিত আঁচনি তিনিটাৰ উপৰি ২০১৯-২০ৰ পঞ্চদশ বিত্তীয় আয়োগৰ ৯৭ লাখ টকা ব্যয় সাপেক্ষে হাচিলা বিল ৰাজহুৱা বাছ আস্থানত বিবাহ ভৱন আৰু সমূহীয়া ভৱনৰো আধাৰশিলা স্থাপন কৰে উপায়ুক্তই। অৱশ্যে ইয়াৰ পাছতে বাছ আস্থানত গৈ গোৱালপাৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়া তথা জিলা উন্নয়ন আয়ুক্ত অশ্ৰুমণি মালাকাৰ আৰু সহকাৰী অভিযন্তা ইছফাকুৰ ওৱাৰিছৰ উপস্থিতিত সুকীয়াকৈ সমূহীয়া ভৱনটোৰ পুনৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপনৰ আগমুহূৰ্তত জিলা উপায়ুক্ত কাৰ্যালয় প্ৰেক্ষাগৃহত জিলাখনৰ আশাকৰ্মীৰ মাজত চাইকেল বিতৰণ কাৰ্যসূচী মুকলি কৰে উপায়ুক্ত ডেকাই। ক’ভিড প্ৰট’কলৰ বাবেই এগৰাকী আশাকৰ্মীক চাইকেল বিতৰণ কৰি কয় যে প্ৰথম পৰ্যায়ত জিলাখনৰ ১৩০গৰাকী আশাকৰ্মীৰ মাজত চিএছআৰ ফাণ্ডৰ পুঁজিৰে চাইকেল বিতৰণ কৰা হ’ব। লগতে চাইকেল চলাবলৈ নজনা আশাকৰ্মীসকলক চাইকেল চলোৱাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হ’ব। উল্লেখ্য যে বদলি সূত্ৰে অহা ২১ মে’ত নতুন উপায়ুক্তক কাৰ্যভাৰ চমজাই দিয়াৰ আগমুহূৰ্তত এইদৰে কে’বাটাও গুৰুত্বপূৰ্ণ আঁছনিৰ আধাৰশিলা স্থাপন কৰাটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। বিগত সময়ত নগৰ উন্নয়ন আন্তঃগাঁথনি উন্নয়ন পুঁজিকে ধৰি জিলাখনৰ কে’বাটাও গুৰুত্বপূৰ্ণ আঁচনিৰ লগতে সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনৰ সময়তো নিয়ম অনুযায়ী নিবিদা আহ্বান নকৰাকৈয়ে গোপন বুজাবুজিৰ ঠিকাদাৰক কামৰ আবণ্টন দিয়া বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# বৈধ বালি ট্ৰাকৰ পৰা ধন দাবী হোজাইত ৰেঞ্জাৰৰ বিৰুদ্ধে গোচৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৯ মে’ ঃ** হোজাই বন বিভাগত নতুনকৈ যোগদান কৰা প্ৰটেকছন ৰেঞ্জাৰ চামিমা আখতাৰৰ বিৰুদ্ধে বালি ট্ৰাকৰ পৰা ধনদাবী কৰাৰ অভিযোগ উঠিছে। লগতে বৈধ নথিপত্ৰ থকাৰ পাছতো ভয়-ভাবুকিৰে উকা কাগজত বালি ট্ৰাকচালকৰ পৰা চহী লোৱাৰ লগতে ঠেলা-হেঁচা কৰি কাৰ্যালয়ৰ পৰা ট্ৰাকচালকক খেদি দিয়াৰ অভিযোগ কৰিছে পিলিকা হাজাৰী নামৰ কাৰ্বি আংলঙৰ এজন চালকে। অভিযোগ মতে, ৰেঞ্জাৰ আখতাৰে যোৱা ১৬ মে’ত বালি কঢ়িয়াই অনা এ এছ-০৯ এ চি-৮২৯১ নম্বৰৰ ট্ৰাকখন হোজাইৰ কপাহবাৰীত আবদ্ধ কৰি নিজকে আৰক্ষীৰ লোক বুলি কৈ সকলো বৈধ নথিপত্ৰ থকাৰ পাছতো ট্ৰাকখন জব্দ কৰি ডবকালৈ লৈ যায়। ডবকাত ট্ৰাকজালকজনৰ পৰা এখন উকা কাগজত চহী লৈ সকলো নথিপত্ৰ কাঢ়ি ৰাখে। তাৰ পাছতে চালকজনক ঠেলা মাৰি কাৰ্যালয়ৰ পৰা উলিয়াই দিয়ে আৰু পাঁচ হেজাৰ টকা দাবী কৰে বুলি চালক হাজাৰীয়ে ডবকা থানাত এজাহাৰ দাখিল কৰাত গোচৰ ৰুজু কৰিছে।

# চতিয়াত হৰিণা পহু উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১৯ মে’ ঃ** বিশ্বনাথ জিলাৰ চতিয়াত দক্ষিণাঞ্চলত আজি এটা হৰিণা পহু উদ্ধাৰ কৰা হয়। কাজিৰঙা ষষ্ঠ সংযোজনৰ বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত এটা হৰিণা পহু জনাঞ্চললৈ ওলাই আহি চতিয়াৰ দক্ষিণ প্ৰান্তৰ বোকাবিলৰ ফাটেকীৰ এজন লোকৰ বাৰীত চৰি থকা পুৱাই গঞাই প্ৰত্যক্ষ কৰে। লগে লগে গাঁওখনৰ কেইজনমান যুৱকে হৰিণাটো অলপো আঘাত নোপোৱাকৈ ধৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতে গঞাই বিশ্বনাথ চাৰিআলিস্থিত বন বিভাগক খবৰ দিয়ে। বন বিভাগৰ লোক উপস্থিত হৈ হৰিণাটো চমজি লৈ পুনৰ কাজিৰঙা ষষ্ঠ সংযোজনত মুকলি কৰি দিয়ে।




# উপ-ৰাষ্ট্ৰ ম’ল’ছিয়া



**বিশ্বৰ** সবাতোকৈ ক্ষুদ্ৰ ৰাষ্ট্ৰখন কি বুলি সুধিলে হয়তো সকলোৱে উত্তৰ দিব ভেটিকান চিটী বুলি। কিন্তু বিশ্বৰ সবাতোকৈ সৰু উপ-ৰাষ্ট্ৰখন কি বুলি সুধিলে হয়তো সকলোৱেই বিমোৰত পৰিব। তোমালোকেও হয়তো উপ-দীপ বা উপ-মহাদেশৰ নাম শুনিছা। কিন্তু উপৰাষ্ট্ৰ? হয়, এইখন পৃথিৱীত কে’বাখনো উপ-ৰাষ্ট্ৰও আছে। এইবোৰ উপ-ৰাষ্ট্ৰ প্ৰকৃততে কোনো দেশ বা ৰাষ্ট্ৰৰে অংগ। কোনো ব্যক্তিয়ে কিছু পৰিমাণৰ মাটিত নিজৰ এখন সাম্ৰাজ্য সৃষ্টি কৰে আৰু নিজকে স্বাধীন বুলি ঘোষণা কৰে। অৱশ্যে এইবোৰ উপ-ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘ বা কোনো শীৰ্ষস্থানীয় ৰাষ্ট্ৰৰ দ্বাৰা স্বাধীন দেশত স্বীকৃতি নাপায়। কিন্তু এনে উপ-ৰাষ্ট্ৰৰ শাসকে নিজকে ৰাষ্ট্ৰৰ সৰ্বেসৰ্বা জ্ঞান কৰে আৰু নিজস্ব মুদ্ৰা, ডাকটিকট, পতাকা, পাছপ’ৰ্ট আৰু জাৰি কৰে। ১৯৭০ৰ পাছত ৰাষ্ট্ৰসংঘ আৰু অন্যান্য শীৰ্ষস্থানীয় চৰকাৰী-বেচৰকাৰী সংগঠনে এনেবোৰ উপ-ৰাষ্ট্ৰক মাইক্ৰ’নেচন বা ক্ষুদ্ৰৰাষ্ট্ৰ নাম প্ৰদান কৰিলে। তেনে এখন যুক্তৰাষ্ট্ৰ হ’ল ম’ল’ছিয়া গণৰাজ্য।

ম’ল’ছিয়া গণৰাজ্য প্ৰতিষ্ঠা কৰিছিল কেভিন বাউ নামৰ ব্যক্তিজনে। শৈশৱৰ পৰাই এখন ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ সপোন দেখিছিল তেওঁ। সেই সপোন বাস্তৱায়িত কৰিবলৈকে কেভিন বাউয়ে ১৯৯৯ত ০.০০৫৩ বৰ্গ কিলোমিটাৰ অঞ্চলত ম’ল’ছিয়া গণৰাজ্য প্ৰতিষ্ঠা কৰি নিজকে ৰাষ্ট্ৰপতি বুলি ঘোষণা কৰিলে। এই ক্ষুদ্ৰ ৰাষ্ট্ৰখন আছে আমেৰিকাৰ নেভাডা প্ৰান্তৰ। ম’ল’ছিয়া গণৰাজ্য ক্ষুদ্ৰৰাষ্ট্ৰত নিজা ডাকসেৱা, বেংক, পৰ্যটন সেৱা, নৌসেনা, অন্তৰীক্ষ কাৰ্যক্ৰম, ৰেল আৰু অনলাইন ফিল্ম থিয়েটাৰ আছে। ২০০৮ৰ পৰা বিভিন্ন দেশত পৰ্যটকে ম’ল’ছিয়ালৈ যাবলৈ লয়। ২০১২ত ৰাষ্ট্ৰপতি বাউয়ে স্বাধীন ৰাষ্ট্ৰৰ স্বীকৃতি বিচাৰি হোৱাইট হাউছলৈ আবেদন জনাইছিল যদিও স্বীকৃতি নাপালে। সেয়ে ক্ষুদ্ৰ ৰাষ্ট্ৰখন এতিয়াও মাৰ্কিন যুক্তৰাষ্ট্ৰৰ অংগ হৈ আছে।



বিদ্যা শিক্ষাৰ কাৰণে সেই গাঁৱৰ ল’ৰা-ছোৱালীবোৰৰ অলপ কষ্ট কৰিবলগীয়া হয়। কাৰণ সেই গাঁৱৰ ল’ৰা-ছোৱালীবোৰে বহু দূৰলৈ খোজ কাঢ়ি পঢ়িবলৈ যাব লাগে। যাতায়াতৰ পৰাও বঞ্চিত এখন সৰু গাঁও।

# কষ্টৰ ফল সদায় মিঠা

## জাম্বুৰতী দাস

**মিলনপুৰ** এখন সৰু গাঁও। সেই গাঁৱৰ প্ৰায় মানুহে বেপাৰ বাণিজ্য কৰি দুবেলা দুমুঠি আনন্দ মনেৰে খায়। বিদ্যা শিক্ষাৰ কাৰণে সেই গাঁৱৰ ল’ৰা-ছোৱালীবোৰৰ অলপ কষ্ট কৰিবলগীয়া হয়। কাৰণ সেই গাঁৱৰ ল’ৰা-ছোৱালীবোৰে বহু দূৰলৈ খোজ কাঢ়ি পঢ়িবলৈ যাব লাগে। যাতায়াতৰ পৰাও বঞ্চিত এখন সৰু গাঁও। বিজুলী বাতিৰ কোনো ব্যৱস্থা নথকা সৰু গাঁওখনৰ ল’ৰা-ছোৱালীবোৰ কিন্তু সকলো ফালৰ পৰাই আগবঢ়া। সকলো ল’ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰে। মিলনপুৰ গাঁৱৰ মানুহৰ মাজত কোনো ধৰণৰ হিংসাপৰায়ণ ভাব নাই। সকলো গাঁৱৰ মানুহবোৰে এটা পৰিয়ালৰ দৰেই থাকে। সেই কাৰণে সেই গাঁৱৰ ল’ৰা-ছোৱালীবোৰো সংস্কাৰ-সংস্কৃতিবান। বহু জাতি ধৰ্মৰ মানুহ একেলগে থাকে যদিও সকলোৰে ধৰ্ম কিন্তু একে। ফাগুন মাহৰ দৌল উৎসৱটো সেই গাঁৱৰ মানুহে বছৰেকীয়া উৎসৱ হিচাপে ডাঙৰকৈ পাতে। তাত জনতাৰ সমাগমত এখন বৃহৎ প্ৰজাতন্ত্ৰৰ অধিবেশন যেন দেখা গৈছিল। কাৰণ সেই উৎসৱ চাবলৈ অন্য গাঁৱৰ মানুহো গৈছিল। সকলোৰে মুখত দৌল-উৎসৱৰ গান। ঢোল - তালৰ শব্দই সভাস্থলী ৰজনজনাই আছিল। ভ্ৰাতৃত্বৰ স্নেহ আৰু মধুৰ মিলনে এক দেৱভূমিত পৰিণত কৰি তুলিছিল। সেই দৌল-উৎসৱ।

মিলনপুৰ গাঁৱৰ বহুতো ল’ৰা-ছোৱালীয়ে আজি কালি গুৱাহাটীত থাকি পঢ়িবলৈ লৈছে। আৰু বহুতো যুৱকে উচ্চ শিক্ষা শেষ কৰি বাহিৰত থাকি ভাল ভাল পদত চাকৰিও পাইছে। এইবাৰ সিহঁতৰ গাঁৱৰ দৌল-উৎসৱটোৱে এশ বছৰ পাৰ কৰিব। সেই কাৰণে সেই গাঁৱৰ শিক্ষিত যুৱক চামো একেলগ হৈ ৰাজহুৱা নাম ঘৰত এখন সভা পাতিলে। গাঁৱৰ সকলো বুঢ়া-ডেকা একলগ হ’ল। আৰু সেই গাঁৱৰ অমিয় কুমাৰে ৰাইজৰ আগত থিয় দি সভাৰ উদ্দেশ্য দাঙি ধৰিলে। অমিয় কুমাৰে ৰাইজক ক’লে যে সিহঁতৰ বছৰেকীয়া দৌল উৎসৱটোৱে এইবাৰ এশ বছৰ অতিক্ৰম কৰিব। গতিকে তেওঁলোকে এইবাৰৰ দৌল উৎসৱটো ডাঙৰকৈ পাতিব আৰু নতুন চৰকাৰৰ মুখ্যমন্ত্ৰীকো তেওঁলোকে নিমন্ত্ৰণ কৰিব। কাৰণ তেওঁলোকৰ গাঁওখন যে আজিও ইমান পিছপৰা তেওঁ নিজ চকুৰে দেখিলে সমস্যা সমাধান হোৱাৰ আশা কৰিব পাৰি। সভাৰ উদ্দেশ্য অমিয় কুমাৰৰ পৰা শুনি সকলো ৰাইজে সমৰ্থন কৰিলে। ৰাইজৰ সহযোগত আৰু মৰমৰ বান্ধোনেৰে বান্ধ খাই থকা গাঁওখনলৈ মুখ্যমন্ত্ৰীক নিমন্ত্ৰণ কৰা হ’ল।

সকলো গাঁওবাসীয়ে মুখ্যমন্ত্ৰী তেওঁলোকৰ গাঁৱত আহিব বুলি শুনি আনন্দ পালে। কাৰো পৰা দান-বৰঙণি নোহোৱাকৈ যিয়ে যেনেকৈ সহায়ৰ হাত বঢ়াইছে সেইদৰেই তেওঁলোকৰ গাঁৱৰ এশ বছৰীয়া দৌল-উৎসৱ ধুম-ধামেৰে পাতিলে। উৎসৱৰ দিনা সকলো ৰাইজে মুখ্যমন্ত্ৰীক আদৰিবলৈ সকলোৱে পদূলিত কলগছ পুতিলে। গোটেই গাঁৱৰ মানুহে মাটিৰ চাকি জ্বলাই গাঁওখন উজলাই তুলিলে। ৰঞ্জন ডেকাই তেওঁৰ বাগিচাৰ গোলাপ ফুলৰ মালা গাঁঠি মন্ত্ৰীক পিন্ধাবলৈ সাজু কৰি ৰাখিলে। মালতী বৰুৱানীয়ে তেওঁৰ নিজ হাতে বনোৱা আশী সুতাৰ দীঘল আৰু বাণিৰে বোৱা ভুমকা ফুলৰ গামোচা এখন দিলে মন্ত্ৰীক পিন্ধাবলৈ। গোলাপী জেতুকী, শেৱালি আৰু পদুমীহঁতে নিজৰ নিজৰ ঘৰত বিভিন্ন পিঠা-লাৰু আদি বনাই মন্ত্ৰীলৈ আপ্যায়নৰ কাৰণে আনন্দ মনেৰে তৈয়াৰ কৰিলে। মুঠতে সকলোৰে মনত অপাৰ আনন্দ। সিহঁতৰ পিছপৰা গাঁওখনলৈ মুখ্যমন্ত্ৰী আহিব। কিমান যে ভাল লাগিব।

ৰাইজৰ সহযোগ আৰু আত্মবিশ্বাসৰ ফলত মিলনপুৰ গাঁৱলৈ মুখ্যমন্ত্ৰীয়ে আহি আচৰিত হ’ল তেওঁলোকৰ গাঁৱৰ মানুহৰ মাজত থকা মিলা-প্ৰীতি দেখি। লগতে তেওঁ আচৰিত হ’ল যে ইমান ডাঙৰ সভা পাতিছে অথচ বাহিৰৰ কোনো মানুহৰ পৰা কোনো ধৰণৰ দান-বৰঙণি সংগ্ৰহ নকৰাকৈ ইমান পৰিপাটিকৈ গাঁওখন সজাইছে। তেওঁলোকৰ গাঁৱৰ মানুহবোৰৰ আত্মবিশ্বাসত মন্ত্ৰীয়েই বৰ সুখ পালে। সেয়েহে তেওঁ সেই সভাতে সেই দিনাই তেওঁলোকৰ মিলনপুৰ গাঁওখনক শ্ৰেষ্ঠ আদৰ্শবান গাঁও বুলি ঘোষণা কৰাৰ লগতে ৰাইজক প্ৰতিশ্ৰুতি দিলে যে তেওঁ অতি সোনকালে এই গাঁওখনত বিজুলী বাতিৰ ব্যৱস্থা কৰি দিব আৰু যাতায়াতৰ কাৰণেও সকলো সু ব্যৱস্থা কৰিব। মুখ্যমন্ত্ৰীৰ প্ৰস্তাৱত সকলো ৰাইজ আনন্দৰ সীমা নোহোৱা হ’ল। তিৰোতাবিলাকে উৰুলি দি সভাথলী সোণত সুৱগা চৰালে। সঁচাকৈয়ে কষ্টৰ ফল সদায় মিঠা। একতাৰ শক্তিৰেহে সমাজক প্ৰগতিৰ পথত আগবঢ়াই নিব পৰা যায়। এই কথাখিনিৰ প্ৰমাণ মিলনপুৰ গাঁৱৰ ৰাইজে দেখুৱাই দিলে।

## কবিতা

### ৰং হেৰুওৱা সময়

**তুলিকা দেৱী চৌধুৰী**

কলি মেলি ফুলিছিলোহে আমি  
ৰং খেলিবলে’  
ক’ত খেলো  
ক’ত নেখেলো  
উগুল-থুগুল লাগিছে মন

ৰং হেৰুওৱা ঘণ্টা বজাই  
কৰ’নাই ধৰিছে ছানি  
পৃথিৱীৰ সেউজীয়া

আৰু আমাৰ ৰং আমাৰ ধেমালি  
অ’ অতিমাৰী কৰ’না তই  
হেৰালি কিয়  
তোৰ অভিসন্ধিৰে...  
জীৱন ৰঙৰ বাট

যা, গুচি যা সোনকালে  
নকৰিবি উপহাস  
ৰং ধেমালিৰে প্ৰণাম জনাই  
ধৰো পূজ্যজনক মান।

### ম’বাইল

**ৰফিকা হক নাজ**

কাণ ফুচফুচ যন্ত্ৰ মই  
ম’বাইল মোৰ নাম,  
ড° মাৰ্টিন ক’পাৰ হ’ল  
আৱিষ্কাৰকজনৰ নাম।  
অতিকৈ দৰকাৰী আৰু  
অতিকৈ আপোন মই,  
সকলোৱে পকেট আৰু  
ঘূৰে বেগত লৈ।  
অতি জটিল কামসমূহ  
সমাধান কৰো মই,  
অতি দূৰৰ সম্পৰ্কসমূহ  
গঢ়ি তোলো মই।  
মই বিনা আজৰি পৰ  
নহয় কাৰো পাৰ,  
কেতিয়াবা মনোৰঞ্জন আৰু  
কেতিয়াবা অশ্ৰুধাৰ।  
পিছে খং উঠে তেতিয়া মোৰ  
অসৎ পথত নিলে,  
অপব্যৱহাৰ কৰি শেষত  
দোষ মোকেই দিলে।

# ছুইংগামৰ আৱিষ্কাৰ



**ছুইংগাম** চোবাবলৈ তোমালোক সকলোৱেই নিশ্চয় ভাল পোৱা। কিন্তু এই ছুইংগামৰ আৱিষ্কাৰ সম্পৰ্কে কিবা জানানে? আধুনিক ছুইংগাম আৱিষ্কাৰ কৰিছিল নিউয়ৰ্কৰ টমাছ এডামছ নামৰ এজন লোকে। সেয়া ১৮৭০ৰ কথা। এডামছে দক্ষিণ আমেৰিকাত পোৱা চিকল নামৰ এবিধ গছৰ ৰসৰ পৰা বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰি ৰবৰ তৈয়াৰ কৰাৰ চেষ্টা কৰি আছিল। কিন্তু বাৰে বাৰে ব্যৰ্থ হৈ এসময়ত খঙৰ ভমকতে সেইখিনি তেওঁ মুখত ভৰাই চোবাবলৈ ল’লে। তেতিয়াই সেই গছৰ ৰসে এডামছৰ মুখৰ ভিতৰত বেলুনৰ সৃষ্টি কৰে। সেই বিষয়টো তেওঁ বৰ পছন্দ কৰিলে। এডামছেই প্ৰথমে ছুইংগামক বাণিজ্যিক ৰূপ দিয়ে। তেওঁৰ কাৰখানাটো নিউয়ৰ্কৰ এক নম্বৰ ছুইংগামৰ কাৰাখানাত পৰিগণিত হয়। অৰ্থাৎ ৰবৰ তৈয়াৰৰ চেষ্টাৰ পৰাই ছুইংগামৰ আৱিষ্কাৰ হয়। অৱশ্যে আগতেই ১৮৪৮ত প্ৰথমবাৰলৈ বাণিজ্যিকভাৱে ছুইংগাম উৎপাদনৰ চিন্তা মনলৈ আহিছিল আমেৰিকাৰ বেকন কাটিচৰ। তেওঁ ১৮৪৮ৰ পৰা স্প্ৰুচ গছৰ ৰসত বিভিন্ন সোৱাদযুক্ত কৰি ছুইংগাম তৈয়াৰ কৰিবলৈ লয়। কাটিচে প্ৰতিষ্ঠা কৰা ‘কাৰ্টিচ ছুইংগাম ফেক্টৰী’ হৈছে প্ৰথম ছুইংগাম কাৰখানা। অৱশ্যে সেই সময়ত সোৱাদবোৰ বেছি সময়লৈ নাথাকিছিল। সেই সমস্যা সমাধান কৰি উইলিয়াম হোৱাইটে ছুইংগামত চেনি আৰু কৰ্ণৰ ছিৰাপ যুক্ত কৰে। তাৰ স’তে কিছু পদিনাৰ ৰস যুক্ত কৰাত সেইবোৰে সোৱাদ ধৰি ৰখাত সহায় কৰে। ইয়াৰ পাছত ড°



এডৱাৰ্ড বিমানে পেপচিন পাউডাৰ যুক্ত কৰি হজমৰ সহায়ক ছুইংগাম আৱিষ্কাৰ কৰে। পৰৱৰ্তী সময়তো অধিক সোৱাদক লৈ পৰীক্ষা-নিৰীক্ষা চলি আছিল। ফলত নতুন নতুন বস্তু ছুইংগামত যুক্ত হৈ থাকে। লগতে ছুইংগামৰ বাবে নিউয়ৰ্কত ভেণ্ডিং যন্ত্ৰও স্থাপন হয়। টমাছ এডামছৰ ছুইংগাম ‘টুটি-ফ্ৰুটি’ প্ৰথমবাৰলৈ ভেণ্ডিং যন্ত্ৰৰ মাধ্যমেৰে বিক্ৰী হয়। ইয়াৰ ছুইংগামে লাহে লাহে বিস্তৃতি লাভ কৰে। উল্লেখ যে প্ৰাকৃতিক ছুইংগামৰ প্ৰচলন হেজাৰ হেজাৰ বছৰ ধৰি আছিল। প্ৰাচীন গ্ৰীকসকলে মেছট্ৰিক গছ, মায়া সভ্যতাৰ লোকসকলে ছেপ’ডিলা গছ আৰু প্ৰাচীন ভাৰতীয়সকলে স্প্ৰুছ গছৰ ৰস আৰু আঠা ছুইংগাম ৰূপে চোবাইছিল।



# ৰঙীন মকৰা

**সমগ্ৰ** বিশ্বত কমেও ৫০ হেজাৰ প্ৰজাতিৰ মকৰা আছে। ইয়াৰে কিছু প্ৰজাতি অতি বিষাক্ত তথা বিপজ্জনক হ’লেও কেতবোৰ প্ৰজাতি ৰংবিৰঙৰ আৰু দেখিবলৈ বৰ ধুনীয়া। মকৰাবোৰ অতি বেছি ১২ ইঞ্চি দীঘল হয়। অলপতে অষ্ট্ৰেলিয়াৰ দুজন প্ৰাণীবিদ্যাৰ ছাত্ৰই দুটা অতিশয় ধুনীয়া মতা মকৰা উদ্ধাৰ কৰিছে। এই মকৰা দুটা সিহঁতৰ শাৰীৰিক সৌন্দৰ্যৰ বাবেই ময়ুৰ প্ৰজাতি (Peacock Spider)ৰ মকৰাৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। এই মকৰা দুটাৰ আকাৰ আন মকৰাতকৈ কিছু সৰু। দুয়োটাৰ দৈৰ্ঘ্য ০.১ৰ পৰা ০.৭ ইঞ্চিহে। জানিলে আচৰিত হ’বা যে ময়ুৰ প্ৰজাতিৰ মকৰাৰ মতাবোৰ মাইকী মকৰাতকৈ বেছি ধুনীয়া। সমগ্ৰ শৰীৰত থকা সৰু সৰু নোমবোৰ ফুলাই দিলে বৰ আকৰ্ষণীয় হৈ উঠে। আনকি ভৰিতো সৰু সৰু নোম আছে। মাইকী মকৰাবোৰ আন মকৰাৰ দৰে তামবৰণীয়া, কিন্তু মতা ময়ুৰ প্ৰজাতিৰ মকৰাবোৰৰ গাত ৰঙা-নীলা-হালধীয়া ৰঙৰ সমাহাৰ ঘটে। সেই ৰঙেই ইহঁতৰ সৌন্দৰ্য বৃদ্ধি কৰে। জানি থোৱা ভাল যে মকৰা এবিধ ৰহস্যময় জীৱ। আজিও এইবিধ প্ৰাণীক কেন্দ্ৰ কৰি গৱেষণা অব্যাহত আছে। মকৰাক সততে কীটৰ শাৰীত স্থান দিয়া হয়। ইহঁতৰ পেটত এটা মোনা থাকে আৰু তাৰ পৰা আঠাজাতীয় পদাৰ্থ নিৰ্গত হয়। সেই আঠাযুক্ত পদাৰ্থৰে মকৰাই জাল তৈয়াৰ কৰি চিকাৰ ধৰে। বিভিন্ন কীট-পতংগ হ’ল মকৰাৰ প্ৰধান আহাৰ। কেতবোৰ প্ৰজাতি অতিশয় বিষাক্ত। বিশ্বৰ সকলো ঠাইতে মকৰা পোৱা যায়। ইহঁতৰ চকু আঠটা, অৱশ্যে কিছুমান প্ৰজাতিৰ ছটা চকু থাকে। অতিশয় কষ্ট কৰি জাল গঁঠাৰ বাবে মকৰাক পৰিশ্ৰমী প্ৰাণী বুলি কোৱা হয়। কিন্তু জাল গাঁঠি গাঁঠি মকৰাও এসময়ত ভাগৰি পৰে। এনে অৱস্থাত কেতিয়াবা মকৰা অশান্ত হৈ উঠে আৰু সিহঁতৰ হৃদস্পন্দনতো প্ৰভাৱ পৰে। তেতিয়াই সিহঁতৰ কামৰ গতি অধিক তীব্ৰ হৈ পৰে। মকৰাৰ কাণ নাই আৰু শব্দ নুশুনে।

# কেতবোৰ বিশেষ তথ্য

- প্ৰথম ভাৰতীয় ডাক টিকট ১৮৫৪ৰ জুলাইত কলকাতাৰ নোট ছপাশালত ছপা কৰা হৈছিল।
- টেঙা মৌ একমাত্ৰ ব্ৰাজিলৰ জংঘলত পোৱা যায়।



- ছৌদি আৰব বিশ্বৰ একমাত্ৰ দেশ, য’ত এখনো নদী নাই।
- শাখাৰ দিশৰ পৰা বিশ্বৰ সবাতোকৈ বৃহৎ বেংক হ’ল ভাৰতীয় ষ্টেট বেংক।
- বিশ্বত মুঠ ২১২ খন দেশ আছে।
- আয়ৰণ অক্সাইডক ‘নকল সোণ’ বুলি কোৱা হয়।
- বাল্বৰ ফিলামেণ্ট টংগষ্টন ধাতুৰে নিৰ্মাণ কৰা হয়।
- ‘ওঁম জয় জগদীশ’ ৰচনা কৰিছিল পণ্ডিত শ্ৰদ্ধানন্দ ফিল্ল’ৰীয়ে।
- দেওবাৰৰ ছুটীৰ দিন ১৮৪৩ৰ পৰা আৰম্ভ হয়।

‘তোমাৰ এই হেঁপাহ মুঠেই ভাল নহয়। গতিকে তুমি গুচি যোৱাগৈ।’



# অতি কৌতূহলীৰ পৰিণাম

## ৰফিকা নাজ

**বহুত** দিন আগৰ কথা। এজন বৰ চতুৰ মানুহ আছিল। এদিন তেওঁ সেই যুগৰ মহাপুৰুষজনৰ কাষলৈ গৈ আবেদন কৰিলে যে মহাৰাজ! মোক পশু-পক্ষীৰ ভাষাটো শিকাই দিয়ক। এই বিষয়ে মোৰ বৰ হেঁপাহ। মহাপুৰুষজনে ক’লে— ‘তোমাৰ এই হেঁপাহ মুঠেই ভাল নহয়। গতিকে তুমি গুচি যোৱাগৈ।’ চতুৰ মানুহজনে ক’লে—ইয়াত আপোনাৰ লোকচানটো কিহৰ? মাথোঁ মোৰ এটাই চখ পূৰণ কৰি দিবই লাগিব। তেতিয়া মহাপুৰুষজনে বিশ্বস্ৰষ্টা প্ৰভুক প্ৰাৰ্থনা কৰি ক’লে যে হে প্ৰভু! আপোনাৰ উক্ত মানুহজনে মোৰ ওচৰত জেদ কৰিছে মই এতিয়া কি কৰিম। তেতিয়া প্ৰভুৰ পৰা ঐশীবাণী নামি আহিল যে যদি দুৰ্ভাগ্যবান ব্যক্তিজনে তোমাৰ কথা শুনাই নাই তেন্তে তাক পশু-পক্ষীৰ ভাষাটো বুজিবলৈ শক্তি দি দিয়া। মানুহজনক সঁচাকৈ উক্ত শক্তিটো দিয়া হ’ল। পৰম আনন্দৰে ঘৰমুৱা হ’ল। মানুহজনৰ গৃহপালিত পশু-পক্ষীৰ মাজত এটা মুৰ্গী চৰাই, এটা কুকুৰ, এটা গৰু আৰু এটা ঘোঁৰা আছিল।


দ্বিতীয় দিনৰ কথা। দুপৰীয়া সময়। খোৱা-বোৱা শেষ কৰি বাৰান্দাত কিছু সময় বহিল। ঘৰৰ চাকৰণীজনীয়ে ঘৰ ঝাড়ু দি উলিয়াই পেলোৱাত এটুকুৰা ৰুটি গৈ চোতালত পৰিলহি। লগে লগে মুৰ্গী চৰাই আৰু কুকুৰটো সেই পিনে দৌৰি আহিল আৰু মুৰ্গীটোৱে ৰুটিখিনি লৈ দৌৰোতে কুকুৰটোৱে কৈ উঠিল ভুক ভুক মানে—ঐ খঁকুৱা তোৰ আহাৰ হৈছে খুদ আৰু মলজাতীয় বস্তুতোৰ তই আমাৰ ভাগৰখিনিও খাব আহিছা? কি আচৰিত! তেতিয়া মুৰ্গী চৰাইটোৱে ক’লে কক্ কক্.... তাৰ মানে কুকুৰ ভাইয়া, দুখ কৰিচা কিয়? কাইলৈ আমাৰ মালিকৰ গৰুটো মৰি যাব নহয়! তেতিয়া তুমি হেঁপাহ পলুৱাই গো মাংস খাব পাৰিবা। ঘৰৰ চতুৰ মালিকজনে কুকুৰ আৰু মুৰ্গীৰ কথাখিনি বুজি পালে আৰু লগে লগে ঘৰৰ পৰা গৰুটো বিক্ৰী কৰি দিলে। গৰুটো বেপাৰীৰ ঘৰত ৰাতি মৰি থাকিল আৰু সম্ভাব্য লোকচানটোৰ পৰা চতুৰ ব্যক্তিজন বাচি গ’ল বুলি পৰম সন্তোষ লভিল।

তাৰ পিছদিনাখন কুকুৰটোৱে মুৰ্গীটোক ক’লে— ঐ মিছলীয়া ক’ত আজি সেই গৰু যাৰ মাংস খাব পাৰিম? মুৰ্গীটোৱে ক’লে— কুকুৰ ভাইয়া। মই কেতিয়াও মিছলীয়া নহয়। আমাৰ মালিকজনহে বৰ চতুৰ। তেওঁ ক্ষতিৰ হাতৰ পৰা ৰক্ষা পাবৰ বাবে গৰুটো বিক্ৰী কৰি দিলে আৰু নিজৰ বিপদটো অন্যৰ ওপৰত ঠেলি দিলে। কিন্তু শুনা কাইলৈ মালিকৰ ঘোঁৰাটো মৰি যাব আৰু তুমি তাৰ মাংস খাব পাৰিবা। পিছদিনাখনৰ কথোপকথনখিনিও মালিকে বুজি পাই ঘোঁৰাটোও বিক্ৰী কৰি দিলে আৰু নিজকে নিজে ধন্য মানি ক’লে যে ভাগ্য ভাল পশু-পক্ষীৰ ভাষাটো বুজি পাইছিলো, নহ’লে যে কিমান ক্ষতি হ’লহেঁতেন। তাৰে পিছদিনাখন কুকুৰটোৰ খঙে ভোকে সীমা চেৰাই গ’ল। সি খঙতে মুৰ্গীটোকেই খাবলৈ আগবাঢ়িল। মুৰ্গীটোৱে তাক বহুত বুজাই কোনোমতে ঠাণ্ডা কৰিলে আৰু ক’লে যে কুকুৰ ভাইয়া আৰু কি কম, আমাৰ মালিকজন একেবাৰেই চতুৰ তেওঁ ঘোঁৰাটোও বিক্ৰী কৰি দিলে আৰু তাতেই মৰি থাকিল। গতিকে আমাৰ মালিকজন আনন্দত আত্মহাৰা হৈ পৰিছে; কিন্তু তেওঁ নাজানিলে যে গৰু বা ঘোঁৰাটো যদি তেওঁৰ ঘৰতেই মৰিলেহেঁতেন তেন্তে নিজৰ জীৱনৰ ওপৰত বিপদ মাতি আনিলে জন্তু দুটা বিক্ৰী কৰি। গতিকে কুকুৰ ভাইয়া বিশ্বাস কৰা কাইলৈ স্বয়ং আমাৰ মালিজনেই মৰি যাব আৰু মৃত্যুৰ পাছত যিমান খানা-পিনাৰ আয়োজন হ’ব তাৰ বাকী অংশৰ ভাগ আমাৰেই থাকিব নহয়নে? বেচেৰা ঘৰৰ মালিকজনে মুৰ্গীটোৰ উক্ত কথাখিনি শুনাৰ লগে লগে হায়! হায়! হায়! বুলি চিঞৰিবলৈ ধৰিলে আৰু দৌৰি মহাপুৰুষজনৰ কাষ চাপি ক’লে— যে মহাৰাজ! মই মহাভুল কৰিছিলো। মোক বচোৱাওক। মোৰ অপৰাধ ক্ষমা কৰক। মৃত্যুৰ হাতৰ পৰা মোক বচোৱাওক। মহাপুৰুষজনে ক’লে— হে নিৰ্বোধ! এইটো অসম্ভৱ। সৃষ্টিকৰ্তাৰ হুকুম কোনেও অমান্য কৰিব নোৱাৰে। তুমি যি সমস্যাত পৰিছা সেইটো মই আগতেই জানিছিলো; কিন্তু তুমি নামানি জেদ কৰি পশু-পক্ষীৰ ভাষাটো শিকিছিলা। যিয়ে নহওক এতিয়া যোৱা আৰু মৃত্যুৰ বাবে প্ৰস্তুত হোৱাগৈ। পিছদিনাখন সঁচাই মানুহজন মৰি গ’ল।

ইয়াকেই কয় বোলে অতি বুদ্ধি যাৰ গলত জৰী মেৰাই তাৰ।


# বিশ্বৰ পুৰণি গছজোপা

**চীনত** সম্প্ৰতি এদল গৱেষকে এহেজাৰ ৩০০ বছৰৰ পুৰণি এজোপা গছৰ সন্ধান লাভ কৰিছে। এইজোপাকে এতিয়া বিশ্বৰ সবাতোকৈ পুৰণি গছৰ আখ্যা দিয়া হৈছে। টেক্সাছ চাইনেনচিচ নামৰ এই গছৰ প্ৰজাতিক সম্প্ৰতি বিলুপ্তপ্ৰায় বুলিও গৱেষকসকলে দাবী কৰিছে। চীনা ভাষাত গছজোপাৰ নাম হ’ল উই। এই গছজোপা আৱিষ্কাৰ হৈছে চীনৰ হুনান প্ৰদেশৰ দোংগান কাউণ্টিৰ ইয়ংঝাউ চহৰৰ নিকটৱৰ্তী চুনহুৱাংছান জংঘলত। বিপন্ন



প্ৰজাতিৰ গছজোপা এসময়ত প্ৰচুৰ পৰিমাণে পোৱা গৈছিল। কিন্তু গছজোপাত থকা কৰ্কট ৰোগ নিৰাময়ৰ ক্ষমতাৰ কথা পোহৰলৈ অহাৰ লগে লগে উই গছৰ বিপদ নামি আহে। তথাপি বিশ্বৰ সবাতোকৈ পুৰণি গছ হিচাপে আজিও সদম্ভে মূৰ দাঙি আছে সেই উই গছৰ প্ৰজাতিৰে এজোপা গছে। প্ৰায় ৩৫ মিটাৰ ওখ আৰু ২.২ মিটাৰ বহল গছজোপাক জংঘলৰ নিকটৱৰ্তী গাঁৱাসীয়ে প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি ৰক্ষণাবেক্ষণ দি আছে। মূল গছজোপাৰ দুকাষত গজি উঠিছে আৰু দুজোপা গছ। সম্প্ৰতি সমগ্ৰ বিশ্বত ২৫ লাখ এই প্ৰজাতিৰ গছ আছে। গছজোপা কেৱল উষ্ণ আৰু আৰ্দ্ৰ পৰিৱেশতহে বাঢ়িব পাৰে। আমাৰ চুবুৰীয়া ৰাজ্য অৰুণাচলতো উই গছ দেখা পোৱা যায়।

# লক্ষ্যত আত্মনিয়োগৰ উদাহৰণ



**মাত্ৰ** ১৪ বছৰ বয়সতে এজন দৃঢ়মনা কিশোৰে পিতৃ-মাতৃলৈ চিঠি লিখি জনালে যে তেওঁ ভৱিষ্যতে ইঞ্জিনীয়াৰ হ’ব খোজে। জাৰ্মানীত শিক্ষা সাং কৰাৰ পাছত সেই ছাত্ৰজনে অধিকাংশ সময় আৱিষ্কাৰৰ বাবে গৱেষণা আৰু ন ন প্ৰয়োগতে পাৰ কৰিবলৈ ল’লে। কৰ্মৰ প্ৰতি তেওঁৰ আত্মনিয়োগ দেখি সকলো আচৰিত হৈছিল। এদিন নিজৰ প্ৰয়োগশালাত কিবা এটা পৰীক্ষা কৰি থকা অৱস্থাত এটা ইঞ্জিনত ভয়ানক বিস্ফোৰণ ঘটিল। সেই বিস্ফোৰণত প্ৰয়োগশালা বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে অনেক গুৰুত্বপূৰ্ণ সামগ্ৰী জ্বলি ছাঁই হ’ল। তেওঁ নিজেও গুৰুতৰভাৱে আহত হ’ল আৰু বহুদিন হাস্পতালত পৰি থাকিবলগীয়া হ’ল। কিন্তু ইমান ডাঙৰ দুৰ্ঘটনাৰ পাছতো তেওঁ হতোদ্যম নহ’ল। বৰঞ্চ মনত দৃঢ়তাই বাহ ল’লে আৰু সুস্থ হৈ পোনেই প্ৰয়োগশালাত উপস্থিত হ’লগৈ। ইমান ডাঙৰ ঘটনাৰ পাছতো তেওঁৰ মুখত কোনো ধৰণৰ হতাশা বা বেদনাৰ চিন নাছিল। এইবাৰ তেওঁ নতুনকৈ অধিক উৎসাহেৰে কাম আৰম্ভ কৰিলে। মানুহে তেওঁৰ এনে যুঁজাৰু তথা প্ৰেৰণাদায়ক মানসিকতা দেখি তবধ মানিলে। এসময়ত তেওঁ কে’বাটাও সফল আৱিষ্কাৰ কৰিলে আৰু কে’বাটাও ভাপ ইঞ্জিনৰ আৰ্হি তৈয়াৰ কৰিলে। তেওঁৰ আৱিষ্কাৰবোৰৰ ভিতৰত উল্লেখনীয় আছিল ডিজেল ইঞ্জিন। সেই মহান ইঞ্জিনীয়াৰজনেই হ’ল ৰুড’ল্ফ ডিজেল। আজিৰ ডিজেল ইঞ্জিন ৰুড’ল্ফ ডিজেলৰ ইঞ্জিনৰে পৰিশোধিত আৰু উন্নত সংস্কৰণ। বহুতো আৱিষ্কাৰৰ প্ৰতি আত্মনিয়োগৰ ভাব আৰু হাৰ নমনা মানসিকতাৰ বাবে ৰুড’ল্ফ ডিজেল আজিও নৱপ্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ আছে।

# আটলাণ্টিক ব্লুফিন টুনা

**সাগৰৰ** মৎস্যকুলৰ ভিতৰত এবিধ বিশালাকাৰ মাছ হ’ল টুনা। এইবিধ বিশালকায় মাছৰ এক প্ৰজাতি হ’ল আটলাণ্টিক ব্লুফিন টুনা। এইবিধ মাছ একমাত্ৰ আটলাণ্টিক মহাসাগৰতহে পোৱা যায়। আনবোৰ টুনা মাছৰ প্ৰজাতিৰ দৰেই আটলাণ্টিক ব্লুফিন টুনাৰ মাংস অতি সুস্বাদু। ইয়াৰ উপৰি প্ৰচুৰ পৰিমাণৰ মাংস পোৱাৰ বাবেই এইবিধ মাছ অবৈধভাৱে চিকাৰ কৰাৰ মাত্ৰা অলপ বেছি। জাপানৰ মানুহে আটলাণ্টিক ব্লুফিন টুনা মাছ খাই বৰ ভাল পায়। সেইবাবেই মাছ ব্যৱসায়ীয়ে এইবিধ মাছ বেছিকৈ চিকাৰ কৰে। আটলাণ্টিক ব্লুফিন টুনাৰ শৰীৰৰ ওপৰৰ ভাগ গাঢ় নীলা ৰঙৰ আৰু তলৰ



ভাগ ধোঁৱা বৰণীয়া। এইবিধ মাছৰ গড় আকাৰ ৬.৫ ফুট আৰু ওজন ২৫০ কেজি। ২০১২ৰ জানুৱাৰীত এটা ২৬৯ কেজি ওজনৰ ব্লুফিন টুনা অভিলেখসংখ্যক ৭,৩৬ হেজাৰ ডলাৰত বিক্ৰী হৈছিল।



## পাৰপত্ৰৰ অসুবিধাৰ বাবে নিৰ্বাচিত হৈয়ো এছিয়ান বক্সিঙত অংশ লোৱাৰ পৰা বঞ্চিত ফাইলাঅ'

# ভাৰতীয় দলত অসমৰ শিৱ-লাভলীনা

**নতুন দিল্লী, ১৯ মে' ঃ** অসমৰ শিৱ থাপা আৰু লাভলীনা বৰগোঁহাইয়ে আসন্ন এছিয়ান বক্সিং প্ৰতিযোগিতাৰ বাবে ঘোষিত ভাৰতীয় দলত স্থান লাভ কৰিছে। উল্লেখ্য যে কৰ'নাৰ বাবে ভাৰতীয় নাগৰিকৰ বিদেশ যাত্ৰাত অহা প্ৰতিবন্ধকতাৰ মাজতে ভাৰতীয় বক্সিং সন্থাই সকলো সমস্যা সমাধান কৰি এতিয়া ডুবাইত হ'বলগা আসন্ন এছিয়ান বক্সিং প্ৰতিযোগিতালৈ ভাৰতৰ পুৰুষ-মহিলা দল প্ৰেৰণ কৰিবলৈ উদ্যোগ লৈছে। উল্লেখ্য যে অহা 24 মে'ৰ পৰা অনুষ্ঠিত হ'বলগা এছিয়ান বক্সিং প্ৰতিযোগিতাখন সামৰণি পৰিব পহিলা জুনত। মহিলাৰ এছিয়ান বক্সিং প্ৰতিযোগিতাখন পূৰ্বে গুৱাহাটীত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও কৰ'নাৰ বাবে প্ৰথমে সেয়া নতুন দিল্লীলৈ স্থানান্তৰ কৰে ভাৰতীয় বক্সিং সন্থাই। কিন্তু সম্প্ৰতি কৰ'নাৰ বাবে ভাৰতলৈ বিদেশৰ বিমান সেৱা বন্ধ কৰাত ডুবাইত আয়োজন কৰা হৈছে বুলি জনাই ভাৰতীয় বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাই। তেওঁ লগতে জনাই যে ভাৰতীয় মহিলা দলত অসমৰ ফাইলাঅ' বসুমতাৰীও আছিল যদিও পাৰপত্ৰৰ অসুবিধাৰ বাবে তেওঁৰ স্থানত এতিয়া দ্বিতীয় বাচনিৰ নগালেণ্ডৰ লালবুৱাটছাইহি (64 কেজি)য়ে খেলিব। উল্লেখ্য যে অসমৰ দুবাৰকৈ অলিম্পিক খেলা শিৱ থাপাই এছিয়ান বক্সিঙত 2013 ত সোণসহ এতিয়ালৈকে চাৰিটা পদক লাভ কৰিছে। আনহাতে, অসমৰ প্ৰথম মহিলাৰূপে অলিম্পিকলৈ যোগ্যতা অৰ্জনৰ গৌৰৱ লাভ কৰা লাভলীনাই 2017 ৰ এছিয়ান বক্সিঙত ব্ৰঞ্জ লাভ কৰিছিল। উল্লেখ্য যে ভাৰতীয় দলত স্থান পাইছে আসন্ন টকিঅ' অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰা ভাৰতৰ আটাইকেইজন পুৰুষ-মহিলা বক্সাৰে। তদুপৰি অলিম্পিকত নথকা ওজন শাখাত দেশৰ শীৰ্ষস্থানপ্ৰাপ্ত বক্সাৰে প্ৰতিদ্বণ্ডিতা কৰিব।







### ইউৰো কাপৰ দলত স্থান লাভ

## ছয় বছৰৰ পাছত ফ্ৰান্স দলত কৰিম বেনজেমা

**পেৰিছ, ১৯ মে' ঃ** সুদীৰ্ঘ ছয় বছৰৰ নিৰ্বাসনৰ পাছত ফ্ৰান্স ফুটবল দলত স্থান লাভ কৰিছে সুদক্ষ ষ্ট্ৰাইকাৰ কৰিম বেনজেমাই। উল্লেখ্য যে আসন্ন ইউৰো কাপৰ বাবে বিশ্ব চেম্পিয়ন ফ্ৰান্সৰ দলটো ঘোষণা কৰা হৈছে। ঘোষিত 26 জনীয়া দলত স্থান লাভ কৰিছে বেনজেমাই। উল্লেখ্য যে বেনজেমাই অন্তিমবাৰৰ বাবে 2015 ত ফ্ৰান্সৰ হৈ খেলিছিল। এটা ছেক্স বিতৰ্কৰ ৰেকৰ্ডিঙক লৈ সতীৰ্থক ব্লেকমেইল কৰা লগতে আৰক্ষীকো সমগ্ৰ ঘটনাত বিপথে পৰিচালিত কৰাৰ অপৰাধত ফ্ৰান্স ফুটবল ফেডাৰেছনে বেনজেমাক দলৰ পৰা বাদ দিছিল। যাৰবাবে 2016 ইউৰো কাপ আৰু 2018 ৰ ফিফা বিশ্বকাপত বেনজেমাই স্থান লাভ কৰা নাছিল ফ্ৰান্সৰ জাতীয় দলত। উল্লেখ্য যে তাৰকা ষ্ট্ৰাইকাৰ বেনজেমাই ফ্ৰান্স দলৰ হৈ এতিয়ালৈকে মুঠ 81 খন মেচ খেলি 27 টা গ'ল কৰিছে। ৰিয়াল মাদ্ৰিদৰ ষ্ট্ৰাইকাৰ বেনজেমাই চলিত ছিজনত মুঠ 29 টা গ'ল কৰি দুৰন্ত ফৰ্মত আছে। বেনজেমাৰ লগতে আসন্ন ইউৰো কাপৰ বাবে ঘোষিত বিশ্ব চেম্পিয়ন ফ্ৰান্সৰ দলত স্থান লাভ কৰিছে পি এছ জিৰ এমবাপ্পে, বাৰ্চিলোনাৰ গ্ৰিজমান আৰু ডাববেলে, বেয়াৰ্ণৰ ক'মান, ইউনাইটেডৰ প'গবা আৰু চেলছিৰ জিৰডে। উল্লেখ্য যে অহা 11 জুনৰ পৰা আৰম্ভ হ'ব ইউৰো কাপ ফুটবল। আনহাতে, জাৰ্মানীৰ বিৰুদ্ধে ফ্ৰান্সে প্ৰথম মেচ খেলিব 15 জুনত।

## ইউৰো কাপৰ জাৰ্মানী দললৈ নিৰ্বাচিত থমাছ মুলাৰ-হুমেলছ



**বাৰ্লিন, ১৯ মে' ঃ** জাৰ্মানীৰ বিশ্বকাপ বিজয়ী দলৰ দুই সদস্য থমাছ মুলাৰ আৰু হুমেলছক দুবছৰ বিৰতিৰ পাছত পুনৰ জাতীয় দললৈ নিৰ্বাচন কৰা হৈছে। উল্লেখ্য যে আসন্ন ইউৰো কাপ ফুটবলৰ বাবে ঘোষিত জাৰ্মানীৰ 26 জনীয়া দলত স্থান লাভ কৰিছে মুলাৰ আৰু হুমেলছে। আজি জাৰ্মানীৰ মেনেজাৰ জ'ৱাছিম ল'ৱে দলটো ঘোষণা কৰে। উল্লেখ্য যে 2014 ত জাৰ্মানীয়ে ব্ৰাজিলত অনুষ্ঠিত ফিফা বিশ্বকাপৰ খিতাপ লাভ কৰিছিল। থমাছ মুলাৰ আৰু হুমেলছ বিশ্বকাপ বিজয়ী দলৰ সদস্য আছিল। কিন্তু পৰবৰ্তী 2018 ৰ ৰাছিয়া ফিফা বিশ্বকাপত জাৰ্মানীৰ দুৰ্বল প্ৰদৰ্শনৰ বাবে জাতীয় দলৰ পৰা বাদ পৰিছিল থমাছ মুলাৰ আৰু হুমেলছ। এইবাৰ জাৰ্মান লীগত বেয়াৰ্ণ মিউনিখৰ হৈ খেলা মুলাৰে 18 টা গ'ল কৰাত সহায় কৰাৰ লগতে নিজে 11 টা গ'ল কৰে। উল্লেখ্য যে ইউৰো কাপত জাৰ্মানী গ্ৰুপ 'এফ'ত চেম্পিয়ন পৰ্তুগাল, হাংগেৰী আৰু বিশ্ব চেম্পিয়ন ফ্ৰান্সৰ লগত আছে।

## জেনেভা অপেনৰ পৰা বিদায় ল'লে ফেডেৰাৰে

**জেনেভা, ১৯ মে' ঃ** ৰ'জাৰ ফেডেৰাৰ চলিত জেনেভা অপেন টেনিছ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। স্পেইনৰ পাবলোই পৰাস্ত কৰে ছুইজাৰলেণ্ডৰ তাৰকা ৰ'জাৰ ফেডেৰাৰক। ব্যৱধান হ'ল 6-4, 4-6, 6-4¼ উল্লেখ্য যে আসন্ন দুখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডন আৰু ফ্ৰেন্স অপেনত ফেডেৰাৰে খেলিব নে নাই সেয়া এতিয়াও অনিশ্চিত। সাংবাদিককো এই বিষয়ে একো ব্যক্ত কৰা নাই ফেডেৰাৰে।



## কৰ'নাৰ বাবে বাতিল হ'ল এছিয়া কাপ টি-২০ ক্ৰিকেট



**কলম্বো, ১৯ মে' ঃ** কৰ'নাৰ বাবে এইবাৰো অনুষ্ঠিত নহয় এছিয়া কাপ টি-20 ক্ৰিকেট প্ৰতিযোগিতা। আজি শ্ৰীলংকা ক্ৰিকেট ব'ৰ্ডে এই কথা ঘোষণা কৰিছে। উল্লেখ্য যে এইবাৰ শ্ৰীলংকাত অনুষ্ঠিত হোৱাৰ কথা আছিল এছিয়া কাপ টি-20 ক্ৰিকেট প্ৰতিযোগিতা। কিন্তু কৰ'নাৰ বাবে প্ৰতিযোগিতাখন বাতিল কৰা হৈছে বুলি অৱগত কৰে শ্ৰীলংকা ক্ৰিকেট ব'ৰ্ডে। উল্লেখ্য যে যোৱাবছৰো একেই কাৰণতে অনুষ্ঠিত নহ'ল এছিয়া কাপ টি-20 ক্ৰিকেট প্ৰতিযোগিতা। পাকিস্তানত অনুষ্ঠিত হোৱাৰ কথা আছিল প্ৰতিযোগিতাখন।

### এছিয়ান বক্সিং প্ৰতিযোগিতা

## ডুবাইলৈ পূৰ্ণশক্তিৰে ৰাওনা হ'ব ভাৰতীয় দল





**নতুন দিল্লী, ১৯ মে' ঃ** ডুবাইত অনুষ্ঠিত হ'ব লগা আসন্ন এছিয়ান বক্সিং প্ৰতিযোগিতাত পূৰ্ণ শক্তিৰ ভাৰতীয় দলে অংশ ল'ব। উল্লেখ্য যে কৰ'নাৰ বাবে ভাৰতীয় নাগৰিকৰ বিদেশ যাত্ৰাত অহা প্ৰতিবন্ধকতাৰ মাজতে ভাৰতীয় বক্সিং সন্থাই সকলো সমস্যা সমাধান কৰি এতিয়া ডুবাইত হ'বলগা আসন্ন এছিয়ান বক্সিং প্ৰতিযোগিতালৈ ভাৰতৰ পুৰুষ-মহিলা দল প্ৰেৰণ কৰিবলৈ উদ্যোগ লৈছে। উল্লেখ্য যে অহা 24 মে'ৰ পৰা অনুষ্ঠিত হ'বলগা এছিয়ান বক্সিং প্ৰতিযোগিতাখন সামৰণি পৰিব পহিলা জুনত। ভাৰতীয় বক্সিং সন্থা আৰু ইউ এ ই বক্সিং সন্থাৰ যুটীয়া উদ্যোগত ডুবাইত অনুষ্ঠিত হ'ব এছিয়ান বক্সিং প্ৰতিযোগিতা। 'খেলুৱৈৰ স্বাৰ্থত ভাৰতীয় বক্সিং সন্থাই সদায়ে কষ্ট স্বীকাৰ কৰি কঠিন পৰিস্থিতিৰ মাজতো সকলো প্ৰত্যাহ্বান-সমস্যা সমাধান কৰি আহিছে। আমি ইউ এ ই চৰকাৰ, ভাৰতৰ উচ্চায়ুক্ত পৱন কাপুৰ আৰু এছিয়ান বক্সিঙৰ সভাপতি এনাছ আল'টাইবাৰ সহযোগত ডুবাইত অনুষ্ঠিত হ'বলগা এছিয়ান বক্সিং প্ৰতিযোগিতালৈ ভাৰতীয় দল প্ৰেৰণ কৰাত সফল হৈছো। অলিম্পিকৰ পূৰ্বে ভাৰতীয় বক্সাৰৰ বাবে এই প্ৰতিযোগিতা অতি গুৰুত্বপূৰ্ণ আছিল।' আজি এইদৰে ব্যক্ত কৰে ভাৰতীয় বক্সিং সন্থাৰ সভাপতি অজয় সিঙে। উল্লেখ্য যে ভাৰতীয় দলত স্থান পাইছে আসন্ন টকিঅ' অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰা ভাৰতৰ আটাইকেইজন পুৰুষ-মহিলা বক্সাৰে। তদুপৰি অলিম্পিকত নথকা ওজন শাখাত দেশৰ শীৰ্ষস্থানপ্ৰাপ্ত বক্সাৰে প্ৰতিদ্বণ্ডিতা কৰিব। ভাৰতীয় দলটো হ'ল - (পুৰুষ) ঃ বিনোদ তনৱাৰ (49 কেজি), অমিত পাংগল (52 কেজি), মহম্মদ হাছামুদ্দিন (56 কেজি), বৰীন্দৰ সিং (60 কেজি), বিকাশ কিষান ((69 কেজি), আশীষ কুমাৰ (75 কেজি), সুমিত ছাংৱান (81 কেজি), সঞ্জীত (91 কেজি), নৰেন্দ্ৰৰ (91 কেজি উৰ্ধ্ব),। মহিলা ঃ ম'নিকা (48 কেজি), এম চি মেৰীকম (51 কেজি), সাক্ষী (54 কেজি), জেছমিন (57 কেজি), সিমৰণজিত কৌড় (60 কেজি), লালবুৱাটছাইহি (64 কেজি), লাভলীনা বৰগোহাই (69 কেজি), পূজা ৰাণী (75 কেজি), স্বতি (81 কেজি) আৰু অনুপমা (81 কেজি উৰ্ধ্ব)। ভাৰতীয় দলটো 22 মে'ত উপস্থিত হ'ব ডুবাইত।

## দুদিনৰ ভিতৰতে লেইচেষ্টাৰৰ বিৰুদ্ধে প্ৰতিশোধ ল'লে চেলছিয়ে

**লণ্ডন, ১৯ মে' ঃ** দুদিনৰ ভিতৰতে লেইচেষ্টাৰ চিটীৰ বিৰুদ্ধে পৰাজয়ৰ প্ৰতিশোধ ল'লে চেলছিয়ে। উল্লেখ্য যে ইংলিছ প্ৰিমিয়াৰ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত চেলছিয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে লেইচেষ্টাৰ চিটীক। চেলছিৰ এই জয়ৰ মাদকতা অনন্য। কাৰণ দুদিন পূৰ্বে এফ এ কাপৰ ফাইনেলত চিলছি পৰাস্ত হৈছিল লেইচেষ্টাৰ চিটীৰ বিৰুদ্ধে। যোৱানিশাৰ জয়ৰ পাছত চেলছিয়ে প্ৰতিশোধ লোৱাৰ লগাতে পইণ্ট তালিকাৰ তৃতীয় স্থানলৈ উত্তৰণ কৰে। বিপৰীতে লেইচেষ্টাৰ অৱনমিত হয় চতুৰ্থ স্থানলৈ। উল্লেখ্য যে এফ এ কাপৰ ফাইনেলৰ পাছত যোৱানিশা পুনৰ মুখামুখি হয় চেলছি আৰু লেইচেষ্টাৰ চিটী। ইংলিছ প্ৰিমিয়াৰ লীগৰ এই মেচখন স্বাভাৱিকতে প্ৰতিশোধ লোৱা খেল আছিল। উল্লেখ্য যে লেইচেষ্টাৰ চিটীয়ে গৌৰৱময় ইতিহাস গঢ়ি পোন প্ৰথমবাৰৰ বাবে এফ এ কাপ ফুটবলৰ চেম্পিয়ন ট্ৰফী দখল কৰিছে। লণ্ডনৰ ঐতিয্যমণ্ডিত ৱেম্বলি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা খিতাপৰ যুঁজত চেলছিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায় লেইচেষ্টাৰ চিটীয়ে। ৰোমাঞ্চকৰ মেচখনত লেইচেষ্টাৰ চিটীয়ে 1-0 গ'লত চেলছিক পৰাস্ত কৰি গৌৰৱময় ইতিহাস গঢ়ি পোন প্ৰথমবাৰৰ বাবে এফ এ কাপ ফুটবলৰ চেম্পিয়নছ ট্ৰফী দখল কৰিবলৈ সক্ষম হয়। খেলৰ প্ৰথমাৰ্ধ গ'লশূন্যৰূপে সামৰণি পৰাৰ পাছত খেলৰ 63 মিনিটত চেলছিৰ হৈ বিজয়সুচক গ'লটো দিয়ে ইউৰি টিলেমানছে। বেলজিয়াম ষ্ট্ৰাইকাৰ ইউৰিৰ কৰ্ণাৰ কিকৰ চমকপ্ৰদ গ'লেৰে পাঁচবাৰৰ অপেক্ষাৰ পাছত লেইচেষ্টাৰ চিটীয়ে এইবাৰ এফ এ কাপ ফুটবলৰ চেম্পিয়ন ট্ৰফী দখল কৰিলে। বিপৰীতে ক্ৰমাগত দ্বিতীয়বাৰ ফাইনেল খেলাৰ পাছতো ট্ৰফী হাতত ল'বলৈ সক্ষম নহ'ল চেলছি। এতিয়া চেলছি আশাবাদী চেম্পিয়নছ লীগৰ খিতাপ জয়ৰ বাবে। উল্লেখ্য যে চেম্পিয়নছ লীগৰ ফাইনেলত চেলছিয়ে ইংলণ্ডৰে মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে খেলিব।



### দুবছৰ পাছত প্ৰত্যাবৰ্তন কৰিলে ৰাছেলে

## ঘৰৰ তিনিটা টি-২০ শৃংখলাৰ বাবে ৱেষ্ট ইণ্ডিজৰ দল ঘোষণা

**এণ্টিগুৱা, ১৯ মে' ঃ** অহা তিনি মাহত কেৰিবিয়ান ভূমিলৈ ক্ৰিকেট শৃংখলা খেলাৰ বাবে যাব তিনিটা দল। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ঘৰত মুখামুখি হ'ব দক্ষিণ আফ্ৰিকা, অষ্ট্ৰেলিয়া আৰু পাকিস্তান। আজি ৱেষ্ট ইণ্ডিজ ক্ৰিকেট ব'ৰ্ডে তিনিটা টি-20 শৃংখলাৰ বাবে দল ঘোষণা কৰিছে। দুবছৰ পাছত জাতীয় দললৈ প্ৰত্যাৱৰ্তন কৰিছে অলৰাউণ্ডাৰ আন্দ্ৰে ৰাছেলে। কাইৰণ পোলাৰ্ডৰ নেতৃত্বত ঘোষিত দলত স্থান লাভ কৰিছে অভিজ্ঞ ক্ৰিছ গেইল আৰু জেছন হ'ল্ডাৰো। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই দুখন টেষ্ট আৰু পাঁচখন টি-20 মেচ খেলিব ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। প্ৰথম টেষ্ট 10-14 জুনত আৰু দ্বিতীয় টেষ্ট 18-22 জুনত অনুষ্ঠিত হ'ব। আনহাতে, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখন টি-20 মেচ অহা 26 জুনৰ পৰা তিনি জুলাইলৈ অনুষ্ঠিত হ'ব। দক্ষিণ আফ্ৰিকাই কেৰিবিয়ান ভূমি ত্যাগ কৰাৰ পাছতে কেংগাৰু বাহিনীয়ে পদাৰ্পন কৰিব ৱেষ্ট ইণ্ডিজত। অষ্ট্ৰেলিয়াই তিনিখন এদিনীয়া আৰুপাঁচখন টি-20 মেচ খেলিব ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। ন পৰা 24 জুলাইলৈ চলিব অষ্ট্ৰেলিয়া-ৱেষ্ট ইণ্ডিজৰ ক্ৰিকেট শৃংখলা। ইফালে, জুলাইৰ শেষত পাকিস্তান দল যাব ৱেষ্ট ইণ্ডিজলৈ। এই ভ্ৰমণত পাকিস্তানে দুখন টেষ্ট আৰু পাঁচখন টি-20 মেচ খেলিব ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। 27 জুলাইৰ পৰা পাঁচখনীয়া টি-20 মেচৰ শৃংখলাটো আৰম্ভ হৈ সামৰণি পৰিব তিনি আগষ্টত। ইফালে, পাকিস্তান আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাটো 12-24 আগষ্টলৈ অনুষ্ঠিত হ'ব।



## চেম্পিয়নছ লীগৰ ফাইনেলৰ পূৰ্বে ব্যৰ্থতা ই পি এলৰ চেম্পিয়ন চিটীৰ

**লণ্ডন, ১৯ মে' ঃ** ইংলিছ প্ৰিমিয়াৰ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত মানচেষ্টাৰ চিটীয়ে 2-3 গ'লৰ ব্যৱধানত পৰাজয় স্বীকাৰ কৰে ব্ৰিঘটনৰ বিৰুদ্ধে। উল্লেখ্য যে খেলৰ 10 মিনিটতে চিটীৰ চানচেনাই ৰঙা কাৰ্ড পোৱাত খেলৰ পৰবৰ্তী 80 মিনিট দলে 10 জনৰে খেলে। উল্লেখ্য যে মানচেষ্টাৰ চিটীয়ে ইতিমধ্যে ই পি এলৰ খিতাপ জয় কৰাটো নিশ্চিত হৈছে। মানচেষ্টাৰ চিটীয়ে 37 খন মেচত 83 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। দ্বিতীয় স্থানত আছে মানচেষ্টাৰ ইউনাইটেড। দলে 37 খন মেচত 71 পইণ্ট লাভ কৰিছে। আনহাতে, তৃতীয় স্থানত আছে চেলছি। 37 খন মেচত 67 পইণ্ট লাভ কৰিছে চেলছিয়ে। লেইচেষ্টাৰ চিটীয়ে 37 খন মেচত 66 পইণ্ট লাভ কৰি চতুৰ্থ স্থানত আছে। উল্লেখ্য যে ই পি এলৰ তিনিখন মেচ খেলিবলৈ বাকী থাকোতেই ট্ৰফী শীৰত লোৱাটো নিশ্চিত কৰিছে মানচেষ্টাৰ চিটীয়ে। যোৱা চাৰিটা ছিজনত এয়া হ'ব মানচেষ্টাৰ চিটীৰ তৃতীয়টো ই পি এলৰ ট্ৰফী। চেম্পিয়নছ লীগৰ ফাইনেল খেলাৰ পূৰ্বেই ইংলিছ প্ৰিমিয়াৰ লীগত খিতাপ জয় নিশ্চিত হ'ল মানচেষ্টাৰ চিটীৰ। উল্লেখ্য যে চলিত মাহতে চেম্পিয়নছ লীগৰ খিতাপৰ বাবে চেলছিৰ বিৰুদ্ধে ফাইনেল খেলিব মানচেষ্টাৰ চিটীয়ে। কিন্তু ই পি এলৰ অন্তিম মেচত মানচেষ্টাৰ চিটীক 1-2 গ'লত পৰাস্ত কৰিছে চেলছিয়ে। চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন অহা 29 মে'ত লিছবনত অনুষ্ঠিত হ'ব। উল্লেখ্য যে ইয়াৰপূৰ্বে এফ এ কাপৰ ছেমিফাইনেলতো চেলছিয়ে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল মানচেষ্টাৰ চিটীক। গতিকে চেম্পিয়নছ লীগৰ খিতাপৰ যুঁজত যে চিটী চাপত থাকিব সেয়া নিশ্চিত। উল্লেখ্য যে ইয়াৰপূৰ্বে দুবাৰ দুটা ইংলণ্ডৰ দলে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে খেলিছিল। 2008 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত চেলছিয়ে খেলিছিল মানচেষ্টাৰ ইউনাইটেডৰ বিৰুদ্ধে। আনহাতে, 2012 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত লিভাৰপুলে খেলিছিল ট'টেনহামৰ বিৰুদ্ধে।



## অগ্ৰগতি লৈয়ো ড্ৰ খেলিলে মানচেষ্টাৰ ইউনাইটেডে



**লণ্ডন, ১৯ মে' ঃ** আসন্ন ইউৰোপা কাপ ফুটবলৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ ইউনাইটেড আৰু স্পেইনৰ ক্লাব ভিল্লা ৰিয়ালৰ বিৰুদ্ধে। মানচেষ্টাৰ ইউনাইটেড খিতাপৰ প্ৰবল দাবীদাৰ যদিও ইংলিছ প্ৰিমিয়াৰ লীগত হঠাতে দলে প্ৰদৰ্শনৰ ধাৰাবাহিকতা ৰক্ষা কৰাত ব্যৰ্থ হৈছে। যোৱানিশা দলে ফুলহামৰ লগত 1-1 গ'লত ড্ৰ খেলে। খেলৰ 15 মিনিটত ইউনাইটেডৰ হৈ কাভানিয়ে গ'ল কৰি দলক অগ্ৰগতি দিয়ে যদিও 76 মিনিটত ফুলহামৰ ব্ৰিয়ানে গ'ল কৰি মেচত সমতা স্থাপন কৰে। উল্লেখ্য যে ক্ৰমাগত দুখন মেচত পৰাস্ত হৈ চাপত আছিল মানচেষ্টাৰ ইউনাইটেড। উল্লেখ্য যে ঘৰুৱা অ'ল্ড ট্ৰাফৰ্ড ষ্টেডিয়ামতে ক্ৰমাগত দুখন মেচত পৰাজয়ৰ সন্মুখীন হৈছে মানচেষ্টাৰ ইউনাইটেড। বিগত বৰ্ষৰ চেম্পিয়ন লিভাৰপুলে মানচেষ্টাৰ ইউনাইটেডক 4-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰপূৰ্বে লেইচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মানচেষ্টাৰ ইউনাইটেডক। এই পৰাজয়ৰ পাছতে মানচেষ্টাৰ ইউনাইটেডৰ ই পি এলৰ খিতাপ জয়ৰ আশা সমাপ্ত হৈছিল। অৱশ্যে পৰাস্ত হোৱাৰ পাছতো পইণ্ট তালিকাত মানচেষ্টাৰ ইউনাইটেডৰ দ্বিতীয় স্থান অপৰিবৰ্তীত হৈ আছে। আনহাতে, দলে ইতিমধ্যে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখ্য যে অন্তিম মেচত মানচেষ্টাৰ ইউনাইটেডে 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল এষ্টন ভিলাক। এই জয়ৰে দলে পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উত্তৰণ কৰিছিল। স্মৰ্তব্য যে ইয়াৰপূৰ্বে মানচেষ্টাৰ ইউনাইটেডে ৰোমাৰ বিৰুদ্ধে চলিত ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত পৰাস্ত হোৱাৰ পাছতো ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত ইটালীৰ ক্লাব ৰোমাই 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে মানচেষ্টাৰ ইউনাইটেডক। কিন্তু ইয়াৰপূৰ্বে হোৱা ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডে সহজে পৰাস্ত কৰিছিল ৰোমাক। এখন একপক্ষীয় ছেমিফাইনেলত মানচেষ্টাৰ ইউনাইটেডে 6-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰোমাক। সেয়ে দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডে ৰোমাৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছতো সামগ্ৰিকভাৱে 8-5 গ'লৰ ব্যৱধানত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে ইংলণ্ডৰ ক্লাবটো।

## বিল্যসনন্দন চ'ৰা



# পজিটিভ হৈ থাকক

**পৰম** আনন্দৰ কথা— বৰ্তমান আমাৰ ষ্টেটত একোৰে অভাৱ নাই। নাই নাই, মুঠেই অভাৱ নাই। কৰ'নিষ্ট পেচেণ্টবোৰক হাস্পতালত খুৱাই-বোৱাই ৰাখিব পৰা নাই। যোৱাবাৰৰ দৰে এইবাৰ কৰ'নিষ্টবোৰক মাছে-মঙহে খুৱাব নোৱাৰিব পাৰে। ঘৰতে থাকি থাকি মৃত্যুকো ভয় নকৰা ছহিদৰ মৰ্যাদা পাবলৈ ৰখাই থ'ব পাৰে। তথাপি টকাৰ অভাৱ নাই। বি পজিটিভ।

নাই নাই, দিল্লীত বা বোম্বেত অক্সিজেন নাথাকিব পাৰে; কিন্তু আমাৰ ইয়াত অক্সিজেন এভেইলেবল। এটা চিলিণ্ডাৰ যদি কেনেবাকৈ খালী হয়, তাক লগে লগে নি গছ এডালৰ তলত পাতি থ'ব পাৰে। গছে কাৰ্বন-ডাই অক্সাইড ভিতৰলৈ নিয়ে। নিশ্বাসৰ অক্সিজেন এৰে। সোপাটো খুলি লৈ দিয়া চিলিণ্ডাৰত আপোনা-আপুনি অক্সিজেন সোমাই যাব। দিল্লী-বোম্বেত গছ নাথাকিব পাৰে; কিন্তু আমাৰ ষ্টেটত গছৰ অভাৱ নাই। বি পজিটিভ! পজিটিভ হৈ থাকক।

আৰু বিছনা! বেলেগ ষ্টেটত বিছনা নাথাকিব পাৰে; কিন্তু আমাৰ হাস্পতালত অলেখ বিছনা খালী হৈ পৰি আছে। কৰ'নিষ্টসকলতো বাদেই, তেৰাসৰৰ ভাইটি-ভণ্টীবোৰেও থাকিব পৰাকৈ বিছনা পৰি আছে। পেচেণ্টক ঘৰতে থাকিবলৈ দি হাস্পতালৰ বিছনাবোৰ খালী কৰি ৰখাটোতো কম ইণ্টেলিজেণ্টৰ কথা নহয়। গতিকে নো টেনচন? পজিটিভ হৈ থাকক। ভোট হৈ গ'ল। লাখে লাখে মানুহৰ ভিৰ হ'ল। তেতিয়া যদি কোনোৱে ডিষ্টেন্সিং ৰক্ষা কৰি চলিছে, তেন্তে তাক কোৱা হৈছিল আনছ'চিয়েল ডিষ্টেন্সিং। এচামিজসৰৰ কাৰণে এয়া পৰম আনন্দৰ কথা যে সেই সময়ত ভাইৰাছটো নাইকিয়া হৈ গৈছিল। মাস্ক-টাস্ক পিন্ধিবৰ দৰকাৰেই নোহোৱা হৈছিল। আমাৰ এচামিজসকল কিমান যে লাকী! সেই সময়ত ভাইৰাছটো আহিলে কোনে চম্ভালি ল'লেহেঁতেন। চম্ভালিবলৈ তেতিয়া দাদা-ভাইটিহঁতো নাই! আজি যেনেকৈ দোভাগ ৰাতিও ছ'চিয়েল ডিষ্টেন্সিং মানি ছ'চিয়েল ছাৰ্ভিচ কৰি আনছ'চিয়েল ভাইৰাছৰ বিৰুদ্ধে ছ'চিয়েল ফেশ্বন শ্ব' পাতি ছ'চিয়েল মিডিয়াত তুফান আনিব পৰা গৈছে, তেতিয়াতো আনিব পৰা নগ'লহেঁতেন। গতিকে চিন্তাৰ কোনো কাৰণ নাই। এনেয়েও পজিটিভিটীৰ ৰেট কমিছে। আপোনালোক অন্ততঃ পজিটিভ হৈ থাকক।

কি! কোনে কৈছে ভেক্সিন নাই বুলি? গুদামত পেকেটে পেকেটে ভেক্সিন পৰি আছে, বিস্কুট ফেক্টৰীত বিস্কুট পৰি থকাৰ নিচিনাকৈ; কিন্তু জধে-মধে দিয়া হোৱা নাই। অলপ চাই-চিতি দিয়া হৈছে। চাই-চিতি মানে ইয়াকে চোৱা হৈছে যে যাক ভেক্সিন দিয়া হৈছে, তেওঁৰ ভিতৰত কিমানখিনি এণ্টিবডি আছে আৰু কিমানখিনি এণ্টিমোদী আছে। যদি এণ্টিবডিতকৈ এণ্টিমোদীৰ পৰিমাণ বেছি দেখা গৈছে, তেন্তে তাক ছ'চিয়েল মিডিয়া পুলিচ (এছ এম পি) নামৰ নৱগঠিত সংস্থা (নিয়াৰ নিচিনা)ৰ হতুৱাই ভালকৈ ট্ৰিটমেণ্ট কৰি লোৱা হৈছে। এইবোৰ ঠিক-ঠাক কৰোতে অলপ টাইম লাগিব পাৰে।

কিন্তু চিন্তা নাই। চাৰিওফালে সুখেই সুখ! আনন্দই আনন্দ! গতিকে আজি বেছিভাগ এচামিজ মানুহেই পজিটিভ হ'বলৈ বাধ্য হৈছে। আই মিন ক'ভিড পজিটিভ!

---

মাকৰ বুকুৰ আশ্ৰয়েই ওমৰক নিৰাপত্তা দি ৰাখিলে। পাথৰৰ স্তুপৰ মাজত সৰু ভৰি দুখন লৰচৰ কৰা দেখি শিশুটিক উদ্ধাৰ কৰে উদ্ধাৰকাৰী দলে। অৱশ্যে শিশুটিৰ এখন ভৰিৰ তিনি স্থানৰ হাড় ভাগিছে। সম্প্ৰতি পিতৃৰ স'তে হাস্পতালতে আছে দেৱশিশুটি। শিশুটিক কোলাত সাৱটি বহি থকা আল হাদিদিৰ ফটো সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে।



# তোমাৰ বাদে মোৰ আৰু কোনোৱেই নাথাকিল

## গাজাত বাচি থকা একমাত্ৰ পাঁচমহীয়া সন্তানক সাৱটি হিয়াভঙা কান্দোন পিতৃৰ

■ নিউজ ব্যুৰ'

**গাজা, ১৯ মে' ঃ** ইজৰাইল আৰু পেলেস্তাইনৰ বিদ্ৰোহী সংগঠন হামাছৰ সংঘৰ্ষত ধ্বংসস্তুপত পৰিণত হৈ পৰিছে এখন সৰু চহৰ। ইটোৰ পাছত সিটোকৈ ৰকেট আক্ৰমণত উপকূলৱৰ্তী চহৰ গাজা এতিয়া প্ৰায় মৃত্যুপুৰীলৈ পৰ্যবসিত হৈছে। পোৰা বাৰুদৰ স'তে মিহলি হৈ পৰিছে শ শ মানুহৰ দগ্ধ ছালৰ গোন্ধ। এই ধ্বংসস্তুপৰ ইটা-কাঠ-পাথৰসমূহতে ৰচিত হৈছে ইটোৰ পাছত সিটোকৈ হৃদয়বিদাৰক কাহিনী। তেনে এক মৰ্মন্তুদ কাহিনীয়ে সম্প্ৰতি সামাজিক মাধ্যম ব্যৱহাৰকাৰীসকলৰ হিয়া গধুৰ কৰি তুলিছে। এখন হাস্পতালৰ বিছনাত শুই থকা নিজৰ শেষ সম্বলটিক সাৱটি হিয়া ভঙা কান্দোনত ভাঙি পৰা মহম্মদ আল হাদিদিৰ ঘটনাই পুনৰ দেখুৱাই দিলে যুদ্ধৰ নৃশংস বাস্তৱক।

ইজৰাইলে নিক্ষেপ কৰা ৰকেটত শেষ হ'ল তেওঁৰ পৰিয়াল। জুলি ছাই হ'ল আল হাদিদিৰ পত্নী আৰু তিনি শিশু সন্তান। এতিয়া তেওঁৰ একমাত্ৰ সঁহাৰি পাঁচ মহীয়া কনিষ্ঠ পুত্ৰ ওমৰ। দৈৱক্ৰমে সেই ধ্বংসলীলাৰ মাজতো প্ৰাণৰক্ষা পৰিছিল দেৱশিশুটিৰ। ঘটনাৰ সময়তে নিজৰ দুই হাতেৰে সাৱটি ধৰিছিল মাতৃয়ে। সেই অৱস্থাতেই মাতৃৰ মৃত্যু হয় যদিও মাকৰ বুকুৰ আশ্ৰয়েই ওমৰক নিৰাপত্তা দি ৰাখিলে। পাথৰৰ স্তুপৰ মাজত সৰু ভৰি দুখন লৰচৰ কৰা দেখি শিশুটিক উদ্ধাৰ কৰে উদ্ধাৰকাৰী দলে। অৱশ্যে শিশুটিৰ এখন ভৰিৰ তিনি স্থানৰ হাড় ভাগিছে। সম্প্ৰতি পিতৃৰ স'তে হাস্পতালতে আছে দেৱশিশুটি। শিশুটিক কোলাত সাৱটি বহি থকা আল হাদিদিৰ ফটো সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। ঘটনাৰ সন্দৰ্ভত আল হাদিদিয়ে কয়, 'মোৰ স'তে আৰু কোনোৱেই নাথাকিল। এতিয়া শেষ সম্বল ওমৰ। কিন্তু আমিও আৰু বেছিদিন ইয়াত নাথাকিম। অতি শীঘ্ৰেই ওপৰলৈ গৈ পৰিয়ালৰ সকলোৰে স'তে মিলিত হ'ম।' এই কথা কোৱাৰ সময়ত তেওঁৰ শোকে বুকুত খুন্দা মাৰি ধৰিছিল। চকুৰ কোণেৰে অনৰ্গলভাৱে নিগৰি আছিল চকুলো। আনহাতে, দেৱশিশুটিয়ে সৰু চকুহালিৰে পিতৃৰ মুখলৈ চাই কেৱল হাঁহিছিল। যেন ক'তো কোনো ধ্বংস নাই, মৃত্যু নাই। উল্লেখ্য যে ঈদৰ পাছদিনাই আল হাদিদিয়ে নিজৰ পৰিয়ালক হেৰুৱায়। সেইদিনাৰ ঘটনাৰ বৰ্ণনা দিয়াৰ সময়ত সেই ভয়ানক স্মৃতি ৰোমন্থন কৰি কঁপি উঠিছিল তেওঁ। আল হাদিদিয়ে কয়, 'ঈদৰ নতুন পোছাক পৰিধান কৰি পত্নীৰ স'তে মাহীয়েকৰ গৃহলৈ গৈছিল আমাৰ চাৰি সন্তান। গাজা চহৰৰ বাহিৰৰ শাটি শৰণাৰ্থী শিবিৰত সেই নিশা কটাইছিল তেওঁলোকে। অনেক অনুৰোধৰ পাছত অনুমতি দিছিলো। পুৱতি নিশা প্ৰায় তিনি বজাত ভয়ানক শব্দত টোপনি ভাঙি গ'ল। প্ৰতিবেশীসকলে জনালে যে ৰকেটৰ আক্ৰমণত মোৰ আত্মীয়ৰ ঘৰ গুড়ি হৈ পৰিছে। লগে লগে দৌৰি গৈ দেখিলো, সকলো শেষ হৈ পৰিছে। সমগ্ৰ অঞ্চলটো প্ৰায় মুকলি পথাৰত পৰিণত হৈছিল। ধ্বংসস্তুপৰ মাজত সিঁচৰতি হৈ আছিল দেহৰ অৱশিষ্টসমূহ। তাৰ মাজৰ পৰাই ওমৰক বিচাৰি পাইছিলো।' অৱশ্যে এতিয়া কেৱল আল হাদিদিয়েই নহয়, সমগ্ৰ গাজাতে এতিয়া দেখা গৈছে বহুসংখ্যক হতভগীয়া পৰিয়ালক। নিজৰ প্ৰিয়জনক হেৰুৱাই এইসকলেও এতিয়া নিঃশব্দে অপেক্ষা কৰিছে নিজৰ মৃত্যুৰ মুহূৰ্তলৈ।

---

### প্লাজমাৰ লগতে এইবোৰৰ বাবেও হৈছিল হাহাকাৰ

# বাতিলৰ তালিকাত কৰ'নাৰ বহু প্ৰাথমিক ঔষধ



■ নিউজ ব্যুৰ'

**কলকাতা, ১৯ মে' ঃ** ক'ভিড সংক্ৰমণৰ পৰা বাচিবলৈ প্ৰতিষেধকেই একমাত্ৰ পথ। অথচ প্ৰতিষেধক অহাৰ আগলৈকে নানা ধৰণে ক'ভিডৰ চিকিৎসা কৰা হৈছিল। বিশেষকৈ হঠাৎ আহি ওলোৱা এইবিধ ভাইৰাছৰ বাবে চিকিৎসা বিজ্ঞানো কিছু অসহায় হৈছিল। অৱশ্যে তৎকালীনভাৱে চিকিৎসকে আৰম্ভ কৰিছিল ভাইৰাছৰ সংক্ৰমণৰ ফলত মানুহৰ শৰীৰত হোৱা ৰোগ অনুসৰি ঔষধ দিবলৈ। অৰ্থাৎ কাহ, জ্বৰ, চৰ্দি আদিৰ বাবে পূৰ্বে প্ৰয়োগ কৰা ঔষধৰ দ্বাৰাই ক'ভিড প্ৰতিৰোধৰ প্ৰচেষ্টা চলোৱা হৈছিল। এতিয়াও কোনো লোক কৰ'নাত আক্ৰান্ত হ'লে তেওঁক নানা ধৰণৰ ঔষধ দিয়া হয়। কিয়নো এতিয়াও ওলোৱা নাই ক'ভিডৰ নিৰ্দিষ্ট ঔষধ। অথচ আৰম্ভণিৰে পৰা কৰ'নাৰ চিকিৎসাত যি যি পদ্ধতি বা ঔষধ প্ৰয়োগ কৰা হৈছিল, ইয়াৰ বহুখিনি এতিয়া সোমাই পৰিছে বাতিলৰ তালিকাত। চৰকাৰীভাৱে বাতিল কৰা এই ঔষধ আৰু পদ্ধতিসমূহ বাৰু কি কি?

মেলেৰিয়াত ব্যৱহৃত ঔষধ হাইড্ৰ'ক্সিক্ল'ৰ'কুইন প্ৰাথমিক পৰ্যায়ত কৰ'নাৰ চিকিৎসাত বহুলভাৱে ব্যৱহৃত হয়। অৱশ্যে পৰৱৰ্তী একাধিক গৱেষণাত দেখা গ'ল যে ক'ভিডৰ জীৱাণুৰ স'তে যুদ্ধ কৰাত এই হাইড্ৰ'ক্সিক্ল'ৰ'কুইনৰ বিশেষ কোনো ভূমিকা নাই। প্ৰথম অৱস্থাত পৰজীৱীৰ সংক্ৰমণ ৰোধৰ বাবে ব্যৱহৃত আইভাৰমেক্টিন ঔষধো ব্যাপক ৰূপত কৰ'না ৰোগীক প্ৰদান কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত দেখা গ'ল যে এই ঔষধৰ সীমাবদ্ধতা আছে। কেৱল সেয়া নহয়, ইয়াৰ প্ৰয়োগত কিছু ক্ষেত্ৰত ক্ষতিও হ'ব পাৰে। ফলত বহু চিকিৎসকেই এতিয়া এই ঔষধ প্ৰয়োগ কৰিব নিবিচাৰে।

ল'পিনাভিৰ, ৰিট'নাভিৰ আদি হৈছে ভাইৰাছৰ মোকাবিলা কৰা ঔষধ। কৰ'নাৰ তাণ্ডৱৰ প্ৰথম অৱস্থাত এইবোৰ ঔষধো বিভিন্ন স্থানত ৰোগীক দিয়া হৈছিল। কিন্তু ইয়াৰ ফলত মৃত্যুৰ হাৰ নকমাত শেষ পৰ্যন্ত এইবোৰ ঔষধ বাতিল কৰা হয়। নিজগৃহতে কৰ'নাৰ চিকিৎসা অব্যাহত ৰখা ৰোগীসকলক এজিথ্ৰ'মাইচিন এণ্টিবায়'টিক ব্যাপকভাৱে সেৱন কৰিবলৈ দিয়া হৈছিল। অৱশ্যে দেখা গ'ল যে ইয়াৰ প্ৰয়োগত ভাইৰাছৰ প্ৰকোপ বিশেষ হ্ৰাস নাপায়। ফলত বহু চিকিৎসকেই এইবোৰ এণ্টিবায়'টিকক বাতিলৰ তালিকালৈ দলিয়াই দিছে। শেহতীয়াকৈ কেন্দ্ৰই বাতিল কৰিলে প্লাজমা থেৰাপী। অথচ কিছুদিনৰ আগলৈকে সুস্থ হোৱা ৰোগীৰ পৰা প্লাজমা বিচাৰি হাহাকাৰ লাগি আছিল।প্ৰথম অৱস্থাত প্লাজমা থেৰাপীক কৰ'না চিকিৎসাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অস্ত্ৰৰূপে গণ্য কৰা হৈছিল। প্লাজমা বিচৰা আবেদনেৰে ভৰি পৰিছিল সামাজিক মাধ্যম। অৱশ্যে পাছত দেখা গ'ল যে আক্ৰান্ত লোকক সুস্থ হৈ উঠা ৰোগীৰ প্লাজমা দিলেও বিশেষ একো লাভ হোৱা নাই। লগতে যিদৰে প্লাজমা দিয়া-লোৱাৰ কথা কোৱা হৈছিল, সেয়াও বিশেষ বিজ্ঞানসন্মত নহয়। ফলত ইয়াকো বাতিল কৰা হয়।

---

### নাছাৰ শক্তিশালী কেমেৰাৰ ফটোত ওলাল বহু অজান তথ্য



ফষ্টাৰে দাবী কৰিছিল যে বৃহস্পতিক ঘেৰি থকা পৰিৱেশত ঘনীভূত হোৱা মেঘে ধোঁৱাৰ আকাৰ লৈ ক্ৰমাৎ ওপৰৰ দিশে উঠি গৈ থকা তেওঁ প্ৰত্যক্ষ কৰিছে। বৃহস্পতিৰ সেই অংশটো 'ছাউথ টেম্পাৰেণ্ট বেলটি' নামেৰে পৰিচিত।

# বৃহস্পতিৰ আকাশৰ পুঞ্জীভূত মেঘৰ নামকৰণ আৱিষ্কাৰকৰ নামত

■ নিউজ ব্যুৰ'

**ৱাশ্বিংটন, ১৯ মে' ঃ** পুঞ্জীভূত মেঘৰ শাৰী। গুৰুগ্ৰহ বৃহস্পতিৰ এক বিশাল অঞ্চলজুৰি বিস্তৃতভাৱে জমা হৈ আছে মেঘৰ বিশাল খণ্ড। সেই কথা আগতেই জনাইছিল দক্ষিণ আফ্ৰিকাৰ এজন মহাকাশবিজ্ঞানীয়ে। ক্লাইড ফ'ষ্টাৰ নামৰ সেই মহাকাশচাৰীজনৰ দাবী যে সঁচা আছিল, তাৰেউ প্ৰমাণ দিলে নাছাৰ 'জুনো' নামৰ শক্তিশালী টেলিস্কোপৰ কেমেৰাৰে তোলা ফটোৱে। যোৱা ১৫ মে'ত তোলা সেই ফটোসমূহ দেখাৰ পাছতে আপ্লুত হৈ পৰা বিজ্ঞানীসকলে বৃহস্পতিৰ সেই অংশৰ নামকৰণ কৰিলে ক্লাইডৰ নামতে। পুঞ্জীভূত মেঘসমৃদ্ধ বৃহস্পতিৰ উক্ত সংঘৰ নাম ৰখা হৈছে 'ক্লাইডছ্ স্পট'। নাছাৰ তৰফৰ পৰা বিবৃতি যোগে এই কথা জনাইছে। ফলত সম্প্ৰতি বৃহস্পতি সংক্ৰান্তীয় গৱেষণাত অতিশয় গুৰুত্বপূৰ্ণ হৈ পৰিল মহাকাশবিজ্ঞানী ফষ্টাৰ।

উল্লেখ্য যে প্ৰায় এবছৰৰ পূৰ্বে নিজৰ মাত্ৰ ১৪ ইঞ্চিৰ টেলিস্কোপ দিয়েই ফষ্টাৰে বৃহস্পতিৰ সেই দৃশ্য প্ৰত্যক্ষ কৰিছিল। ফষ্টাৰে দাবী কৰিছিল যে বৃহস্পতিক ঘেৰি থকা পৰিৱেশত ঘনীভূত হোৱা মেঘে ধোঁৱাৰ আকাৰ লৈ ক্ৰমাৎ ওপৰৰ দিশে উঠি গৈ থকা তেওঁ প্ৰত্যক্ষ কৰিছে। বৃহস্পতিৰ সেই অংশটো 'ছাউথ টেম্পাৰেণ্ট বেলটি' নামেৰে পৰিচিত। নাছাৰ 'জুনো'ৰ দ্বাৰা প্ৰেৰণ কৰা ফটো নিৰীক্ষণ কৰি বিজ্ঞানীসকলে বুজিব পাৰিছে যেসৰু টেলিস্কোপকত ক্লাইডৰ পৰ্যবেক্ষণ অভ্ৰান্ত হ'লেও তেওঁ অতি ক্ষুদ্ৰ পৰিসৰতহে সেয়া দেখিছিল। অৱশ্যে সেই টেলিস্কোপতো যে নিৰীক্ষণ ইমান নিখুঁত হ'ব পাৰে, সেই দক্ষতাক সন্মান জনায়ে ক্লআডিৰ নামত নামাংকিত হ'ল বৃহস্পতি গ্ৰহৰ সেই অংশ।

নাছাই জনাইছে যে বৃহস্পতিৰ 'গ্ৰেট ৰেড স্পট' অংশৰ ওপৰত এই মেঘ দেখা গৈছে। এই অংশটোৱেই পৃথৱীৰ কমেও ১.৩ গুণ। অৱশ্যে এই মেঘাচ্ছন্ন অৱস্থা অতি ক্ষণস্থায়ী। আনকি বৃহস্পতিৰ বতৰৰ যিকোনো পৰিৱেশেই বেছিক্ষণৰ বাবে সৃষ্টি নহয়। জুনোৱে প্ৰেৰণ কৰা ফটোসমূহ ভালদৰে বিশ্লেষণ কৰি এই তথ্য লাভ কৰিছে নাছাৰ অভিজ্ঞ বিজ্ঞানীসকলে। দক্ষিণ আফ্ৰিকাৰ মহাকাশ বিজ্ঞানীৰ ক্লাইডৰ দৃষ্টিগোচৰ হৈছিল যে নতুনকৈ কোনো দাগ বৃহস্পতিৰ বুকুত সৃষ্টি হৈছে। মিথেন গেছ ঘনীভূত হ'লে যেন দাগ হয়, তাৰ স'তে বহু মিল থকা বুলিও ক্লাইডে ধাৰণা কৰিছিল। অৱশ্যে কিছুক্ষণৰ পাছতে সেই দাগ উধাও হয়। এইবাৰ জুনোৰ মাধ্যমেৰে সেই অন্তৰ্ধান হোৱাৰ ৰহস্যটোকে ভেদ কৰিলে নাছাৰ বিজ্ঞানীয়ে। বৃহস্পতিৰ আকাশৰ ধুমুহাৰ সৃষ্টি হ'লে তাৰ বিস্তাৰ কমেও ৩২০ কিলোমিটাৰলৈ হ'ব পাৰে। অৱশ্যে পুঞ্জীভূত মেঘ দ্ৰুতগতিৰে আঁতৰি যায়। সেয়ে সকলোবোৰ অতি ক্ষণস্থায়ী। জুনোৰ মাধ্যমেৰে বৃহস্পতিৰ সন্দৰ্ভত এনে অনেক অজান তথ্যই সম্প্ৰতি পোহৰলৈ আহিছে।

---

## খবৰৈ ল'বলৈ আহৰি নাই মন্ত্ৰী পাটোৱাৰী-ক্ৰীড়া সংঘ কৰ্তৃপক্ষৰ



# মাংস কাটি-দিন হাজিৰা কৰি পৰিয়াল চলাইছে ৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ দ্বিজেন বৰ্মনে

বিশেষ সংবাদদাতা

**নলবাৰী, ১৯ মে' ঃ** পূৰ্ণগতিত চলি আছে চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ ডেৰ-দুই কোটি টকা ব্যয় সাপেক্ষ ষ্টেডিয়াম নিৰ্মাণৰ কাম। অসমৰ ক্ৰীড়া ক্ষেত্ৰৰ এক অন্যতম সংস্থা হিচাপে চৰ্চিত নলবাৰীৰ ধৰ্মপুৰৰ চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ জন্মলগ্নৰে পৰা ইয়াৰ উন্নয়নত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে সংশ্লিষ্ট বিধায়ক তথা অসম চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। মন্ত্ৰী পাটোৱাৰীৰ পৃষ্ঠপোষকতাত সংঘৰ ষ্টেডিয়াম নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পথত। ইয়াকে লৈ মন্ত্ৰী পাটোৱাৰীৰ লগতে ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰত শেহতীয়াভাৱে পুনৰ চৰ্চালৈ আহিছে চামতা আঞ্চলিক ক্ৰীড়া সংঘ। কিন্তু এনে এক গৌৰৱময় চৰ্চা চলি থকাৰ মাজতে শেহতীয়াভাৱে পোহৰলৈ আহিছে একেটা ক্ৰীড়া সংঘৰ প্ৰাক্তন খেলুৱৈৰ দুৰ্দশাগ্ৰস্ত জীৱনৰ কথা। এই খেলুৱৈজন হ'ল পশ্চিম চামতাৰ দ্বিজেন বৰ্মন। এসময়ত চামতা আঞ্চলিক ক্ৰীড়া সংঘক প্ৰতিনিধিত্ব কৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল খেলুৱৈ হিচাপে পৰিচিত হৈ পৰাৰ লগতে ক্ৰীড়া সংঘৰ গৌৰৱময় সাফল্যতো ভূমিকা লৈছিল যদিও এতিয়া তেওঁৰ খবৰ ল'বলৈ আহৰি নাই মন্ত্ৰী পাটোৱাৰী বা সংঘ কৰ্তৃপক্ষৰ। যাৰ ফলত আনৰ দোকানত মাংস কাটি, দিন হাজিৰা কৰি পৰিয়াল চলাব লগা হৈছে খেলুৱৈজনে। খেলুৱৈজনে দুখ প্ৰকাশ কৰি কয় যে নিজ জিলাখনৰ উপৰি অসমৰ হৈ প্ৰতিনিধিত্ব কৰি বিহাৰ, কলকাতা আৰু মহাৰাষ্ট্ৰতো খেল খেলি তেওঁ সুনাম কঢ়িয়াইছিল। তদুপৰি ভিন্ন প্ৰান্তত বিভিন্ন টুৰ্ণামেণ্টত অংশ লোৱাৰ লগতে ১৯৮৮, ১৯৯০ আৰু ১৯৯২ত ৰাষ্ট্ৰীয় পৰ্যায়ত খেল খেলিছিল। খেলুৱৈ বৰ্মনে প্ৰকাশ কৰা মতে, খেল খেলি থকা অৱস্থাত ক্ৰীড়া দৰ্শকৰ লগতে ক্ৰীড়া সংঘৰ বাবেও জৰুৰী হৈ আছিল যদিও ক্ৰীড়া ক্ষেত্ৰৰ পৰা অব্যাহতি লোৱাৰ পাছৰে পৰা তেওঁৰ খবৰ ৰাখিবলৈ আহৰি নোহোৱা হ'ল কাৰোৱেই। আনকি ক্ৰীড়া সংঘৰ পিতামহস্বৰূপ মন্ত্ৰী পাটোৱাৰীৰ ওচৰলৈ তাঁত বাটি কাঢ়ি থাকিও এটা নিম্ন পৰ্যায়ৰ চাকৰি বা চৰকাৰী সুবিধা পাবলৈ সক্ষম নহ'ল। তাতকৈ ডাঙৰ কথা এই পৰ্যন্ত থাকিবলৈ এটা ঘৰ নাই খেলুৱৈজনৰ। যাৰ বাবে খেলুৱৈজনে আৰ্থিক অনাটনত উপায়ান্তৰ হৈ আনৰ দোকানত মাংস কাটি, দিন হাজিৰা কৰি পুত্ৰ-পত্নীসহ পৰিয়াল চলাবলৈ বাধ্য হৈ পৰিছে। ইপিনে, ধৰ্মপুৰ সমষ্টিৰ এজন প্ৰভাৱশালী মন্ত্ৰী থকাৰ পাছতো ৰাষ্ট্ৰীয় খেলুৱৈজনৰ এনে ছবিয়ে হতচকিত কৰি তুলিছে সচেতন মহলক। উল্লেখ্য যে যিজন মন্ত্ৰীৰ পৃষ্ঠপোষকতাত চামতা আঞ্চলিক ক্ৰীড়া সংঘই অসমৰ ক্ৰীড়াক্ষেত্ৰত বিশেষ চৰ্চা লাভ কৰিবলৈ সক্ষম হৈছে সেইজন মন্ত্ৰীৰ সমষ্টি আৰু সেই একেটা আঞ্চলিক ক্ৰীড়া সংঘৰ প্ৰাক্তন খেলুৱৈ এজনৰে যদি এনে অৱস্থা হয় তেনেহ'লে তেনে সংস্থাৰ কোটি টকা ব্যয় সাপেক্ষ ষ্টেডিয়ামে খেলুৱৈক উপকৃত কৰিব পাৰিবনে সেয়া লক্ষ্যণীয় হ'ব। প্ৰণিধানযোগ্য যে কঠোৰ জীৱন সংগ্ৰামৰ মাজতো খেলুৱৈজনে সময়-সুবিধা অনুসৰি স্থানীয়ভাৱে সৰু ল'ৰা-ছোৱালী একাংশক পাৰিশ্ৰমিক নোলোৱাকৈ প্ৰশিক্ষণ দি অহা বুলি স্থানীয় ৰাইজে খেলুৱৈজনক প্ৰশংসা কৰিছে।



---

## বান প্ৰস্তুতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

# বানাক্ৰান্তক তাৎক্ষণিকভাৱে সাহায্য প্ৰদানৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ

**গুৱাহাটী, ১৯ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি আগন্তুক বাৰিষা কালৰ বাবে বিভাগে লোৱা প্ৰস্তুতিৰ বিতং বুজ লয়।

জিলা প্ৰশাসনসমূহে বানাক্ৰান্তসকলৰ বাবে কাপোৰ-কানি, বাচন-বৰ্তন তথা অন্যান্য দৰকাৰী সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত পুঁজি আৱণ্টনৰ বিলম্বতাৰ দিশটো উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বানাক্ৰান্তসকলৰ বাবে এই পুঁজি আৱণ্টন যাতে খৰতকীয়াকৈ হয় তাৰ বাবে জিলা উপায়ুক্তসকলৰ ওপৰত এই দায়িত্ব অৰ্পণ কৰাৰ নিৰ্দেশ দিয়ে, বৈঠকত মুখ্যমন্ত্ৰীয়ে আশ্ৰয় শিবিৰৰ সংজ্ঞাৰ পৰিসৰ বৃদ্ধিৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে যাতে আশ্ৰয় শিবিৰৰ আৱাসীসকলকে ধৰি বান ক্ষতিগ্ৰস্ত সকলো লোকক হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভুক্ত কৰি সাহায্য আগবঢ়াব পৰা যায়। বানপানীৰ ক্ষয়-ক্ষতিৰ মূল্যায়ন আৰু ক্ষতিপূৰণ সম্বন্ধীয় সকলো কাম-কাজ সন্দৰ্ভত চক্ৰ বিষয়াক ন'ডেল বিষয়া হিচাপে লৈ এক ছিংগল উইণ্ড' ব্যৱস্থাৰ জৰিয়তে কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে বিভিন্ন বিভাগ তথা সংস্থা জড়িত হৈ থাকিলে হিতাধিকাৰীসকললৈ পুঁজি আৱণ্টনৰ প্ৰক্ৰিয়া বিলম্ব হয়।



বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে এছ ডি আৰ এফৰ অধীনত সকলো জৰুৰী প্ৰকল্পৰ কাম এটা বিত্তীয় বৰ্ষৰ ভিতৰতে সম্পূৰ্ণ কৰিব লাগিব। দুটাকৈ বিত্তীয় বৰ্ষ অতিক্ৰম কৰা এছ ডি আৰ এফৰ অধীনৰ সকলো জৰুৰী প্ৰকল্পৰ কাম বন্ধ কৰি আৱণ্টিত ঠিকাসমূহ বন্ধ কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। এতিয়াৰ পৰা প্ৰতি বছৰৰ ৩১ মাৰ্চৰ ভিতৰতে এনে প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাৰ বাবে স্থায়ী নিৰ্দেশনা প্ৰদান কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে সৰ্বোচ্চসংখ্যক হিতাধিকাৰীক সাহায্য প্ৰদানৰ দিশত বিলম্ব নকৰি স্বচ্ছতা বজাই ৰাখি কাম কৰাটো বিভাগ আৰু জিলা প্ৰশাসনৰ মূল দায়িত্ব হ'ব লাগিব। আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে তাৰ্পোলিন আৰু ঔষধ ইত্যাদি উপায়ুক্তসকলে আগতীয়াকৈ ক্ৰয় কৰাৰ নিৰ্দেশ জাৰি কৰিবলৈ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে পুঁজিৰ যাতে যথাযথ ব্যৱহাৰ সম্ভৱ হয় তাৰ বাবে প্ৰকৃত বানাক্ৰান্ত অঞ্চল চিনাক্তকৰণৰ বাবে ছেটেলাইট মেপিং মেকানিজিমৰ স'তে বিভাগক ডাটাৰ সাদৃশ্যকৰণৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে। বানৰ ক্ষয়-ক্ষতি হ্ৰাস তথা সাহায্য যাতে বিলম্ব নকৰাকৈ প্ৰদান কৰিব পৰা যায় তাৰ বাবে বান প্ৰতিৰোধী ব্যৱস্থাসমূহ বাৰিষাৰ আগতে সক্ৰিয়ভাৱে কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া জি ডি ত্ৰিপাঠীকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com